
# সূত্ৰধাৰ

১৬–৩০ চেপ্তেম্বৰ, ১৯৯২ ▫ সাত টকা

## এইদছ




মস্কোত ছবছৰ

ৰেগিং আৰু যুৱ-মানস

---

# সূত্ৰধাৰ


চতুৰ্থ বছৰ, সপ্তদশ সংখ্যা
১৬–৩০ চেপ্তেম্বৰ, ১৯৯২
VOL. IV No. 17
16-30 September, 1992



সম্পাদক (অবৈতনিক)
হোমেন বৰগোহাঞি
সম্পাদনা সহকাৰী
মালবিকা পাঠক
কলা নিৰ্দেশক
চম্পক বৰবৰা
কাৰ্যাধ্যক্ষ
অনিল কুমাৰ গগৈ
অংগ সজ্জা
মোহন নাথ



পূৰবী প্ৰকাশন প্ৰাইভেট লিমিটেডৰ হৈ অনিল কুমাৰ গগৈৰ দ্বাৰা ইষ্টাৰ্ণ প্ৰেছ এণ্ড পাব্লিকেশ্যনচ প্ৰাঃ লিঃ-ত মুদ্ৰিত আৰু মনজেৰা হাউচ, মতিলাল নেহৰু ৰোড, পানবজাৰ, গুৱাহাটী-১-ৰ পৰা প্ৰকাশিত ▫ ফোন: ৪৪৮৫৪, ৩৩৬১৮

**Calcutta :-**
Mr. Gautam Sengupta.
7/1C Lindsay Street. (1st Floor)
Calcutta-700087
Ph. 449363, 448574

**Delhi :-**
Mr. Ranaji Sen.
B-51, Soami Nagar.
New Delhi-110017
Ph. 642, 8608


## বিষয়-সূচী


প্ৰচ্ছদ নিবন্ধ

**এইদছ**

এক অৰোধ্য ভাইৰেল সন্ত্ৰাস ▫ ডাঃ ৰণেন পাঠক ৮

**বিশেষ নিবন্ধ**

ছবছৰীয়া মস্কোৰ জীৱন ঃ কেইটিমান চিন্তা ▫ কানাই গগৈ ১৫

**বিশ্ববিদ্যালয়ৰ বাতৰি**

বিশ্ববিদ্যালয়ৰ চৌহদত অৰাজক পৰিস্থিতি ▫ মালবিকা পাঠক ২০

**শিক্ষা**

যুৱ মানস – ৰেগিং আৰু ছাত্ৰ সমাজ ▫ ধীৰেন বৰুৱা ২২

**জীৱন**

কোনে কয় মই অকলশৰীয়া ▫ ডালিমী চলিহা ২৩

**আলোচনা**

কিশোৰ সাহিত্য ঃ কিছু প্ৰাসংগিক চিন্তা ▫ ভাৰতী বৰুৱা ২৪

**বন্য জীৱন**

অস্তিত্বৰ সংকট ঃ অসমৰ গড় ▫ ভূপেন্দ্ৰ নাথ তালুকদাৰ ২৬

**সংস্কৃতি**

ৰূপকথা সম্পৰ্কে যৎকিঞ্চিৎ ▫ প্ৰসেনজিৎ চৌধুৰী ৩০

**বিজ্ঞান**

পৰাগৰেণুবিজ্ঞান আৰু ইয়াৰ আৱশ্যকতা ▫ শিশিৰ কুমাৰ দত্ত, নকুল দত্ত ৩১

**সাময়িক প্ৰসংগ**

পুনৰ সংস্থাপনৰ আঁচনি সফল ৰূপায়ণ হ'বনে ▫ হিতেন মহন্ত ৩৭

**প্ৰতিবেদন**

অসমৰ অনাগত দিনৰ এখন চিত্ৰ ▫ দেৱব্ৰত বৰগোহাঞি ৩৮

**তদন্ত**

অৰক্ষয়ৰ গৰাহত অসম কৃষি বিশ্ববিদ্যালয় ▫ স্বপ্না বেজবৰুৱা ৪০

**দৃষ্টিকোণ**

সাম্প্ৰতিক অসমৰ নৃগোষ্ঠী আন্দোলনৰ আশা আৰু সম্ভাৱনা নব্য মধ্যশ্ৰেণীৰ ভূমিকা ▫ ৰিপুঞ্জয় গগৈ ৪৫

**গ্ৰন্থজগত**

কিশোৰ উপযোগী কল্পবিজ্ঞান ▫ নলিনীধৰ ভট্টাচাৰ্য্য ৬১

**শিল্প-সংস্কৃতি**

মানিকবাবু সত্যজিৎ ৰায় ▫ আবু নাছাৰ চাঈদ আহমদ ৫৬

**নেপথ্য-দৰ্শন**

দিছপুৰলৈ গৈছিলো ▫ দীপ্তি নাথ ৫৯

মিত-ভাষ ▫ নগেন শইকীয়া ৬২

**বিতৰ্ক**

'অসমৰ স্বাধীনতা সংগ্ৰাম' প্ৰসঙ্গত ▫ ৰমেশ কলিতা ৫০

চিঠি ৪
সম্পাদকৰ টোকাবহী ৭
ধাৰাবাহিক উপন্যাস ৩৩
দৃষ্টিপাত ৪৩
কবিতা ৬০


*বেটুপাত ▫ এইদছ সম্পৰ্কীয় এখন টানজানীয়ান প্ৰচাৰ পত্ৰিকা*

## "ডিবুৰুলৈ মৰমেৰে"

১৬-৩১ আগষ্ট, ৯২ সংখ্যা সূত্ৰধাৰত শ্ৰদ্ধেয় ডাঃ মুক্তি প্ৰসাদ গগৈ দেৱৰ লেখা- "ডিবুৰুলৈ মৰমেৰে" বেছ আগ্ৰহেৰে পঢ়িলো। অতি সাৱলীল তথা মনত গভীৰ ভাবে চুই যোৱাকৈ ডাঃ গগৈ দেৱে ডিবুৰু খনৰ বৰ্তমানৰ জৰাজীৰ্ণ অৱস্থাৰ বিষয়ে অসমবাসী ৰাইজ বিশেষকৈ ডিব্ৰুগড়বাসী ৰাইজক অৱগত কৰিছে। ইয়াৰ বাবে ডাঃ গগৈ দেৱ নিশ্চয় ধন্যবাদৰ পাত্ৰ। ডাঃ গগৈ দেৱে ডিবুৰু চহৰ খনৰ "মৃতপ্ৰায়" অৱস্থা তথা ইয়াৰ নাগৰিক সকলৰ সচেতনহীনতাৰ বিষয়ে সুন্দৰ আৰু ৰসাল ভাষাৰে চিত্ৰিত কৰাটো বেছ মন কৰিব লগা বিষয়। এই লেখাটি সূত্ৰধাৰৰ পাঠক বিশেষকৈ ডিবুৰুৰ পাঠক মাত্ৰেই পঢ়িছে। আৰু পঢ়িব লাগে বুলিয়েই হয়তো বহুতেই পঢ়িব। কিন্তু এইটো পঢ়ি কাৰোবাৰ কিবা ক্ৰিয়া-প্ৰতিক্ৰিয়া হ'ব বুলি আমাৰ মনে নধৰে। কিয়নো এই পত্ৰ লেখকে সময়ে সময়ে অসমৰ দুখনমান আগশাৰীৰ বাতৰি কাকতত (বিশেষ কৈ "নতুন দৈনিকত") ডিব্ৰুগড় চহৰখনৰ বিভিন্ন সমস্যাৰ বিষয়ে-যেনে ৰাস্তা-ঘাট মেৰামতিৰ বাবে, উপৰাষ্ট্ৰীয় পথ (By Pass) এটাৰ অতীব প্ৰয়োজনীয়তাৰ বিষয়ে অৱগত কৰি সেইবোৰৰ সমাধানৰ বাবে ডিব্ৰুগড় বাসী ৰাইজৰ "জনমত" গঠনৰ আহবান জনোৱা হৈছিল। কিন্তু দুৰ্ভাগ্যৰ বিষয় এয়ে যে আমাৰ চিঠি বোৰৰ সঁহাৰি জনাই কোনো এজন ডিবুৰু বাসী নাগৰিকে এষাৰো বাক্য লিখা হ'লে চকুত নপৰিল। তেনেস্থলত ডিবুৰু বাসীৰ পৰা কোনো এটা ভাল কামৰ বাবে জনমত গঠনৰ আশা কৰিব পাৰো নে ?

ডাঃ গগৈ দেৱৰ ডিব্ৰুগড় চহৰ খনৰ কুৎচিত ৰূপটো দেখি যেনেদৰে অন্তৰ ব্যথিত হৈছে আমাৰো অন্তৰ বেদনাত তেনেদৰেই ভাৰাক্ৰান্ত হৈ পৰে যেতিয়া দেখো চহৰ খনৰ চাৰিও ফালে কেৱল হতাশাৰ প্ৰচণ্ড ছাঁয়াই কিল কিলাই ফুৰা। কিন্তু যি সকলৰ অন্তৰ প্ৰকৃততেই ব্যথিত হ'ব লাগিছিল আৰু অন্তৰ দহাহেঁতেন হয়তো কামতো আহিলহেঁতেন নিশ্চয় তেনেবোৰ ক্ষমতাবান লোক কিন্তু নৰকত বাস কৰিয়েই যেন চিৰ প্ৰশান্তিত দিন নিয়াব পাৰে। এই ক্ষমতাবান সকল কিমান যে নিৰ্দয় আৰু উদাস হব পাৰে তাৰে এটি সাধাৰণ উদাহৰণ ৰাইজৰ জ্ঞাতাৰ্থে দাঙি ধৰিলো। এই ক্ষমতাবান লোকৰ এজন হ'ল অসমৰ এজন প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বৰ্তমান ডিব্ৰুগড়ৰ স্থানীয় বিধায়কো (শাসক দলৰ)। এই সৌভাগ্যবান মন্ত্ৰী জনৰ ঘৰ ডিবুৰু চহৰৰ মাজ মজিয়াতে। ডিব্ৰুগড় বাসীয়ে বহুতো আশা কৰি অসমৰ বিধান সভালৈ এওঁক মুঠ চাৰি বাৰকৈ নিৰ্বাচিত কৰি পঠাইছিল। হয়তো ডিব্ৰুগড় বাসীৰে দুৰ্ভাগ্য এয়ে যে এই মন্ত্ৰী জনাই চহৰ খনৰ উন্নয়নৰ নামত কিন্তু শিল বা ইটা এচপৰাও নিক্ষেপ কৰা আমাৰ চকুত নপৰিল বা উৱলি যাব ধৰা পথ বোৰ অথবা তেওঁৰে চকুৰ আগৰ পৰাই দিছপুৰীয়াহঁতে অসম চিকিৎসা মহাবিদ্যালয় খনৰ পৰা এপ্ৰ[illegible] দুপদকৈ সকলো সম্পদ কাঢ়ি লৈ যাওঁতেও এওঁৰ অন্তৰখন দুখত কোনোদিন ফাটি নপৰিল !

আৰু এজন ক্ষমতাবান নাগৰিকৰ কথা ইয়াত উল্লেখ কৰিছো। সেইজন হ'ল-এসময়ৰ ডিব্ৰুগড় লোক সভা সমষ্টিৰ পৰা নিৰ্বাচিত সংসদ (প্ৰাক্তন) আৰু বৰ্তমান অসম মন্ত্ৰী সভাৰ তেওঁ এজন ৰাজ্যিক পৰ্যায়ৰ মন্ত্ৰী। এওঁৰ নিজৰ বাস ভৱনৰ আগৰ পথটো সামান্য এজাক বৰষুণতে একাঠু বোকা হয়। অথচ ৰাস্তাটোৰ বাবে তেওঁৰ মূৰ কামোৰণি নহয় ! এতেকে চাওক এই সকল ডিব্ৰুগড় বাসীয়ে গাওঁহে নালাগে নিজৰ চহৰ খনৰ উন্নয়নৰ বাবেই একো ব্যৱস্থা হাতত নলয়; তেনেস্থলত গুৱাহাটী দিছপুৰে ডিব্ৰুগড় বনাই দিবহি নেকি ?

দ্বিতীয়তে আহো চহৰখনৰ কাম কাজ পৰিচালনা কৰা "পৌৰ সভা" নামৰ অনুষ্ঠানটিলৈ। "পৌৰ সভা" এখন যে নগৰখনত আছে চাইনৰ্বড এখনত লিখি নৰখাহেঁতেন বিশ্বাস কৰিবলৈকে টান লাগিলহেঁতেন নিশ্চয়। এই অনুষ্ঠানটোৰ কিবা কাম কাজ আছে বা কৰিব পাৰিছে বুলি আমাৰ মনে নধৰে। "পৌৰ সভা" খন এক কথাত "পয়া" লগা বেমাৰত ভুগিছে। অৱশ্যে পৌৰ সভাখনক দোষাৰোপ কৰিয়েইবা লাভ কি ? কিয়নো ইয়াৰ কৰ্মচাৰী সকলে এটা মাহৰ দৰমহাও সময়ত পোৱাটো সপোন হ'ল বুলি শুনিছো। যি স্থলত কৰ্মচাৰী সকলৰ বেতনৰে ঠিকনা নাই তেনেস্থলত "নগৰ পালিকা" খনৰ পৰা নগৰ বাসীয়ে আৰুনো কি ভাল কাম আশা কৰিব পাৰে। অথচ ইয়াৰ প্ৰাক্তন দুই এজন পৌৰ পতি কিন্তু কোটিপতি হৈ অৱসৰ গ্ৰহণ কৰিলে। কিম্ অধিকতম। অৱশ্যে এটা কথা ঠিক এই যে ডিব্ৰুগড়ৰ দৰে ক্ৰমবৰ্দ্ধমান এখন চহৰৰ কাম কাজ এতিয়া আৰু পৌৰ সভা বা নগৰ পালিকাৰ নিয়ন্ত্ৰণৰ বাহিৰত। তাৰ ঠাইত "পৌৰ নিগম" অতীব প্ৰয়োজন হৈ পৰিছে। এই বিষয়ে জিলা প্ৰশাসন তথা অসম চৰকাৰৰ পৌৰ প্ৰশাসন যন্ত্ৰই চিন্তা কৰি উপযুক্ত ব্যৱস্থা হাতত ললেহে নগৰ খনৰ কিছু উন্নতি আশা কৰা যায়। অন্যথা ডাঃ গগৈ দেৱ তথা আমাৰ দৰে সাধাৰণ নাগৰিকৰ মনৰ ব্যৰ্থ-বেদনা দূৰ হোৱাৰ আশা নাই।

শেহত ডাঃ গগৈ দেৱৰ লেখাটিত উল্লেখ কৰা দুটা মান কথাৰ প্ৰতিবাদ কৰিলো। তেখেতে "ডিবুৰু চহৰ খনৰ সকলো পথতে কেৱল গৰু আৰু গৰু" কথাষাৰ কিন্তু মুঠেই সত্য-নহয়। কিয়নো জিলা দণ্ডাধীশে আজিৰ পৰা দহ বছৰ মান আগতেই এক আইন যোগে পথত বিচৰণ কৰি ফুৰা গৰাকীবিহীন জীৱ-জন্তুৰ (কুকুৰ আৰু গৰু ম'হ) গৰাকীক কঠোৰ দণ্ড প্ৰদানৰ ব্যৱস্থা কৰাত নগৰ খনত কাচিতহে তেনে জীৱজন্তু দেখা যায় আকৌ ক্ষন্তেকৰ বাবেহে। নগৰৰ উপকণ্ঠ অঞ্চলৰ কথা অৱশ্যে কিছু সুকীয়া। লেখকে ক'ত ইমান গৰু দেখিলে বুজা নগ'ল।

দ্বিতীয়তে লেখকে কোৱাৰ দৰে ডিব্ৰুগড়ত ল'ৰাহঁতে সাঁতুৰিবলৈ এটিও চুইমিং পুলৰ ব্যৱস্থা নাই (যিটো অৱশ্যেই দৰ্ভাগ্যৰ বিষয়-বিশেষকৈ আজিৰ যুগত) যদিও খেলা ধূলাৰ বাবে প্ৰায় ৬ খন মান উন্নত মানৰ খেল পথাৰ আছে। তাৰ ভিতৰত ৪ খন খেল পথাৰ বিশেষকৈ চৌকিডিঙ্গি খেলপথাৰ (যি খন বৰ্তমান জিলা ক্ৰীড়াপ্ৰকল্প ৰূপে গঢ় দিয়া হ'ল), মলখুৱচাৰ ওচৰত নৱনিৰ্মিত "out door stadium" খন, ডিব্ৰুগড় ৰেলওৱে ষ্টেডিয়াম তথা ডিব্ৰুগড় চৰকাৰী ল'ৰাৰ স্কুলৰ খেলপথাৰ খন সদায় ব্যস্ত খেল পথাৰ। তদুপৰি পল্টন বজাৰত অৱস্থিত বিৰাট "পল' গ্ৰাউণ্ড" খন আছেই-যত একে লগে চাৰি খনকৈ ক্ৰিকেট মেচ খেলিব পাৰি।

সি যি কি নহওক, নিবন্ধটিৰ বাবে ডাঃ গগৈ দেৱলৈ অশেষ ধন্যবাদ থাকিল। আশা কৰো তেখেতৰ লেখাটিয়ে ডিব্ৰুগড়বাসী ৰাইজৰ কিছু হ'লেও চকু মুকলি কৰাত সহায় কৰিব।

**দেৱ কুমাৰ শইকীয়া,**

ডিব্ৰুগড়।

## ডাঃ মুক্তি প্ৰসাদ গগৈৰ উত্তৰ

শ্ৰীশইকীয়া ডাঙৰীয়াৰ চিঠিখন পঢ়িলো, এখন বেৰাৰে বেৰি থোৱা পথাৰ যদি "আউতডোৰ ষ্টেডিয়াম" হয় মোৰ একো কবলগীয়া নাই, মুকলি ঘাঁহ থকা ঠাই যদি দৌৰা খেলাধূলা "এথ্‌লেটিকচ্‌ৰ" পথাৰ হয় মোৰ একো কবলগীয়া নাই, "উন্নত" খেলাধূলাৰ পথাৰ মানে বানপানী বা বৰষুণৰ পানীত ডুব নোযোৱা ওখ, বনগুটি থকা পথাৰ নেকি ? গুৱাহাটীৰ নিউফিল্ডৰ "চিন্থেটিক ট্ৰেক" থকা খেলপথাৰ নহয় নেকি ? পল্টন বজাৰৰ পল'গ্ৰাউণ্ড আৰু ওচৰৰ পথাৰত তিনিখন কিয় চাৰিখন ক্ৰিকেট মেচ্ খেলিব পাৰি। কিন্তু সেইখন খেলপথাৰৰ "কম্পাউণ্ড ৱাল" এখনো নাই। ক্ৰিকেটৰ পিচ্ মই দেখা নাই। হয়তো মই নমনিব পাৰো। গৰু-ছাগলী চৰি থকা দেখিছো তাত। এটা ক্লাব ঘৰো দেখা নাই। ডিব্ৰুগড়ত "NIS coach" কেইজন আছে ? কি কি বিভাগত ? ডিবুৰুত এখন "এষ্ট্ৰোটাৰ্ফ" কৰিব নোৱাৰিনে ? বৰবাৰীৰ পৰা কাছাৰীৰ আগেদি আহি বৰগোলাৰ সমুখেদি আমোলা পট্টিলৈ আৰু কালীবাড়ীৰ ৰাস্তা ইত্যাদি ঠাইতে ভৰদুপৰীয়া সদায় অসংখ্য গৰু পাব। হয়তো অন্য সময়তো থাকে।

মোৰ যদি ত্ৰুটি হৈছে শইকীয়া ডাঙৰীয়াই যেন ক্ষমা কৰে। মই ভালহে বিচাৰিছিলো।

**ডাঃ মুক্তি প্ৰসাদ গগৈ**

## পৰীক্ষা-গৃহত অসৎ উপায় অৱলম্বন আৰু আত্মহত্যা

১৬-৩১ জুলাই সূত্ৰধাৰ সংখ্যাত ডালিমী চলিহাই তেখেতৰ নিবন্ধ "আত্মহত্যা এক সামাজিক সমস্যা"ত এইশাৰী বাক্য লিখিছে "বিশ্বনাথ চাৰিআলিৰ এগৰাকী ছাত্ৰীয়ে পৰীক্ষা ঘৰত অসৎ উপায় অৱলম্বন কৰাৰ ফল স্বৰূপে বহিষ্কৃত হৈ আত্মহত্যা কৰাৰ ঘটনা আৰু তাৰ পৰৱৰ্ত্তী ঘটনাৱলী লৈ উদ্ভৱ হোৱা পৰিস্থিতি এতিয়াও উদ্বেগজনক হৈয়ে আছে।" কথাষাৰ অতি গুৰুত্বপূৰ্ণ আৰু ই এক গভীৰভাবে চিন্তা কৰিবলগীয়া বিষয় হৈ পৰিছে। আমি কবলৈ গ'লে ছাত্ৰী গৰাকী অসৎ উপায় অৱলম্বন কৰাৰ বাবে ব্যক্তিগতভাবে অপৰাধী সাব্যস্ত হ'লেও এনে অপৰাধৰ বাবে বৰ্তমান শিক্ষা ব্যৱস্থাত পৰীক্ষা পদ্ধতিও কম জগৰীয়া নহয়। স্বাধীনোত্তৰ কালত গঠন হোৱা মুদালিয়াৰ কমিচন, কোঠাৰী কমিচন, ৰাধাকৃষ্ণ কমিচন আৰু এতিয়াও নতুন শিক্ষা নীতিত ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা এনে অসৎ উপায় অৱলম্বন কৰাৰ মূল কাৰণ কি আৰু ইয়াক নিৰ্মূল কৰাৰ ইতিবাচক আইন প্ৰণালী কি হ'ব পাৰে উদ্ভাৱন কৰাত সমূলি বিকল হৈছে বা এই ক্ষেত্ৰত নিমাত। ফলস্বৰূপে ছাত্ৰ-ছাত্ৰীৰ মাজত এনে কাৰ্য কৰাৰ প্ৰৱণতা দিনক দিনে কমক চাৰি বাঢ়ি আহিব ধৰিছে। নিৰীক্ষকক মাৰধৰ কৰাৰ পৰা আৰম্ভ কৰি অকালতে আত্মহত্যাক আকোঁৱালি লোৱালৈকে বিভিন্ন অকাৰ্যও ক্ৰমে বৃদ্ধিহে পাই আহিব ধৰিছে। অসৎ কাৰ্য অৱলম্বন কৰাৰ অপৰাধত বহিষ্কাৰ কৰাৰ কথা বাদেই দিলো পৰীক্ষা গৃহৰ সমুখত পুলিচ মিলিটাৰী ৰখাৰ ব্যৱস্থা কৰিও আজি তেনে কাৰ্য কৰণত বাধা দিয়া সম্ভৱ হৈ উঠা নাই। গতিকে অভিজ্ঞ শিক্ষাবিদ শিক্ষক অভিভাৱক সকলৰ লগতে পৈণত মানসিকতাৰ ছাত্ৰ-ছাত্ৰীসকলেও শিক্ষা জগতত ক্ৰমে বাঢ়ি আহিব ধৰা এনে অসৎ প্ৰৱণতাবোৰ আৰু কেৰোণসমূহৰ বিষয়ে গভীৰভাবে চিন্তা চৰ্চা কৰি কিবা উপায় উদ্ভাৱন কৰিবলৈ চেষ্টা নকৰিলে, কৌশল পদ্ধতি আয়ত্ত কৰিব নোৱাৰিলে বিশৃংখল অৰাজকতাৰ ৰাজত্বই শিক্ষাজগতখন ছানি ধৰিব। উঠি অহা যুৱক যুৱতীৰ প্ৰভূত ক্ষতি কৰি জীৱন হানি কৰিব।

এতিয়া কোনো পক্ষপাতিত্ব নকৰাকৈ লুকঢাক কৃপণালি নকৰাকৈ কথাবোৰ আলোচনা সমালোচনা কৰাৰ চূড়ান্ত সময় আহি পৰিছে। এই ক্ষেত্ৰত এতিয়ালৈকে শ্ৰদ্ধেয় শ্ৰীযুত হোমেন বৰগোহাঞিদেৱকহে সূত্ৰধাৰৰ পাতত আৰু আগতেও ভালেকেইখন কাকত আলোচনীত এনে বিষয়বোৰৰ ওপৰত গুৰুত্ব সহকাৰে দৃষ্টি আৰ্কষণকাৰী পোনপটীয়া মন্তব্য আগবঢ়োৱা দেখা গৈছে। তেখেতৰ দ্বাৰা আগবঢ়োৱা বহু মন্তব্যকে সমৰ্থন কৰিময়ো এজন শিক্ষক হিচাপে খোলাখুলিকৈ কব বিচাৰিছো যে উঠি অহা ছাত্ৰ-ছাত্ৰী যুৱক যুৱতী সকলৰ মনত এনে অসৎ মানসিক প্ৰৱণতা সৃষ্টি কৰাৰ ক্ষেত্ৰত এচাম শিক্ষক অভিভাৱকো নিতান্ত জগৰীয়া। এইচাম শিক্ষকৰ একাংশই নিজৰ স্বজনপ্ৰীতিৰ বাবে ছাত্ৰ-ছাত্ৰীক পৰীক্ষাগৃহত নিজে কৈ দিয়াৰ উপৰিও অসৎ উপায় অৱলম্বন কৰাৰ সুবিধা দিয়ে। টিউচন কৰা শিক্ষক একাংশই নিজস্বাৰ্থ পূৰণৰ বাবে ছাত্ৰ-ছাত্ৰীক বিভিন্ন প্ৰকাৰে পৰীক্ষাগৃহত এনে কাৰ্যবোৰ কৰিবলৈ সুবিধা কৰি দিয়ে। কোনো কোনো নিৰীক্ষকে ছাত্ৰ পৰীক্ষাৰ্থীৰ ওচৰত অপমানিত হোৱাৰ ভয়ত ছাত্ৰী পৰীক্ষাৰ্থীৰ নকল ধৰি বহিষ্কাৰ কৰোৱাই ছাত্ৰ পৰীক্ষাৰ্থীসকলক সাবধান কৰি দিয়াৰ প্ৰয়াস কৰে। বাহিৰৰ পৰা পৰীক্ষাগৃহলৈ প্ৰশ্নোত্তৰ কাকত যোগান ধৰাত বাধা দিব নোৱাৰে। তদুপৰি বহু সংখ্যক শিক্ষক পৰীক্ষকে আজি-কালি নিজে পৰীক্ষাৰ প্ৰশ্নোত্তৰ বহী নেচাই আনক চোৰোৱা দেখা গৈছে। বহুসংখ্যক অভিভাৱকেও এইচাম শিক্ষকৰ সৈতে প্ৰত্যক্ষ বা পৰোক্ষভাবে সহযোগ কৰে। এনে এশ এবুৰি বাস্তৱ সমস্যা শিক্ষাজগতত বিৰাজ কৰিব ধৰিছে। এনে ক্ষেত্ৰত পৰীক্ষা কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত বিষয়াজন অভিজ্ঞ আৰু বিচক্ষণ ব্যক্তি নহলেতো আৰু কথাই নাই। মোৰ ত্ৰিশ বছৰীয়া শিক্ষক জীৱনত এইবোৰ প্ৰত্যক্ষভাবে লাভ কৰা তিতা কেঁহা তিক্ত অভিজ্ঞতা। সৌ সিদিনাৰ অন্য এটা মৰ্মান্তিক ঘটনাৰ উদাহৰণেৰে মোৰ এই লেখা সামৰণি মাৰিব খুজিছো।

যোৱা ১ আগষ্টৰ নামৰূপ পৰীক্ষা কেন্দ্ৰৰ ঘটনা, দীপাঞ্জলি ফুলকোঁৱৰ নামৰ এগৰাকী ২৭ বছৰীয়া দুটি সন্তানৰ মাতৃ আৰু বি, এ, ২য় খণ্ডৰ শিক্ষয়িত্ৰী পৰীক্ষাৰ্থীৰ কথা। মোৰ নিচেই আত্মীয়। হাইস্কুল শেহান্ত পৰীক্ষাত তেওঁ ১ম বিভাগত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত ২য় বিভাগত পাছ কৰিছিল। ভাৰপ্ৰাপ্ত বিষয়াজনে জনোৱা মতে অসমীয়া প্ৰশ্নকাকতৰ ৰচনাখন নকল কৰি লিখি থাকোতে ধৰা পৰি বহিষ্কৃত হৈছিল। ৰচনাখন পৰীক্ষাৰ্থী গৰাকীয়ে নিজে কিতাপ পত্ৰ সংগ্ৰহ কৰি পঢ়ি যুগুতাই প্ৰস্তুত কৰি লোৱা বুলি মই জানো। সেইখন ৰচনাই তেওঁৰ ভাগ্যত মিলিল। তাৰে মূল পইণ্টচ্ বোৰ চাগে তেওঁ নকল কাগজত লিখি নিছিল। হলেও পৰীক্ষাগৃহত এইটো স্বাভাৱিকভাবেই অসৎ কাৰ্য আছিল। ভাৰপ্ৰাপ্ত বিষয়াই কিবা সন্দেহ কৰি চতুৰ্থ শ্ৰেণীৰ চাকৰিয়াল এজনকো পৰীক্ষাৰ্থী গৰাকীক অনুসৰণ কৰিবলৈ নিৰ্দেশ দিছিল। পিছে আধা বাটটে তেওঁ এৰি গুচি যোৱাৰ ফলস্বৰূপে নামৰূপ ষ্টেচনৰ কিছু দূৰত থকা ৰেলওৱে দলঙৰ ওপৰৰ পৰা দিচাং নৈত জঁপিয়াই আত্মহত্যা কৰিলে।

এতিয়া কথা হ'ল-বহিষ্কাৰ কৰাৰ সিদ্ধান্তটো বিষয়াজনে তৎমুহূৰ্ততে লৈ জাননীযোগে প্ৰচাৰ কৰি দিলে। সকলোবোৰ কথা বিতংকৈ সোধপোচ কৰা নহল। আইনীব্যৱস্থা ললে ঠিকেই-তাৰ পিছৰ পৰিণতিৰ কথা গুৰুত্ব সহকাৰে একো চিন্তা নকৰিলে। অভিভাৱকক গটাই দিব পৰাকৈ কোনোধৰণৰ কৌশলগত ব্যৱস্থা লব নোৱাৰিলে। সেয়ে নৈতিকতাৰ খাতিৰত তেখেতৰ চিনাকি অভিভাৱকজনৰ পৰিয়ালক সমবেদনা জনোৱাৰ সাহসকণো বিষয়াজনে হেৰুৱাই পেলাব লগা হ'ল। ইয়াৰ ফলস্বৰূপে নামৰূপ পৰীক্ষা কেন্দ্ৰত ভৱিষ্যতে নকল কাৰ্য অসৎ উপায় অৱলম্বন কৰাৰ কাৰ্য সম্পূৰ্ণ বন্ধ হৈ যাব বুলি কোনোবাই বুকুত হাত দি কব পাৰিব জানো ? বিশ্বনাথ চাৰিআলিত উদ্ভৱ হোৱা পৰিস্থিতিৰ দৰে পৰিস্থিতি উদ্ভৱ ইয়াতো হওক এনে চিন্তা অৱশ্যে কোনো বিবেকবান মানুহেই কৰা উচিত নহয়। কিন্তু এগৰাকী মাতৃয়ে সামান্য ভুলৰ বাবে, ত্ৰুটিপূৰ্ণ শিক্ষা পৰীক্ষা আদি ব্যৱস্থাৰ বাবে নিকৰুণ ভাবে যে আত্মহত্যা কৰিব লগা হ'ল-এই বাস্তৱ সত্যটোৰ কথা কোনোৱেই উপলব্ধি নকৰিব নেকি ?

**তুলসী চাংমাই**

বৰহাট, শিৱসাগৰ।

## 'অনুবাদ' সম্পৰ্কে

ডিব্ৰুগড় 'সমবায় সাহিত্য প্ৰকাশন লিমিটেড'ৰ উদ্যোগত অহা চেপ্তেম্বৰ-অক্টোবৰৰ পৰা প্ৰকাশ কৰিবলৈ দিহা কৰা চাৰিমহীয়া 'অনুবাদ' নামৰ আলোচনীখনৰ সম্পৰ্কে 'সূত্ৰধাৰ'ৰ সম্পাদকৰ টোকাবহীত (১৬-৩১

জুলাই, ১৯৯২) দুআষাৰ লিখি অসমৰ এমূৰৰ পৰা সিমূৰলৈকে অলেখ লোকৰ দৃষ্টি 'অনুবাদ'ৰ প্ৰতি আৰ্কষণ কৰি আপুনি আমাৰ পৰম উপকাৰ সাধিলে। 'অনুবাদ'ৰ সম্পৰ্কত বহুতো লোকে আপোনাৰ টোকাবহীৰ উল্লেখ কৰি আমালৈ চিঠিপত্ৰ দিছে আৰু আমাক উৎসাহিত কৰিছে। আপোনাক অশেষ ধন্যবাদ জনাইছো। পিছে আপোনাৰ টোকাবহীত থকা এটা সামান্য ভুল আঙুলিয়াই নিদিলে নহয়। এয়ে নহ'লে আমাৰ বহুতো সম্ভাব্য পঢ়ুৱৈৰ মনত এই ভুলটো থাকি যাব। ১৬-৩১ আগষ্টৰ 'সূত্ৰধাৰ'ত প্ৰকাশিত শ্ৰীদিব্যধৰ বৰুৱাৰ চিঠিত এই ভুলটো দেখিছোৱেই। ভুলটো হ'ল ঃ ডঃ পোনা মহন্তক আমাৰ তিনিজন সম্পাদকৰ এজন বুলি কোৱা হৈছে। আপোনাৰ যোগে 'সূত্ৰধাৰ'ৰ পঢ়ুৱৈসকলক জনাওঁ যে ডঃ পোনা মহন্ত আমাৰ সম্পাদনা সমিতি বা প্ৰতিষ্ঠানটোৰ পৰিচালনা সমিতিৰ লগত অন্ততঃ এতিয়ালৈকে কোনোপধ্যে জড়িত নহয়।

**ক্ষীৰোদ শইকীয়া**
সচিব, সমবায় সাহিত্য
প্ৰকাশন লিঃ,
ডিব্ৰুগড়।

## সূত্ৰধাৰ

আপোনাৰ সম্পাদনাত প্ৰকাশিত 'সূত্ৰধাৰ' আলোচনীয়ে আমাক বিভিন্ন ৰকমৰ মানসিক সোৱাদ যোগাবলৈ সমৰ্থ হৈছে। যদিও ইয়াত প্ৰকাশিত ৰাজনৈতিক আলোচনা নিবন্ধত এক বিশেষ শ্ৰেণীৰ লোকৰ স্বাৰ্থৰ প্ৰতি দৃষ্টি পাত কৰি লিখা যেন লাগে তথাপি সাংস্কৃতিক আৰু অন্যান্য সংবাদে আমাক যথেষ্ট খিনি সহায় কৰিছে বুলি ভাবো।

যোৱা সংখ্যাত (১৬-৩১ আগষ্ট) প্ৰকাশিত উৎপল দত্তৰ 'দ্বিপেন বৰুৱা এতিয়া ক'ত ?' শীৰ্ষক লেখাটোৰ বাবে সূত্ৰধাৰ ধন্যবাদৰ পাত্ৰ। দ্বিপেন বৰুৱাৰ দৰে জনপ্ৰিয়তাৰ শীৰ্ষত থকা শিল্পী এগৰাকীক আজি পৰ্যন্ত আন কাকত আলোচনীয়ে জনসাধাৰণৰ আগত উত্থাপন কৰিব নোৱৰাটো অসমৰ সংবাদ মাধ্যমৰ এক ব্যৰ্থতাই আছিল বুলি কলেও নিশ্চয় অত্যুক্তি কৰা নহব। সূত্ৰধাৰৰ পাততে ভৱিষ্যতে শিল্পীজনাৰ বিষয়ে সবিশেষ জনাৰ আশা পোষণ কৰি থাকিলো।

ইয়াৰ আগতেও সূত্ৰধাৰে "পানী দিহিঙীয়াৰ জয়মতী আইদেউ সন্দিকৈ"ৰ বিষয়ে জনাই অসমৰ জনগণৰ আৰু চৰকাৰৰ শিল্পীসকলৰ প্ৰতি থাকিব লগীয়া আদৰ সন্মানৰ অভাৱৰ দিশটো সঠিক ভাবে উপস্থাপন কৰিবলৈ সমৰ্থ হৈছিল।

আমি আশা ৰাখিম ভৱিষ্যতেও সূত্ৰধাৰে অসমৰ শিল্পী, সাহিত্যিক, মনীষী সকলৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰি আমাক এই নমস্য ব্যক্তিসকলৰ বিষয়ে জনাত সহায় কৰিব।

তদুপৰি, এইবাৰ জাহ্নু বৰুৱাৰ সৈতে যুটীয়া ভাবে লাভ কৰা শ্ৰেষ্ঠ ৰাষ্ট্ৰীয় শব্দ সংযোজনৰ বঁটা বিজেতা অনিল তালুকদাৰৰ বিষয়ে আপোনাৰ আলোচনীত সোনকালে পঢ়িব পাম বুলি আশাৰে।

**মৃণাল জ্যোতি শৰ্মা**
কাঞ্চনমতী, অসম।

## ধ্বংসৰ গৰাহত অসমৰ বিশ্ববিদ্যালয় কেইখন

এটা জাতি বা এখন দেশক আগবঢ়াই নিয়াত বিশ্ব-বিদ্যালয়ৰ শিক্ষক সকলৰ ভূমিকা অত্যন্ত গুৰুত্বপূৰ্ণ। শিক্ষা আৰু গৱেষণাৰ ক্ষেত্ৰত বিশ্ববিদ্যালয়ৰ শিক্ষক সকলেই নেতৃত্ব দিব লাগে। সেই কাৰণে বিশ্ববিদ্যালয়ৰ অধ্যাপক (Professor) ৰীডাৰ (Reader) বা সহযোগী অধ্যাপক পদবী যি কোনো ব্যক্তিক দিয়া নহয়। যি সকল ব্যক্তিয়ে নিজ নিজ বিষয়ত যথেষ্ট নতুন জ্ঞানৰ অৱদান দিব পাৰিছে তেনে ব্যক্তিকহে এই পদবীবোৰৰ কাৰণে নিৰ্বাচন কৰা হয়।

পণ্ডিত কৃষ্ণকান্ত সন্দিকৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হৈ থাকোতে যি কোনো ব্যক্তিক অধ্যাপক বা ৰীডাৰ পদত নিযুক্তি দিয়া নাছিল। উপযুক্ত খ্যাতি সম্পন্ন ব্যক্তিকহে এই পদবোৰত নিযুক্তি দিছিল। অন্য এটা উদাহৰণ হ'ল ড° কুমুদ দাসৰ নিচিনা বিদগ্ধ পণ্ডিতেও বেনাৰচ হিন্দু বিশ্ববিদ্যালয়ৰ পৰা ৰীডাৰ হৈ অৱসৰ লব লগা হৈছিল।

কিন্তু সোণৰ অসম গঢ়াৰ সপোন দেখা অসম গণ পৰিষদ চৰকাৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়, অসম কৃষিবিশ্ববিদ্যালয় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ত যি কেইজন ব্যক্তিক উপাচাৰ্য হিচাপে নিযুক্তি দিছিল সেই কেইজনৰ দিনত স্বজন প্ৰীতিৰ উপহাৰ হিচাপে এনে কিছুমান নিম্নখাপৰ ব্যক্তিক বিশ্ববিদ্যালয় কেইখনত অধ্যাপক আৰু ৰীডাৰ বা সহযোগী অধ্যাপক হিচাপে নিযুক্তি দিয়া হ'ল, যি সকল ব্যক্তিৰ বেছি ভাগৰেই ডক্টৰেট ডিগ্ৰীটোৰ বাহিৰে প্ৰকাশিত কোনো গৱেষণা পত্ৰ (Research paper) নাই বুলিয়েই ক'ব পাৰি। থাকিলেও এখন দুখনৰ পৰা তিনি চাৰিখন মানকৈহে আছে। অৱশ্যে এনে ধৰণৰ স্বজনপ্ৰীতিৰ উপহাৰ পোৱা অধ্যাপক আৰু ৰীডাৰ বা সহযোগী অধ্যাপকৰ সংখ্যা অসম কৃষি বিশ্ববিদ্যালয়ত আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ত বহুত বেছি। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক বা ৰীডাৰ নিযুক্তিত হোৱা স্বজনপ্ৰীতিৰ কথা ইতিমধ্যে সূত্ৰধাৰ আৰু লগতে অন্য বাতৰি কাকতত বহুবাৰ ওলাইছে। অসম কৃষি বিশ্ববিদ্যালয়ত হেনো মেট্ৰিক আৰু পি ইউ (P.U.) বা আই এছ চি-ত একেৰাহে তৃতীয় বিভাগত পাছ কৰি মাত্ৰ ডক্টৰেট ডিগ্ৰীলৈ অধ্যাপকৰ পদ শুৱনি কৰি ৰখা ব্যক্তিৰ উদাহৰণ কেইবাটাও আছে। এতিয়া প্ৰশ্ন হ'ল যে এই ব্যক্তিসকলক কেনেকৈ নিৰ্বাচনী কমিটিয়ে নিৰ্বাচন কৰিলে। কোনো কোনো প্ৰাৰ্থীৰ ক্ষেত্ৰত নিৰ্বাচনী কমিটিৰ বিশেষজ্ঞ সকলে অধ্যাপক বা ৰীডাৰ পদবীৰ কাৰণে নিৰ্বাচন নকৰিলেও উপাচাৰ্যই অনুৰোধ কৰি নিৰ্বাচন কৰোৱাই লয়। অন্যহাতেদি যিবিলাক বিশেষজ্ঞই উপাচাৰ্যৰ কথা মতে মান্তি হব তেনে লোককহে বিশেষজ্ঞ কৰি মাতি আনে।

যোৱা কেইবছৰত অসমৰ বিশ্ববিদ্যালয় কেইখনৰ মানদণ্ড তললৈ যোৱাত বহুতো সচেতন ব্যক্তিয়ে দুখ অনুভৱ কৰিছে। এনে হোৱাৰ মূলতে বিশ্ববিদ্যালয় কেইখনৰ উপাচাৰ্য কেইজনেই ঘাইকৈ জগৰীয়া বুলি সচেতন মহলে ক'বলৈ যায়। তেওঁলোকে বিশ্ববিদ্যালয় কেইখনৰ কথা চিন্তা নকৰি কেৱল স্বজনপ্ৰীতিত গুৰুত্ব দিলে। ফলত বিশ্ববিদ্যালয় কেইখনৰ বহুতবোৰ ভাল ভাল গৱেষক এনে স্বজনপ্ৰীতিৰ বলি হব লগা হ'ল। অতি পৰিতাপৰ কথা যে সদৌ অসম ছাত্ৰ সংস্থা আৰু সংযুক্ত মুক্তি বাহিনী অসমে এনে নিযুক্তিবোৰত এদিনো নামাতিলে। এজন চুলাই মদৰ বেপাৰীতকৈ স্বজনপ্ৰীতিৰ উপহাৰ হিচাপে নিযুক্তি পোৱা অধ্যাপক বা ৰীডাৰসকল আৰু স্বজনপ্ৰীতি কৰোতা সকল অসমীয়া জাতিটোৰ কাৰণে বেছি অনিষ্টকৰ। কাৰণ বিশ্ববিদ্যালয় কেইখন অসমীয়া জাতিৰ মেৰুদণ্ড।

১৬-৩১ মে'ৰ সূত্ৰধাৰৰ "তদন্ত লাগে" শীৰ্ষক সম্পাদকীয়টো সময় উপযোগী হৈছে। আৰু সঁচাকৈয়ে তদন্ত হোৱাটো অতি প্ৰয়োজনীয়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ নিচিনাকৈ অসম কৃষি বিশ্ববিদ্যালয়খনো ধ্বংসৰ গৰাহত ইতিমধ্যে বেয়াকৈ পৰিছে। যোৱা পাঁচ বছৰমানৰ ভিতৰত এই বিশ্ববিদ্যালয়খনত যিসকল ব্যক্তিক অধ্যাপক হিচাপে নিযুক্তি দিয়া হ'ল তেওঁলোকৰ বায়'দাতা (Biodata) ৰাইজে জনা উচিত। অসমৰ এই দুয়োখন বিশ্ববিদ্যালয়ৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে তদন্তৰ নিৰ্দ্দেশ দিয়াটো উচিত বুলি আমিও ভাবো।

কেইজনমান সচেতন নাগৰিক



# অপৰাজিত

নিকছ কাজানৎজাকিছে তেওঁৰ আত্ম-জীৱনী Report To Greco লিখিবৰ সময়ত গুৰুতৰভাবে অসুস্থ হৈ পৰিল। তেতিয়া তেওঁৰ বয়স চৌসত্তৰ। অসুখৰ কাৰণে তেওঁৰ সোঁ-হাতখন প্ৰায় অসাৰ হৈ পৰিছে। এদিন তেওঁ বাওঁ হাতেৰে লিখিবলৈ চেষ্টা কৰিলে। কিন্তু সেই চেষ্টা সফল নহ'ল। নিৰুপায় হৈ অৱশেষত তেওঁ শ্ৰুতলিপি দিবলৈ ঠিক কৰিলে। তেওঁৰ মৰমৰ পত্নী হেলেন শ্ৰুতলিপি লবলৈ সকলো সময়তে সাজু হৈ আছেই। এদিন নিকছ কাজানৎজাকিছে শ্ৰুতলিপি দিবলৈ আৰম্ভ কৰিলে। কিন্তু তেওঁৰ সেই চেষ্টাও স্থায়ী হ'ল মাত্ৰ পাঁচ মিনিট। মাত্ৰ পাঁচ মিনিট শ্ৰুতলিপি দিয়েই তেওঁ প্ৰায় আৰ্তনাদ কৰি উঠিল – 'অসম্ভৱ। শ্ৰুতলিপি কেনেকৈ দিব লাগে মই নাজানো। হাতত কলমটো নাথাকিলে মোৰ মগজে একো কথা চিন্তাই কৰিব নোৱাৰে।'

আজি এই কথাটো মোৰ মনলৈ অহাৰ কাৰণটো হ'ল এই যে মাজতে দুবছৰমান মোৰ চকু ভালে থাকি যোৱা কেইদিনমানৰ পৰা সি আকৌ মোক ভীষণ কষ্ট দিবলৈ আৰম্ভ কৰিছে – যাৰ ফলত মই নিজে লিখিব নোৱাৰি শ্ৰুতলিপি দিবলৈ বাধ্য হৈছো। কিন্তু শ্ৰুতলিপি দিবলৈ আৰম্ভ কৰিয়েই নিকছ কাজানৎজাকিছৰ দৰে ময়ো আৱিষ্কাৰ কৰিছো যে হাতত কলমটো নাথাকিলে মোৰ কাৰণে চিন্তা কৰাই অসম্ভৱ। কেৱল চিন্তা কৰাই যে অসম্ভৱ এনে নহয়। লেখাৰ গোটেই প্ৰক্ৰিয়াটোৰ পৰা মই আনন্দ-বেদনাৰ অতীত যি এটা অনিৰ্বচনীয় অভিজ্ঞতা লাভ কৰো তেনে অভিজ্ঞতা শ্ৰুতলিপি দি লাভ কৰা সম্ভৱ নহয়। গতিকে শ্ৰুতলিপি দি লেখাৰ দুৰাশা মই মনৰ পৰা বিসৰ্জন দিবলৈ ঠিক কৰিছো।

মোৰ চকু আকৌ নিশ্চয় ভাল হ'ব। ডাক্তৰৰ মতে চকুৰ পৰিশ্ৰম বেছি হোৱাৰ কাৰণেই মোৰ চকুৰ অসুখ বেছি হৈছে; গতিকে তিনিমাহমান চকুক সম্পূৰ্ণ জিৰণি দিলেই সিহঁতেও আকৌ মোৰ লগত সম্পূৰ্ণ সহযোগিতা কৰিব বুলি ডাক্তৰে আশা দিছে।

মোৰ দৰে সামান্য মানুহৰ কথা ইমানতে এৰি আকৌ নিকছ কাজানৎজাকিছৰ কথা আৰু অলপমান ক'ব খোজো, কাৰণ তেওঁৰ নিচিনা বীৰ্যবান মানুহৰ জীৱন-কাহিনী সকলোৰে কাৰণে অন্তহীন প্ৰেৰণাৰ উৎস হ'ব পাৰে। ওপৰতেই কোৱা হৈছে যে নিকছ কাজানৎজাকিছে তেওঁৰ বিখ্যাত আত্ম-জীৱনী ৰচনা কৰিবলৈ আৰম্ভ কৰাৰ সময়ত তেওঁৰ বয়স হৈছিল চৌসত্তৰ। কেৱল বাৰ্ধক্য নহয়, মাৰাত্মক ৰোগৰ আক্ৰমণতো তেওঁৰ শৰীৰ বিধ্বস্ত। কিতাপখন লিখি শেষ কৰিবলৈ তেওঁক দহবছৰ সময় লাগে;' গতিকে আৰু দহবছৰ আয়ুস দিবলৈ তেওঁ ঈশ্বৰক আকুলভাবে প্ৰাৰ্থনা কৰিছে। কাম কৰি কৰি তেওঁ নিজকে সমূলি নিঃশেষ কৰি দিব খোজে। মৃত্যুৰ হাতত নিজৰ হাড় কেইডালৰ বাহিৰে আন একো বস্তু তেওঁ এৰি থৈ যাব নোখোজে। কাজানৎজাকিছৰ পত্নী হেলেন কাজানৎ জাকিছে Report To Greco-ৰ ভূমিকাত লিখিছে – "এদিন কাজানৎজাকিছৰ চকু দুটা পানীৰে ওপচি উঠিল আৰু তেওঁ মোক কলে– 'বেৰ্গছঁই (Bergson) কোৱাৰ নিচিনাকৈ মোৰো বাহিৰলৈ ওলাই গৈ ৰাস্তাৰ দাঁতিত বহি ভিক্ষা কৰিবলৈ মন গৈছে। হাত দুখন মেলি মই বাটেদি গৈ থকা প্ৰতিজন মানুহকে কম – 'ভাইসকল, ভিক্ষা, মই তোমালোক সকলোকে ভিক্ষা খুজিছো। তোমালোক প্ৰত্যেকেই নিজ নিজৰ জীৱনৰ মাত্ৰ আধাঘন্টা সময় মোক ভিক্ষা দিয়া !'

কিতাপখন লিখি থকাৰ সময়তে কাজানৎজাকিছ এবাৰ ভীষণ অসুস্থ হৈ পৰিছৰ এখন হাস্পাতালত ভৰ্তি হ'ব লগা হ'ল। গাত ১০৪ ডিগ্ৰী জ্বৰ। তেনে প্ৰচণ্ড জ্বৰৰ অৱস্থাত মানুহে নিজৰ শাৰীৰিক যন্ত্ৰণা বা আসন্ন মৃত্যুৰ বাহিৰে আন একো কথা ভাবিব নোৱাৰে। কিন্তু কাজানৎজাকিছে সেই অৱস্থাত কি কৰিছিল ? সেই অৱস্থাত তেওঁৰ মনলৈ আহিছিল আত্ম-জীৱনীখনৰ কেইটামান অনবদ্য বাক্য, আৰু বাক্যকেইটা তেওঁ শ্ৰুতলিপি দিছিল কাষতে বহি থকা তেওঁৰ পত্নীক।

কিছুমান মানুহে কি অপৰিসীম প্ৰাণশক্তি লৈ জন্ম গ্ৰহণ কৰে সেই কথা আমাৰ নিচিনা সাধাৰণ মানুহৰ কাৰণে কল্পনা কৰাও অসম্ভৱ। এজন চৌসত্তৰ বছৰীয়া বৃদ্ধ আৰু ৰুগ্ন মানুহে লিখি লিখি ক্লান্তি অনুভৱ কৰিলে কি কৰা উচিত ? নিশ্চয় শুই থকা বা একো নকৰি বহি জিৰণি লোৱা উচিত। কিন্তু নিকছ কাজানৎজাকিছে আত্ম-জীৱনী লিখি লিখি ক্লান্ত হৈ পৰিলে সেইখন এফলীয়াকৈ থৈ হাতত তুলি লৈছিল তেওঁৰ বিখ্যাত Odyssey: A Modern Sequel ৰচনাৰ কাম – যেন সি এটা ল'ৰা-ধেমালিহে, আৰু সেই ধেমালি কৰিলেই তেওঁৰ ভাগৰ পলাব ! অথচ কাজানৎজাকিছৰ Odyssey: A Modern Sequel বিংশ শতাব্দীৰ অন্যতম মহৎ গ্ৰন্থ।

যিসকল মানুহে কিতাপ পঢ়ি ভাল পায় আৰু জীৱনৰ অনন্ত ৰহস্যৰ প্ৰতি দুৰ্নিবাৰ কৌতূহল অনুভৱ কৰে তেওঁলোকে নিকছ কাজানৎজাকিছৰ Report To Greco অৱশ্যেই পঢ়া উচিত। লগতে অৱশ্যে মই এই কথাও বোধহয় উল্লেখ কৰা উচিত হ'ব যে মই মোৰ এজন উচ্চ-শিক্ষিত বন্ধুক কিতাপখন পঢ়িবলৈ দিছিলো; তেওঁ দুপাতমান পঢ়ি কিতাপখন শেষ কৰি পঢ়িবলৈ অকণো আগ্ৰহ অনুভৱ নকৰিলে। এই প্ৰসঙ্গতে আৰু এটা কথা মোৰ মনলৈ আহিছে। বহুত বছৰৰ আগতে মোৰ এজন বন্ধুৱে জন অ'হাৰাৰ Ourselves to Know নামৰ বৃহদাকাৰ উপন্যাস এখন মোক দি কৈছিল – "কিতাপখন পঢ়িম বুলি কিনিছিলো, কিন্তু দুপাতমান পঢ়ি জপাই থবলৈ বাধ্য হলো। একেবাৰে বাজে কিতাপ। আপোনাক লাগে যদি লৈ যাওক।" মই কিতাপখন তিনিবাৰ পঢ়িলো বা পঢ়িবলৈ বাধ্য হলো। উপন্যাসখনৰ দুটামান অধ্যায়ে মোৰ মনত এনেকুৱা স্থায়ী দাগ কাটি থৈ গৈছে যে মনত পৰিলে মই এতিয়াও শিহৰিত হৈ উঠো। ইয়াকেই কয় – ভিন্ন ৰুচিৰ্হি লোকাঃ।'

কাজানৎজাকিছৰ আত্ম-জীৱনীখনৰ প্ৰতি পাঠক সকলৰ কৌতূহল বঢ়াবলৈ মই ইয়াত কিতাপখনৰ বিষয়ে এটা মাত্ৰ সৰু কথা উল্লেখ কৰিব খোজো। কাজানৎজাকিছে নিজে স্বীকাৰ কৰা মতে মাত্ৰ পাঁচজন মানুহে তেওঁৰ আত্মাত অতি গভীৰ আৰু যুগমীয়া সাঁচ বহুৱাইছে। মানুহকেইজন হ'ল – হোমাৰ, বুদ্ধ, নীয়েৎছে, বেৰ্গছঁ আৰু জোৰ্বা। তেওঁ লিখিছে – "প্ৰথমজন অৰ্থাৎ হোমাৰ মোৰ কাৰণে হ'ল সূৰ্যৰ বলয়ৰ দৰে শান্ত উজ্জ্বল জ্যোতিৰ্ময় নয়ন – সমস্ত বিশ্ব-চৰাচৰ সি উদ্ভাসিত কৰিছে তাৰ উজ্জ্বল পুণ্য-প্ৰভাৰে। বুদ্ধ – যাৰ অতল ঘন-কৃষ্ণ নয়নত বিশ্ব-ভূৱন নিমজ্জিত হৈ পুনৰ উদ্ধাৰপ্ৰাপ্ত হৈছিল। মোৰ প্ৰথম যৌৱনত যিবোৰ দাৰ্শনিক প্ৰশ্নৰ মই কোনো উত্তৰ বিচাৰি পোৱা নাছিলো আৰু ফলত যন্ত্ৰণাত ক্ষত-বিক্ষত হৈছিলো সেইবোৰ প্ৰশ্নৰ উত্তৰ পোৱাত মোক সহায় কৰিছিল বেৰ্গছঁই। নীয়েৎছেই মোৰ আত্মাক ঋদ্ধ কৰিছিল নতুন নতুন যন্ত্ৰণাৰে, আৰু তেৱেঁই মোক শিকাইছিল দুৰ্ভাগ্য, তিক্ততা আৰু অনিশ্চয়তাক অহংকাৰলৈ ৰূপান্তৰিত কৰিবলৈ। জোৰবাই মোক শিকাইছিল জীৱনক ভাল পাবলৈ আৰু মৃত্যুক ভয় নকৰিবলৈ।"

# এইদছ

## এক অৱোধ্য ভাইৰেল সন্ত্ৰাস

ডাঃ ৰণেন পাঠক

*ঐকেশ শতিকাৰ দুৱাৰডলিত উপনীত হোৱা মানৱ সভ্যতাক ইতিমধ্যে এক গুৰুতৰ ৰাজনৈতিক আদৰ্শৰ সংকটে জুৰুলা কৰি তুলিছে। বিশ্বৰ প্ৰান্তে প্ৰান্তে মূৰ দাঙি নানা ধৰণৰ ৰাজনৈতিক অস্থিৰতা, সন্ত্ৰাসবাদ আদি সমস্যাবোৰ তাৰেই প্ৰতিফলন। কিন্তু এই আদৰ্শৰ সংকটে পৃথিৱীৰ সকলো দেশৰ সৰ্বস্তৰৰ মানুহৰ ভাব জগতক এতিয়াও পূৰ্ণ ভাবে স্পৰ্শ কৰিবলৈ বাকী। এনে এক সংকটকালীন মুহূৰ্তত দেশে দেশে মূৰ দাঙি উঠা এক আচহুৱা দৈহিক ব্যাধিয়ে হঠাৎ এনে এক বিস্ফোৰক পৰিস্থিতিৰ সৃষ্টি কৰি পেলাইছে যে বিশ্বৰ শ্ৰেষ্ঠ বিজ্ঞানীসকলে একত্ৰিত প্ৰচেষ্টাৰেও ইয়াক আয়ত্তাধীন কৰিব পৰা নাই। ফলত এই ব্যাধিজনিত সংকটটোৱে পৃথিৱীৰ সৰ্বত্ৰ এক অসহায়বোধৰ সৃষ্টি কৰিছে। মানুহক সাংঘাতিক ধৰণে ভীতিগ্ৰস্ত কৰি তোলা এই আচৰিত ব্যাধিৰ আজিকোপতি এক নিৰ্ভৰযোগ্য চিকিৎসা-পদ্ধতি উদ্ভাৱন কৰাৰ ক্ষেত্ৰত বিশ্বৰ শ্ৰেষ্ঠতম চিকিৎসা বিজ্ঞানীসকলে বৰ কৰুণ ভাবে ব্যৰ্থ হৈছে। আনহাতে এই ব্যাধিৰ চিকাৰ হোৱা ৰোগীৰ সংখ্যা দ্ৰুত গতিত বৃদ্ধি পাবলৈ লৈছে। ইখনৰ পিছত সিখন দেশলৈ বিয়পি পৰিছে এই ব্যাধি। মহতিয়াই নিছে অমূল্য মানৱ জীৱন। কিংকৰ্তব্যবিমূঢ় চিকিৎসা বিজ্ঞানীসকলে মাথো অসহায় দৰ্শক হৈ চাই থাকিব লগা হৈছে মহাকালৰ এক নিৰ্মম নাটক।*


ভাইৰাচ হ'ল এবিধ ক্ষুদ্ৰাতিক্ষুদ্ৰ অণুজীৱ। চকুৰেতো ইয়াক মনিব নোৱাৰিয়ে এলাপেচা মাইক্ৰ'স্কোপতো ই ধৰা নপৰে। কেৱল ইলেকট্ৰন মাইক্ৰ'স্কোপেৰেহে ইয়াক চিনাক্ত কৰিব পাৰি। ইমান ক্ষুদ্ৰ এক অণুজীৱৰ সংক্ৰমণৰ ফলত উদ্ভৱ হোৱা এক নতুন ব্যাধিয়ে যোৱা এক দশক জুৰি চিকিৎসা বিজ্ঞানী সকলৰ চকুৰ টোপনি নোহোৱা কৰিছে।



এইদছত আক্ৰান্ত এটি নৱজাত শিশু

ভাইৰেল ৰোগ কোনো নতুন ঘটনা নহয়। বিভিন্ন ভাইৰেল ৰোগে মানুহক প্ৰায়ে জ্বালাতন কৰি আহিছে। কোনো ভাইৰাচ নাশক দৰব আজিকোপতি ওলোৱা নাই। কিন্তু এই ভাইৰেল ৰোগবোৰে সৃষ্টি কৰা উপসৰ্গ সমূহৰ পৰা ৰোগীক সকাহ দিয়াব পৰা চিকিৎসাৰ অভাৱ নাই। তদুপৰি বহুতো ভাইৰেল ৰোগৰ প্ৰতিষেধক ছিটাও আৱিষ্কাৰ হৈছে। ফলত বৰ আইৰ দৰে মাৰাত্মক মহামাৰী সৃষ্টি কৰিব পৰা ভাইৰেল ৰোগ আজি পৃথিৱীৰ বুকুৰ পৰা নিচিহ্ন প্ৰায়! কিন্তু যিবিধ ভাইৰাচে আজি পৃথিৱীত মৃত্যুৰ তাণ্ডৱ নৃত্য ৰচনা কৰিছে সেই ভাইৰাচ বিধ এনে মাৰাত্মক শক্তিৰ অধিকাৰী যে সিহঁতে মানুহৰ শৰীৰত থকা ৰোগ প্ৰতিৰোধক প্ৰণালীটোকেই ছিন্নভিন্ন কৰি পেলায়। ইয়াৰ পিছত ভাইৰাচ সংক্ৰমিত হোৱা লোকজন বিভিন্ন Oppurtunistic injectionৰ সহজ চিকাৰ হয়। কিন্তু স্বাস্থ্যবান লোক এজনে সুবিধাভোগী অণুজীৱৰ সংক্ৰমণক সহজেই প্ৰতিহত কৰিব পাৰে। প্ৰতিৰোধ ক্ষমতা বিহীন মানৱ দেহে নিতে নৱ সংক্ৰমণৰ সন্মুখীন হ'বলৈ ধৰে। ৰোগীৰ গাত নানা ধৰণৰ লক্ষণ দেখা দিব ধৰে যিবোৰৰ পৰা তেওঁক সকাহ দিবলৈ কোনো ঔষধেই কামত নাহে। নিশ্চিত মৃত্যুৰ কাল গৰ্ভৰ পিনে ৰোগীজন অসহায় ভাবে অগ্ৰসৰ হয়। এনে এক কৰুণ পৰিস্থিতিত ৰোগীয়ে ৰবীন্দ্ৰনাথৰ সেই বিখ্যাত কথা ফাকিৰেহে নিজক সান্ত্বনা দিব পাৰে - 'মৰণ ৰে তুহু মম শ্যাম সমান!"


এই কালান্তক ভাইৰাচ বিধ চিনাক্ত হোৱা এটা দশক হৈছেহে এথোন। অথচ এই কেইটামান বছৰৰ ভিতৰতে এই ভাইৰাচ জনিত ৰোগটোৱে পৃথিৱীত এক মহা চাঞ্চল্যৰ সৃষ্টি কৰিবলৈ সক্ষম হ'ল। অতি সোনকালেই এই চাঞ্চল্য আতঙ্কত পৰিণত হৈছে। বিশ্ব মহামাৰীৰ ৰূপ ধাৰণ কৰা এই ভয়ঙ্কৰ ভাইৰেল ৰোগটোৰ নামকৰণ কৰা হৈছে AIDS (Acquired Immuno Deficiency Syndrome) চাৰিটা মাত্ৰ ইংৰাজী আখৰেৰে গঠিত এই সৰু শব্দটোৱে এতিয়া মানুহৰ গাৰ নোম শিয়ৰাই দিয়ে। বিজ্ঞানৰ বিভিন্ন শাখাত কল্পনাতীত অগ্ৰগতি লভিবলৈ সক্ষম হোৱা আমেৰিকা হেন দেশতেই এইদ্ছে প্ৰথম আত্মপ্ৰকাশ কৰিছে। প্ৰধান আঘাত হানিছে সেই দেশৰ জনসাধাৰণৰ ওপৰতেই। সৌ-সিদিনা উপসাগৰীয় যুদ্ধত তীব্ৰ বিজয় লাভ কৰা সত্ত্বেও জৰ্জ বুশ্ব কিন্তু আগামী প্ৰেচিডেন্ট নিৰ্বাচনত এইদ্ছ ইচ্যুক লৈয়ে বিমোৰত পৰিব। কাৰণ তেওঁৰ চৰকাৰে নিজৰ দেশৰ জনসাধাৰণক এইদ্ছ ৰূপী আক্ৰমণৰ পৰা বিশেষ কোনো নিৰাপত্তা দিবলৈ সক্ষম হোৱা নাই। চাওঁতে চাওঁতে এটা দশকৰ ভিতৰত আমেৰিকাৰ হেজাৰ বিজাৰ তৰুণ-তৰুণী এইদ্ছৰ কৰাল গ্ৰাসত পৰি মৃত্যু বৰণ কৰিছে।




মঙ্গোলিয়ান পিপলচ্ ৰিপাব্লিকৰ ৰেডক্ৰচ চছাইটিৰ দ্বাৰা প্ৰকাশিত এইদছ সংক্ৰান্তীয় এখন পষ্টাৰ

ইয়াকে লৈ আমেৰিকাৰ চিকিৎসা কৰ্মী সকলো ইমান ক্ষুব্ধ যে ১৯৯০ চনত আমেৰিকাৰ চানফ্ৰান্সিকত অনুষ্ঠিত হোৱা ৬ষ্ঠ বিশ্ব এইদ্ছ কনফাৰেন্সত তেওঁলোকে বিশাল বিক্ষোভ প্ৰদৰ্শন কৰিছিল। পৃথিৱীৰ সবাতোকৈ বিখ্যাত অভিনেত্ৰী হলিউডৰ এলিজাবেথ টেইলৰৰ একালৰ প্ৰিয় বন্ধু ৰক্ হাডচেনো যেতিয়া এই ৰোগৰ চিকাৰ হয় তেওঁ বৰ বিচলিত হৈ পৰে। তেতিয়াৰে পৰা এলিজাবেথে এই ৰোগৰ গৱেষণা কাৰ্যৰ বাবে বহু কোটি ডলাৰ আগবঢ়াইছে আৰু নানা এইদ্ছ বিৰোধী কৰ্মসূচীত সক্ৰিয় ভাবে সহযোগ আগবঢ়াইছে।

সত্তৰ দশকৰ শেষৰ ফালে আমেৰিকাৰ কিছুমান সমকামী লোকৰ মাজত এবিধ অচিন ৰোগ ধৰা পৰে। সকলো ৰোগীৰ লক্ষণ একে নহলেও কিছুমান লক্ষণ যেনে জ্বৰ, ডায়েৰীয়া, বমি, দ্ৰুত ওজন হ্ৰাস, শুকাই খীণাই যোৱা, শৰীৰৰ গ্ৰন্থি সমূহ ফুলি উঠা ইত্যাদি লক্ষণ সমূহ প্ৰায়ে দেখা গৈছিল। মূল বৈশিষ্ট্যটো আছিল এই লক্ষণ সমূহৰ বিপৰীতে প্ৰয়োগ কৰা কোনো দৰবে লক্ষণ সমূহৰ উপশম ঘটাব নোৱাৰিছিল। ৰোগী লাহে লাহে শুকাই খীণাই মৃত্যু মুখত পৰিছিল। প্ৰথমতে ইয়াক এবিধ অচিন যৌন ৰোগ বুলি গণ্য কৰা হৈছিল। পিছত হিমোফিলিয়া বোলা তেজৰ ৰোগত ভোগা ৰোগী কিছুমানৰ মাজতো এই ৰোগ ধৰা পৰে। চাওঁতে চাওঁতে আমেৰিকাৰ অসংখ্য লোকৰ মাজত এই ৰোগৰ লক্ষণ সমূহ ধৰা পৰিবলৈ ধৰে। ইয়াৰে বেছি ভাগেই আছিল অৱশ্যে সমকামী। পিছত দেখা গ'ল অসমকামী লোকৰ মাজতো এই ৰোগ বিয়পিছে। আমেৰিকাৰ বিজ্ঞান আৰু গৱেষণা




*ভাইৰাচৰ আক্ৰমণ শৈলী আৰু ইয়াক প্ৰতিহত কৰাৰ কৌশল।*

জগতত চাঞ্চল্যৰ সৃষ্টি হ'ল। বিজ্ঞানীসকল উঠি পৰি লাগিল ৰোগৰ কাৰণ নিৰ্ণয় কৰাত। ১৯৮০ চনত আমেৰিকাৰ বৰ্ট গেলোৱে এইদ্ছ ৰোগৰ সৃষ্টিকাৰী ভাইৰাচ বিধ চিনাক্ত কৰে।

তেওঁ ইয়াৰ নাম দিয়ে HTLV III (Human Tlymyrhotrophic Virus III)। ১৯৮৩ চনত ফ্ৰান্সৰ লু মন্টেনিয়াতে এই ভাইৰাচ এজন যৌন সমকামী লোকৰ ডাঙৰ হৈ উঠা গ্ৰন্থি এটা পৰীক্ষা কৰি এই ভাইৰাচ ধৰা পেলায়। তেওঁ ইয়াৰ নাম দিয়ে LAV (Lymphedewpathy Associated Virus) একে বছৰতে চানফ্ৰান্সিচকোৰ লেভি নামৰ বৈজ্ঞানিকেও এই ভাইৰাচ ধৰা পেলায়। নাম দিয়ে ARV. বিশ্ব স্বাস্থ্য সংস্থাই পিছত এই ভাইৰচৰ এক সৰ্বসন্মত নাম দিয়ে HIV (Human Immuno Dfifiency Virus) গঠন বুলিবলৈ ভাইৰাচটো এটা প্ৰটিন কেপচুল আৰু তাৰ ভিতৰত বংশ চৰিত্ৰবাহক RNA এডাল। এই ভাইৰাচবোৰক ৰেট্ৰো ভাইৰাচ বুলি কয়। জন্তুৰ দেহত অৱশ্যে ৰেট্ৰো ভাইৰাচ ১৯১০ চনতেই ধৰা পেলোৱা হৈছিল। আন জীৱৰ কোষৰ মাজত হে এই ভাইৰাচে বংশ বিস্তাৰ কৰিব পাৰে। Host Cellৰ সংস্পৰ্শলৈ অহাৰ পিছত এই ভাইৰাচৰ আৰ এন এ ৰিভাৰ্চ ট্ৰেন্সক্ৰিপেটেছ বোলা এনজাইমৰ সহায়ত ডি এন এ লৈ পৰিবৰ্তিত হয়। এই ভাইৰেল ডি এন এ আশ্ৰয়দাতা কোষৰ কোষকেন্দ্ৰত থকা ডি এন এ-ৰ লগত যুক্ত হৈ পৰে। কিছুকাল এনেকৈয়ে সংহতিপূৰ্ণ ভাবে থকাৰ পিছত ভাইৰাচৰ ডি এন এ অংশটোৱে মূল ভূমিকা লয় আৰু নিজৰ বংশচৰিত্ৰ বাহক আৰ এন এ নিৰ্মাণ কৰিবলৈ নিৰ্দ্দেশ জাৰি কৰিব ধৰে। নতুনকৈ নিৰ্মাণ হোৱা আৰ এন এ বোৰৰ চাৰিওফালে পুনৰ কেপচুল তৈয়াৰ হয় আৰু তেতিয়াই একোটা নতুন ভাইৰাচ গঠনৰ কাম সম্পূৰ্ণ হয়। এই নতুন ভাইৰাচটোৱে আশ্ৰয়দাতা কোষটো ভাঙি ওলাই আহে আৰু পুনঃ আন কোষৰ লগত সংযুক্ত হৈ পৰে। তীব্ৰ গতিত সংঘটিত হ'ব ধৰা এই প্ৰক্ৰিয়াৰ ফলত প্ৰতিৰোধী কোষ সমূহ এটাৰ পিছত এটাকৈ ধ্বংস হ'ব ধৰে। এনেকৈয়ে ভাইৰাচে আক্ৰমণ কৰা ৰোগী জনৰ প্ৰতিৰোধ ব্যৱস্থাটো ভাঙি পৰে। এই ভাইৰাচবোৰে বিচাৰি বিচাৰি ৰোগীৰ প্ৰতিৰোধ ব্যৱস্থাত নিয়োজিত কোষবোৰৰ লগতহে সংযুক্ত হয় আৰু সেইবোৰক সময়ত এটা এটাকৈ ধ্বংস কৰে। এয়ে হ'ল ইয়াৰ বিধ্বংসী চৰিত্ৰ। এইদ্ছ প্ৰতিকাৰক যি দুই চাৰিবিধ ঔষধ উদ্ভাৱন হৈছে সেইবোৰে ভাইৰাচটোৰ আৰ এন এ-টোক ডি এন এ-লৈ পৰিবৰ্তিত হোৱাত বাধা দিয়ে। আনহাতে যি ছিটা উদ্ভাৱন হৈছে সেইবোৰে Host cell-ৰ ডি এন-ৰ সহায়ত নতুন ভাইৰেল আৰ এন এ প্ৰস্তুত হ'বলৈ নিদিয়ে। (চিত্ৰত চাওক)

## এইদ্ছঃ বিশ্ব মহামাৰী

বিশ্ব স্বাস্থ্য সংস্থাৰ এক সমীক্ষা অনুসৰি কেৱল ১৯৯১ চনৰ ভিতৰতেই আমেৰিকা যুক্তৰাষ্ট্ৰত ৭০-৮০ হেজাৰ নতুন পুৰুষ-মহিলা এইছ আই ভি-ৰ দ্বাৰা আক্ৰান্ত হৈছে। সম্প্ৰতি সেই দেশত এক নিযুতৰো অধিক এইদ্ছ আক্ৰান্ত ৰোগী থকা বুলি ঠাৱৰ কৰা হৈছে। ১৯৮০ চনত পৃথিৱীৰ মুঠ এইদ্ছ ৰোগীৰ সংখ্যা আছিল ১০০,০০০। দহ বছৰ পিছত অৰ্থাৎ ১৯৯০ চনত পৃথিৱীৰ মুঠ এইদ্ছ ৰোগীৰ সংখ্যাই দহ নিযুত চেৰাই গৈছে। ইয়াৰে ৬ নিযুত পুৰুষ আৰু ৪ নিযুত মহিলা। অনুমান কৰা হৈছে আৰু ৫ বছৰ পিছত মহিলা এইদ্ছ ৰোগীৰ সংখ্যা পুৰুষৰ সমান হ'ব। বৰ্তমানৰ মুঠ এইদ্ছ ৰোগীৰ ৭৫ শতাংশই এই ৰোগ লাভ কৰিছে যৌন সম্পৰ্কৰ জৰিয়তে। দহ শতাংশৰ মাজলৈ এই ৰোগ সংক্ৰমিত হৈছে বীজাণু দুষিত বেজীৰে শিৰাত নিচাযুক্ত ড্ৰাগ প্ৰয়োগ কৰাৰ ফলত। আৰু দহ শতাংশ হ'ল এইদ্ছ আক্ৰান্ত মাতৃৰ সন্তান। বাকী ৫ শতাংশলৈ ৰোগ প্ৰবাহিত হৈছে এইচ আই ভি যুক্ত ৰক্তদানৰ মাধ্যমত।

১৯৯০ চনৰ হিচাপ অনুসৰি মুঠ দহ নিযুত এইদ্ছ ৰোগীৰ ৫ নিযুত বাস কৰে অকল আফ্ৰিকান দেশবোৰতেই। উত্তৰ আৰু দক্ষিণ আমেৰিকাৰ প্ৰত্যেকতে আছে এক নিযুতকৈ।



ইউৰোপীয় দেশবোৰত আছে ৫০,০০০০ এইদ্ছ ৰোগী। অকল দক্ষিণ আফ্ৰিকাতে চিনাক্ত কৰা হৈছে ৩০০,০০০ এইদ্ছ ৰোগী। ইয়াৰে বেছি ভাগেই হ'ল কৃষ্ণাঙ্গ সম্প্ৰদায়ৰ।

এচিয়াও আজি কোনো গুণে নিৰাপদ হৈ থকা নাই এইদ্ছৰ ক্ষেত্ৰত। বিশ্ব স্বাস্থ্য সংস্থাৰ মতে থাইলেণ্ডৰ দৰে সৰু দেশখনতে ৪ লাখ এইদ্ছ ভাইৰাচ আক্ৰান্ত লোক আছে। অথচ ১৯৯১ চনৰ জুলাই মাহলৈ সেই দেশত মাত্ৰ ১০৬ জন এইদ্ছ ৰোগীহে ধৰা পৰিছিল। ১৯৮৭ চনত বেঙ্ককত শিৰাত বেজী লোৱা ড্ৰাগ এডিক্ট সকলৰ ১ শতাংশতকৈও কমহে এইদ্ছ ভাইৰাচেৰে আক্ৰান্ত আছিল আজি সেই সকল লোকৰ ১৫ শতাংশই ভাইৰাচ আক্ৰান্ত।

## ভাৰতবৰ্ষত এইদ্ছ

পৃথিৱীৰ বিভিন্ন দেশত যেতিয়া এইদ্ছ সম্পৰ্কে নানা চিন্তা-চৰ্চা আৰু গৱেষণা সজোৰে চলি আছিল তেতিয়াও এই দেশৰ চৰকাৰে যি নিৰ্লিপ্ততাৰে সমস্যাটোৰ সম্পৰ্কত হাত সাবটি বহি আছিল সি কেৱল দুৰ্ভাগ্যজনকেই নাছিল আছিল এক অক্ষমনীয় অপৰাধ। যোৱা দুবছৰতহে জাতীয় স্বাস্থ্য মন্ত্ৰণালয়ে এই বিধ্বংসী ৰোগৰ প্ৰতিৰোধৰ বাবে চৰকাৰী নীতি আৰু জাতীয় কাৰ্যসূচী যুগুতোৱা কামত হাত দিছে অথচ বিশ্ব স্বাস্থ্য সংস্থাই আজি কেইবাবছৰ ধৰি পৃথিৱীত প্ৰায় সকলো দেশকেই এই বিষয়ে সতৰ্ক কৰি আহিছে। সমস্ত শেহতীয়া তথ্যপাতি আৰু অন্যান্য সহায় সাহায্য আগবঢ়াবলৈ 'বিশ্ব স্বাস্থ্য সংস্থা সদায়ে প্ৰস্তুত। কথা হ'ল দ্ৰুত যোগাযোগ ব্যৱস্থা আৰু আদান-প্ৰদানৰ বাবে পৃথিৱীত যি কোনো প্ৰান্তৰ পৰা কোনো এক সংক্ৰামক আন এক প্ৰান্তলৈ বিয়পি যাওঁতে বেছি সময় নেলাগে; গতিকে এনেবোৰ ৰোগ পৃথিৱীত সকলো ঠাইতে একে সময়তে প্ৰতিৰোধ কৰিব নোৱাৰিলে তাক নিয়ন্ত্ৰণ কৰাটো মুঠেই সম্ভৱ নহয়।

ইতিমধ্যে বিশ্ববেঙ্কে ভাৰত চৰকাৰক এইদ্ছ কাৰ্যসূচী ৰূপায়ণ কৰিবৰ বাবে ১০ কোটি ডলাৰৰ সাহায্য আগবঢ়াইছে। এই ধনৰ পৰিমাণ খুব কম নহয়। অৱশ্যে ভাৰতৰ দৰে বিশাল জনসংখ্যাৰ দেশ এখনত (যত ব্যাপক নিৰক্ষৰতা বিৰাজমান) এইদ্ছ বিৰোধী কৰ্মসূচী সফল ৰূপায়ণৰ বাবে ই তথাপিও যথেষ্ট নহয়। কিন্তু এই ধনবো কিমানখিনি প্ৰকৃত কামত খৰচ হয় – আৰু কিমান অংশ দুৰ্নীতিপৰায়ণ বিষয়া সকলৰ পকেটস্থ হয় সিহে চিন্তাৰ বিষয়। কিন্তু এইটো ঠিক যে জোৰ পুৰি হাত পাইছে। যদিও ১৯৯১ চনৰ জুলাই মাহত ভাৰতত এইদ্ছ ৰোগী চিনাক্ত হৈছিল মাত্ৰ ১৬৪ জন মাদ্ৰাজ, বোম্বাই, বাঙ্গালোৰ আদি চহৰৰ পতিতা সকলৰ দহ শতাংশই ভাইৰাচ আক্ৰান্ত বুলি প্ৰমাণ পোৱা গৈছিল। ভাৰতত যে এইদ্ছৰ মহামাৰীৰ আশংকা নুই কৰিব নোৱাৰি এই কথা স্বতঃসিদ্ধ।



*এলিজাবেথ টেইলৰ*

**সত্তৰ দশকৰ শেষৰ ফালে আমেৰিকাৰ কিছুমান সমকামী লোকৰ মাজত এবিধ অচিন ৰোগ ধৰা পৰে। সকলো ৰোগীৰ লক্ষণ একে নহলেও কিছুমান লক্ষণ যেনে – জ্বৰ, ডায়েৰীয়া, বমি, দ্ৰুত ওজন হ্ৰাস, শুকাই খীণাই যোৱা, শৰীৰৰ গ্ৰন্থি সমূহ ফুলি উঠা ইত্যাদি লক্ষণ সমূহ প্ৰায়ে দেখা গৈছিল। মূল বৈশিষ্ট্যটো আছিল এই লক্ষণ সমূহৰ বিপৰীতে প্ৰয়োগ কৰা কোনো দৰবে লক্ষণ সমূহৰ উপশম ঘটাব নোৱাৰিছিল।**

উত্তৰ পূৰ্বাঞ্চলৰ মণিপুৰ আৰু নগালেণ্ডত পৰিস্থিতি ইমান ভয়াবহ হৈ পৰিছে যে অচিৰেই সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলতে এইদ্ছে এক সাংঘাতিক মহামাৰীৰ ৰূপ ধাৰণ কৰিলেও আচৰিত হ'ব লগা একো নাই।

নগালেণ্ডৰ পৰিস্থিতি যথেষ্ট উদ্বেগজনক দেখি সেই ৰাজ্যৰ মুখ্য মন্ত্ৰীয়ে ১৯৯০ চনৰ অক্টোবৰ মাহত কেন্দ্ৰীয় চৰকাৰক নগালেণ্ডত এইদ্ছ ৰোগৰ নিয়ন্ত্ৰণৰ বাবে বিশেষ সাহায্যৰ দাবী কৰে। (চেন্টিনেল ৯ অক্টোবৰ ১৯৯০) ১৯৯১ চনৰ ডিচেম্বৰ মাহত ভাৰতৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ দপ্তৰৰ ৰাজ্যমন্ত্ৰী শ্ৰী ডি কে তাৰাদেৱী সিদ্ধাৰ্থই লোকসভাত দাঙি ধৰা এক তথ্য অনুসৰি তেতিয়াই ভাৰতত ধৰা পৰা এইদ্ছ ৰোগীৰ মুঠ সংখ্যা আছিল ৬১০৬। এই ক্ষেত্ৰত মহাৰাষ্ট্ৰৰ স্থান আছিল শীৰ্ষত (২০৪৩) দ্বিতীয় স্থান তামিলনাডুৰ (১৪২৯) আৰু মণিপুৰৰ দৰে সৰু ৰাজ্য এখনৰ এইদ্ছ ৰোগীৰ মুঠ সংখ্যা আছিল ১৩৪৭। এই সংখ্যা হ'ল ১৯৯১ চনৰ ৩১ অক্টোবৰলৈ। (দৈনিক অসম ১১/১২/৯১)

এইদ্ছ এ ভাৰতবৰ্ষত ইতিমধ্যে যি এক সৰ্বনশীয়া পৰিস্থিতিৰ সৃষ্টি কৰিছে সেই সম্পৰ্কে বিশ্বৰ এগৰাকী আগশাৰীৰ এইদ্ছ বিশেষজ্ঞৰ মতামত দাঙি ধৰা হওক। এই বছৰৰে ফেব্ৰুৱাৰী মাহত কলিকতাত পি টি আই-ৰে হোৱা এক সাক্ষাৎকাৰত ড্ৰাগছ আৰু এইছ আই ভি-ৰ বিশেষজ্ঞ গ্ৰেট ব্ৰিটেইনৰ ড্ৰাগছ চিকিৎসা সেৱা গোটৰ মেনেজাৰ ৰাছেল হায়টনে এই বুলি কৈছে – ২০০০ চনত ভাৰতবৰ্ষত এইদ্ছ আক্ৰান্ত ৰোগীৰ সংখ্যা প্ৰায় ৫ নিযুতৰ ওচৰ চাপিব। যিটো হ'ব এক ভয়ানক দৃশ্য। হায়টনৰ মতে ভাৰতবৰ্ষৰ প্ৰতি ৪০ গৰাকী প্ৰাপ্ত বয়স্ক লোকৰ মাজত এজনকৈ এইছ আই ভি বীজাণুৰ দ্বাৰা আক্ৰান্ত হৈ সোনকালেই আন এখন আফ্ৰিকীয় ৰাষ্ট্ৰত পৰিণত হ'ব পাৰে। এই ক্ষেত্ৰত ভাৰত আৰু আফ্ৰিকাৰ সমস্যা সম্পূৰ্ণ একেধৰণৰ। সীমিত চিকিৎসা সেৱা, সাক্ষৰতাত নিম্ন হাৰ, স্বাস্থ্যৰ প্ৰতি সচেতনতাৰ অভাৱ, সমস্যাটো বুজি নোপোৱা আৰু ঘন জনবসতি এইবোৰেই সমস্যাটো আৰু জটিল কৰি তুলিছে। W.H.Oৰ আন এক বিষয়ববীয়া ডাঃ মাইকেল মাৰছনে কৈছে যে ভাৰতবৰ্ষত এইদ্ছ ৰোগৰ প্ৰতিৰোধৰ বাবে বিশ্ব স্বাস্থ্য সংস্থাই এইদ্ছ নিয়ন্ত্ৰণৰ বাবে দুগুণ প্ৰচেষ্টাৰে অগ্ৰসৰ হ'বলৈ ভাৰতক আহ্বান জনাইছে। তেওঁ আৰু কৈছে যে বোম্বাইত কিছুমান লোকৰ মাজত প্ৰচলিত সমকামিতাৰ প্ৰতি সতৰ্ক নহলে ভৱিষ্যতে এইদ্ছে ভাৰতত মহামাৰী ৰূপ ধাৰণ কৰিব পাৰে। এটা সমীক্ষাৰ উদ্ধৃতি দি মাৰছনে কয় বোম্বাই চহৰৰ ৫ শতাংশ লোকেই সমকামী অৰ্থাৎ এই চহৰত সমকামী লোকৰ মুঠ সংখ্যা ২৫০,০০০। (দৈনিক অসম ১১/৮/৯২)

## মহিলা, শিশু আৰু এইদ্ছ

দুই হাজাৰ চনৰ ভিতৰত এইদ্ছ আক্ৰান্ত শিশুৰ সংখ্যা ১০ নিযুতলৈ বৃদ্ধি পাব বুলি আশংকা কৰা গৈছে। ১৯৯০ চনৰ শেষ ভাগলৈ ৭০০,০০০ জন এইদ্ছ আক্ৰান্ত শিশু গোটেই পৃথিৱীতে চিনাক্ত হৈছিল। ইয়াৰে বেছি ভাগেই – উন্নয়নশীল দেশ সমূহৰ। এই শতিকাৰ শেষৰ ফালে বহু উন্নয়নশীল দেশৰ শিশু মৃত্যুৰ অন্যতম কাৰণ হৈ পৰিব এইদ্ছ।

দুই হাজাৰ চনত ১০ নিযুত এইদ্ছ আক্ৰান্ত

শিশুৰ মৃত্যু হ'ব বুলি ঠাৱৰ কৰা হৈছে। (পি টি আই, Assam Tribune, October 6)

এইখিনিতেই উল্লেখ কৰা প্ৰয়োজন ১৯৯০ চনৰ ১ ডিচেম্বৰ তাৰিখটো সমগ্ৰ পৃথিৱীতে মহিলা আৰু এইদ্ছ ৰোগৰ সতৰ্কতা দিৱস হিচাপে পালিত হৈছিল।

এইদ্ছ আক্ৰান্ত মহিলাই গৰ্ভ ধাৰণ কৰা সন্তানবোৰৰ শতকৰা ২৫ৰ পৰা ৪০ ভাগ পৰ্যন্ত শিশু হয় জন্মৰ আগৰে পৰা নতুবা জন্মৰ সময়ৰ পৰাই এইচ আই ভি-ৰ দ্বাৰা আক্ৰান্ত হয়। আক্ৰান্ত সন্তানবোৰৰ ৫ বছৰ নৌ হওঁতেই মৃত্যুৰ মুখত পৰাটো খাটাং।

W.H.O.ৰ আন এক সমীক্ষকে কৈছে যে বৰ্তমানৰ অৱস্থা বাহাল থাকিলে অকল বোম্বাই নগৰীতে ২০০০ চনত প্ৰতি ৫টি নৱজাত শিশুৰ তিনিটাই এইদ্ছ ৰোগী হ'ব পাৰে।

## ভাৰত আৰু এইদছ


| ৰাজ্য/কেন্দ্ৰ শাসিত অঞ্চল | পৰীক্ষিত | এলিজা পজিটিভ | ৱেষ্টাৰ্ণ ব্লট পজিটিভ | এইদছ আক্ৰান্ত |
|---|---|---|---|---|
| অন্ধ্ৰপ্ৰদেশ | ২৬,৬৯০ | ১৫৫ | ৯৬ | ১ |
| অসম | ৫,০২৭ | ৩ | ৩ | ১ |
| বিহাৰ | ৫,২৬০ | ০ | ০ | ০ |
| চণ্ডিগড় (পঞ্জাবৰ সৈতে) | ৩৫,৮৮৫ | ১১৩ | ১০৩ | ৮ |
| দিল্লী | ১,৯০,০৫৮ | ৬৪০ | ৪৯৯ | ১৬ |
| গোৱা | ৩৫,২২২ | ২১৬ | ৮৭ | ২ |
| গুজৰাট | ৮২,৩৫৩ | ৮৬১ | ১৮৯ | ১ |
| হাৰিয়ানা | ৪৯,৫৮১ | ৩৩ | ২০ | ১ |
| হিমাচল প্ৰদেশ | ৪,৮১৩ | ৩ | ৩ | ০ |
| জম্মু আৰু কাশ্মীৰ | ০ | ০ | ২ | ১ |
| কৰ্ণাটক | ৫৮,৫৩০ | ১৪০ | ৯১ | ০ |
| কেৰেলা | ২০,২৩৬ | ৪৭ | ৪২ | ২ |
| মধ্যপ্ৰদেশ | ২৯,২৬০ | ৬৮ | ৩৯ | ০ |
| মহাৰাষ্ট্ৰ | ২,৪৬,৪৯৯ | ৪,৮০০ | ২,৪১৭ | ৬৫ |
| মণিপুৰ | ৮,৪২২ | ১,৬৯০ | ১,৪৩৪ | ৪ |
| মিজোৰাম | ১,০০০ | ১৫ | ১২ | ০ |
| নগালেণ্ড | ৪৩৩ | ৮৫ | ৭৩ | ০ |
| উৰিষ্যা | ৮,৬০৮ | ৭ | ০ | ০ |
| পণ্ডিচেৰী | ২৩,০৪০ | ৪০৬ | ২৯৮ | ৩ |
| ৰাজস্থান | ১,৮৯১ | ৫ | ০ | ১ |
| তামিলনাডু | ৪,৩৭,৩৩০ | ২,৬১১ | ১,৬৬৬ | ৯ |
| উত্তৰ প্ৰদেশ | ২৮,৩৫১ | ২৩৫ | ১৬৮ | ১ |
| পশ্চিমবঙ্গ | ৪৭,৮৪৯ | ৫১ | ৩২ | ১ |
| মুঠ | ১৩,৪৮,৯৬৫ | ১২,২৩৪ | ৭,২৭২ | ১১৬ |

▫ ভাৰত চৰকাৰৰ ডিৰেক্টৰ জেনেৰেল অফ্ হেলথ চাৰ্ভিচত প্ৰকাশিত পৰিসংখ্যা ১ এপ্ৰিল ১৯৯২লৈকে

[তথ্য : আলোকপাতৰ সৌজন্যত]

## এইদ্ছ প্ৰতিকাৰক চিকিৎসা

দুৰাৰোগ্য এইদ্ছ ৰোগে পৃথিৱীত এক অবোধ্য মহামাৰীৰ সৃষ্টি কৰিছে কাৰণ এইদ্ছ ৰোগৰ ভাইৰাচক ৰোগাক্ৰান্ত জনৰ শৰীৰৰ পৰা সমূলঞ্চে বিতাৰিত কৰিব পৰা দৰৱ আজিও ওলোৱা নাই। অৱশ্যে এইদ্ছ ৰোগ ধৰা পৰা মাথো এটা দশক হে হৈছে। কিন্তু এই এটা দশকত এই ৰোগটোৰ সম্পৰ্কত বিস্তৰ গৱেষণা হৈছে। কিন্তু আজিও বিজ্ঞানীসকলে এইচ আই ভি কোনো অমোঘ অস্ত্ৰ উদ্ভাৱন কৰিব পৰা নাই কাৰণেই মানুহৰ মনত এইদ্ছ ৰোগৰ প্ৰতি অসীম আতঙ্কই দেখা দিছে। সেই বুলি বিজ্ঞানী সকলে যে একো কৰিব পৰা নাই সেইটোও নহয়। এইদ্ছৰ





*এইদছ সম্পৰ্কীয় এখন পোষ্টাৰ*

বিৰুদ্ধে উদ্ভাৱন কৰা শেহতীয়া অস্ত্ৰ হ'ল ZIDOVUDINE বা সংক্ষেপে AZT বোলা এবিধ দৰব। এই দৰবটোৰ সম্পূৰ্ণ বৈজ্ঞানিক নাম হ'ল 3' — Azido 3'-deoxythymidine বা Azidothymidine (AZT). পৃথিৱীৰ বহু দেশত ১৯৮৭ চনৰ পৰা এই বহুমূল্য দৰবটো প্ৰচলন কৰা হৈছে। এই ঔষধ প্ৰয়োগ কৰি ভালেখিনি সফলতা লাভ কৰিব পৰা গৈছে বুলি প্ৰকাশ পাইছে। অলপতে বাল্টিমোৰৰ জন হগকিনচ্ স্কুল অৱ মেডিচিনৰ ডাক্তৰ ৰেটন চৰালে এই বুলি মন্তব্য কৰিছে যে AZT ঔষধ প্ৰয়োগ কৰাৰ লগতে যদি ৰোগীৰ হাড়ত সুস্থ লোকৰ মজ্জা সংস্থাপন কৰা হয় এইদ্ছ ৰোগ সম্পূৰ্ণ নিৰাময় হ'ব পাৰে। অৱশ্যে এই চিকিৎসা ব্যৱস্থাৰ ব্যাপক পৰীক্ষা এতিয়াও হোৱা নাই। ডাঃ ৰেইনে কিন্তু ভালে সংখ্যক ৰোগীক এই পদ্ধতিতে আৰোগ্য কৰি তোলা বুলি দাবী কৰিছে। ৬০ৰ দশকত AZT ক কেন্সাৰ চিকিৎসাতহে ব্যৱহাৰ কৰা হৈছিল। ১৯৮৬ চনলৈ এই এইদ্ছ নাশক গুণৰ কথা আৱিষ্কাৰ হোৱা নাছিল। আজি কিন্তু অকল আমেৰিকাতেই ৬০০,০০০ লোকে এই দৰব ব্যৱহাৰ কৰে এইদ্ছৰ পৰা পৰিত্ৰাণ বিচাৰি।


## ৰেট্ৰোভাইৰাচ এইচ. আই. ভি. ঃ

এইদ্ছ সৃষ্টিকাৰী এই ভাইৰাচটো এবিধ অত্যন্ত ক্ষুদ্ৰ অণুজীৱ। এটা পাতল প্ৰটিন আৱৰণীৰ ভিতৰত ইয়াৰ জেনেটিক পদাৰ্থ অকশমান থাকে। এদলীয়া আৰু এন, এ,



*শিৰাত যিসকলে ড্ৰাগচ ব্যৱহাৰ কৰে তেওঁলাকৰ এইদছ হোৱাৰ সম্ভাৱনা বেছি*

টোৱে এই জেনেটিক বস্তুখিনি বহণ কৰে। আৰু এন, এ, টোৰ গাতে সংযুক্ত থাকে ৰিৰ্ভাচ ট্ৰেন্সক্ৰিপ্‌টেছ (Reverse transcriptase) নামৰ এবিধ এনজাইম। আশ্ৰয়দাতা কোষৰ লগত সংযুক্ত হোৱাৰ পিছত এই এনজাইমৰ সহায়ত ভাইৰাচটোৱে তাৰ ভিতৰত থকা আৰ, এন, এ, টোক ডি, এন, এ, লৈ ৰূপান্তৰিত কৰে। ভাইৰাচটোৰ প্ৰটিন আৱৰণী খনৰ বহিৰ্ফালে কিছুমান বুটামৰ দৰে গাঁথি থাকে। এইবোৰ হ'ল জি, পি, ১২০ এইবোৰৰ সহায়ত ই শত্ৰুপক্ষৰ টি লিম্‌ফোচাইট কোষৰ বহিৰ্ভাগত থকা গ্ৰাহক স্থানত (Receptor site) থকা $CD_4$ বিন্দুত লাগি ধৰে। এবাৰ এনেকৈ লাগি ধৰাৰ পিছত ভাইৰাচটোৱে তাৰ জেনেটিক পদাৰ্থখিনি ইটো কোষৰ ভিতৰত সুমুৱাই দিয়ে। ইয়াৰ পিছত আৰ, এন, এ, ৰ ডি, এন, এ, লৈ ৰূপান্তৰ। এই ডি, এন, এ, গৈ গ্ৰাহক কোষৰ ডি, এন, এ, ৰ লগত সংযুক্তকৰণ। কিছুকালৰ বিৰতিৰ পিছত ভাইৰেল ডি, এন, এ, খিনিয়ে গ্ৰাহক কোষৰ ডি, এন, এ,ক সম্পূৰ্ণ কৰায়ত্ত কৰি নিজৰ প্ৰাধান্য বিস্তাৰ কৰে। এতিয়া ভাইৰেল ডি, এন, এ,ৰ বৈশিষ্ট বহণকাৰী নতুন আৰ, এন, এ, প্ৰস্তুত কৰিবলৈ নিৰ্দ্দেশ দিবলৈ ধৰে। এই নতুন আৰ, এন, এ,ৰ চাৰিওপিনে একোটাকৈ প্ৰটিন কোষ সম্পূৰ্ণ হলে একোটা নতুন ভাইৰাছে জন্ম পায়। সিহঁতে ইয়াৰ পিছত গ্ৰাহক কোষটোক বিনষ্ট কৰি আন কোষৰ সৈতে সংযুক্ত হ'বলৈ ধাপলি মেলে। এনেকৈয়ে চলে এইছ, আই, ভি, ভাইৰাচৰ বিধ্বংসী কাৰ্য। ভাইৰাচ বোৰ সাধাৰণতে তেজত ঘূৰি ফুৰে। শৰীৰৰ ৰক্ষণ বিভাগৰ (Immune System) কোষবোৰো তেজতেই ঘূৰি ফুৰে। তেজৰ বাহিৰেও ভাইৰাচ ৰোগাক্ৰান্ত পুৰুষৰ শুক্ৰৰস, মহিলাৰ যোনিৰস আৰু ডাঙৰ হোৱা গ্ৰন্থিবোৰতো থাকে।




❑ HIV নামৰ কালান্তক ভাইৰাচটো।

## এইদ্‌ছ আৰু আতঙ্ক

আজিকালি এইদ্‌ছ বুলিলেই আতঙ্ক। অলপতে চীন দেশৰ এখন চহৰত আমেৰিকাৰ পৰা অনা বহু মূল্যবান বস্ত্ৰ জ্বলাই দিয়া হ'ল। আশংকা কৰা হৈছিল যে সেই কাপোৰবোৰত এইদ্‌ছৰ বীজাণু আছিল।

১৯৯০ চনৰ ছেপ্টেম্বৰ মাহৰ শেষৰ ফালে যেতিয়া গুৱাহাটী মেডিকেল কলেজৰ মনোৰোগ বিভাগত চিকিৎসাধীন হৈ থকা এজন ড্ৰাগ আসক্ত ৰোগী (মহম্মদ ৱালীড খান) এইদ্‌ছ ৰোগী বুলি প্ৰমাণ হ'ল চিকিৎসা কৰ্মী সকল কি যে আতঙ্কিত হৈ পৰিল কল্পনা কৰিব নোৱাৰি। সেই ৰোগী জনক তাৰ পৰা আঁতৰ কৰিবলৈ তেওঁলোকে ধৰ্মঘট কৰাৰ ভাবুকি দিলে। এনে প্ৰচণ্ড হেঁচাৰ কোবত কৰ্তৃপক্ষই ৰোগীজনক কালাপাহাৰত থকা Isolation ward লৈ স্থানান্তৰিত কৰিবলৈ বাধ্য হয়। অক্টোবৰ মাহৰ প্ৰথম সপ্তাহত তেওঁৰ মৃত্যু হয়। যদি চিকিৎসা সেৱাৰ লগত জড়িত ব্যক্তি সকলৰে এইদ্‌ছ ৰোগৰ প্ৰতি এনেকুৱা আতঙ্ক, তেতিয়া হ'লে দুৰ্ভগীয়া এইদ্‌ছ ৰোগীবোৰৰ কি অৱস্থা হ'ব।

পৃথিৱীৰ প্ৰায় সকলো দেশতে এইদ্‌ছ ৰোগীবোৰক অস্পৃশ্য জ্ঞান কৰা হয়। ই বৰ দুৰ্ভাগ্যজনক।

সেই কাৰণে দুটামান মৌলিক কথা সকলোৱে জনা দৰকাৰ।

- এইদ্‌ছ ৰোগ এইচ আই ভি ভাইৰাচ আক্ৰান্ত ব্যক্তিৰে সৈতে যৌন সম্পৰ্ক স্থাপন কৰিলেহে সংক্ৰমিত হ'ব পাৰে।
- যথা সম্ভৱ পত্নীৰ বাহিৰে অইন মহিলাক শয্যা সঙ্গী নকৰিব।
- পতিতা সকলে তেওঁলোকৰ গ্ৰাহকক Condom ব্যৱহাৰ কৰিবলৈ বাধ্য কৰক।
- পতিতা গমন কৰা সকলে Condom ব্যৱহাৰ কৰক। পৰাপক্ষত পতিতালয় গমন নকৰিব।
- পতিতা সকলক এইচ আই ভি-ৰ বাবে স্ক্ৰীনিং কৰিবলৈ নিয়ম কৰক।
- ভালকৈ ষ্টেৰিলাইজ কৰা বেজীৰেহে ইনজেকশ্যন ল'ব লাগে।

এইদ্‌ছ ৰোগীৰ সতে কৰমৰ্দন কৰিলে বা তেওঁৰ গা স্পৰ্শ কৰিলেই এইদ্‌ছ হ'ব নোৱাৰে। আনকি তেওঁ খোৱা পাত্ৰৰ পৰা খোৱা বস্তু খালেও এইদ্‌ছ নহয়। অমূলক ভয় মনৰ পৰা আঁতৰ কৰক। মনত ৰাখিব যৌন সম্পৰ্কৰ মাজেৰে এইদ্‌ছ ৰোগীৰ পৰা ৰোগ বিয়পিব পাৰে। ৰক্তদান ব্যৱস্থাত সাৱধানতা অৱলম্বন কৰক। যদি ৰক্তদান কৰা ব্যক্তিজনৰ তেজত এইচ আই ভি ভাইৰাচ থাকে তেতিয়া হলে ৰক্ত গ্ৰহণ কৰা ব্যক্তিজনৰ এই ৰোগ হোৱাটো খাটাং। সেই বাবে পেশাদাৰী ৰক্তদাতা সকলৰ তেজৰ নিয়মীয়া স্ক্ৰীনিং কৰাব লাগে। অচিনাকি ব্যক্তিৰ পৰা ৰক্ত গ্ৰহণ নকৰাই শ্ৰেয়। এই ক্ষেত্ৰত আপোন পৰিয়ালৰ লোককেই ভৰসা কৰা শ্ৰেয়। মনত ৰাখিব এইদ্‌ছ আজি এক বিশ্ব মহামাৰীত পৰিণত হৈছে। এই ৰোগৰ লক্ষণ প্ৰকাশ পোৱা জনৰ পৰিত্ৰাণৰ সম্পূৰ্ণ নিৰ্ভৰযোগ্য ব্যৱস্থা আজিও উদ্ভাৱন হোৱা নাই। গতিকে এই ৰোগৰ প্ৰতিৰোধ সকলো প্ৰকাৰে কৰিবলৈ যত্ন কৰক। এই ৰোগ সম্পৰ্কে সকলো লোককে সচেতন আৰু সতৰ্ক কৰি তোলাই হ'ল এই ৰোগক বাধা দিয়াৰ সৰ্বোত্তম ব্যৱস্থা।

### এইদ্‌ছ গৱেষণাৰ কেইটামান উল্লেখযোগ্য বছৰ :

| | |
|---|---|
| ১৯৮১ – | আমেৰিকা যুক্তৰাষ্ট্ৰত প্ৰথম এইদ্‌ছ ৰোগী চিনাক্তকৰণ। |
| ১৯৮৩ – | Lymphoadenopathy Virus (L.A.V.)ৰ প্ৰথম চিনাক্তকৰণ। |
| ১৯৮৪ – | ভাইৰাচ সংক্ৰমণৰ চিনাক্তকৰণ ৰক্ত পৰীক্ষা পদ্ধতিৰ উদ্ভাৱন। |
| ১৯৮৫ – | দেহত থকা ভাইৰাচ (HIV)ৰ বিপৰীতে HPA-23 নামৰ দৰৱৰ কাৰ্যক্ষমতাৰ প্ৰমাণ। |
| ১৯৮৬ – | Zidovudine নামৰ দৰব ৰোগীৰ চিকিৎসাত প্ৰথম প্ৰয়োগ আৰু পৰীক্ষাৰ সুফল। |
| ১৯৮৭ – | Zidovudine বা AZT প্ৰস্তুত কৰিবলৈ ঔষধ কোম্পানীক অনুমতি প্ৰদান। |
| ১৯৯১ – | Didanosine নামৰ দৰববিধ প্ৰস্তুত কৰিবলৈ US. FDAৰ দ্বাৰা অনুমতি প্ৰদান। |



প্ৰতিমাহে আমেৰিকাত ৩,০০০তকৈয়ো অধিক ৰোগী বলি হৈছে।



# ছবছৰীয়া মস্কোৰ জীৱন : কেইটিমান চিন্তা

কানাই গঁগৈ

সমগ্ৰ বিশ্বতে সম্প্ৰতি এটা কথা বহুলভাবে প্ৰচাৰ কৰা হৈছে যে আৰ্থ-সামাজিক ব্যৱস্থা হিচাপে সমাজবাদ ইতিমধ্যে বিফল বুলি প্ৰমাণিত হৈছে; চীন, কিউবা আদি দুই এখন দেশত সমাজবাদে নিজৰ অস্তিত্ব নিঃশেষ হ'বলৈ দিয়া নাই যদিও ই প্ৰকৃততে পুঁজিবাদৰ সহায়তহে সম্ভৱ হৈছে, – অৰ্থাৎ সমাজবাদৰ বাবে আচহুৱা বজাৰ-অৰ্থনীতি তথা অন্যান্য পুঁজিবাদী সাহায্যৰ জৰিয়তেহে এই দেশবোৰে এই ব্যৱস্থাক জীয়াই ৰাখিব পাৰিছে। ইত্যাদি ইত্যাদি। সমাজবাদৰ ভৱিষ্যত সম্দৰ্ভত থাউকতে কিবা মন্তব্য দিয়াৰ পৰা বিৰত থাকি মই শেষ বিচাৰৰ ভাৰ ইতিহাসৰ ওপৰতে এৰিছো। ছটাকৈ বছৰ এসময়ৰ সমাজবাদৰ বিচৰণভূমি ৰাছিয়াত (মস্কোত) মই কটাই আহিছো যদিও কোনো ধৰণৰ আবেগক প্ৰশ্ৰয় নিদি এই নিবন্ধত এই সমাজব্যৱস্থাক নিৰ্মোহভাবে বিশ্লেষণ কৰাৰ চেষ্টা কৰিম। মই প্ৰধানকৈ ভাৰতত সম্প্ৰতি প্ৰচলিত সমাজ ব্যৱস্থাৰ লগতে সমাজবাদক ৰিজাবলৈ প্ৰয়াস কৰিম। কোৱা বাহুল্য যে ইয়াত উল্লিখিত কথাবিলাক ৰাছিয়াত সমাজবাদ থকা সময়ৰ। সমুখত মাত্ৰ এটা উদ্দেশ্য ৰাখিয়েই মই কথাবোৰ লিখিবলৈ ওলাইছো : এইবোৰ হয়তো ভৱিষ্যতে কেতিয়াবা কাৰোবাৰ উপকাৰত আহিব! আৰু কথাবোৰ যদি সঁচাকৈয়ে কাৰোবাৰ উপকাৰত আহে, তেন্তে মোৰ শ্ৰম সাৰ্থক হোৱা বুলি ভাবিম।

আমাৰ আজন্ম পৰিচিত সমাজ ব্যৱস্থাটোৰ পৰা পৃথক ব্যৱস্থা এটাত ৰাছিয়াৰ লোকসকল ডাঙৰ-দীঘল হৈছিল যদিও তেওঁলোকৰ মনবোৰ আমাৰ পৰা সম্পূৰ্ণ পৃথক হৈ পৰা নাছিল। তথাপিও এষাৰ কথা ক'বই লাগিব যে এই সমাজ ব্যৱস্থাত তেওঁলোক ভাৰতীয় সকলতকৈ তুলনামূলকভাবে সৎ, নিষ্ঠাৱান, কষ্টসহিষ্ণু তথা কুসংস্কাৰমুক্ত আছিল। অথচ একে সময়তে তেওঁলোক কিছু পৰিমাণে যান্ত্ৰিক আৰু নীতি-নিয়মৰ দাস হৈ পৰিছিল। ফলত বহুত সময়ত তেওঁলোকে মানৱতাতকৈও আনুষ্ঠানিকতাৰ ওপৰতহে বেছি গুৰুত্ব দিছিল; সামাজিক জীৱনৰ লগতে ব্যক্তিগত জীৱনতো আমোলাতন্ত্ৰৰ প্ৰভাৱ পৰিছিল। মোৰ ধাৰণাত নীতি-নিয়ম, আইন-কানুন আদি মানুহে নিজৰ সুবিধাৰ্থে তৈয়াৰ কৰে; কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে মানুহ এইবোৰৰ দাস হৈ পৰিব লাগিব – প্ৰয়োজন সাপেক্ষে এইবোৰৰ সংশোধন অথবা অপসাৰণ কৰাৰ ক্ষমতাও মানুহে ৰাখিব পাৰিব লাগিব। মস্কোলৈ যোৱাৰ কেইমাহ মানৰ পাছতে ঘটা এটা সৰু ঘটনাই মোৰ মনত ৰুছসকলৰ প্ৰতি বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। ৰুছ সহপাঠী এজনে নিজৰ জন্মদিনলৈ আমি চাৰিজন ছাত্ৰক নিমন্ত্ৰণ কৰিছিল – ইয়াৰে দুজন (মোক লৈ) ভাৰতীয় আৰু দুজন আছিল আফগানিস্তানৰ। ৰুছ সহপাঠীজনৰ লগত হোৱা চুক্তি অনুসৰি পাছদিনা ৰাতিপুৱা আমি চাৰিওজনে নিৰ্দিষ্ট এটুকুৰা ঠাইত ৰৈ আছিলো। যথাসময়ত সহপাঠীজনৰ দেউতাকে গাড়ীৰে আহি আমাৰ ওচৰত হাজিৰ হ'লহি (সময়ৰ মূল্য ৰখাত ৰুছ সকল সকলোৰে আগত)। সহপাঠীজনৰ দেউতাকে নিজেই গাড়ী চলাই আহিছিল (ব্যক্তিগত চালক ৰখা তাত নিষেধ আছিল)। কিন্তু সমস্যা হ'ল গাড়ীত অহা সহপাঠীজনৰ মোমায়েকৰ বাবে। কাৰণ, গাড়ীত মাত্ৰ পাঁচজন (চালকক লৈ) মানুহ যাব পাৰে (আইন-কানুন পালনৰ ক্ষেত্ৰত ৰুছসকল অত্যন্ত কঠোৰ)

> তথাপিও এষাৰ কথা ক'বই লাগিব যে এই সমাজ ব্যৱস্থাত তেওঁলোক ভাৰতীয়সকলতকৈ তুলনামূলকভাবে সৎ, নিষ্ঠাবান, কষ্টসহিষ্ণু তথা কুসংস্কাৰমুক্ত আছিল। অথচ একে সময়তে তেওঁলোক কিছু পৰিমাণে যান্ত্ৰিক আৰু নীতি-নিয়মৰ দাস হৈ পৰিছিল

কিন্তু মানুহ হ'লো ছটা। গতিকে দেউতাকে সিদ্ধান্ত ললে যে আমি ভাৰতীয় দুজনৰ ভিতৰৰ কোনোবা এজন থাকি যাব লাগে – এবছৰৰ পাছত জন্মদিন আকৌ পৰিব, তেতিয়া যাব! ভাৰতীয় মানুহে ইমানখিনি যান্ত্ৰিকতা দেখুৱাব পাৰিব নে নোৱাৰে, নাজানো। সহপাঠীজনৰ দেউতাকে ইচ্ছা কৰা হ'লে মোমায়েকজনক বাছ বা টেক্সিত (সেই সময়ত টেক্সিৰ ভাড়াও খুব কম আছিল) যাবলৈ দি আমি চাৰিওজনকে নিজৰ ঘৰলৈ নিব পাৰিলেহেঁতেন। অৱশ্যে শেহত আমি ভাৰতীয় দুজনৰ কোনো এজনেই জন্মদিনলৈ নগৈ ছাত্ৰাবাসলৈ উভতি আহিছিলো। সেই সময়ত এটা কথাতেই মোৰ আটাইতকৈ বেছি বেয়া লাগিছিল যে আমাক এৰি থৈ যাব লগীয়া হোৱাৰ বাবে সহপাঠীজনৰ দেউতাকৰ মুখত কোনো ধৰণৰ অনুশোচনা বা অন্য ধৰণৰ প্ৰতিক্ৰিয়া দেখা নাছিলো। অৱশ্যে যান্ত্ৰিকতা ভাৰতীয় সমাজলৈও আহিছে। দিল্লী আদি মহানগৰীত মানুহে যদি আজি অনুৰূপ যান্ত্ৰিকতা দেখুৱায়, তেন্তে মই আচৰিত নহওঁ।

অথচ এই যান্ত্ৰিকতাৰ মাজতো এক ধৰণৰ বিৰল সহানুভূতিও মই সেই একেখন মস্কো চহৰতে প্ৰত্যক্ষ কৰিছিলো। মস্কোলৈ যোৱাৰ এমাহমান পাছতে এদিন এফালে ফুৰিবলৈ গৈ ঘূৰি অহাৰ সময়ত পথ হেৰুৱাই পেলাইছিলো – ভুলক্ৰমে বেলেগ এখন বাছত উঠি অন্য দিশত গুচি গৈছিলো। কিছুদূৰ যোৱাৰ পাছত নিজৰ ভুল বুজিব পাৰি এঠাইত নামি পৰিলো। তেতিয়া ৰাতি বাৰমান বাজিছিল যদিও পথে-ঘাটে মানুহৰ সমাগম যথেষ্ট আছিল (সেই সময়ত মস্কোত ইমান ৰাতিলৈকে ঘূৰি ফুৰাত একো অসুবিধা নহৈছিল)। মস্কোৰ বাট-পথৰ বিষয়ে মই তেতিয়া প্ৰায় একোৱেই নাজানো। ইফালে ৰুছ ভাষাটোও মই ক'ব পৰা হোৱা নাই (ইংৰাজী জনা মানুহ মস্কোত খুব কম পোৱা গৈছিল)। উপায়বিহীন হৈ ওচৰতে ৰৈ থকা মানুহ এজনক আমাৰ ছাত্ৰাবাস থকা পথটোৰ নামটো কলো – ইয়াৰ বেছি একো ক'বও নোৱাৰিলো। মানুহজনে হয়তো মোৰ অৱস্থা বুজি পালে আৰু নিজেই মোৰ লগত আহি, দুই-তিনিখন বাছ সলাই, মোক ছাত্ৰাবাসৰ আগত নমাই থৈ গ'লহি! ইমানখিনি সহানুভূতি আৰু সাহায্য ভাৰতীয় মানুহে কোনোবা বিদেশীৰ প্ৰতি দেখুৱাব পাৰিব নে নোৱাৰে, মই নাজানো – নোৱাৰে বুলিয়েই মোৰ বিশ্বাস। সেই বাবেই হয়তো মোৰ

সহকৰ্মী ৰুছ কয়লা-খনি বিশেষজ্ঞ ছিগ্যেই গ্ৰীশ্চেংকাৰ অপহৰণ তথা হত্যাৰ পাছত মোৰ মনলৈ বাৰে বাৰে এই ঘটনাটোৱেই আহিছিল। আৰু সেই কাৰণেই (নিজৰ মনটোক অলপ সান্ত্বনা দিবলৈকে) এই ঘটনাটো উল্লেখ কৰি ছিগ্যেই গ্ৰীশ্চেংকাক লৈ লিখা এটা লেখা "মানৱ অধিকাৰ ৰক্ষাৰ" ঠিকা লোৱা (!) এখন সাপ্তাহিক কাকতলৈ পঠাইছিলো আৰু আশা কৰাৰ দৰেই লেখাটো তাত প্ৰকাশ কৰা নহ'ল!

মোৰ ধাৰণাত কোনো এটা সমাজ ব্যৱস্থাই সম্পূৰ্ণ দোষমুক্ত তথা স্বয়ংসম্পূৰ্ণ নহয়। পুঁজিবাদৰ যেনেকৈ ত্ৰুটি আছে, সমাজবাদৰো তেনেকৈ বৈকল্য আছে। তথাপিও এটা কথা স্বীকাৰ কৰিবই লাগিব যে ৰুছসকল তুলনামূলকভাৱে সৎ, নিষ্ঠাৱান, কষ্টসহিষ্ণু হোৱাৰ; ৰাছিয়াত শিক্ষিতৰ হাৰ নিৰানব্বৈৰ পৰা এশ শতাংশ হোৱাৰ তথা পৰিকল্পিত, স্বাস্থ্যসন্মত গাওঁ-চহৰ আৰু ৰাস্তা-ঘাট নিৰ্মিত হোৱাৰ অন্তৰালত সমাজবাদৰেই বৰঙণি আছে। সমাজবাদী আৰ্হিত কঠোৰ নিয়ম-শৃংখলা পালনৰ যোগেদি ৰুছসকলে প্ৰচুৰ দ্ৰব্যৰ উৎপাদন কৰি নিজৰ জীৱনৰ মানদণ্ড উন্নত কৰিব পাৰিছিল। শ্ৰমিক-কৰ্মচাৰীসকল নিষ্ঠাৱান হোৱা বাবে উৎপাদিত দ্ৰব্যৰ গুণ সম্পৰ্কে নিশ্চিন্ত হ'ব পৰা গৈছিল। কোনেও হয়তো বিশ্বাস নকৰিব যে মোৰ মস্কোৰ ছবছৰীয়া জীৱনকালত এবাৰলৈ এক ছেকেণ্ডৰ বাবেও বিদ্যুৎ শক্তিৰ সৰবৰাহত বিজুতি ঘটা নাছিল! কিন্তু কেৱল নগৰ-চহৰতে নহয়, ৰাছিয়াৰ গাওঁবোৰতো একে ব্যৱস্থাই চলিছিল। একেদৰে ৰাছিয়াত স্বাস্থ্যসন্মত পণ্যদ্ৰব্য তথা খাদ্যবস্তুহে দোকানত পোৱা গৈছিল। অথচ ভাৰতত ISI চিহ্নযুক্ত পণ্যদ্ৰব্য অথবা খাদ্যবস্তু এটাও স্বাস্থ্যসন্মত বুলি কোনোবাই বুকুত চপৰিয়াই ক'ব পাৰিবনে? দূৰদৰ্শনৰ যোগেদি অসংখ্য পণ্যসামগ্ৰী তথা খাদ্যবস্তুৰ বিজ্ঞাপন প্ৰচাৰ কৰা হয়, কিন্তু এই বস্তুবোৰ স্বাস্থ্যসন্মত বুলি স্বয়ং চৰকাৰেই গেৰান্টি দিব পাৰিবনে? দূৰদৰ্শনৰ যোগেদি বহুতো ঔষধৰো বিজ্ঞাপন কৰা হয়, কিন্তু এইবোৰৰ সেৱনৰ ফলত শৰীৰৰ ক্ষতি হোৱাৰ পূৰামাত্ৰাই সম্ভাৱনা আছে। 'স্বাস্থ্যসন্মত' বুলি সংশ্লিষ্ট কৰ্তৃপক্ষৰ পৰা প্ৰমাণ-পত্ৰ নোপোৱাকৈও কেৱল অৰ্থ ঘটিবৰ বাবেই এইবোৰ বস্তুৰ দূৰদৰ্শনৰ দৰে শক্তিশালী প্ৰচাৰ মাধ্যমৰ যোগেদি বিজ্ঞাপণ কৰাৰ অধিকাৰ চৰকাৰে ক'ৰ পৰা পালে? এইবোৰ কৈ মই মাত্ৰ এটা কথাকেই বুজাব খুজিছো যে সমাজবাদী ৰাছিয়াত এই ধৰণৰ বিশৃংখলা, ঠগ-মনোবৃত্তি অন্ততঃ দুৰ্লভ আছিল। অন্ততঃ বস্তু এটা কিনাৰ পাছত অৰ্থৰ অপব্যৱহাৰ হ'ল বুলি অনুশোচনা কৰিব লগা নৈহেছিল। কিন্তু ভাৰতত আচল দ্ৰব্য যিমান, তাৰ নকলৰ সংখ্যা দহগুণ অধিক! জনা-বুজা গ্ৰাহকে তথাপিও নকলৰ মাজৰ পৰা আচল বস্তুটো বিচাৰি ল'ব পাৰে। কিন্তু যিখন দেশৰ গড় শিক্ষিতৰ হাৰ শতকৰা চল্লিশ ভাগৰো কম, সেইখন দেশত নকল বস্তুৱে কি ধৰণৰ ভূমিকা পালন কৰে - সি সহজেই অনুমেয়। তদুপৰি ৰাছিয়াত দোকানবিলাক চৰকাৰী হোৱা বাবে আৰু দ্ৰব্যৰ মূল্য স্থিৰ (চৰকাৰৰ দ্বাৰা নিৰ্ধাৰিত) হোৱা হেতুকে যিমান 'হেবাং' গ্ৰাহক হলেও বস্তুৰ মূল্যৰ ক্ষেত্ৰত ঠগ খোৱাৰ অৱকাশ নাছিল। অথচ ভাৰতত কিছুমান দ্ৰব্যত মূল্য লিখা থাকে যদিও তাৰ লগত 'স্থানীয় কৰ' নামৰ বিভ্ৰান্তিকৰ ধাৰণা এটাৰো সংযোজন কৰা হৈছে - এই কৰৰ পৰিমাণ কিমান হোৱা উচিত, কোনেও সঠিককৈ নাজানে! আৰু ষাঠি শতাংশ অশিক্ষিতৰতো এই সন্দৰ্ভত একো ধাৰণাই নাই! কিছুমান দ্ৰব্যত 'সকলো কৰ সামৰি' এটা মূল্য লিখা থাকে যদিও অশিক্ষিতসকল ইয়াৰ দ্বাৰা উপকৃত হোৱাৰ আশা কৰা নাযায়। গতিকে চৰকাৰে এইদৰে দ্ৰব্যৰ মূল্যৰ ওপৰত নিয়ন্ত্ৰণ কৰা যেন দেখুৱালেও আচলতে ঠগ-প্ৰবঞ্চনা পূৰা মাত্ৰাই চলি আছে। অৱশ্যে 'গ্ৰাহক সুৰক্ষা সমিতি' নামৰ কিছুমান বেচৰকাৰী সংগঠন আছে যদিও এইবোৰৰ ভূমিকা সন্দৰ্ভত সৰহ সংখ্যকৰে একো স্পষ্ট ধাৰণা নাই।

ৰুছ সকলৰ কৰ্তব্যনিষ্ঠাৰ আৰু এটা উদাহৰণ দিওঁ। ৰাছিয়াত চৰকাৰৰ দ্বাৰা যোগান ধৰা পানী সকলোৱে নিৰ্ভয়ে খাব পাৰে - কোনো ধৰণৰ দ্বিতীয় পৰিশোধনৰ (যেনে-ফিল্টাৰৰ সহায়ত) আৱশ্যক নহয়। কিন্তু ভাৰতত চৰকাৰৰ 'জনস্বাস্থ্য (!) বিভাগে' যোগান ধৰা পানী ৱাইৰাছ-বেক্টেৰিয়াৰ গৱেষণাৰ বাবেহে উপযোগী! ভাৰতত আজি যিমান 'ব্যৱসায়' চলিছে, তাতকৈ 'শাখা-ব্যৱসায়ৰ' পৰিমাণহে বেছি (এই সন্দৰ্ভত কেতিয়াবা বিস্তৃতভাৱে লিখাৰ ইচ্ছা আছে)।

সমাজবাদৰ এইখিনি গুণ থাকিলেও ইয়াৰ দোষো আছিল। বিশেষকৈ আমোলাতান্ত্ৰিক নীতি-নিয়মৰ বাবে ৰাছিয়াত প্ৰচুৰ ৰাজহুৱা সম্পত্তি নষ্ট হৈছিল। যিহেতু শ্ৰমিক-কৰ্মচাৰীৰ পাৰিশ্ৰমিক দ্ৰব্যৰ উৎপাদনৰ পৰিমাণৰ ওপৰত নিৰ্ভৰ কৰিছিল, সেইবাবে ৰুছসকলে দ্ৰব্যৰ উৎপাদন (দ্ৰব্যৰ প্ৰয়োজনীয় গুণ ৰক্ষা কৰি) তথা নিৰ্ধাৰিত সময়ৰ আগতে হোৱা উৎপাদনৰ ওপৰতহে গুৰুত্ব দিছিল। ফলত গ্ৰাহকক আকৰ্ষণ কৰিব পৰা গুণ (সৌন্দৰ্য?) দ্ৰব্যবিলাকৰ গাত নাথাকিছিল। সেইবাবে ৰাছিয়াত দ্ৰব্যৰ এক ধৰণৰ কৃত্ৰিম নাটনিৰ সৃষ্টি হৈছিল - উৎপাদিত দ্ৰব্য বছৰ বছৰ ধৰি গ্ৰাহকৰ অভাৱত দোকানত পৰি ৰৈছিল আৰু সাধাৰণ ৰাইজ বিদেশী ৰং-চঙীয়া দ্ৰব্যৰ প্ৰতি আকৰ্ষিত হৈছিল। পৃথিৱীত হয়তো এনেকুৱা মানুহেই বেছি, যাৰ ওচৰত বস্তুৰ গুণতকৈও তাৰ বাহ্যিক সৌন্দৰ্যৰহে (?) মূল্য বেছি। ৰুছসকলো ইয়াৰ ব্যতিক্ৰম নহয়। অথচ এই কথা উপলব্ধি কৰিও তেওঁলোকে ইয়াৰ বিপৰীতটোহে কৰিছিল। ইয়াত আমোলাতন্ত্ৰই হয়তো প্ৰধান ভূমিকা পালন কৰিছিল। একেদৰে (আমোলাতন্ত্ৰৰ আশীৰ্বাদতে!) ৰাজহুৱা অথবা চৰকাৰী সম্পত্তিৰ ধাৰণা মানুহবোৰৰ মগজুত সোমাই পৰাত জানি-বুজিও প্ৰচুৰ দ্ৰব্যৰ অনিষ্ট সাধন কৰা হৈছিল (বস্তুবোৰ আমাৰ নহয় - চৰকাৰৰহে!)। মস্কোত এখন তথ্যচিত্ৰত দেখিছিলো যে এটা কাৰখানাত ট্ৰেক্টৰ উৎপাদন কৰি (অৰ্ধসমাপ্ত কৰি) সেইবোৰ অন্য এটা কাৰখানালৈ পঠোৱা হৈছিল। দ্বিতীয় কাৰখানাত এই অৰ্ধসমাপ্ত ট্ৰেক্টৰবোৰৰো কিছু অংশ কাটি পেলাই দি (ৰং কৰা দৰ্জা আদি - প্ৰচণ্ড শীতৰ বাবে ৰাছিয়াত চালকে 'কেবিনত' বহিহে ট্ৰেক্টৰ চলায়) পুনৰ দৰ্জা তৈয়াৰ কৰি ট্ৰেক্টৰবিলাক স্বয়ংসম্পূৰ্ণ কৰি নিৰ্মাণ কৰিছিল! বছৰৰ পাছত বছৰ ধৰি এই নিয়মতেই সকলো চলি আছে - বস্তুৰ অপব্যৱহাৰ হৈছে, অনিষ্ট সাধন কৰা হৈছে আৰু অৱশেষত মানুহৰ শ্ৰমকে অপমান কৰা হৈছে! ব্যক্তিগত খণ্ডত অৰ্থ আৰু শ্ৰমৰ ইমান অপব্যৱহাৰ হয়তো কোনেও সহ্য নকৰিব।

ধনতন্ত্ৰৰ তুলনাত সমাজতন্ত্ৰত চৰকাৰে নাগৰিকৰ বাবে বহুত বেছি যত্ন লয় (আৰু সেইবাবেই হয়তো নাগৰিকৰ পৰা ৰাষ্ট্ৰই আনুগত্যও বিচাৰে!)। প্ৰতিজন নাগৰিকেই তিনি বছৰ বয়সৰ পাছত ৰাষ্ট্ৰৰ তত্ত্বাৱধানলৈ গুচি আহে। তদুপৰি বাসস্থান, চাকৰি আদি লাভ কৰাটো নাগৰিকৰ জন্মগত অধিকাৰ হৈ পৰাত নাগৰিকৰ জীৱনটো যথেষ্ট সহজ হৈ পৰে। অৰ্থ-সম্পত্তি সঞ্চয় কৰাৰ আৱশ্যক নহয়; তদুপৰি সঞ্চয় কৰিও লাভ নহয়, কাৰণ সেই অৰ্থেৰে ব্যক্তিগতভাৱে ব্যৱসায়-বাণিজ্য কৰিব নোৱাৰি। গতিকে ভৱিষ্যতৰ চিন্তাই নাগৰিকক (জীয়াই থাকিবৰ বাবে) সাধাৰণতে আমনি নকৰে। অন্যহাতেদি কামৰ সময় যথেষ্ট কম হোৱাত (ছয়-সাত ঘন্টা) দিনটোত নাগৰিকৰ হাতত অফুৰন্ত সময় থাকি যায়। আৰু সাধাৰণ নাগৰিকৰ বাবে (সাধনাৰ লগত জড়িতসকলক বাদ দি) এই অফুৰন্ত জিৰণিৰ সময় কটোৱাটোৱেই সমস্যা হৈ পৰে! ফলত মদ খাই মাতাল হৈ সময়বোৰ পাৰ কৰাৰ চেষ্টা কৰে (ভাৰতত হেনো মানুহে মনৰ বেজাৰতহে মদ খায়!)! ৰাছিয়াৰ কয়লা-নগৰী দানিয়েৎস্ক-অত লগ পোৱা এজন ডেকাৰ কথা আজিও মোৰ মনত আছে। কয়লাখনিত কাম কৰা ডেকাজন আছিল বিবাহিত, এজনী চাৰি বছৰীয়া ছোৱালীৰ পিতৃ। ছোৱালীজনী দিনটো 'কিণ্ডাৰ-গাৰ্টেনত' থাকে - তাইক ডাঙৰ-দীঘল কৰাৰ দায়িত্ব ৰাষ্ট্ৰৰ। পত্নীয়ে অন্য এটা উদ্যোগত চাকৰি কৰে। ডেকাজন সেই সময়ত বছৰেকীয়া ছুটীত আছিল (পত্নী আছিল কৰ্মৰতা অৱস্থাত), আৰু হাতত থকা



অফুৰন্ত সময় পাৰ কৰাৰ উপাই নাপাই প্ৰতিদিনে মাতাল হৈ সময় কটোৱাৰ বৃথা চেষ্টা চলাইছিল। মোৰ আগত সেইদিনা ডেকাজনে বাৰে বাৰে একেটা কথাকে কৈছিল: "এইদৰেই আৰু মই বহুত দিন জীয়াই থাকিব লাগিব!"

মই মস্কোত থকাৰ সময়ত তাত মদ প্ৰচুৰ পৰিমাণে পোৱা গৈছিল আৰু ৰাস্তাই-ঘাটে পৰি থকা মাতালো প্ৰায়েই দেখা পোৱা গৈছিল। তদুপৰি মদৰ দামো যথেষ্ট কম আছিল। চৰকাৰে মদৰ পৰা যথেষ্ট পৰিমাণৰ কৰ সংগ্ৰহ কৰাৰ লগতে আৰু এটা গুপুত (?) উদ্দেশ্যও হয়তো সম্পন্ন কৰিছিল - মদেৰে আক্ৰান্ত কৰি নাগৰিকক কিছু পৰিমাণে নিষ্ক্ৰিয় কৰি ৰাখিছিল। পৃথিৱীৰ গণ্য-মান্য ব্যক্তিসকলে কৈছিল যে ৰাছিয়াত নাগৰিকসকল সক্ৰিয় অথবা প্ৰতিবাদমুখৰ হোৱাটো ৰাষ্ট্ৰই নিবিচাৰিছিল আৰু সেই বাবেই নাগৰিকৰ বাক্ স্বাধীনতা 'বেচৰকাৰীভাৱে' হৰণ কৰা হৈছিল। শেহতীয়াকৈ এইষাৰ কথা ৰুছসকলেও উপলব্ধি কৰা যেন লাগে। উপৰোক্ত কথাষাৰ (অৰ্থাৎ নাগৰিকক কিছু পৰিমাণে নিষ্ক্ৰিয় কৰি ৰাখিবৰ বাবেই ৰাষ্ট্ৰই উদ্দেশ্যপ্ৰণোদিতভাৱে অধিক মদৰ প্ৰচলন কৰিছিল) সঁচা বুলি ধৰি ললেও মনত এটা খোকোজা থাকি যায়। ভাৰতত অন্য বস্তু নাথাকিলেও নাগৰিকৰ বাক্ স্বাধীনতা আছে আৰু এই স্বাধীনতাৰ সৰ্বাধিক প্ৰয়োগকাৰী হ'ল মধ্যবিত্তসকল। অথচ ভাৰতত সম্প্ৰতি এই মধ্যবিত্তৰ মাজতে মদৰ প্ৰচলন দিনে দিনে বাঢ়ি গৈছে! ইয়াৰ কাৰণ কি?

মোৰ বোধেৰে ৰাছিয়াত ধৰ্মক সামাজিক জীৱনৰ পৰা আঁতৰাই কেৱল ব্যক্তিগত জীৱনৰ বস্তু কৰি ৰাখি ভালেই কৰিছিল। অন্য নহ'লেও ৰুছসকল কুসংস্কাৰৰ পৰা বহুত পৰিমাণে মুক্ত হ'ল। কিন্তু ভাৰতত তথাকথিত শিক্ষিত সকলৰ মাজতো ধৰ্মীয় কুসংস্কাৰৰ প্ৰাদুৰ্ভাৱ দেখিলে পুতৌ নোপজাকৈ নাথাকে। কিন্তু সমাজত যান্ত্ৰিকতা, নিৰ্দয়তা, নিষ্ঠুৰতা, সহানুভূতিবিহীনতা আদি বাঢ়ি যোৱাত ৰুছসকলে ভাবিবলৈ ল'লে যে হয়তো ধৰ্মক ইমানদিনে এঘৰীয়া কৰি ৰখাৰ বাবেই এইবোৰ হৈছে। ফলত পুনৰ তেওঁলোক ধৰ্মৰ প্ৰতি আকৃষ্ট হ'বলৈ আৰম্ভ কৰিলে। ধৰ্মৰ বহুত নেতিবাচক দিশ থাকিলেও এষাৰ কথা স্বীকাৰ কৰিবই লাগিব যে এটা সৎ উদ্দেশ্য আগত ৰাখিয়েই পৃথিৱীত ধৰ্মৰ সৃষ্টি কৰা হৈছিল। কাৰণ, প্ৰতিটো ধৰ্মই মানুহক সৎ ('মিছা কথা নক'বা', 'চুৰ নকৰিবা'), দয়ালু ('দুৰ্বলীক সহায় কৰিবা', 'জীৱ হত্যা নকৰিবা'), সহানুভূতিশীল ('দুখীয়াক পুতৌ কৰিবা') হ'বলৈ শিকায়। আচল কথা যিয়েই নহওক লাগে, ৰুছসকলে ধৰ্মক লৈ অন্ততঃ এটা পৰীক্ষা চলাবলৈ সাহস কৰিলে। তেওঁলোকে সম্প্ৰতি ধৰ্মক পুনৰ গ্ৰহণ কৰিলেও পৰিশোধিত ৰূপতহে গ্ৰহণ কৰিব। কিন্তু ভাৰতত অতীতৰ পৰা এতিয়ালৈকে সেই একে কুসংস্কাৰেৰে, সময়ৰ সোঁতত ইতিমধ্যে প্ৰতিক্ৰিয়াশীল হৈ পৰা একে কিছুমান নীতি-নিয়মেৰে আবৃত হৈয়েই ধৰ্ম জীয়াই আছে। মোৰ গল্প 'মিৰ'নৱ, মই আৰু বাদল সিং'-অত ('সূত্ৰধাৰ', ১৬-৩০ নৱেম্বৰ, ১৯৯০ চন) এইবোৰ দিশকে প্ৰতিফলিত কৰিবলৈ চেষ্টা কৰিছিলো। অৱশ্যে কিমান দূৰ সফল হ'লো, সেয়া পাঠক-সমালোচকেহে ক'ব পাৰিব।

ব্যক্তিগতভাৱে অৱশ্যে মই ৰুছ সকলৰ শেহতীয়া উপলব্ধিক (অৰ্থাৎ ধৰ্মৰ এঘৰীয়াকৰণৰ বাবেই ৰুছ সকল নিৰ্দয়, নিষ্ঠুৰ, সহানুভূতিহীন হ'ল) সমৰ্থন নকৰো। নহলে ইমানবোৰ ধৰ্ম, দেৱ-দেৱী থকা সত্বেও ভাৰতত প্ৰতিদিনে ইমান হত্যা, অপহৰণ, ধৰ্ষণ আদি নহ'লহেঁতেন। ধৰ্মৰ নামতে ভাৰতত আজি মানুহে মানুহক হত্যা কৰিবলৈও কুণ্ঠাবোধ নকৰে! আচলতে সৎ হ'বৰ বাবে ধাৰ্মিক হোৱাটো আৱশ্যকীয় চৰ্ত নহয়। অন্যহাতেদি ভাৰতক 'ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ' হিচাপে ঘোষণা কৰি চৰকাৰে ৰাইজক মাত্ৰ আভুৱা ভাৰি আছে। 'ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ' মানে সকলো ধৰ্মকে 'সমান' বুলি স্বীকাৰ কৰি লৈ পাছত ধৰ্মৰ নামত ৰাজনীতি কৰি সমাজত বিশৃংখলা সৃষ্টি কৰিবলৈ অনুমতি দিয়াটো নুবুজায়; সকলো ধৰ্মকে 'সমান' বুলি স্বীকাৰ কৰি লৈও ধৰ্মক সামাজিক জীৱনৰ পৰা অপসাৰিত কৰি ব্যক্তিগত জীৱনৰ বস্তুলৈ পৰ্যবসিত কৰাটোহে বুজায়। খুব বেছি ধৰ্মক ধৰ্মীয় অনুষ্ঠানত (মন্দিৰ-মছজিদ আদিত) বিচৰণ কৰাৰ অনুমতি দিব পাৰি, কিন্তু কোনো পধ্যেই ইয়াক ধৰ্মীয় অনুষ্ঠানৰ বাহিৰলৈ যাবলৈ দিব নোৱাৰি।

এখন দেশৰ উন্নতি প্ৰকৃততে হৈছে নে নাই, সেই কথা জানিবলৈ হ'লে হেনো প্ৰথমে সেই দেশৰ নাৰী সমাজলৈ চকু দিব লাগিব। সমাজত নাৰীৰ স্থান তথা ভূমিকা, তেওঁলোকৰ শিক্ষা-দীক্ষা আদিক মাপকাঠি হিচাপে লৈহে হেনো দেশখনৰ সামগ্ৰিক উন্নতিৰ সন্দৰ্ভত অন্তিম ৰায় দিব পাৰি। নিঃসন্দেহে ৰুছ নাৰীসকল ভাৰতীয় নাৰীতকৈ শিক্ষা-দীক্ষা, সমাজত তেওঁলোকৰ স্থান তথা ভূমিকা আদিৰ ফালৰ পৰা যথেষ্ট আগবঢ়া। মোৰ ধাৰণাত ৰুছ সংবিধানে সম্পূৰ্ণ অৰ্থতে নাৰীৰ অৰ্থনৈতিক স্বাধীনতা (পুৰুষৰ সহায় নোলোৱাকৈও জীয়াই থাকিব পৰাৰ ক্ষমতা) সুৰক্ষিত কৰা বাবেহে তেওঁলোকে সকলো দিশতে আগবাঢ়ি যাব পাৰিলে। নাৰীয়ে স্বাধীনভাৱে জীয়াই থকাৰ অধিকাৰ পোৱাৰ পাছতহে সমাজত তেওঁলোকৰ ভূমিকাৰ পৰিবৰ্তন হ'ল। কিন্তু তথাপিও কথাবোৰ তাত্ত্বিক দিশৰ পৰাহে শুদ্ধ আছিল। ব্যৱহাৰিক দিশত অৰ্থাৎ পৰিয়ালত নাৰীৰ অৱস্থাৰ বিশেষ পৰিবৰ্তন হোৱা নাছিল, বৰঞ্চ অৱনতি হৈছিল বুলিহে ক'ব পাৰি। পৰিয়ালৰ বাবে প্ৰধানকৈ নাৰীয়েই বজাৰ-সমাৰ কৰিছিল, সন্তান পালনত প্ৰধান ভূমিকা তেওঁলোকেই পালন কৰিছিল, চাকৰি কৰি পৰিয়ালৰ বাজেটৰ ভাৰসাম্যও তেওঁলোকেই ৰক্ষা কৰিছিল, অথচ চাকৰ-বাকৰ ৰাখিব নোৱৰাত ঘৰুৱা কাম-বন তেওঁলোকেই বেছিকৈ কৰিব লগীয়া হৈছিল! ইমানখিনি তেওঁলোকে এক প্ৰকাৰ বাধ্য হৈয়েই কৰিছিল - নহ'লে পৰিয়ালেই ভাগি যোৱাৰ আশংকা! পুৰুষে যে নাৰীক ঘৰুৱা কামত সহায় নকৰে, সেইটোও নহয়, - পশ্চিমীয়া দেশবোৰৰ দৰে ৰাছিয়াতো পুৰুষে ঘৰ পৰিষ্কাৰ কৰা, বাচন-বৰ্তন ধোৱা আদি প্ৰায়বোৰ কামতে নাৰীক সহায় কৰি দিয়ে। কিন্তু পুৰুষৰ মনস্তত্বই এনেকুৱা যে একেটা বস্তুৱে অথবা একেখিনি কামে পুৰুষক সোনকালে আমুৱায়। সেইবাবে ঘৰৰ হাজাৰখন বন কাতি কৰি থৈও পুৰুষে টিভিৰ সমুখত বহি থাকিব পাৰে, কিন্তু ঘৰৰ কাম অসমাপ্ত ৰাখি টিভিৰ সমুখত ঘন্টাৰ পাছত ঘন্টা ধৰি বহি কটাব পৰা নাৰী সাধাৰণতে দেখা নাযায়। পুৰুষৰ এই গুণ অথবা দোষটোৰ এটা ইতিবাচক দিশো আছে। একেটা বস্তুৱে অথবা একেখিনি কামে সোনকালে আমুৱায় কাৰণেই পুৰুষে নতুন নতুন বস্তুৰ উদ্ভাৱন কৰিব পাৰে।

অৱশ্যে এটা কথা ঠিক যে নিজৰ হাতত অৰ্থনৈতিক স্বাধীনতা থকা হেতুকে ৰুছ নাৰীয়ে গোটেই জীৱনটো স্বামী অথবা পৰিয়ালৰ অন্য সদস্যৰ অত্যাচাৰ সহি থাকিব লগা হোৱা নাই। অৰ্থাৎ অত্যাচাৰৰ প্ৰতিবাদ কৰি তেওঁলোক পৰিয়ালৰ পৰা ওলাই আহি নিজ ইচ্ছানুসাৰে জীৱন যাপন কৰিব পাৰে। ভাৰতত অনেক লাঞ্ছনা-গঞ্জনা সহ্য কৰি জীয়াই থকা গৃহিনীৰ সংখ্যাই হয়তো বেছি। ভাৰতৰ বেছিভাগ পৰিয়ালতে পতি-পত্নীৰ মাজত মনৰ মিল অথবা প্ৰেম-ভালপোৱা নাথাকে - বিশেষকৈ অভিভাৱকসকলে পাতি দিয়া পৰিয়ালবোৰত। কিন্তু অৰ্থনৈতিক স্বাধীনতাবিহীনা হৈ মুক্তিৰ উপায় নেদেখি পত্নীসকলে বাধ্য হৈ গোটেই জীৱনটো ঘৃণা-বিতৃষ্ণাৰ মাজতে কটাব লগা হয়। আৰু কিছুমানে প্ৰতিবাদ সাব্যস্ত কৰিবলৈ গৈ 'ব্যভিচাৰিণী' হৈ পৰে (বহুচৰ্চিত কথাছবি 'অগ্নিস্নানৰ' নায়িকা মেনকালৈ মনত পেলাওক - ৰাছিয়াৰ পটভূমিত যি অতি সহজে পতিৰ কবলৰ পৰা মুক্ত হ'ব পাৰিলেহেঁতেন! শ্ৰদ্ধেয় ডঃ ভবেন্দ্ৰ নাথ শইকীয়াৰ ওচৰত এইখিনিতে ক্ষমা প্ৰাৰ্থনা কৰিলো)।

অন্যহাতেদি অৰ্থনৈতিক স্বাধীনতা থকা বাবে ৰুছ নাৰীৰ মাজত 'ব্যভিচাৰৰ' পৰিমাণো বাঢ়ি গৈছিল। মস্কোত এনেকুৱা বহুত ছোৱালী আছিল, যিবিলাকে চাকৰি কৰি পোৱা পাৰিশ্ৰমিকেৰে জীৱন নিৰ্বাহ কৰিব নোৱাৰিছিল। তদুপৰি ফেশ্বনৰ নামত নতুন নতুন সাজ-পাৰ তথা প্ৰসাধন সামগ্ৰীৰ আৱশ্যক হৈছিল। ফলত তেওঁলোকক উপৰুৱা ধনৰ প্ৰয়োজন হৈছিল আৰু এই ধন উপাৰ্জনৰ বাবে

তেওঁলোকে সনাতন পথটোকে বাছি লৈছিল। পৃথিৱীত যেতিয়ালৈকে পুৰুষৰ আধিপত্য থাকিব, তেতিয়ালৈকে নাৰীৰ ওচৰত বেচিবৰ বাবে এটা বস্তু সদায়েই মজুত থাকিব। মস্কোত এই ধৰণৰ 'ব্যভিচাৰিণীৰ' সংখ্যা যথেষ্ট আছিল, যদিও চৰকাৰীভাৱে এই কথা কাহানিও স্বীকাৰ কৰা নহৈছিল! মোৰ ধাৰণাত অৰ্থনৈতিক স্বাধীনতা পালে ভাৰতীয় নাৰীও ৰুছ নাৰীৰ দৰেই 'ব্যভিচাৰিণী' হৈ পৰাৰ পূৰামাত্ৰাই সম্ভাৱনা আছে। মহানগৰবিলাকত ইতিমধ্যেই এই সংস্কৃতিয়ে ('কল গাৰ্ল-সংস্কৃতি'; আৰু ইয়াত কলেজীয়া ছোৱালীবোৰেই প্ৰধান ভূমিকা পালন কৰিছে!) গা কৰি উঠিছে।

সমাজবাদে নাৰীৰ চিৰন্তন (?) মনস্তত্বলৈও কিছু পৰিবৰ্তন আনিছিল। ভাৰতত সন্তানহীনা নাৰীৰ মনৰ 'বেদনাক' লৈ লিখা অসংখ্য গল্প-উপন্যাস আছে (যেনে– ছৈয়দ আব্দুল মালিকৰ 'বনজুই')। কিন্তু ৰাছিয়াত মই ইয়াৰ ঠিক বিপৰীতটোও দেখিছিলো – তাত বহুতো নাৰীয়ে সন্তান জন্ম দি লালন-পালন কৰি 'স্বৰ্গীয় আনন্দ' লাভ কৰাতকৈ কুকুৰ পোহাৰ ওপৰতহে গুৰুত্ব দিছিল! অৱশ্যে নাৰীৰ চিৰন্তন ধৰ্ম ঈৰ্ষাকি মই ৰুছ নাৰীৰ মাজতো প্ৰত্যক্ষ কৰিছিলো।

একেদৰে ভাৰতীয় আৰু ৰুছ শিশুৰ মনৰ মাজতো একো পাৰ্থক্য মই বিচাৰি পোৱা নাছিলো। কাজাস্তানৰ গাঁৱত সৰু সৰু ল'ৰা-ছোৱালীবোৰক আমাৰবোৰৰ দৰেই বাল্তিয়ে-বোকাই লেটি লৈ হাবিয়ে-বননিয়ে পিন্পিনাই ফুৰা দেখিছিলো। গাওঁখনৰ মানুহবোৰৰ আৰু এটা স্বভাৱ দেখি সেই সময়ত মোৰ অসমৰ গাওঁবোৰলৈ মনত পৰি গৈছিল। সেইটো হ'ল – চিঞৰি চিঞৰি কথা পতা আৰু চিঞৰি চিঞৰি আনক গালি পৰা স্বভাৱ!

এষাৰ কথা সত্য যে ৰাছিয়াত অকম্যুনিষ্টসকলৰ ওপৰত কম্যুনিষ্টসকলৰ আধিপত্য চলিছিল। বহু ক্ষেত্ৰত কথাবোৰ এনেকুৱা যেন লাগিছিল যে সৎ, সচেতন নাগৰিক হোৱাতকৈও কম্যুনিষ্ট হোৱাৰ ওপৰতহে বেছি গুৰুত্ব দিয়া হৈছিল! অৱশ্যে কম্যুনিষ্টৰ সাধাৰণ আৰু প্ৰচলিত অৰ্থই হ'ল 'সৎ আৰু সচেতন নাগৰিক'। তথাপি কথা-কাণ্ডবোৰ এনেদৰে সংঘটিত কৰা হৈছিল যেন সেইবোৰ কৰিব লাগে কাৰণেই তেওঁলোকে কৰি গৈছে (মানুহৰ বিবেক, ইচ্ছা-আগ্ৰহৰ উৰ্ধ্বতো যেন কিবা এটা মহাপৰাক্ৰমী শক্তি আছিল!)। আৰু কম্যুনিষ্ট হোৱাৰ অৰ্থই আছিল কম্যুনিষ্ট পাৰ্টিৰ সদস্য হোৱা। অৱশ্যে কেইটামান পৰ্যায় অতিক্ৰম কৰাৰ পাছতহে পাৰ্টিৰ সদস্য হ'ব পৰা গৈছিল। যেনে – পাৰ্টিৰ সদস্যতাৰ বাবে স্কুলৰ পৰাই প্ৰস্তুতি চলোৱা হৈছিল। স্কুলত পোন্ধৰ বছৰ পূৰ হোৱা ছাত্ৰ-ছাত্ৰীসকলক এদিন গোটাই লৈ কেইটামান প্ৰতিজ্ঞা-বাক্য মুখস্থ কৰিবলৈ দিয়া হৈছিল। কোৱা বাহুল্য যে বহুতেই এই প্ৰতিজ্ঞা-বাক্যবোৰৰ অৰ্থ হৃদয়ংগম নকৰিছিল অথবা এইবোৰৰ প্ৰতি কোনো ধৰণৰ আগ্ৰহো অনুভৱ নকৰিছিল। তাৰ পাছত এদিন অনানুষ্ঠানিক পৰীক্ষা অনুষ্ঠিত কৰা হৈছিল। যিসকলে প্ৰতিজ্ঞা-বাক্যখিনি ভাটৌৰ দৰে মুখস্থ মাতি দিব পাৰিছিল, তেওঁলোকক কাম্ছামল-অৰ (Young Communist League) সদস্য হিচাপে নিৰ্বাচিত কৰা হৈছিল। যথা সময়ত এই কাম্ছামল-অৰ সদস্যৰ মাজৰ পৰাই পাৰ্টিৰ সদস্য নিৰ্বাচিত কৰা হৈছিল।

এই গোটেই প্ৰক্ৰিয়াটোৰ মাজত আন্তৰিকতাতকৈ আনুষ্ঠানিকতাহে বেছিকৈ ৰক্ষা কৰি চলা হৈছিল। বহুতে পাৰ্টিৰ সদস্য হৈছিল কিছুমান উপকাৰী অথচ গুৰুত্বপূৰ্ণ সা-সুবিধা লাভৰ বাবে। ৰাছিয়াত বাসস্থানৰ সমস্যা তাৰ প্ৰধান সমস্যাবোৰৰ এটা। ৰাষ্ট্ৰই যোগান ধৰা বাসস্থান পাবৰ বাবে নাগৰিকে বহুত দিনৰ আগৰে পৰাই দৰ্খাস্ত কৰিব লগীয়া হয় আৰু বহুত দিন অপেক্ষাও কৰিব লগীয়া হয়। কিন্তু পাৰ্টিৰ সদস্যসকলক এই ক্ষেত্ৰত কিছু পৰিমাণে ৰেহাই দিয়া হৈছিল। তদুপৰি কোনোবা অনুষ্ঠান-প্ৰতিষ্ঠানৰ মুৰব্বী পদত কেৱল পাৰ্টিৰ সদস্যকহে নিযুক্তি দিয়া হৈছিল। সেয়েহে বহুতে এক প্ৰকাৰ বাধ্য হৈয়েই পাৰ্টিৰ সদস্যতা গ্ৰহণ কৰিছিল। কাৰণ, এনেকুৱা বহুতো প্ৰতিভাশালী মানুহ আছে, যিসকলে আনে নিৰ্দিষ্ট কৰি দিয়া পৰিধিৰ মাজত আৱদ্ধ হৈ থাকিব নোখোজে। তদুপৰি অনুষ্ঠান-প্ৰতিষ্ঠানৰ মুৰব্বী পদৰ বাবে আৱশ্যক হোৱা সততা, কৰ্তব্যনিষ্ঠা, পৰিশ্ৰম-উন্মুখতা, প্ৰতিভা আদি গুণবোৰ কম্যুনিষ্ট নোহোৱাকৈও আয়ত্ত কৰিব পাৰি!

ৰাছিয়াৰ বাসস্থান সন্দৰ্ভত আৰু কিছু কথা কৈ লোৱা হয়তো উচিত হ'ব। তাত নাগৰিকে দুই ধৰণেৰে বাসস্থান লাভ কৰে: চৰকাৰে নিজে তৈয়াৰ কৰি নাগৰিকৰ মাজত বাসস্থানৰ বিতৰণ কৰে অথবা সমবায় প্ৰতিষ্ঠানবোৰে চৰকাৰৰ পৰা অনুমতি লৈ (ভূমি, ঘৰ নিৰ্মাণৰ সামগ্ৰী আদি ব্যৱহাৰৰ অনুমতি) বাসস্থান নিৰ্মাণ কৰি পাছত সদস্যসকলৰ মাজত বিতৰণ কৰে। ভূমি কিনা-বেচাৰ অধিকাৰ নাগৰিকৰ নাই বাবে নাগৰিকে নিজে নিজৰ ঘৰ সাজিব নোৱাৰে। আৰু সেইবাবেই ভাৰতত হোৱাৰ দৰে অসংখ্য ঘৰৰ কোনোবা মালিকে ভাৰাতীয়াক অন্যায়ভাৱে (অথবা ন্যায়সংগতভাৱে হলেও) ঘৰৰ প'ৰা বাহিৰ কৰি দিব নোৱাৰে! অসমীয়া কথাছবি 'সোণমইনা'লৈ মনত পেলাওক, ঘৰৰ মানুহখিনি যাতে গছৰ তলত থাকিব লগীয়া নহয়, তাৰ বাবেই ছবিৰ নায়কে নিজৰ বৃক্ক বিক্ৰী কৰিব লগীয়া হ'ল! ৰাছিয়াৰ পটভূমিত নায়কে ইমান ডাঙৰ ত্যাগ কৰাৰ একো দৰকাৰেই নাছিল!

কিছুমান ক্ষেত্ৰত সমাজবাদৰ অৱদানৰ কথা স্বীকাৰ নকৰাকৈ থাকিব নোৱাৰি। প্ৰথমতে, সাৰ্বজনীন বিনামূলীয়া শিক্ষাৰ জৰিয়তে ৰাছিয়াই শিক্ষিতৰ হাৰ এশ শতাংশলৈ বৃদ্ধি কৰিব পাৰিলে। তদুপৰি ৰাছিয়াৰ শিক্ষাদান পদ্ধতিটো যথেষ্ট আসোৱাঁহমুক্ত। সাধাৰণতে ছয়-সাতজন ছাত্ৰৰ একোটা সমষ্টিত একোজন শিক্ষকৰ দ্বাৰা শিক্ষাদান কৰা হয়। সেইবাবেই তাত শিক্ষকৰ সংখ্যা ভাৰতৰ তুলনাত বহুত বেছি (প্ৰায় প্ৰতি ছজন ছাত্ৰৰ বাবে এজন শিক্ষক)। অন্যহাতেদি শ্ৰেণীত শিক্ষকে ছাত্ৰক হাতত ধৰি শিকোৱাৰ দৰে শিকায় বাবে ৰুছ ভাষাৰ দৰে কঠিন ভাষা এটাও (ইংৰাজীৰ তুলনাত) বিদেশী ছাত্ৰই ছমাহতে পঢ়িব-বুজিব-ক'ব পৰা হয়। কাৰণ, শিক্ষকতাৰ প্ৰতি যথাৰ্থতে আগ্ৰহ থকা লোকহে শিক্ষক হয় (ভাৰতত হেনো অইন চাকৰি নাপালেহে মানুহে শিক্ষক হ'বলৈ মনস্থ কৰে!)। 'টিউশ্যনী প্ৰথা' ৰাছিয়াত নাই – ছাত্ৰই কিবা নুবুজিলে শিক্ষকে উপৰঞ্চি সময় লৈ ছাত্ৰক বুজাই দিয়াটো বাধ্যতামূলক ব্যৱস্থা আৰু ইয়াৰ বাবে শিক্ষকে অতিৰিক্ত পাৰিশ্ৰমিকো নাপায়। (ভাৰতত সম্প্ৰতি 'টিউশ্যন' আৰু 'নোট' বিক্ৰী প্ৰথা প্ৰচণ্ড লাভজনক ব্যৱসায়!)। অৱশ্যে ৰাছিয়াৰ দৰে শিক্ষাদান পদ্ধতিত ইয়াৰ আৱশ্যকো নহয়। ৰাছিয়াৰ কঠোৰ নিয়ম-শৃংখলা ৰক্ষাকাৰী ব্যৱস্থাত শিক্ষানুষ্ঠানত শিক্ষাদান নিৰ্দিষ্ট দিনত আৰু সময়মতে অনুষ্ঠিত কৰা হয়। শিক্ষানুষ্ঠানৰ বন্ধৰ সংখ্যাও যথেষ্ট কম – বছৰত আঠ দিন (দেওবাৰ, গৰমৰ আৰু শীতৰ বন্ধ বাদ দি)। সেইবাবে শিক্ষাদান সদায়েই নিৰ্দিষ্ট সময়ত শেষ হয় আৰু পৰীক্ষা নিৰ্দিষ্ট দিনত অনুষ্ঠিত হয়। পৰীক্ষাতকৈও শ্ৰেণীত অৰ্জন কৰা জ্ঞান তথা ঘৰুৱা অনুশীলনৰ ওপৰতহে বেছি গুৰুত্ব দিয়া হয়। পৰীক্ষাবোৰ মৌখিক। পৰীক্ষা দিয়াৰ লগে লগে ফলাফলৰ কথা জানিব পাৰি – ভাৰতৰ দৰে দুই-তিনি মাহ অপেক্ষা কৰাৰ আৱশ্যক নহয়। পৰীক্ষাৰ পাছত (বিশেষকৈ গৰমৰ বন্ধত) ছাত্ৰসকলে গাঁৱলৈ গৈ তাত কাম কৰে; ফলত ছাত্ৰৰ মানসিক জিৰণি, নতুন নতুন অভিজ্ঞতা অৰ্জনৰ লগতে অৰ্থোপাৰ্জন হয়।

স্কুলত চৰকাৰী বৃত্তিৰ ব্যৱস্থা নাই যদিও উচ্চ শিক্ষানুষ্ঠান সমূহত সকলো ছাত্ৰৰ বাবে বৃত্তিৰ ব্যৱস্থা আছে। অৱশ্যে উচ্চ শিক্ষানুষ্ঠানত ভৰ্তিৰ বাবে ছাত্ৰই প্ৰচণ্ড প্ৰতিযোগিতাৰ সন্মুখীন হ'ব লগীয়া হয়। সাধাৰণ মেধাৰ ছাত্ৰৰ ক্ষেত্ৰত উচ্চ শিক্ষাৰ আগ্ৰহ কম, কিয়নো হাইস্কুলৰ শিক্ষা সমাপ্ত কৰাৰ পাছুতে নাগৰিক কৰ্মসংস্থান প্ৰাপ্তিৰ বাবে উপযোগী হৈ পৰে আৰু তেওঁলোক যিকোনো শাৰীৰিক শ্ৰমৰ আৱশ্যক হোৱা কামত সোমাই পৰে (ৰাছিয়াত মানসিক শ্ৰমতকৈ শাৰীৰিক শ্ৰমত বেছি পাৰিশ্ৰমিক দিয়া হয়)। কাজাস্তানৰ গাঁৱত মই এনেকুৱা বহুত স্কুলীয়া ছাত্ৰ লগ পাইছিলো, যাৰ জীৱনৰ লক্ষ্য হ'ল ড্ৰাইভাৰ হোৱা (ৰাছিয়াত ড্ৰাইভাৰৰ পাৰিশ্ৰমিক যথেষ্ট লোভনীয়)!



দ্বিতীয়তে, সাৰ্বজনীন বিনামূলীয়া চিকিৎসা ব্যৱস্থা তথা যথাসম্ভৱ নিকা স্বাস্থ্যজনিত বিধি-বিধানে (ভেজালহীন খাদ্য আৰু ঔষধ, বিশুদ্ধ পানী ইত্যাদি) ৰাছিয়াৰ নাগৰিকৰ গড় বয়স বাসত্তৰ বছৰলৈ উন্নীত কৰিব পাৰিছিল। ব্যৱস্থাটোত কিছু বিচ্যুতি থাকিলেও সৰ্বসাধাৰণ নাগৰিক ইয়াৰ দ্বাৰা উপকৃত হ'ব পাৰিছিল। অন্ততঃ পুঁজিবাদী দেশবোৰত হোৱাৰ দৰে চিকিৎসা ব্যৱস্থাটোক ব্যৱসায়লৈ ৰূপান্তৰিত হ'বলৈ দিয়া হোৱা নহৈছিল।

তথাপিও ৰাছিয়াৰ লোকসকল সুখী নাছিল! অত্যন্ত কঠোৰ নীতি-নিয়ম, পৰিকল্পিত অৰ্থনীতিৰ নামত ৰাইজৰ চাহিদা থকা বস্তুৰ নাটনি অথচ চাহিদাহীন দ্ৰব্যৰ উভৈনদী হৈ থকা অৱস্থা (হাতত যথেষ্ট ধন থকা সত্বেও ৰাইজে বস্তু একোটাৰ বাবে কেতিয়াবা বহুত দিন অপেক্ষা কৰিব লগীয়া হৈছিল অথবা দীঘল 'কিউ'ত ঘণ্টাৰ পাছত ঘণ্টা ধৰি থিয় হৈ থাকিব লগীয়া হৈছিল!), মনৰ ক্ষোভ প্ৰকাশৰ সুবিধা নথকা (ৰাছিয়াত চৰকাৰে সমালোচনা সাধাৰণতে সহ্য নকৰিছিল!), সমাজত বিশেষ কিছুমান মানুহৰ আধিপত্য, সমাজত ক্ৰমে ক্ৰমে বাঢ়ি অহা দুৰ্নীতি আদিয়েই হয়তো মানুহবোৰ সুখী নোহোৱাৰ কাৰণ আছিল। ৰুছসকলৰ মুখত সততে এষাৰ কথা শুনা যায়: "জাকন্ য়েছৎ জাকন্!" (আইন আইনেই!), অৰ্থাৎ যিকোনো মূল্যৰ বিনিময়তো তেওঁলোকে আইন-কানুন মানি চলিছিল অথবা মানি চলিবলৈ বাধ্য হৈছিল! অৱশ্যে মানৱ এনেকুৱা জীৱ যে কোনো সমাজ ব্যৱস্থা, কোনো পৰিবেশতে মানুহ সম্পূৰ্ণ সুখী হ'ব নোৱাৰে (কিছু লোকৰ বহু আকাংক্ষিত 'স্বৰ্গতো' মানুহ সম্পূৰ্ণ সুখী হ'ব নোৱাৰিব!) ৰুছ সকলৰ মুখত প্ৰায়েই অশ্লীল গালি শুনা যায়, তথাকথিত উচ্চ শিক্ষিত বহুত ৰুছ লোকেও এইবোৰ অনায়াসে উচ্চাৰণ কৰে (অৱশ্যে ভাৰতীয় উচ্চ শিক্ষিত লোকেও অশ্লীল গালি দিয়ে – কিন্তু ইংৰাজীত!) ই হয়তো ৰুছ সকলৰ বাবে মনৰ ক্ষোভ নিৱাৰণৰ এটা পৰোক্ষ উপায়।

অৱশ্যে এষাৰ কথা নকলে সত্যৰ অপলাপ কৰা হ'ব। ৰাছিয়াৰ সমাজব্যৱস্থাই মানুহৰ প্ৰতিভা, উদ্ভাৱনী শক্তি আদিৰ ওপৰত কিছু পৰিমাণে নেতিবাচক প্ৰভাৱ পেলাইছিল। যিবোৰ বিভাগ দ্ৰব্যৰ উৎপাদনৰ লগত জড়িত আছিল, সেইবোৰ বিভাগ সাধাৰণতে সেই দ্ৰব্যৰ বিক্ৰী হোৱা-নোহোৱাৰ বাবে দায়ী নহৈছিল। সেইবাবে উৎপাদনৰ লগত জড়িত বিভাগবোৰে গ্ৰাহকৰ ইচ্ছা-অনিচ্ছা অৰ্থাৎ চাহিদাৰ ওপৰত গুৰুত্ব নিদিছিল। শ্ৰমিক-কৰ্মচাৰীসকলেও উৎপাদনৰ পৰিমাণৰ ওপৰত নিৰ্ভৰ কৰিহে পাৰিশ্ৰমিক পাইছিল কাৰণে তেওঁলোক 'সংখ্যাৰ' প্ৰতিহে আকৃষ্ট হৈছিল; নিজৰ প্ৰতিভা, উদ্ভাৱনী শক্তি আদিক উৎপাদনৰ লগত জড়িত নকৰিছিল অথবা কৰিব নিবিচাৰিছিল। আৰু সেই বাবেই তেওঁলোক উদ্যোগৰ আধুনিকীকৰণৰ প্ৰতি খুব আগ্ৰহী নাছিল (অথচ সময়ৰ লগত খোজ মিলাই যাবলৈ হ'লে প্ৰতিটো উদ্যোগৰ বাবে ই অত্যাৱশ্যকীয় চৰ্ত)। আনকি এই নেতিবাচক প্ৰভাৱ সাহিত্যৰ ক্ষেত্ৰতো পৰিলক্ষিত হৈছিল। ৰাছিয়াত সেই সময়ত নতুনত্ববিহীন (আনকি আংগিকৰ ক্ষেত্ৰতো) গল্প-উপন্যাসহে পঢ়িবলৈ পোৱা গৈছিল। সাহিত্যত নতুন পৰীক্ষা-নিৰীক্ষা প্ৰায় নচলিছিল। ৰাষ্ট্ৰৰ ফালৰ পৰা থকা অসংখ্য অলিখিত বাধা-নিষেধেই হয়তো ইয়াৰ প্ৰধান কাৰণ আছিল – ৰাষ্ট্ৰক 'স্পৰ্শ' কৰিব পৰা যিকোনো কথা লিখিবৰ বাবে 'কৰ্তৃপক্ষৰ' পৰা আগতীয়াকৈ অনুমোদন ল'ব লগীয়া হৈছিল! ৰাছিয়াত প্ৰতিভাৱান লেখক নথকাকৈ নাছিল। নিজৰ প্ৰতিভাৰ বিকাশৰ তথা সামাজিক দায়িত্ব পালনৰ সম্পূৰ্ণ সুযোগ নোপোৱা বাবেই তেওঁলোকে বিদেশলৈ ঢাপলি মেলিব লগীয়া হৈছিল।

অৱশ্যে এটা কথা ঠিক যে 'ৰোমাঞ্চকৰ', 'ৰহস্যজনক' আদি আকৰ্ষণীয় নাম দি কিছুমান বাৰেভচহু কথা ছপা কৰি আলোচনী অথবা কিতাপ আকাৰে বেচি পাঠকৰ ৰুচি বিকৃত হ'বলৈ ৰাছিয়াত দিয়া হোৱা নহৈছিল (ভাৰতত 'ছিৰিয়াছ' আলোচনীতকৈ এই ধৰণৰ আলোচনীৰ সংখ্যাই বেছি!)।

আৰু এষাৰ কথা নকলে হয়তো পক্ষপাতিত্বৰ দোষে চুব। ৰাছিয়াত জীয়াই থাকিবৰ বাবে আৱশ্যক হোৱা দ্ৰব্যবিলাকৰ মূল্য কম আছিল, কিন্তু আমোদ-প্ৰমোদৰ বাবে আৱশ্যক হোৱা দ্ৰব্যবিলাকৰ দাম যথেষ্ট বেছি আছিল। অথচ পশ্চিমীয়া উন্নত পুঁজিবাদী দেশবোৰত ইয়াৰ ঠিক বিপৰীতটো হোৱা দেখা গৈছিল। ৰাছিয়াত অত্যাৱশ্যকীয় বস্তুৰো কেতিয়াবা কেতিয়াবা নাটনি ঘটিছিল, তথাপিও দ্ৰব্যৰ মূল্য সদায়েই একেদৰে থাকিছিল।

সামৰণিত বহু চৰ্চিত বাক্ স্বাধীনতাৰ সন্দৰ্ভত দু-আষাৰ লিখাৰ লোভ সামৰিব নোৱাৰিলো। অপ্ৰিয় হলেও সত্য যে ইয়াৰ বাবে প্ৰধানকৈ হামৰাও কাঢ়ে মধ্যবিত্ত শ্ৰেণীয়ে – যাৰ ওচৰত জীৱিকাৰ বাবে নিয়োজিত সময়ৰ পাছতো হাতত অফুৰন্ত সময় থাকি যায়! জীৱিকাৰ বাবেই দিনটোৰ বেছিভাগ সময় ব্যয় কৰা সকলৰ ওচৰত এইবিলাক লৈ ভবাৰ অৱকাশ নাথাকে। দেশত কি ধৰণৰ আৰ্থ-সামাজিক ব্যৱস্থা চলিছে, সেই লৈও তেওঁলোকৰ মূৰৰ কামোৰণি নুঠে, – জীয়াই থাকিবৰ বাবে আৱশ্যক হোৱা ন্যূনতম বস্তুখিনি পালেই তেওঁলোক মোটামুটিভাৱে সন্তুষ্ট। তদুপৰি সমাজত নাম-ধাম থকা ব্যক্তি হলেহে তেওঁৰ বাক্ স্বাধীনতাৰ মূল্য থাকে! সমাজত নাম-ধাম নথকা চহা-গাঁৱলীয়া এজনে কিবা এষাৰ গুৰুত্বপূৰ্ণ কথা কলেও তেওঁৰ কথাৰ প্ৰতি সমাজৰ তথাকথিত গণ্য-মান্য ব্যক্তিসকলেই গুৰুত্ব নিদিয়ে; ৰাষ্ট্ৰৰ কথা নকলোৱেইবা! অৰ্থাৎ 'বাক্ স্বাধীনতা' নিজেই এটা পক্ষপাতদুষ্ট ধাৰণা – যাৰ মান-যশ, প্ৰভাৱ-প্ৰতিপত্তি আছে, যাৰ হাতত অফুৰন্ত সময় থাকে, তেওঁলোকৰ ওচৰলৈহে বাক্ স্বাধীনতাই ঢপলিয়াই যায়! মই যদি হীৰেন গোঁহাই অথবা হোমেন বৰগোহাঞিৰ দৰে প্ৰতিভাৱান তথা সমাজত নাম-ধাম থকা লোক হ'লোহেঁতেন, তেন্তে মোৰ সকলোবোৰ কথাই মানুহে গুৰুত্বসহকাৰে পঢ়িলেহেঁতেন। কিন্তু সেই অৱস্থা পাবলৈ মোৰ এতিয়াও বহুত বাকী (হয়তো এইজন্মত সম্ভৱো নহ'ব!), অৰ্থাৎ মোৰ 'বাক্ স্বাধীনতা' থকা সত্বেও মই ইয়াক প্ৰয়োগ কৰিব নোৱাৰো (সমাজত ইয়াৰ মূল্য নাই)!! অন্যহাতেদি সমাজত নাম-ধাম থকাসকলেইবা এই স্বাধীনতা কিমান প্ৰয়োগ কৰিব পাৰিছে (সমাজ তথা ৰাষ্ট্ৰই তেওঁলোকৰ মন্তব্যৰ প্ৰতি কিমান গুৰুত্ব দিছে)? ভাৰতত 'পূৰ্ণ গণতন্ত্ৰ' আছে, 'সম্পূৰ্ণ বাক্ স্বাধীনতা' আছে; কিন্তু এই বাক্ স্বাধীনতা প্ৰয়োগ কৰি আমি কেইটা ভেকুলীৰ পিঠিত নোম গজাব পাৰিছো ?! হোমেন বৰগোহাঞি বা হীৰেন গোহাঁইৰ কথাৰ প্ৰতিয়েইবা ৰাষ্ট্ৰ তথা 'কৰ্তৃপক্ষই' কিমান গুৰুত্ব দিছে? কেৱল আলোচনা-সমালোচনা কৰিব পৰাটোৱেই 'বাক্ স্বাধীনতা' নেকি? যদি এই আলোচনা-সমালোচনাৰ প্ৰতি 'কৰ্তৃপক্ষই' একো গুৰুত্বই নিদিয়ে, তেন্তে আমাৰ বাবে এই বাক্ স্বাধীনতাৰ মূল্য ক'ত ?! 'সূত্ৰধাৰৰ' পাততে বহুতবাৰ বহুত ব্যক্তি তথা অনুষ্ঠান-প্ৰতিষ্ঠানৰ বিৰুদ্ধে দুৰ্নীতি অথবা অন্য অভিযোগ উত্থাপিত হৈছে। কিন্তু এই অভিযোগবোৰত 'কৰ্তৃপক্ষই' কিবা গুৰুত্ব দিছেনে?

অন্যহাতেদি এই বাক্ স্বাধীনতা প্ৰয়োগৰ বাবে 'কৰ্তৃপক্ষৰ' পৰা আমি কিমানখিনি অধিকাৰ পাইছো? চৰকাৰৰ অথবা চৰকাৰ জড়িত থকা কোনোবা ব্যক্তি অথবা প্ৰতিষ্ঠানৰ দুৰ্নীতিগ্ৰস্ত চৰিত্ৰ উদঙাই দেখুৱাব পৰা কিবা কাৰ্যক্ৰম দূৰদৰ্শনৰ যোগেদি প্ৰচাৰ কৰিবলৈ দিয়া হয়নে? আনকি চৰকাৰৰ বিৰুদ্ধে যোৱা কিবা খবৰেই দূৰদৰ্শনৰ যোগেদি প্ৰচাৰ কৰা হয়নে? বাক্ স্বাধীনতাৰ প্ৰয়োগ কৰিবলৈ গৈ পাছত আততায়ীৰ হাতত মৃত্যু বৰণ কৰিব লগীয়া হোৱা লোকৰ সংখ্যাও ভাৰতত কম নহয়! এইখন অসমতেই আন্দোলনৰ নেতাসকলেই হওক বা আল্ফাই হওক অথবা ৰাইজৰ দ্বাৰা নিৰ্বাচিত চৰকাৰখনেই হওক – কোনোবাই নাগৰিকৰ বাক্ স্বাধীনতাক সন্মান জনাইছেনে? মুঠতে পুঁজিবাদেই হওক অথবা সমাজবাদেই হওক, হাতত প্ৰভাৱ-প্ৰতিপত্তি আৰু ক্ষমতা থকা যিকোনো ব্যক্তি অথবা সংগঠনেই বাক্ স্বাধীনতাক নিজৰ অনুকূলে পৰিচালিত কৰিবলৈ চেষ্টা কৰিবই।

শ্ৰদ্ধেয় পাঠকসকল! এই সন্দৰ্ভত শেষ মন্তব্য দিবলৈ মই আপোনালোকক অনুৰোধ জনালো।

# বিশ্ববিদ্যালয়ৰ চৌহদত অৰাজক পৰিস্থিতি

মালবিকা পাঠক

যোৱা কিছুদিন ধৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ চৌহদত ঘটা ঘটনা কিছুমানে বাতৰিৰ শিৰোনামা দখল কৰিছে। এই বিষয়ক লৈ বাতৰি কাকতত সম্পাদকীয়ও প্ৰকাশিত হৈছে। সম্পাদকলৈ লেখা চিঠিৰ মাধ্যমত ঘটনাবোৰৰ সন্দৰ্ভত বিতৰ্কও প্ৰকাশ পাইছে। যি কেইটা ঘটনাক লৈ বিশ্ববিদ্যালয়ত অপ্ৰীতিকৰ পৰিস্থিতিৰ উদ্ভৱ হৈছিল তাৰ লগত জড়িত পক্ষ সমূহৰ মাজত ইতিমধ্যে আপোচ মীমাংসাও হৈ গৈছে। কিন্তু বাতৰি কাকতত বিতৰ্ক এতিয়াও চলি আছে। বোধকৰো চলি থাকিবও। কাৰণ এতিয়ালৈকে প্ৰকাশিত বাতৰি আৰু তথ্যবোৰে প্ৰকৃত সত্যৰ উম্ঘাটন কৰাত গুৰুত্ব দিয়া নাই যেন লাগে। সমুদ্ৰ পৃষ্ঠাত দৃশ্যমান বৰফপিণ্ড (Iceberg) টোৱে যেনেকৈ জলগৰ্ভত ব্যাপ্ত হৈ থকা ইয়াৰ প্ৰকৃত আকাৰৰ সম্ভেদ দিব নোৱাৰে ঠিক তেনেকৈ ছেগা চোৰোকাকৈ প্ৰকাশ পোৱা বিশ্ববিদ্যালয়ৰ বাতৰিবোৰেও বিশ্ববিদ্যালয়ৰ অভ্যন্তৰত ঘটি থকা সমস্ত ঘটনাৰ চিত্ৰ দাঙি ধৰা নাই। বৰঞ্চ দেখা গৈছে যে প্ৰকৃত সত্যক ঢাকি ৰাখিবলৈ এক পৰোক্ষ প্ৰচেষ্টা বিশ্ববিদ্যালয়ৰ এচাম লোকে চলাই আছে। এটা কথা সকলোৱে মন কৰিছে যে বিশ্ববিদ্যালয়ত ঘটা শেহতীয়া ঘটনা কেইটাক ছাত্ৰ আৰু শিক্ষকৰ মাজত উদ্ভৱ হোৱা এক দ্বন্দ্ব হিচাপে চিহ্নিত কৰিবলৈ কিছুমানে প্ৰয়াস কৰিলে। কিন্তু প্ৰকৃত সত্যৰ পম খেদি এই কথা অনুভৱ কৰা হৈছে যে ঘটনাবোৰৰ দৰাচলতে আছিল নিয়ম-নীতিৰ সপক্ষে থিয় হোৱা এচাম সৎ, কৰ্তব্যনিষ্ঠ, আদৰ্শবান লোকৰ বিপক্ষে অনীতিক সাৰ পানী দি নিজ স্বাৰ্থ কায়েম কৰিব বিচৰা আন এচাম লোকৰ দ্বন্দ্বৰ বহিৰ্প্ৰকাশ। বিশ্ববিদ্যালয়ৰ কিছুমান লোকে এনে মন্তব্যও কৰিছে যে বৃহৎ শিক্ষা অনুষ্ঠান একোখনত এনেকুৱা ঘটনা কিছুমান ঘটিয়ে থাকে, ভৱিষ্যতেও ঘটি থাকিব। ভাৰতবৰ্ষৰ আন কিছুমান বিশ্ববিদ্যালয়ত ইয়াতকৈও সাংঘাতিক ঘটনা কিছুমান ঘটি থাকে। এনেধৰণৰ উক্তি কৰা লোক সকলেই যে বিশ্ববিদ্যালয়ত এক অৰাজকতাৰ পৰিৱেশ সৃষ্টি কৰিবলৈ চেষ্টা কৰি থাকে সেই কথাত সন্দেহ নাই। এনেধৰণৰ উক্তিৰ অন্তৰালত থকা সন্ত্ৰাসী চৰিত্ৰ আজিকালি সকলোৱে বুজা হৈছে। কিন্তু সমস্যা হৈছে আত্ম-সন্মান আৰু স্বমৰ্যাদা ৰক্ষাৰ বাবে সাহসেৰে পৰিস্থিতিৰ মুখা মুখি হোৱা লোকৰ অভাৱ।

এ, টি, ৮ ছাত্ৰাবাসৰ ৱাৰ্ডেন গৰাকীক জীৱন নাশৰ ভাবুকি দিয়াৰ বাবে তেওঁক নিৰাপত্তাৰ খাতিৰত সেই হোষ্টেলৰ পৰা আঁতৰাই আনি বেলেগ কোৱাৰ্টাৰত ৰখা হ'ল।

বিশ্ববিদ্যালয়ৰ কিছুমান লোকে এনে মন্তব্যও কৰিছে যে বৃহৎ শিক্ষা অনুষ্ঠান একোখনত এনেকুৱা ঘটনা কিছুমান ঘটিয়ে থাকে, ভৱিষ্যতেও ঘটি থাকিব। ভাৰতবৰ্ষৰ আন কিছুমান বিশ্ববিদ্যালয়ত ইয়াতকৈও সাংঘাতিক ঘটনা কিছুমান ঘটি থাকে। এনেধৰণৰ উক্তি কৰা লোক সকলেই যে বিশ্ববিদ্যালয়ত এক অৰাজকতাৰ পৰিৱেশ সৃষ্টি কৰিবলৈ চেষ্টা কৰি থাকে সেই কথাত সন্দেহ নাই। এনেধৰণৰ উক্তিৰ অন্তৰালত থকা সন্ত্ৰাসী চৰিত্ৰ আজিকালি সকলোৱে বুজা হৈছে। কিন্তু সমস্যা হৈছে আত্ম-সন্মান আৰু স্বমৰ্যাদা ৰক্ষাৰ বাবে সাহসেৰে পৰিস্থিতিৰ মুখা মুখি হোৱা লোকৰ অভাৱ।

কিন্তু যিজন ছাত্ৰৰ অশালীন ব্যৱহাৰৰ ফলত ঘটনাৰ আৰম্ভণি হৈছিল সেইজন ছাত্ৰক বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই হোষ্টেলৰ পৰা অপসাৰণ কৰিব নোৱাৰিলে। ডঃ মৃগেন গোস্বামী নামৰ এ, টি, ৮ ছাত্ৰাবাসৰ ৱাৰ্ডেন গৰাকীয়ে যেতিয়া ব্যক্তিগত নিৰাপত্তাৰ বাবে সেই ছাত্ৰাবাস ত্যাগ কৰিবলৈ ওলাইছিল তাৰ আগতেই সেই হোষ্টেলৰ ছাত্ৰসকলে ঐক্যবদ্ধ হৈ উপাচাৰ্যৰ ওচৰত তেওঁলোকৰ শ্ৰদ্ধাৰ পাত্ৰ অধ্যাপক গৰাকীক কৰা অপমানৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছিল। এই কথাই মূলতঃ প্ৰমাণ কৰে যে বিশ্ববিদ্যালয়ৰ শিক্ষক আৰু সাধাৰণ ছাত্ৰৰ সম্পৰ্কৰ মাজত কোনোধৰণৰ সংঘাতৰ প্ৰশ্নই উঠা নাই। কিন্তু সঁচাকৈয়ে যেতিয়া অপমানিত অধ্যাপক গৰাকীয়ে তেখেতক দিয়া জীৱন নাশৰ ভাবুকিৰ বাবে বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ নিৰ্দেশ মতে সেই ছাত্ৰাবাস এৰি আহিল তেতিয়া সেই ছাত্ৰাবাসৰ সমস্ত ছাত্ৰই মনত প্ৰচণ্ড আঘাত পালেও তেওঁলোকে এই পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ মাৰবান্ধি থিয় হ'ব নোৱাৰিলে। অৰ্থাৎ বিশ্ববিদ্যালয়ৰ ছাত্ৰবোৰে নিজেও যথেষ্ট ব্যক্তিগত নিৰাপত্তাবোধ অনুভৱ নকৰে। তেওঁলোক ভীতিগ্ৰস্ত। সেইবাবেই তেওঁলোকৰ ৱাৰ্ডেনক কৰা অপমানৰ তেওঁলোকে প্ৰতিবাদ কৰিছিল যদিও বা ভৱিষ্যতে এনে পৰিস্থিতিৰ উদ্ভৱ হ'ব নিদিব বুলি কথা দিছিল যদিও ডঃ মৃগেন গোস্বামীক ভাবুকি দিয়া অশুভ শক্তিৰ প্ৰতি প্ৰত্যাহ্বান জনাই অধ্যাপক গৰাকীৰ নিৰাপত্তা বিঘ্নিত হ'বলৈ দিয়া নহব বুলি সাহসেৰে তেওঁলোকে ঠিয় হ'ব নোৱাৰিলে।

এটা ছাত্ৰাবাসত বাস কৰা ইমান ছাত্ৰই কিয় সেই সাহস গোটাব নোৱাৰিলে? দুজন ছাত্ৰক নীতিগত কাৰণত ৱাৰ্ডেন গৰাকীয়ে নিজৰ ছাত্ৰাবাসত চিট্ দিবলৈ সন্মত নহল সেই কথাৰ প্ৰতি যদি বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই যথা সময়ত মন-কাণ দিলেহেঁতেন তেনেহলে এই পৰিস্থিতিৰ উদ্ভৱ হ'লহেঁতেননে? ছাত্ৰাবাসত চিট্ দিয়া নিদিয়াৰ বাবে এখন 'হোষ্টেল এডমিশ্যন কমিটি' থাকে। সেই কমিটিয়ে ছাত্ৰ-ছাত্ৰীক নম্বৰৰ ভিত্তিত চিট্ দিয়ে। আপত্তি জনক ছাত্ৰ দুজনে সেই নিয়ম মতে এ, টি, ৮ ছাত্ৰাবাসত চিট্ পোৱা নাছিল। স্নাতকোত্তৰ ছাত্ৰ একতা সভাৰ সদস্য সকলে তেওঁলোকৰ বাবে ছাত্ৰাবাসসমূহত চিট দিব লাগে বুলি উপাচাৰ্যৰ পৰা এক নিৰ্দেশনামা লেখাই লয়। এই নিৰ্দেশনামা অনুসৰি বিশ্ববিদ্যালয়ৰ সচিব গৰাকীয়ে (তেওঁৱেই হ'ল ৱাৰ্ডেন সকলৰ চিফ্) সেইবোৰ ছাত্ৰক বিভিন্ন ছাত্ৰাবাসত চিট্ দিব লাগে বুলি এক চাৰ্কুলাৰ দিয়ে। কিন্তু এই বিষয়ত হোষ্টেল এডমিশ্যন কমিটিত এনে কোনো নীতি নিৰ্দ্ধাৰণ হোৱা নাছিল। তাৰ উপৰি উক্ত ছাত্ৰ দুজনক এ, টি, ৮ ছাত্ৰাবাসতহে চিট্ দিব লাগে বুলিও উপাচাৰ্যই কোনো নিৰ্দেশ দিয়া নাছিল। হোষ্টেল এডমিশ্যন কমিটিয়ে ছাত্ৰ একতা সভাৰ সদস্য বুলিয়ে তেওঁলোকক চিট্ দিব লাগে বুলিও কোৱা নাছিল। গতিকে নীতিগত কাৰণতেই ৱাৰ্ডেন গৰাকীয়ে তেওঁলোকক চিট্ দিয়া নাছিল। কিন্তু তেওঁলোকে গাৰ জোৰেৰে তাত থাকিবলৈ লৈছিল আৰু এই কথাতেই তেওঁলোকে তেওঁলোকৰ প্ৰেষ্টিজ ইছ্যু হিচাপে লৈছিল। কাৰণ ছাত্ৰ দুজন ছাত্ৰ একতা সভাৰ ক্ৰমে মাইনৰ আৰু মেজৰগেমছ চেক্ৰেটাৰী আছিল।

এইখিনিতে এটা কথা উনুকিয়াই থোৱা দৰকাৰ যে গুৱাহাটী বিশ্ববিদ্যালয় স্নাতকোত্তৰ একতা সমিতিৰ সদস্য সকলে নিজকে একোজন বুৰোক্ৰেট বুলি গণ্য কৰে। অৱশ্যে ভাবিবৰে কথা। কাৰণ তেওঁলোকৰ কথামতেই ডিপাৰ্টমেণ্টৰ মুৰব্বীসকলে যোগ্যতা নথকা ছাত্ৰ-ছাত্ৰীৰ নাম ভৰ্তি কৰিবলৈ বাধ্য হয়; তেওঁলোকৰ কথা মতেই বিশ্ববিদ্যালয়ৰ পৰীক্ষাৰ তাৰিখ নিৰ্দ্ধাৰণ হয়। বিশেষকৈ কলা শাখাত ই, চি, কোটাত গণ্ডাই গণ্ডাই ছাত্ৰ-ছাত্ৰীক ভৰ্তি কৰোৱা হয়।

এইবোৰ কাৰ্যত কৰ্তৃপক্ষৰ এচাম লোকৰ পৰোক্ষ সহযোগ নাথাকিলে এনেকুৱা হ'ব নোৱাৰে। অৱশ্যে নতুন উপাচাৰ্যৰ দিনত পৰীক্ষাৰ দিন তাৰিখবোৰ কিছু নিয়মীয়া হৈছে। কিন্তু নাম ভৰ্তিৰ ক্ষেত্ৰত বিশেষকৈ কলা শাখাৰ বিভাগবোৰত এতিয়াও অনিয়ম হৈয়ে আছে। আচৰিত হ'ব লাগে শিক্ষাবৰ্ষৰ আধা কাল পাৰ হৈ যোৱাৰ পিছতো বিশ্ববিদ্যালয়ত নামভৰ্তি চলিয়েই থাকে। অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক গৰাকীয়ে ছাত্ৰ একতা সভাৰ চুপাৰিছ মতে কেইজনমান যোগ্যতাহীন ছাত্ৰ ভৰ্তি নকৰা বাবে ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকে তেখেতক কেনেধৰণৰ ব্যৱহাৰ কৰিছে সেই কথা ইতিমধ্যে প্ৰকাশ পাইছে (Assam Tribune Sep. 3 Letters to the Editor by Srinath Baruah, Prof and Head of the Dept of Economics G.U.)। এই কথাই প্ৰমাণ কৰিছে যে বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকে এক ধৰণৰ স্বেচ্ছাচাৰী শাসকৰ চৰিত্ৰ প্ৰতিফলিত কৰিছে। পুনৰ এ, টি, ৮ ছাত্ৰাবাসৰ কথালৈ অহা যাওক। বিতৰ্কিত ছাত্ৰজনে যেতিয়া ৱাৰ্ডেন গৰাকীক অপমান কৰাৰ লগতে ভাবুকি দি গ'ল সেই কথাত স্বাভাৱিকতে এক প্ৰতিক্ৰিয়া হ'ল। সেই হোষ্টেলৰ ছাত্ৰই ইয়াৰ প্ৰতিবাদতো কৰিলেই; গুৱাহাটী বিশ্ববিদ্যালয় শিক্ষক সংস্থাইও এই কথা সহজ ভাৱে নললে। যি শিক্ষক সকলে ছাত্ৰক শিক্ষা দান কৰাৰ উপৰিও ছাত্ৰাবাসসমূহত একোজন পথ প্ৰদৰ্শক আৰু অভিভাৱকৰ দায়িত্বত থাকে তেনে শ্ৰদ্ধেয় লোক এজনক ছাত্ৰ এজনে অশালীন ব্যৱহাৰ কৰিব আৰু শিক্ষকসকলে সদায়েই এনে অপমান সহ্য কৰি থাকিব সেইটো কেতিয়াও হ'ব নোৱাৰে। কিন্তু বিশ্ববিদ্যালয়ৰ প্ৰতিক্ৰিয়াশীল চক্ৰই এই নীতি আৰু আদৰ্শৰ বাবে শিক্ষকসকল একমত হৈ ঐক্যবদ্ধ হোৱা দেখি আৰু ক্ৰুদ্ধ হৈ উঠিল। এ, টি, ৮ ছাত্ৰাবাসৰ ৱাৰ্ডেন গৰাকীয়ে ঘটনা সম্পৰ্কে উপাচাৰ্যকো লগে লগে অবগত কৰাইছিল। দুদিন পিছত তিনিজন অচিনাক্ত লোক সেই ৱাৰ্ডেন গৰাকীৰ ঘৰত প্ৰবেশ কৰি তেওঁক ভাৰতীয়া গুণ্ডাই কৰাৰ দৰে ব্যৱহাৰ কৰে। তেওঁলোকে নৰম ভাষাত তেওঁৰ জীৱন নাশৰ চৰম ভাবুকি দি থৈ যায়: 'অহা ২৩ তাৰিখেই তোৰ জীৱনৰ শেষ দিন। তই বহুত আগবাঢ়িছ। ইতিমধ্যে তই বহুত অনিষ্ট কৰিলি আৰু আগ নাবাঢ়িবি ইত্যাদি। প্ৰায় ৩০-৪০ বছৰীয়া প্ৰফেচনেল ক্ৰিমিনেলৰ দৰে চেহেৰাৰ কপালত কটা দাগ থকা লোকজনে অধ্যাপক গৰাকীক এইবুলিও কলে যে তেওঁৰ কথাৰ প্ৰত্যুত্তৰ কৰিলে বা তেওঁক উত্তেজিত কৰিলে তেতিয়াই কিবা এটা সাংঘাতিক কাণ্ড ঘটি যাব পাৰে। এনেকুৱা লোমহৰ্ষক ভাবুকি দি থকাৰ সময়তে ৱাৰ্ডেন গৰাকীয়ে মানুহজনৰ নাম সুধিলত কলে—'মোৰ নাম শুনিলে তই ভয়ত চক্ খাই যাবি। এনেকুৱা ভয়ংকৰ মোৰ নাম।' এই ঘটনাটো ৱাৰ্ডেন গৰাকীৰ নিজ ঘৰত ঘটিছিল। তেখেতৰ লগত আছিল তেখেতৰ সম্পৰ্কীয় এগৰাকী কৃষি বিভাগৰ অৱসৰপ্ৰাপ্ত যুক্ত সঞ্চালক। তিনিজনীয়া দলটোৰ বাকী দুজনে অৱস্থান লৈ আছিল বাহিৰত একোটা নিৰ্দিষ্ট দূৰত্বত। 'Thus far and no farther' বুলি ৱাৰ্ডেন কমিটি বহিল আৰু লগে লগে সামূহিক ইস্তফা ঘোষণা কৰিলে। ৱাৰ্ডেন কমিটিৰ এনে ধৰণৰ পদক্ষেপ এই প্ৰথম। কিন্তু এ,টি,৮ ছাত্ৰাবাসৰ ৱাৰ্ডেন গৰাকীয়ে এনে কি কাম কৰিছে যাৰ বাবে অশুভ চক্ৰই ভাৰতীয়া গুণ্ডা সদৃশ লোকৰ দ্বাৰা জীৱন নাশৰ ভাবুকি দি ৱাৰ্ডেন গৰাকীক প্ৰতিহত কৰিব বিচাৰিছে? ৱাৰ্ডেন কমিটিৰ চেক্ৰেটাৰী হিচাপেও শ্ৰীগোস্বামীয়ে নিয়ম বহিৰ্ভূত ভাবে হোষ্টেলত বাস কৰি থকা অবৈধ ছাত্ৰ-ছাত্ৰীক উলিয়াই দি উপযুক্ত ছাত্ৰ-ছাত্ৰীকহে ছাত্ৰাবাসত স্থান দিয়াৰ পক্ষে দাবী কৰি আহিছিল। তেখেতে যোৱা বছৰ তেখেতৰ ছাত্ৰাবাসত অবৈধভাবে সোমাই থকা ল'ৰা কিছুমানক আঁতৰ কৰিবলৈ ৰুমৰ তলা পৰ্যন্ত ভাঙি দিব লগা হৈছিল। এই কাম কৰি তেওঁ বৰলৰ বাহত হাত দিয়াৰ দৰে হৈছিল। তাৰেই পৰিণতি স্বৰূপে নিজৰ ছাত্ৰৰ হাতত লাঞ্ছিত, অপমানিত হ'ব লগা হ'ল। কথা সিমানতে শেষ হোৱা হ'লে অশুভ শক্তি আজি ইমান খৰ্গহস্ত নহ'লহেঁতেন। কিন্তু ৱাৰ্ডেন সকল যিহেতু বিশ্ববিদ্যালয়ৰ শিক্ষক আৰু শিক্ষকবোৰৰ যিহেতু এখন এছোচিয়েশ্যন আছে গতিকে তাত এই কথাটো অধিক গুৰুত্ব সহকাৰে বিবেচনা কৰা হ'ল। কৰ্তৃপক্ষই ইয়াৰ বিহিত ব্যৱস্থা নকৰিলে, দোষী ছাত্ৰক উপযুক্ত শাস্তি নিদিলে আৰু যোৱা কেবা বছৰে চলি অহা শ্ৰেণীত ভৰ্তিকৰণ আৰু ছাত্ৰাবাসত চিট দিয়াৰ ব্যৱস্থাবোৰ সম্পৰ্কে তদন্ত নকৰিলে আন্দোলন আৰম্ভ কৰাৰ কাৰ্যসূচী হাতত ললে। দোষী ছাত্ৰ জনে এইবাৰ শিক্ষকসকলৰ ওচৰত ক্ষমা খুজিবলৈ বাধ্য হ'ল। তেওঁ আবেগৰ বশবৰ্তী হৈ এই কাম কৰা বুলিও সৈ কাঢ়িলে। ডঃ মৃগেন গোস্বামীয়েও এই কথাত আৰু বেছি লাগি থাকিব খোজা নাছিল। কিন্তু আচৰিত কথা স্নাতকোত্তৰ ছাত্ৰ একতা সভাৰ সদস্য এগৰাকীয়ে অধ্যাপক এগৰাকীক অপমান কৰাৰ দৰে অপৰাধ কৰাৰ পিছতো আনকি ৱাৰ্ডেন সকলে সামূহিকভাবে ইস্তফা দিয়াৰ পিছতো স্নাতকোত্তৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকজন শ্ৰীগোস্বামীৰ ওচৰলৈ এবাৰো নাহিল। আটাইতকৈ পৰিতাপৰ কথা যে ডঃ গোস্বামীক যেতিয়া কোনো অজান আততায়ীয়ে এনেকুৱা এক সময়তে তেওঁক নিয়ম-নীতিৰ পক্ষত চলিব খোজাৰ অপৰাধত প্ৰাণনাশৰ ভাবুকি দিলে তেতিয়াও সাধাৰণ সম্পাদকজন তেওঁৰ ওচৰলৈ ছাত্ৰ সকলৰ প্ৰতিনিধি হৈ সংকটকালৰ সহযোগী হিচাপে আহি থিয় নহ'ল বা ব্যক্তিগতভাবেও তেখেতৰ খবৰ নকৰিলে। কিন্তু এই ভাবুকি বিশ্ববিদ্যালয়ৰ প্ৰতি গৰাকী ব্যক্তিৰ স্বাধীনতা আৰু গণতান্ত্ৰিক জীৱন যাত্ৰাৰ প্ৰতি ভাবুকি নহয় নে? বাহিৰৰ লোকে আজি যদি ডঃ মৃগেন গোস্বামীক ভাবুকি দিছে কাইলৈ আন কাৰোবাকো সেই একেই আচৰণ কৰিব পাৰে। কিন্তু বিশ্ববিদ্যালয়ৰ সমূহ ছাত্ৰ, শিক্ষক, কৰ্মচাৰী বৃন্দই এই ঘটনাক যদি এক সামূহিক আক্ৰমণৰ অপমান হিচাপে গণ্য কৰিলেহেঁতেন অশুভ শক্তি পিছ হোঁহকি যাবলৈ বাধ্য হ'লহেঁতেন। কিন্তু দুৰ্ভাগ্যবশতঃ এনেকুৱা ঐক্যবদ্ধ প্ৰতিবাদ বা প্ৰতিৰোধ কেৱল শিক্ষক সকলেহে কৰিলে। ব্যক্তি অধিকাৰ আৰু স্বাতন্ত্ৰবোধৰ পৰিচয় বিশ্ববিদ্যালয়ৰ শিক্ষক সকলেহে দিব পাৰিলে। সমাজে এই শিক্ষক সকলক অন্ততঃ এতিয়াও পথ প্ৰদৰ্শক হিচাপে ভৰসা কৰিব পাৰে। কিন্তু বিশ্ববিদ্যালয়ৰ আন শ্ৰেণীৰ লোক সকলে এই ক্ষেত্ৰত যি উদাসীনতা অৱলম্বন কৰিলে আৰু কৰ্তৃপক্ষইও দুষ্কৃতিকাৰীক বিচাৰি উলিওৱাৰ ক্ষেত্ৰত যি উদ্যোগ দেখুৱাত ব্যৰ্থ হ'ল তাৰ পৰা এই কথা প্ৰতীয়মান হ'ল যে অশুভ শক্তি সম্পূৰ্ণ বাহিৰৰ নহয়। বিশ্ববিদ্যালয়ৰ ভিতৰতে এই শক্তিক উচতাই দিয়া কোনো ন্যস্ত স্বাৰ্থ জড়িত আছে। কেইদিনমান পাছতেই বি, টি, ছাত্ৰাবাসৰ ৱাৰ্ডেনৰ ক্ষেত্ৰত যি ঘটিলে সি এই কথাকেই নিঘটি প্ৰমাণ কৰিলে।

# যুৱ মানস-ৰেগিং আৰু ছাত্ৰ সমাজ

ধীৰেন বৰুৱা

এজন মেধাৱী ছাত্ৰ আছিল। এখন ঘোকোট গাঁৱৰ এই মেধাৱী ছাত্ৰ জনৰ নিৰক্ষৰ দুখীয়া দেউতাকে দুঃসাহস কৰি অতি কষ্টেৰে একমাত্ৰ সন্তানটোক কলেজত পঢ়ুৱাবলৈ উদ্যোগ লৈছিল। এদিন দেউতাকে বাৰীৰ শাক-পাচলি বেচি পোৱা দুটামান পইছা হাতত তুলি দি ল'ৰাটোক অসমৰ ঐতিহ্য-মণ্ডিত কলেজখনত পঢ়িবলৈ পঠিয়াই দিলে। এই নিৰীহ, লাজুক কিন্তু তীক্ষ্ণ-বুদ্ধিসম্পন্ন ছাত্ৰজনে এবুকু উচ্চাকাংক্ষা লৈ সন্ধিয়া ছাত্ৰাবাসত উপস্থিত হ'লহি।

সন্ধিয়াটো নিশাৰ ফালে গতি কৰিছে। এনেতে এজন এজনকৈ ৰেগিঙৰ ৰথী-মহাৰথীসকল সুৰাপান কৰি এই নিৰ্জু ছাত্ৰজনৰ কোঠাত প্ৰৱেশ কৰিলে। আৰম্ভ হ'ল ৰেগিঙৰ নামত ল'ৰাটোৰ ওপৰত এটাৰ পিছত এটাকৈ পাশৱিক অত্যাচাৰ। সামান্যতম ভদ্ৰতাখিনিও ৰক্ষা নকৰি প্ৰথমে ৰেগিং মাষ্টাৰসকলে অকথ্য-অশ্লীল ভাষাৰে নৱাগত ছাত্ৰজনক সম্ভাষণ জনালে। তাৰ পিছত ল'ৰাটোক এটি চিগাৰেট খাবলৈ যচা হ'ল। ল'ৰাটোৱে চিগাৰেট নাখাওঁ বুলি কোৱাত মদ সেৱন কৰিবলৈ দিয়া হ'ল। মদ খাবলৈও ল'ৰাটোৱে অস্বীকাৰ কৰাত কিছুসময় তেওঁক কাণত ধৰি উঠা-বহা কৰিবলৈ দিয়া হ'ল। উঠা-বহা কৰি যেতিয়া ল'ৰাটো ভাগৰি পৰিলে তেতিয়া তেওঁক আকৌ জোৰ-জুলুম কৰি মদ খুৱাবলৈ ধৰাত ল'ৰাটোৱে মুখৰ পৰা মদৰ গিলাচটো ঠেলা মাৰি দিওঁতে মাটিত পৰি গিলাচটো ভাগি থাকিল। কিন্তু তাৰ পৰিণতি হ'ল ভয়াবহ। তৎমুহূৰ্তে খঙত উগ্ৰমূৰ্তি ধাৰণ কৰি ৰেগিং বীৰ এজনে ল'ৰাটোৰ গালত এটা কাণতলীয়া চৰ শোধাই দিলে। ক্ষীণকাই ল'ৰাটো কৰফাল্ খাই কেইফুটমান দূৰত পকা মজিয়াত পৰি গ'ল। অন্য সজন ৰেগিংবীৰে অচেতন প্ৰায় ল'ৰাটোৰ মুখত গাৰ সমস্ত শক্তি প্ৰয়োগ কৰি এটা গোৰ শোধাই দিলে। তাৰ মুখৰ পৰা কলকলকৈ ধাৰাসাৰে ৰঙা-ৰঙা তেজ ওলাই আহিল। আৰু তাৰ দুটা আগদাঁত ভাগি গ'ল। মূৰ্ছাগত ল'ৰাজনে 'পানী'বুলি এটা অস্ফুট শব্দ কৰিলে। ল'ৰাজনৰ কাতৰ মিনতি শুনি "হাঃ হাঃ পানী" বুলি অট্টহাস্য কৰি ৰেগিং মাষ্টৰ কেইজন তাৰ পৰা অন্তৰ্ধান হ'ল। তাৰ পিছতেই যেনিবা সহৃদয় ছাত্ৰ এজনে পানী এগিলাচ আনি ল'ৰাটোক খুৱাই দিলে। কিছু পানী মূৰতো ঢালি দিয়াত সি প্ৰকৃতিস্থ হ'ল। তাৰ পিছত ছাত্ৰজনে ল'ৰাটোক ধৰি নি বিছনাত শুৱাই দিলে। মুখৰ ক্ষত চিন বোৰত দৰৱ জাতি লগাই দি শাৰীৰিক আৰু মানসিকভাৱে ভাগি পৰা ল'ৰাটোক সান্ত্বনা দিবলৈ ব্যৰ্থ চেষ্টা কৰিলে।

সেই নিশা ল'ৰাজন নোখোৱা নোবোৱাকৈ বিছনাত পৰি থাকিল। এনেতে ৰেগিংবীৰ কেইজনে টেঁটুলৈকে মদ সেৱন কৰি অধিক শক্তিশালী হৈ আকৌ নিশা একমান বজাত ল'ৰাটোৰ কোঠাত প্ৰৱেশ কৰিলে। সোধ-পোচ নাই, তাৰে এজনে ল'ৰাটোক বিছনাৰ পৰা টানি থিয় কৰাই দিলে। ঘটনাৰ আকস্মিকতাত একো তৰ্কিব নোৱাৰি ল'ৰাটোৱে চকুৰে সৰিয়হ ফুল দেখিলে। কিনো হ'ল–ল'ৰাটোক ভাবিবলৈ অৱসৰ নিদি ৰেগিংবীৰ এজনে তাক উলংগ কৰি দিলে। এগাল ল'ৰাৰ সমুখত বিবস্ত্ৰ ল'ৰাটো লজ্জাত মৃতপ্ৰায় হ'ল। কেৱল সেইয়েনে ? এটা ফুটবল আনি পকা মজিয়াত খেলিবৰ বাবে তাক কঠোৰ আদেশ দিয়া হ'ল। এনে অভাৱনীয়, অকল্পনীয় পৰিস্থিতিত পৰি ল'ৰাজন আকৌ মূৰ্ছা গ'ল। ল'ৰাজনৰ এই শোকাবহ, অসহায় অৱস্থাটো চাই ৰেগিংবীৰ কেইজনে আসুৰিক আনন্দ লাভ কৰি কিছু সময়ৰ পিছত তাৰ পৰা আঁতৰি পৰিল। পুৱতি নিশা ল'ৰাজনৰ চেতনা ঘূৰি আহিল। কিন্তু সি মানসিক ভাৰসাম্য হেৰুৱাই সেই মুহূৰ্তে আত্মহত্যা কৰিলে।

এই মেধাৱী প্ৰচুৰ সম্ভাৱনা পূৰ্ণ, মাক-বাপেকৰ চকুৰ মণি নিৰীহ ছাত্ৰজনৰ কৰুণ মৃত্যুৰ বাবে দায়ী কোন ? সমাজ নে ছাত্ৰসকল ? নে কৰ্তৃপক্ষ ?

ৰেগিং নৱাগত আৰু প্ৰবীণ ছাত্ৰৰ মাজত সুস্থ পৰিবেশত কিছু শ্লেষ তথা বক্ৰোক্তিৰে ভাৱৰ আদান-প্ৰদান কৰা পৰিচয় বিনিময় পৰ্ব কোনো দোষণীয় হ'ব নোৱাৰে। হাঁহি ধেমালিৰ মাজত এই পৰিচয় বিনিময় উপভোগ্য হোৱা উচিত। দুয়ো পক্ষৰ প্ৰশ্নোত্তৰৰ দ্বাৰা মানসিক বিচক্ষণতা আৰু বুদ্ধিমত্তাৰ পৰিচয় দিয়াৰ বাবে এই দিনটো এক দুৰ্লভ সুযোগ হিচাপে পৰিগণিত হ'ব লাগে।

কিন্তু ৰেগিঙে আজি-কালি ভয়াবহ ৰূপে লৈছে। ৰেগিঙৰ নামত নৱাগত ছাত্ৰক অনেক অবৰ্ণনীয় অত্যাচাৰ কৰা হয়। (কিন্তু তুলনামূলক ভাৱে ৰেগিং পৰ্ব ছাত্ৰীসকলৰ মাজত অনেক ভদ্ৰোচিত আৰু উচ্চস্তৰৰ সেইবাবে তেওঁলোকক সমালোচনাৰ পৰা বিৰত ৰাখিলো)। জোৰ-জুলুম কৰি মদ, ভাং, ড্ৰাগচ আদি সেৱন কৰিবলৈ দিয়া হয়। সেইবোৰ মাদক দ্ৰব্য সেৱন কৰিবলৈ যদি অস্বীকাৰ কৰা হয়, তেন্তে নানান ভাৱে শাৰীৰিক অত্যাচাৰ-উৎপীড়ন কৰা হয়। সেইবোৰ পাশৱিক অত্যাচাৰৰ বলি হৈ নৱাগত ছাত্ৰই হোষ্টেল ত্যাগ কৰা ঘটনা আজি আৰু সাধাৰণ ঘটনা হৈ পৰিছে। ৰেগিঙৰ অমানুষিক অত্যাচাৰত মৃত্যুমুখত পৰাৰ দৰে লোমহৰ্ষক ঘটনাও ঘটিবলৈ ধৰিছে। তাতে আকৌ ৰেগিঙৰ নামত উজনি-নামনি, বৰাক-ব্ৰহ্মপুত্ৰ, ভাষাগত, ধৰ্মগত, পাৰিবাৰিক অৱস্থান, ৰাজনৈতিক বিশ্বাস আদি স্পৰ্শকাতৰ বিষয়বোৰ জড়িত হৈ এক অশুভ বাতাবৰণ সৃষ্টি হয় আৰু শৈক্ষিক পৰিবেশ বিনষ্ট কৰে।

একালৰ বিনয়, সৰলতা, নম্ৰতাৰ প্ৰতীক ছাত্ৰ সমাজত এই নৈতিক অধঃপতনৰ কাৰণ কি ? ছাত্ৰ সমাজত ভয়াবহ ৰূপত দেখা দিয়া উচ্ছৃংখলতাই নৈতিক অৱনতিৰ প্ৰধান কাৰণ। নাৰীৰ প্ৰতি অশালীন ব্যৱহাৰ, চুৰি-ডকাইতিত লিপ্ত, বন্ধ হৰতালৰ দিনত নিৰীহ মানুহক মাৰ-পিট কৰা তথা চৰকাৰী সা-সম্পত্তি ধ্বংস কৰা, ড্ৰাগচ, মদ, ভাং, আদি সেৱন, গুৰু-জনৰ প্ৰতি অসদাচৰণ আদিৰ মাধ্যমেদি ছাত্ৰৰ উচ্ছৃংখলতা প্ৰকাশ পায়। ৰেগিঙৰ নামত চলা অপসংস্কৃতিবো ছাত্ৰ উচ্ছৃংখলতাৰ এক বহিঃ প্ৰকাশ মাত্ৰ।

কিন্তু ছাত্ৰ সমাজৰ এই নৈতিক অৱক্ষয়ৰ বাবে কেৱল তেওঁলোকক দোষ দিলেই চলিবনে ? বৰ্তমান সমাজ ব্যৱস্থাত ছাত্ৰ সমাজত উদয় হোৱা হতাশা, অসহায়তা, নিৰাপত্তাহীনতা আদিয়ে তেওঁলোকৰ মাজত নৈতিক স্খলন অৰ্থাৎ তাৰ পৰিণামত উচ্ছৃংখল মানসিকতাৰ সৃষ্টি কৰিছে। অন্ধকাৰাচ্ছন্ন ভৱিষৎ জীৱনৰ কথা ভাবি আজিৰ ছাত্ৰ সমাজ গভীৰ হতাশাত নিমজ্জিত। আজি ছাত্ৰ এজনৰ বাবে কোনো গোলাপী ভৱিষ্যতে অপেক্ষা কৰি থকা নাই। তেওঁৰ জীৱনটো আজি অনিশ্চয়তাৰ কড়াল গ্ৰাসত নিমজ্জমান।

ৰেগিঙৰ দৰে অপসংস্কৃতিৰ গতিৰোধ কৰিবলৈ হ'লে তৎকালীন পদক্ষেপ হিচাপে কলেজ তথা হোষ্টেল কৰ্তৃপক্ষই নিষ্ঠা সহকাৰে কাৰ্য ব্যৱস্থা হাতত ল'ব লাগে। শিক্ষানুষ্ঠানত শ্ৰেণী আৰম্ভ হোৱাৰ লগে-লগেই ছাত্ৰ একতা সভাবোৰে যাতে নৱাগত সকলৰ আদৰণি সভাবোৰ পতাৰ ব্যৱস্থা কৰে তালৈ কৰ্তৃপক্ষই চকু দিব লাগে। আদৰণি অনুষ্ঠানৰ পাছত সাধাৰণতে ৰেগিং নচলে। কৰ্তৃপক্ষৰ উদ্যোগত যদি এবছৰৰ বাবে কেনেবাকৈ ৰেগিং পৰ্ব বন্ধ কৰিব পাৰে তেন্তে পিছৰ বছৰবোৰত আপোনা আপুনি বন্ধ হৈ আহিব। কাৰণ উবহৰ খং ভগা ঢাৰিত জৰাৰ দৰে এইবছৰৰ ৰেগিঙৰ দৌৰাত্ম্য ভোগী ছাত্ৰই অহা বছৰৰ নৱাগত ছাত্ৰ বোৰক ৰেগিঙৰ নামত যমৰ যাতনা দিবলৈ অধীৰ অপেক্ষাৰে ৰৈ থাকে। সৰ্বোপৰি 'আছু' তথা অন্যান্য ছাত্ৰ সংগঠনবোৰে ৰাজনৈতিক গোন্ধ থকা আন্দোলন বোৰত অযথা সময় অপব্যয় নকৰি ৰেগিঙৰ দৰে অপসংস্কৃতি দমন কৰিবলৈ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে।



# কোনে কয় মই অকলশৰীয়া

ডালিমী চলিহা

হাজাৰ-বিজাৰ মানুহেৰে ভৰি থকা এই সংসাৰ খনত, ককাই-ভাই, বাই-ভনী, পো-নাতিৰে ভৰপূৰ ঘৰখনত থাকিও মানুহে একোটা সময়ত নিজকে অকলশৰীয়া, অসহায়, নিঃস্ব যেন অনুভৱ কৰে। এই নিঃসঙ্গতাবোধেই কিছুমানৰ বাবে হয় আশীৰ্বাদ স্বৰূপ, সাহিত্য-সংস্কৃতি, কলা-বিজ্ঞানৰ ন ন আৱিষ্কাৰৰ উৎস; আৰু আন কিছুমানৰ বাবে ই হৈ পৰে এক বৰ নোৱৰা বোজা-মানসিক বিকাৰ গ্ৰস্ততাৰ কাৰণ।

ঘৰৰ চাৰিবেৰৰ মাজতেই আৱদ্ধ থকা এগৰাকী গৃহিণীয়ে নিজৰ স্বামীক কৰ্মক্ষেত্ৰলৈ আৰু ল'ৰা-ছোৱালী কেইটাক পঢ়াশালিলৈ খুৱাই-বুৱাই উলিয়াই পঠোৱাৰ পিছত অনুভৱ কৰা নিঃসঙ্গতাখিনি তেওঁলোকৰ কথা-বতৰাত প্ৰায়ে প্ৰকাশ পায়। ল'ৰা-ছোৱালী ডাঙৰ হৈ নিজ নিজ কৰ্মস্থানলৈ গতি কৰাৰ পিছত পিতৃ-মাতৃয়ে অনুভৱ কৰা নিঃসঙ্গতাখিনি যিকোনো আত্মীয়া পিতৃ-মাতৃৰে অভিজ্ঞতাৰ বিষয়। অৱসৰ প্ৰাপ্ত জীৱনত ঘৰ-ঘৰোৱাহৰ মাজত থাকিও নিজকে অকলশৰীয়া, অকৰ্মণ্য, সকলোৰে বোজা স্বৰূপ বুলি অনুভৱ কৰা লোক আমাৰ সমাজত অনেক আছে। এই নিঃসঙ্গ অৱস্থাটো অধিক দুৰ্বহ হয়, যদিহে লোকজন বিপত্নীক হয়। এগৰাকী কমবয়সীয়া বিধৱাৰ নিঃসঙ্গতাখিনি ভুক্তভোগীৰ বাহিৰে আন কাৰো বোধগম্য নহয়। সন্তানহীন দম্পতি সকলেও এক বিশেষ ধৰণৰ নিঃসঙ্গতা অনুভৱ কৰে। ওপৰত উল্লিখিত বিভিন্ন ধৰণৰ নিঃসঙ্গতা আমাৰ সাধাৰণ অভিজ্ঞতাৰ বস্তু। সমাজত বাস কৰা প্ৰত্যিজন লোকেই বিভিন্ন সময়ত, বিভিন্ন কাৰণত কম বেছি পৰিমাণে এনে নিঃসঙ্গতা ভোগে। কিন্তু আৰু এবিধ নিঃসঙ্গতা আছে, সেইবিধ হৈছে আত্মকেন্দ্ৰিক লোকসকলে ভোগ কৰা নিঃসঙ্গতা। এনে লোকে জন-অৰণ্যৰ মাজত থাকিও মকৰাই নিজে জাল গুঠি তাৰ মাজতে নিজক আৱদ্ধ ৰখাৰ নিচিনাকৈ নিজৰ ভাবধাৰা আৰু মনেসজা পৃথিৱীখনৰ ভিতৰতেই সোমাই থাকে। এওঁলোকৰ অন্তৰংগ বন্ধু বা একান্ত বিশ্বস্ত বুলিবলৈ কোনো নাথাকে। সামাজিক অনষ্ঠান আদিত যোগদান কৰাৰ পৰাও এওঁলোক বিৰত থাকে। কোনো মানুহৰ লগত সহজে মিলা-মিছা কৰিব নোৱাৰে। আৱশ্যকীয় দুই এষাৰ কথা পতাৰ বাহিৰে পৰিয়ালৰ মানুহৰ লগতো বেছি হলিগলি নকৰে। এনেকুৱা মানুহৰো জীৱনৰ বিয়লি বেলিকা হঠাতে কেতিয়াবা মোহভঙ্গ হয়, আৰু অনুভৱ কৰে তেওঁ যেন বৰ অকলশৰীয়া। জীৱনলৈ কোনো অৱস্থাতে তেওঁৰ সুখ-দুখৰ ভাগ লবলৈ বা ওচৰৰ পৰা নিবিড়ভাবে বুজিবলৈ ইমানদিনে কাকো সুযোগ নিদিয়াৰ বাবে নিজেই অনুতপ্ত হয়। যি মানুহৰ সমাগমৰ পৰা ইমানদিনে নিজকে আঁতৰাই ৰাখিছিল সেই মানুহৰ সঙ্গ পাবলৈ মন ব্যাকুল হৈ উঠে। কিন্তু আত্মকেন্দ্ৰিকতাৰ মকৰাজাল ফালি ওলাই আহি মানুহৰ লগত মিলা-মিছা কৰাটোও জটিল হৈ পৰে। ফলত লোকজন হৈ পৰে অসুখী, হয়তোবা মানসিক ভাৰসাম্যকে হেৰুৱাই পেলায়। কোনোবাজনে আকৌ হলিগলি কৰিবলৈ গৈও নিজৰ স্বভাৱ বশতঃ জাকত জীণ যাব নোৱাৰি নিঃসঙ্গতাত ভুগিব লগা হয়।

কেতিয়াবা উচ্চাত্মিকাবোধ আৰু কেতিয়াবা নিজৰ হীনমন্যতাৰ বাবেও মানুহে নিঃসঙ্গতাত ভুগিবলগা অৱস্থা হয়। বংশ-মৰ্যাদা, পদ মৰ্যাদা বা আৰ্থিক স্বচ্ছলতা তথা আভিজাত্যৰ অভিমানত স্ব-আৰোপিত বাধা-নিষেধেও অনেক সময়ত নিঃসঙ্গতাৰ সৃষ্টি কৰে। এইচাম মানুহে একে সময়তে দুই ধৰণৰ মানসিক অশান্তি ভোগে। প্ৰথমটো হ'ল নিঃসঙ্গতা আৰু দ্বিতীয়টো হ'ল বাকীবিলাকে সহজভাবে-মিলা মিছা কৰিবপৰা অৱস্থাটোৰ প্ৰতি ঈৰ্ষা। দুয়োটাই সমানে বেদনাদায়ক। এজন বিখ্যাত মনোবিদৰ ভাষাত কবলৈ গ'লে-মানুহ অকলশৰীয়া হোৱাৰ কাৰণ হ'ল তেওঁলোকে মনৰ মাজত সংযোগ স্থাপন কৰিবলৈ দলং সজাৰ পৰিবৰ্তে আঁৰত থাকিবলৈ বেৰহে দিয়ে। নীচাত্মিকাবোধো নিঃসঙ্গতাৰ কাৰণে উচ্চাত্মিকাবোধৰ সমানেই দায়ী। সমাজত এনে বহু লোক আছে, যি নিজৰ অসুন্দৰ চেহেৰাৰ বাবেই হওক অথবা উপযুক্ত ডিগ্ৰী তথা সামাজিক স্বীকৃতিৰ অভাৱৰ বাবেই হওক, নাইবা আৰ্থিক স্বচ্ছলতাৰ অভাৱৰ বাবেই হওক সদায়ে হীনমন্যতাত (Inferiorety Complex) ভোগে। এইচাম মানুহেও সমাজত সহজে জীণ যাব নোৱাৰে। এওঁলোকে এক পলৰীয়া মনোবৃত্তি লৈ ওচৰ-চুবুৰীয়াৰ পৰা, জনসমাগম হোৱা অনুষ্ঠান আদিৰ পৰা আঁতৰি ফুৰে। নিজৰ অৱস্থাৰ বিষয়ে সকলো সময়তে সচেতন হৈ থাকে। এওঁলোকৰ বন্ধুত্ব বা সান্নিধ্য আনৰ বাবে আদৰণীয় নহব বুলি আৰু কেতিয়াবা কাৰোবাৰ ওচৰত হেয় প্ৰতিপন্ন হোৱাৰ আশঙ্কাত কাৰো ওচৰ নাচাপে। কিন্তু এওঁলোকৰ এই ভীতি সম্পূৰ্ণ মনেসজা আৰু অমূলক এওঁলোকৰ নিঃসঙ্গ অৱস্থাৰ বাবে এওঁলোক নিজেই দায়ী; দায়ী এওঁলোকৰ নীচাত্মিকাবোধ বা 'মই সৰু ভাৱ'। মনোবিজ্ঞানী সকলে এনে মত পোষণ কৰে যে মানুহ মাত্ৰেই মানুহক আকৰ্ষণ কৰিব পাৰে। মানুহৰ ব্যক্তিত্বত এনে কিছুমান গুণ আছে যি আনক নিজৰ কাষলৈ টানি আনিব পাৰে, বন্ধুত্বৰ এনাজৰিৰে কটকটীয়াকৈ বান্ধিব পাৰে। গা-ৰ সুন্দৰ ৰং, নাক-চকুৰ ধুনীয়া গঠন, দামী সাজপাৰ বা সামাজিক প্ৰতিপত্তিতকৈ মানুহৰ ব্যক্তিত্বই হে মানুহক আৰ্কষণ কৰে। আৰু এই ব্যক্তিত্বৰ গৰাকী ব্যক্তিজন নিজেই, গতিকে মানুহৰ মাজতে থাকি নিজে নিঃসঙ্গ বা অকলশৰীয়া অনুভৱ কৰিবলগীয়া অৱস্থাটোৰ বাবে আমি নিজেই জগৰীয়া।

আমাৰ সমাজত এনেকুৱা দম্পতিও ওলাব যি হয়তো দীৰ্ঘদিন ধৰি একেখন ঘৰতে আছে, একেখন মেজতে আহাৰ খাইছে, বা একেখন বিছনাতে শুইছে, তথাপিও মানসিকভাবে এজন আনজনৰ পৰা বহু আঁতৰত, এজনৰ বাবে আনজন তেনেই আচহুৱা। এওঁলোকেও একপ্ৰকাৰ নিঃসঙ্গতা অনুভৱ কৰে–এইবিধ নিঃসঙ্গতা হৈছে অন্তৰংগতাৰ বিপৰীত। এজনে আনজনক অন্তৰংগতা দিব পৰাতোতহে প্ৰকৃততে এহাল বিবাহিত দম্পতিৰ বৈবাহিক জীৱনৰ স্থায়িত্ব আৰু সাফল্য নিৰ্ভৰ কৰে, যৌন-সুখটো গৌণহে। স্বামী-স্ত্ৰীৰ মিলনৰ মুখ্য উদ্দেশ্য হৈছে এজনে আনজনৰ জীৱনৰ নিঃসঙ্গতাখিনি সকলো সময়তে দূৰ কৰাটোহে। সেই কাৰণেই হিন্দু বিবাহ প্ৰথাত উচ্চাৰিত মন্ত্ৰত স্ত্ৰী-ক সহধৰ্মিনী, সখী, প্ৰিয়া আদি বিশেষণেৰে বিভূষিত কৰা হয়। এনেকুৱা অন্তৰংগতা অৱশ্যে দুজন বন্ধু বা দুগৰাকী বান্ধৱীৰ মাজত নাইবা বাই-ভনীৰ মাজতো হ'ব পাৰে। অন্তৰংগতাই সদায় এটা আশ্বাস কঢ়িয়াই আনে যে মই অকলশৰীয়া নহয়। মোৰ সুখ-দুখ, হাঁহি-কান্দোন, উদ্বেগ-বিহ্বলতাৰ সমভাগী হ'বলৈ আৰু এজন দ্বিতীয় ব্যক্তি আছে। এই আশ্বাসে মনৰ নিঃসঙ্গতা ভালেখিনি আঁতৰায়। প্ৰেম-ভালপোৱা, সহানুভূতি, বন্ধুত্ব আদি শব্দবোৰে এই অন্তৰংগতাৰ অৰ্থকে বহণ কৰে।

সমাজত আৰু একশ্ৰেণী দুৰ্ভগীয়া লোক শাৰীৰিক ভাবে পংগু হৈ নাইবা দুৰাৰোগ্য ব্যাধিৰ বাবে দীৰ্ঘদিনৰ কাৰণে শয্যাশায়ী হৈ নিঃসঙ্গ জীৱন যাপন কৰিবলগা হয়। মানসিক ৰোগীসকলে ভোগ কৰা নিঃসঙ্গতা আটাইতকৈ ভয়াবহ। এওঁলোকে নিজৰ আত্মীয়-স্বজন, বন্ধু-বান্ধৱ সকলো থকা সত্ত্বেও নিঃসঙ্গতা ভোগে। মানসিক ভাৰসাম্য হেৰুওৱাৰ ফলত নিজৰ আপোন জনকে চিনি নোপোৱা হয়। তেওঁলোকৰ প্ৰতি কেতিয়াবা ভীত হয়, কেতিয়াবা ক্ৰোধান্বিত হয়, কেতিয়াবা ঈৰ্ষান্বিত হয়। এই নিঃসঙ্গতা অতি ভয়াবহ তথা দুৰ্বহ।

সৰ্ব-সাধাৰণ মানুহৰ বাবে নিঃসঙ্গতা এক অসহনীয় মানসিক অৱস্থা। এই নিঃসঙ্গতাখিনি আঁতৰ কৰিবলৈকে কোনোৱে হয়তো কিতাপ পঢ়ে, কোনোৱে চিনেমা হললৈ যায়। কোনোৱে টেলিফোনৰ কাষত বহি বন্ধু-বান্ধৱীৰ লগত কথা পাতে, কোনোৱে বা চিঠিকে লিখে,

কোনোবা হয়তো ক্লাবলৈ যায়। কোনোবাই তাচ-পাশা খেলে। বহুতে আকৌ ইটোৰ পিছত সিটো চিগাৰেট জ্বলাই নাইবা এগিলাচৰ পাছত এগিলাচ পানীয় খাইও নিঃসঙ্গতা দূৰ কৰিবলৈ প্ৰয়াস কৰে, কোনোৱে আকৌ পোহনীয়া কুকুৰ মেকুৰীৰ লগতে খেলি বা কথাপাতি নিঃসঙ্গতা দূৰ কৰে। সাধাৰণতে বহিৰ্মুখী ব্যক্তিত্বৰ (Extrovert) মানুহতকৈ অৰ্ন্তমুখী ব্যক্তিত্বৰ (Introvert) মানুহে নিঃসঙ্গতাৰ পৰা বেছিকৈ ভোগে। ৰাজনীতিবিদ, খেলুৱৈ, অভিনেতা, গায়ক আদিয়ে জীৱনৰ বেছিভাগ সময় বিভিন্ন মানুহৰ বিভিন্ন সমাজত নিজকে বিলাই দি সংগসুখ লাভ কৰে আৰু আনবো নিঃসঙ্গতা দূৰ কৰে।

নিঃসঙ্গতাক দুঃসহ বুলি অভিহিত কৰিলেও লগতে এইটোও স্বীকাৰ কৰিব লাগিব যে অনেক লোকৰ বাবে ই চিৰকাম্য আৰু জীৱনৰ আৰ্শীবাদ স্বৰূপ, অৱশ্যে এইসকলৰ ব্যক্তিত্ব (যাক ইংৰাজীত কোৱা হয় "Solitude") বিচাৰি ফুৰে। প্ৰাচীন ভাৰতীয় মনীষী গৌতম, মহাবীৰ, কনাদ, কপিল আদিয়ে জন-কোলাহলৰ পৰা আঁতৰি গভীৰ অৰণ্যৰ মাজত কৰা নীৰৱ সাধনাৰ ফল জগত বাসীক দি গৈছে। বাল্যবিধৱা নলিনীবালা দেৱীয়ে তেখেতৰ নিঃসঙ্গতাৰ অৱদান ৰহস্যবাদী কবিতা ৰাশিৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। পণ্ডিতপ্ৰবৰ কৃষ্ণকান্ত সন্দিকৈ দেৱৰ সঙ্গ জীৱিত কালত অতি কমসংখ্যক মানুহেহে লাভ কৰিছিল। কিন্তু তেখেতৰ নীৰৱ সাধনাৰ ফল তথা নিঃসঙ্গতাৰ অৱদান সংস্কৃত সাহিত্যৰ মৌচাক আজি জগতবাসীয়ে উপভোগ কৰিব পাৰিছে। ৰঘুনাথ চৌধাৰী দেৱৰ পংগু তথা নিঃসঙ্গ জীৱনৰ অৱদান প্ৰকৃতি প্ৰেমৰ কবিতা ৰাজি অসমীয়া সাহিত্যৰ আপুৰুগীয়া সম্পদ।

এইখিনিতে আৰু এবিধ নিঃসঙ্গতাৰ কথা উল্লেখ নকৰিলে আলোচনাটি আধৰুৱা হৈ ৰব। এইবিধ নিঃসঙ্গতাক কব পাৰি দাৰ্শনিক নিঃসঙ্গতা। মানুহে এই নিঃসঙ্গতা অনুভৱ কৰে যেতিয়া জীৱনক গভীৰভাৱে বুজিবলৈ চেষ্টা কৰে-যেতিয়া মানুহে নিজকে প্ৰশ্ন কৰে মই কোন? মোৰ জীৱনৰ উদ্দেশ্য কি? এই উদ্দেশ্য সাধনত মোক আন কোনোবাই সহায় কৰিব পাৰিবনে? এই প্ৰশ্নবোৰ মনলৈ আহে যেতিয়া এজনে উপলব্ধি কৰে যে তেওঁ 'মানুহ' শ্ৰেণীভুক্ত হলেও তেওঁৰ অস্তিত্ব আন প্ৰতিজন মানুহৰ অস্তিত্বৰ পৰা বেলেগ। ইয়াকে কব পাৰি অস্তিত্বমূলক নিঃসঙ্গতা বা সত্তাৰ নিঃসঙ্গতা (existential loneliness)। এইবিধ নিঃসঙ্গতা অৱশ্যে কোনো সমস্যা নহয়, বৰঞ্চ ই এজন ব্যক্তিৰ জীৱনৰ চৰম উপলব্ধি। এনে নিঃসঙ্গতা উপলব্ধি কৰাজন আত্মবলত বলীয়ান, চৰম প্ৰাচুৰ্যৰ গৰাকী। ডঃ ভূপেন হাজৰিকাৰ ভাষাত এই চৰম উপলব্ধি হৈছে-"মই আৰু মোৰ ছাঁ, দুয়ো দুয়োৰে লগৰীয়া"। ■



# কিশোৰ সাহিত্য ঃ

## কিছু প্ৰাসংগিক চিন্তা-

ভাৰতী বৰুৱা

কিশোৰ সাহিত্যৰ বিষয়ে লিখিবলৈ লওঁতে ঘপহ্ কৰে মনত পৰিল ৰুণাৰ কথা। বছৰ চেৰেক আগতে ৰুণা গগৈ বোলা ছোৱালীজনী মোৰে সৈতে চিনাকি হ'বলৈ আহিছিল। তাই যেতিয়া সদ্য কিশোৰী। কথা বতৰাৰ পৰা বুজিলো ৰুণাই মোৰ লেখা, বিশেষকৈ ল'ৰা-ছোৱালীৰ বাবে লিখা প্ৰতিটো লেখাই পঢ়িছে। মনপুতি পঢ়ে মৌচাকৰ প্ৰতিটো সংখ্যা। যোৰহাটৰ পৰা প্ৰকাশিত মৌচাক নামৰ শিশু আলোচনী খনৰ জন্মলগ্নৰ পৰাই মই জড়িতহৈ আছো। একাধিক শিশু উপন্যাস, নাটক, ৰূপক, কবিতা আদি তাত লিখিছো; সেই আটাইবোৰ ৰুণাই পঢ়িছে। তদুপৰি সাংঘাতিক পঢ়াশুনা কৰা ছোৱালীজনীয়ে কাকতে পত্ৰে মোৰ শিশু ৰচনা ওলালেই পঢ়ে বুলিও বুজিলো। বিশেষ ভূমিকা নকৰাকৈয়ে বৰ গহীন সুৰত তাই মোক সুধিলে-

আপুনি লিখে।-কিয় লিখে?-কাৰ বাবে লিখে?

অকণমানি ছোৱালীজনীৰ প্ৰতিটো শব্দ যেন মোৰ ওচৰলৈ ওফৰি ওফৰিহে আহিল। কথাৰ সুৰ যথেষ্ট ৰূঢ়।

মোৰে সৈতে চিনাকি হ'বলৈ আগে পিছেও ল'ৰা-ছোৱালী আহে। সেইবোৰ ল'ৰা-ছোৱালীয়েতো এনেকৈ কথা নকয়; সমুখত লেওসেওহৈ থাকে। কথাকে ক'ব নোৱাৰে ভালকৈ। গতিকে ৰুণাৰ কথাত যথেষ্ট সচেতনহৈ ভাবি চিন্তি উত্তৰ দিলো। আমাৰ শিশু সাহিত্যৰ দৈন্যৰ কথাকৈ, মই যে ঘাইকৈ সিহঁতৰ বাবেই লিখো-তাকো কলো। মোৰ মুখৰ কথা শেষ নৌ হওঁতেই সাউৎকৈ তাই মাত লগালে-

ঃ শিশুৰ বাবে নাই?-আমাৰ বাবে? আমাৰ বাবেনো কি আছে? কিশোৰ কিশোৰীৰ বাবে? আমি কি পঢ়িম?

মই থতমত খালো। উত্তৰটো চিন্তা কৰি থাকোতেই তাই পুনৰ কলে-

ঃ-চাওক, আমি এতিয়া ডাঙৰ হৈছো। আমাৰ আলোচনী বুলিবলৈ কেৱল মৌচাকখনহে আছে। সঁফুৰাখন ওলাইছে যদিও নিয়মীয়াকৈ নাপাওঁ। কেৱল মৌচাকে আমাৰ মন নভৰে। আমি এতিয়া কি পঢ়িম?-আমাৰ কথা ভাবিছে আপুনি? কোনে ভাবিছে আমাৰ কথা? গণ্ডাই গণ্ডাই ওলাইছে ডাঙৰৰ আলোচনী-গল্প সংকলন, উপন্যাস; আমাৰ বাবে কিটো ওলাইছে?-আমি একো পঢ়িব নালাগে নেকি? আমাৰ প্ৰতি আপোনালোকৰ দায়িত্ব নাই?-উত্তৰ দিয়ক।

মই পুনৰ চক্ খালো। ৰুণাই খং আৰু ক্ষোভেৰে কৰা অভিযোগ; আক্ৰমণাত্মক মূলক কথাখিনি ভুল নহয়। মই তাইক বেয়া নাপালো। কথাখিনি তাই বেচ সপ্ৰতিভ ভাবেই কলে। কওঁতে মাজত এবাৰো নাহঁাহিলে। প্ৰতিটো কথা প্ৰতিটো সুৰতে অভিমান মিহলি আত্মবিশ্বাস। বিয়া-বাৰু, মেলে মিটিঙে মোৰ কাষ চপা, চিনাকি হ'বলৈ অহা কোনো অকণিৰ মুখত মই এনেকুৱা বুদ্ধিদীপ্ত কথা শুনা নাই। কোনেও আজিলৈকে সোঁৱৰাই দিয়া নাই দায়িত্বৰ কথা। ছোৱালীজনীক সাৱট মাৰি ধৰিবলৈ মন গ'ল। মই মনে মনে থকা দেখি তাই চাগে ভাবিলে মই বেয়াই পালো। গতিকে কণ্ঠস্বৰ যথাসম্ভৱ কোমল কৰি এইবাৰ তাই কলে-

ঃ শুনক বাইদেউ, আপুনি বেয়া নাপাব। আপোনাক কথাবোৰ কম বুলিয়ে আহিছো। ডাঙৰ সকলৰ বাবে লিখা মানুহ বহুত আছে-আমাৰ বাবে ভাবোতাই নাই। কিতাপ এখন পঢ়িবলৈ ললেই মায়ে কয়-এইখন নপঢ়িবি, ডাঙৰৰ কিতাপ; আন এখন মেলি ললে দেউতাই কব-এইখন তোৰ বয়সৰ ছোৱালীৰ বাবে নহয়।-তেনেহলে আমাৰ বাবে কোনখন? কোনবোৰ কিতাপ আমি পঢ়িম? কোনে কব? কোনে দেখুৱাই দিব? পাৰিব আপুনি?

মই মাতিব নোৱাৰিলো। ৰুণাৰ কথাবোৰে মোক কিছুমান নতুন চিন্তা দিলে। যিবোৰ কথা মই কেতিয়াও ভবাই নাছিলো। তেতিয়াই মই তাইক কথা দিলো-ৰুণা, মই লিখিম তোমালোকৰ বাবে। আৰু ৰাজহুৱাকৈ সদৰি কৰিম এইবোৰ কথা।

যথেষ্ট সকাহ পোৱাৰ দৰে আশ্বস্তৰ পাতলীয়া হাঁহি এটি মাৰি ৰুণা ওলাই গ'ল। তাৰ পিছৰ কেইমাহ মানৰ ভিতৰতে মই লিখি পেলালো কিশোৰ কিশোৰীৰ বাবে কেইখনমান উপন্যাস। সংক্ষিপ্ত আকাৰত কেইখন মান মৌচাকত প্ৰকাশ পালে আৰু এখন ওলাল ধাৰাবাহিক হিচাপে।

ৰুণাৰ দৰে এনে অভিযোগ পিছত মই বিভিন্ন ঠাইত বিভিন্নবাৰ পাইছো যদিও ইমান স্পষ্ট ভাবে ক'তো পোৱা নাই। যথেষ্ট ক্ষোভ আৰু খঙেৰে কোৱা তেওঁৰ কথাবোৰে মোক ইমান চিন্তিত কৰিলে যে আমি এখন আলোচনী উলিওৱাৰ কথাকে তেতিয়া চিন্তিছিলো। কাৰণ একোখন মাহেকীয়া বা পষেকীয়া আলোচনীয়ে এগৰাকী কিশোৰ বা কিশোৰীক ভালেখিনি মানসিক খাদ্যৰ যোগান দিব পাৰে। সাম্প্ৰতিক সময়ত আজিৰ প্ৰজন্মই জ্ঞান বিজ্ঞান আদি যিবোৰ কথাৰ প্ৰতি বিশেষভাবে আকৰ্ষিত হয় তেনেবোৰ কথাৰে আলোচনী এখন হাতত পালে সিহঁত নিশ্চয় সুখী হ'ব। কিন্তু আলোচনীখন বিভিন্ন কাৰণত আমি উলিয়াব নোৱাৰিলো।

পিছে আমাৰ সেই ভাবনাৰ যথোচিত ৰূপত, হোমেন বৰগোহাঞিদেৱৰ সম্পাদনাত সঁচাকৈয়ে এখনি আটক ধুনীয়া কিশোৰ আলোচনীৰ জন্ম হ'ল গুৱাহাটীত। ল'ৰা-ছোৱালীৰ মন খোৱাকৈ সুচিন্তিত বিষয়বস্তুৰে সম্ভ্ৰান্ত মাৰ্জিত ৰূপত প্ৰকাশ পোৱা 'কিশোৰ' নামৰ এই আলোচনীখনে অতি সোনকালে কিশোৰ কিশোৰীৰ লগতে ডাঙৰ সকলৰো মন মুহিলে। আটাইতকৈ ডাঙৰ কথা অসমীয়া ভাষা ব্যৱহাৰৰ ক্ষেত্ৰত এই আলোচনীখন আছিল সাংঘাতিক সজাগ। আছিল বুলি অতি পৰিতাপেৰে এই কাৰণেই কব লগীয়া হৈছে যে জাক্জমককৈ ওলোৱা এই 'কিশোৰ'খনৰ অভাবনীয় ভাবে আয়ুস টুটিল।

অৱশ্যে 'কিশোৰ' প্ৰকাশৰ বাবে আমি প্ৰতীয়মান হ'লো যে ল'ৰা-ছোৱালীহঁতৰ বাবে আমাৰ লেখকৰ অভাৱ নাই। কিশোৰ কিশোৰী সকলৰ উপযোগীকৈ লিখিব পৰা কিছু সংখ্যক যে লেখক আছে সেই কথা আলোচনীখনে প্ৰমাণ কৰিলে। পিছে কিশোৰ কিশোৰী নাইবা শিশুৰ বাবে লিখা পুথি, আলোচনী প্ৰকাশৰ আমাৰ সুবিধাহে যথেষ্ট সীমিত। অসমৰ প্ৰকাশন জগতৰ লগত জড়িত সকলে এই কথা গভীৰভাবে চিন্তা কৰা উচিত বুলি ভাবো।

কিশোৰ কিশোৰীহঁতে পঢ়িব পৰাকৈ কিতাপ পত্ৰৰ আমাৰ সঁচায়ে অভাৱ। তাহানি আমাৰ কিশোৰী কালত পঢ়া ভালেকেইখন বিখ্যাত পুথিৰ পুনৰ সংস্কৰণো ওলোৱা নাই। ইংৰাজী মাধ্যমত পঢ়া ল'ৰা-ছোৱালীৰ বাবে সিমান চিন্তা নাই কাৰণ বিশ্বৰ বৰেণ্য লেখক সকলৰ বিখ্যাত কিতাপৰ সোৱাদ তেওঁলোকে লব পাৰে। সেইবোৰ কালজয়ী কিতাপৰ কিছুসংখ্যকৰ অসমীয়া অনুবাদ আছে যদিও বেছি ভাগৰে পুনৰ সংস্কৰণ নোলোৱাত সেইবোৰ সুখপাঠ্য পুথিৰ পৰা আমাৰ অসমীয়া মাধ্যমত পঢ়া শুনা কৰা কিশোৰ কিশোৰীহঁত বঞ্চিত। ডঃ মহেন্দ্ৰ বৰা দেৱে তাহানিয়ে অনুবাদ কৰা ডন্ কুইক্ চোট্, গালিভাৰ, পিন'কিঅ', নীল সাগৰৰ সাধু আৰু বছৰ চেৰেক আগৰ পীটাৰ পেন নিঃসন্দেহে কিশোৰ কিশোৰীহঁতৰ বাবে ভাল কিতাপ। সত্যেন বৰকটকীৰ চাৰ্লক হ'মচ্ নেপোলিয়ান আদিৰ দৰে সুন্দৰ অনুবাদৰ পুথিও আমাৰ আছে যদিও সিৱিলাক সংখ্যাত অধিক নহয়।

আমি কিশোৰী কালত মজি থকা দুখন মান অনুবাদ পুথিৰ ভিতৰত থ্ৰী মাচ্কেটিয়াৰ্চ, বৰ্ন্‌ফ্ৰি, কাউন্ট অব্‌মন্টিক্ৰিষ্ট', ৰবিনচন্ ক্ৰুচ', টম ছয়াৰ, ঈয়ালিং আদিৰো পুনৰ সংস্কৰণ বোধকৰো নোলাল।

আমাৰ বালিকা কালত সততে 'আমাক মুগ্ধ কৰি যোৱা আন দুখন পুথি হ'ল-বেণুধৰ শৰ্মা দেৱৰ মণ্ডলতিৰ কণ্ঠিমালা আৰু ৰাংপতা। মুঠৰ ওপৰত, সেই সময়ছোৱাত, বন্ধৰ দিনত নাইবা স্কুলৰ পৰা আহিও একোখন কিতাপত আমি উবুৰি খাই পৰি থকা বাৰুকৈয়ে মনত আছে।

আইৰ আলমাৰীৰ পৰা তেতিয়াই মনে মনে আনি পঢ়িছিলো বঙ্কিম চন্দ্ৰ শৰৎ চন্দ্ৰ আদিৰ ৰচনা সম্ভাৰ। ভিতৰৰ গভীৰ কথা বুজি নোপোৱাকৈয়ে, কেৱল পঢ়ি আনন্দ পোৱাৰ লোভত, বাৰে বাৰে মেলি লৈছিলো সঞ্চয়িতা। এতিয়া, এই বয়স কালতো একোটি ৰবীন্দ্ৰ সংগীত বা কবিতাই দুখৰ পৰত মোক যেনেকৈ নিচুকায়-সুখৰ পৰতো সঙ্গ দিয়ে তেনেকৈয়ে।

ইংৰাজী ভাষা পঢ়িব পৰাৰ পাছত, আগতে পঢ়া অনুবাদ সমূহৰ মূল পুথিবোৰৰ ওপৰিও আন বিখ্যাত পুথি কিছুমানো পঢ়াৰ সুবিধা পালো। তেতিয়াই বুজি পালো যে, মূল পুথিখন নপঢ়িলে ক্লাছিক ধৰ্মী পুথিৰ আচল সোৱাদ পাব নোৱাৰি। সেই পুথি বোৰৰ ভিতৰত Round the world in eighty days আৰু Pigmalion-যিখন পিছত My fair lady নামেৰে চিনেমা ৰূপত চাবলৈ পাইছিলো-এই দুয়োখন স্কুলত দ্ৰুত পাঠ হিচাপেও পাইছিলো।

মোহন চিৰিজ আৰু পাফু চিৰিজে ইতিমধ্যে আমাৰ মন জয় কৰিছিল। ডিটেক্‌টিভ্ এই লানি পুথিত, আজিকালিৰ ৰহস্য ৰোমাঞ্চ পুথিত থকাৰ দৰে ভয়-ত্ৰাস-সন্ত্ৰাসৰ কথা নাছিল। পাফুৰ সেই পাঁচগৰাকী ফুকনে দুখীয়া নিচলাৰ হিতৰ বাবে কিবা এক আদৰ্শেৰে চালিত হোৱাৰ কথাই আমাক গভীৰ ভাবে কৰিছিল মুগ্ধ। তাৰ মাজত চকামকাকৈ দেখিছিলো সেই একে সময়তে পঢ়া ৰবীনহুদৰ কাহিনীটোৰ কোনোবাখিনিত মিল।

তেতিয়া কিতাপ কুটাৰ বাহিৰে আমাৰ যেন আন কাম নাছিলেই! আজিকালি Book worm কথাটো, এতিয়াৰ ল'ৰা ছোৱালীয়ে আক্ষৰিক অৰ্থতহে গ্ৰহণ কৰিব যেন লাগে। এতিয়াৰ কিশোৰ কিশোৰীৰ দৰে আমাৰ দিনত হ'মৱৰ্ক, টি, ভি, ভিচিপি একো নাছিল। আটাইতকৈ ডাঙৰ কথা এতিয়াৰ প্ৰায়বোৰ ল'ৰা-ছোৱালীৰে বাহিৰা কিতাপ পঢ়াৰ আগ্ৰহো নেদেখো। এতিয়া কাকত পত্ৰ আলোচনী যিমান ওলাইছে কিশোৰ কিশোৰীৰ বাবে তাতো কম সমল নাথাকে। তদুপৰি এতিয়া সিহঁতৰ বোধকৰো ডাঙৰৰ কিতাপ পঢ়াতো বাধা নাই কাৰণ ডাঙৰৰ সমানে শাৰী পূৰাই চিনেমা চিত্ৰহাৰ দৰ্শন অবিৰামভাবেতো চলিয়েই থাকে। চিনেমা চিত্ৰহাৰৰ প্ৰতি আগ্ৰহ কমাই অন্ততঃ বেজবৰুৱা ৰচনাৱলী খনকে মনপুতি পঢ়িলেও অসমীয়া ভাষাটোকে শুদ্ধকৈ কব আৰু লিখিব পাৰিলেহেঁতেন। ইংৰাজী মাধ্যমত পঢ়া বহুতেই আকৌ বেজবৰুৱা, গোহাঞি বৰুৱা আদিৰ নামকে শুনা নাই। তথাপিও তেনে দুই একৰ হাতত কেতিয়াবা হঠাৎ এনিড্ ব্লাইটন বা মিলচ্ এণ্ড্ বুনৰ কিতাপ দেখিলেও শ্বেইক্সপীয়েৰ, ৰবীন্দ্ৰনাথ কদাপি নেদেখো। সেইখন জগতত প্ৰৱেশিবলৈ তেওঁলোকৰ বোধকৰো মানসিকতাই নাই।

'কিশোৰ'ৰ তৃতীয় সংখ্যাত এজন প্ৰতিষ্ঠিত লেখকে এই সম্পৰ্কে লিখা কিছুকথা এইখিনিতে উল্লেখ কৰাৰ হেঁপাহ হ'ল-

"আজিৰ দিনৰ কিশোৰ সকলৰ জগতখন সকলো দিশৰে পৰা সম্পূৰ্ণ ভিন্ন ধৰণৰ। সংবাদ বিস্ফোৰণ, জন সংযোগ টেক্‌ন'লজীৰ অতি দ্ৰুত বিকাশে এই চামটোৰ সমুখত উন্মোচিত কৰি দিছে কম্পিউটাৰ, টি, ভি, ভিডি অ'ৰ অন্য এক ৰহস্যময় জগত আৰু তাৰ সৈতে ক্লাছিকধৰ্মী সাহিত্যৰ সম্পৰ্ক অতি ক্ষীণ, প্ৰায় নোহোৱাৰ নিচিনাই হৈ পৰিছে। আজিৰ কিশোৰ কিশোৰী, সমুখত টিভি, ভিডিঅ'ৰ এক ৰহস্য উম্ঘাটনীৰ পৰ্দা লৈ আমাৰ সময়ৰ নিচিনাকৈ প্ৰকাণ্ড প্ৰকাণ্ড গ্ৰন্থৰ মাজত সোমাই থাকিবলৈ প্ৰস্তুত নে? এটা কথা দেখা গৈছে যে,-বৰ্তমান সময়ৰ কিশোৰৰ বাবে অতি প্ৰিয়হৈ পৰিছে সম্প্ৰতি সহজলভ্য হৈ পৰা নানাধৰণৰ ৰংচঙীয়া কমিক্ছ আৰু অতি দ্ৰুত গতিত পঢ়িব পৰা ৰহস্য ৰোমাঞ্চৰ পুথিবোৰ। এনে কথাই মহৎ গ্ৰন্থৰ প্ৰতি আকৰ্ষণ ক্ৰমাৎ হ্ৰাস কৰি আনিছে। কিন্তু প্ৰশ্ন হ'ল, বিশ্বৰ বৰণীয় লেখক সকলৰ মহৎ সৃষ্টিৰ সাগৰত অৱগাহন নকৰাকৈ কোনোবাই সাহিত্য, সংস্কৃতি, কলাৰ উন্নত জগতখনত প্ৰৱেশ কৰিব পাৰিবনে?"

আৰম্ভ কৰিছিলো ৰুণাৰ কথাৰে। অভিযোগেৰে ৰুণাৰ কথা এইদৰে সদৰি কৰাৰ কেইবাটাও কাৰণৰ ভিতৰত প্ৰধান হ'ল সাম্প্ৰতিক সময়ৰ সদ্য কিশোৰী এগৰাকীৰ মনত আলোড়ন তোলা সেই মহৎ চিন্তা। কিশোৰী কাল অতিক্ৰম কৰি ৰুণা এতিয়া কলেজৰ ওখ খাপৰ বিজ্ঞান শাখাৰ ছাত্ৰী। অসমৰ এখন প্ৰতিষ্ঠিত কলেজৰ ছাত্ৰী ৰুণাই হয়তো নিজকে ব্যস্ত ৰাখিছে নিজৰ পাঠ্যক্ৰমৰ মাজত; তাৰ মাজতে জ্ঞানান্বেষী ছোৱালীজনীয়ে নিশ্চয় ইংৰাজী ভাষাৰ কালজয়ী পুথি পঢ়াৰ সুযোগো পাইছে। আজিকালি লগ পালে পিছে ৰুণাই মোক এসময়ত কৰা অভিযোগবোৰ নকৰে; তথাপি তাইৰ চকুৱে মুখে দেখা যেন পাওঁ এক আহত অভিমান। ৰুণাই যেন মোক ক'ব খোজে ঃ

জ্ঞানৰ সাগৰ খন ইমান বিশাল বিপুল-তাৰ কেইটা বালি-চাহী আপোনালোক লেখক-লেখিকা সকলে বিচাৰি বুটলি আনি আমাৰ গাওঁভূঁইৰ ল'ৰা-ছোৱালীৰ হাতত তুলি দিছে?"

-ৰুণাই যদি কেতিয়াবা সঁচাকৈয়ে মোক এই প্ৰশ্নটো কৰে, তেতিয়া বাৰু মই কি উত্তৰ দিম? ■

# অস্তিত্বৰ সংকটঃ অসমৰ গড়

ভূপেন্দ্ৰনাথ তালুকদাৰ

বিশ্ববিখ্যাত ভাৰতৰ এশিঙীয়া গড়ৰ ভৱিষ্যতৰ অস্তিত্বৰ বাবে বিভিন্ন মহলে পৃথিৱী জুৰি উৎকণ্ঠা প্ৰদৰ্শন কৰি আহিছে। পৃথিৱীৰ মাথো এক নিৰ্দিষ্ট কোণত বিশেষকৈ অসমতে প্ৰায় এই প্ৰাণীবিধ সীমাবদ্ধ হৈ থকাত ইয়াৰ ভৱিষ্যতৰ অস্তিত্বৰ বাবে সঠিক ভাবেই চিন্তান্বিত হোৱা স্বাভাৱিক। বিশ্বত ইতিমধ্যে বিপদজনকভাৱে হ্ৰাস পোৱা এই প্ৰাণীবিধৰ নাম "লালখাটা"ত (Red Data Book) সন্নিবিষ্ট কাহানিবাই হৈছে। উল্লেখযোগ্য যে, বিশ্বত কোনো এটা প্ৰাণীৰ সংখ্যা ২০০০ তকৈ কম হলে সেই প্ৰাণীবিধৰ নাম Red Data Bookত সন্নিবিষ্ট কৰি দুষ্প্ৰাপ্য প্ৰাণী হিচাপে বিশেষ ব্যৱস্থা গ্ৰহণ কৰি তাৰ সংৰক্ষণ আৰু সংখ্যা বৃদ্ধিৰ ব্যৱস্থা লয়। একেদৰে এশিঙীয়া গড়ৰ (ইয়াত গড় হিচাপে উল্লেখ কৰিম) নিধন কাৰ্য ৰোধৰ ব্যৱস্থা লৈ ইয়াৰ বংশ বিস্তাৰৰ বাবে বিশেষ ব্যৱস্থা কেতিয়াবাৰ পৰাই লৈছে। এই পটভূমিত আমি বিশেষকৈ অসমৰ গড়ৰ ভৱিষ্যতৰ অস্তিত্বৰ সংকটৰ বিষয়ে কেইটামান দিশ আলোচনা কৰিম।

সাধাৰণতে গড়ৰ বিলুপ্তি আৰু বংশ বিস্তাৰৰ অন্তৰায়ৰ বাবে নিম্নলিখিত সমস্যাসমূহ জড়িত।

১। বাসস্থানৰ ক্ষতি
২। নিৰ্বিচাৰ হত্যা
৩। Inbreeding, GVP/MVPৰ সমস্যা।

**১। বাসস্থানৰ ক্ষতিঃ–**

পানী নেথাকিলে মাছ নেথাকে। গতিকে উপযুক্ত বাসস্থান, উপযুক্ত বাতাবৰণ, পৰ্যাপ্ত খাদ্যসম্ভাৰ আৰু ৰক্ষণাবেক্ষণ নেথাকিলে গড়ো বাচি থাকিব নোৱাৰে। গড়ৰ বাসস্থান ধ্বংসৰ ইতিহাস অতি পুৰণি। আজিৰ পৰা প্ৰায় ৫০০০ বছৰ আগতে বিকশিত হোৱা সিন্ধু সভ্যতাৰ কালতে গড় সেই অঞ্চলত অসমৰ দৰে সহজতে পোৱা প্ৰাণী আছিল। মহেঞ্জোদাৰোত পোৱা গড়ৰ প্ৰতিচ্ছবিয়ে তাৰ প্ৰমাণ দিব। এনেকি এইবিধ প্ৰাণীয়ে জনমানসতো যে প্ৰভাৱ বিস্তাৰ কৰিছিল সেই সময়ত ব্যৱহাৰ কৰা গড়ৰ প্ৰতিচ্ছবি থকা মোহৰৰ পৰাই তাৰ প্ৰমাণ পোৱা যায়। ইয়াৰে বুজা যায়, সেই সময়ত গড় তাত সহজতে পোৱা এবিধ প্ৰাণী আছিল আৰু সেয়ে সেই ঠাই নিশ্চয় সেউজীয়া ঘাঁহনি আৰু আৰ্দ্ৰভূমিৰে পূৰ্ণ আছিল। কিন্তু আজি? সেইখন এখন শুকান মৰুভূমি। ১৩৯৮ চনত তাইমুৰে কাশ্মীৰ ফন্টিয়াৰত আৰু ১৫১৯ চনত বাবৰে পেচোৱাৰত গড় চিকাৰ কৰা কাহিনী ইতিহাসে কয়। পুৰণি বিভিন্ন তথ্যই কয় যে সমগ্ৰ সিন্ধু, গঙ্গা, ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনদী সমূহৰ উপকূলত, সেউজীয়া ঘাঁহনি আৰু আৰ্দ্ৰভূমি গড়ৰ বিশাল বিচৰণক্ষেত্ৰ আছিল। আজি কিন্তু সেইবোৰ ঠাইত এটাও গড় পাবলৈ নাই।

বৰ্তমান গড়ৰ অৱস্থিতি আৰু অতীতৰ বিস্তৃতি পৰ্যালোচনা কৰি ইয়াৰ বিনাশৰ ধাৰা বিচাৰ কৰিলে অনুমান হয়, অসম, বৰ্তমানে বিশ্বৰ গড়ৰ বাসভূমি, ইয়াতো গড়ৰ ভৱিষ্যত সমূলি নিষ্কণ্টক নহয়। তথ্যসমূহ আৰু পুৰণি কাহিনীয়ে আমাক অনুমান কৰায় যে – এই প্ৰাণীবিধ একেবাৰে শেষৰ ফালে অসমত থিতাপি লোৱা। অৰ্থাৎ পশ্চিমৰ পৰা সময় আৰু পৰিস্থিতিৰ প্ৰতিকূলতাৰ পৰিপ্ৰেক্ষিতত পূবফালে গতি কৰি সৰ্বশেষত ব্ৰহ্মপুত্ৰ উপত্যকাত বৰ্তিছে। এই সীমাৰ পূবৰ ফালে এইবিধ প্ৰাণীৰ অস্তিত্ব অতীজতে আৰু বৰ্তমানেও থকা বুলি তথ্যই নকয়। এনেকি বৰাক উপত্যকাতো ইয়াৰ অস্তিত্বৰ উমান পোৱা নেযায় (?) সম্ভৱ, ব্ৰহ্মপুত্ৰৰ দক্ষিণে থকা পৰ্বতমালাৰ অৱস্থিতিয়ে গড়ক বৰাক উপত্যকাত প্ৰৱেশ কৰাত বাধা হিচাপে থিয় দিলে।

খৃঃ পূঃ ২০০০-১৮০০ লৈকে আৰ্যসকলৰ এটা ঠালে পঞ্জাৱত প্ৰবেশ কৰি খেতিৰ বাবে অৰণ্য মুকলিৰ কাম কৰে। তাৰ পৰা এইসকলৰ বিস্তাৰে নিৰ্বনানীকৰণৰো বিস্তাৰ গঙ্গা হৈ ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰবেশ কৰে। সভ্যতাৰ বিকাশ মূলতঃ কৃষিৰ উন্নতি, জনসংখ্যা বৃদ্ধি, পৰিকল্পিত বাসস্থান, গাওঁ/চহৰৰ গোৰপত্তন আৰু যন্ত্ৰ উদ্যোগৰ প্ৰসাৰ, ইয়াৰ সঙ্গী এই আটাইকেইটাই বন আৰু বন্যপ্ৰাণী সংৰক্ষণৰ পৰিপন্থী। জনসংখ্যাৰ বিস্ফোৰণে মানুহক প্ৰতিদিনে আবাদী মাটিৰ সন্ধানত সমতলৰ পৰা পাহাৰ কন্দৰলৈ গতি কৰিবলৈ বাধ্য কৰাত বনানী আৰু বন্যপ্ৰাণীৰ সংখ্যা স্বাভাৱিকতে সঙ্কুচিত হৈ আহিছে। এই সঙ্কোচনৰ হাৰ তথাকথিত সভ্যতা বিকাশৰ হাৰৰ বিপৰীতভাৱে সমানুপাতিক। মানুহৰ বাবে পৃথিৱীৰ খোলাটো মূলত ঃ ব্যৱহাৰ কৰা যুগত, বন্যপ্ৰাণীৰ কথা চিৰিয়াচ হৈ ভবাৰ অৱকাশ নথকাটো স্বাভাৱিক। নহলে অশোকৰ দিনৰে পৰা, চন্দ্ৰগুপ্তৰ দিনৰ কৌটিল্যৰ দ্বাৰা প্ৰণয়ন কৰা বন্যপ্ৰাণী সংৰক্ষণৰ কটকটীয়া সুনিৰ্দিষ্ট নীতি নিয়ম প্ৰৱৰ্তিত হোৱা এই ভাৰত ভূমিত আজি বন্যপ্ৰাণীৰ অস্তিত্বৰ সংকটময় অৱস্থা এটাৰ উদ্ভৱ হ'বই নেলাগিছিল। মানুহৰ সংখ্যা বৃদ্ধি যদি আমি এটা প্ৰকৃতিগত কাৰণ (Natural System) বুলি মানি লওঁ তেনেহলে বন্যপ্ৰাণী আৰু বন বনানীৰ বিলুপ্তিও এটা Natural System বুলিয়েই মানিব লাগিব। কাৰণ মানুহৰ দ্বাৰা প্ৰকৃততে মানুহৰ বাবে নিয়ন্ত্ৰিত এই পৃথিৱী পৃষ্ঠত বন্যপ্ৰাণী আৰু বনানীক সমগুৰুত্ব নিদিলে উপস্থিত সৃষ্টি হোৱা এই সংকটময় পৰিস্থিতিৰ পৰা পৰিত্ৰাণ পোৱাৰ আশা নাই।

সেই পেচোৱাৰৰ পৰা কাজিৰঙালৈ, সিন্ধু, গঙ্গা, ব্ৰহ্মপুত্ৰৰ বিশাল অৱবাহিকাৰ সেউজীয়া আৰ্দ্ৰ. জলাশয় তৃণভূমি সভ্যতাৰ বিকাশৰ লগত ক্ৰমে ক্ৰমে মানুহৰ ব্যৱহাৰোপযোগী বাসস্থান আৰু খেতি পথাৰলৈ ৰূপান্তৰিত হোৱাত ঘাঁহনি আৰু প্ৰচুৰ পৰিমাণৰ জলাশয় থকা ঠাইতহে বাসস্থান পাতিবলৈ সমৰ্থ হোৱা গড়ৰ বিচৰণ ভূমি ক্ষয় হৈ আহি আজি মাথো প্ৰকৃতাৰ্থত নেপাল আৰু অসমত বৰ্তিছেগৈ। বৰ্তমানে বিশ্বত গড়ৰ বাসস্থান আৰু আনুমানিক সংখ্যা এনে ধৰণৰ –

১। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান – ১২০০ +
২। ওৰাং অভয়াৰণ্য – ৯৭ +
৩। পৱিতৰা অভয়াৰণ্য – ৫৬ +
৪। মানাহ ৰাষ্ট্ৰীয় উদ্যান – ৮০ (-)
৫। অসমৰ অন্যান্য ঠাই – ৫০ (-)
৬। জল্দাপাৰা অভয়াৰণ্য (পঃ বঙ্গ) – ৩৬
৭। গৰুমাৰা অভয়াৰণ্য (পঃ বঙ্গ) – ৯
৮। চিটৱান ৰাষ্ট্ৰীয় উদ্যান (নেপাল) – ৪০০
৯। দুধুৱা ৰাষ্ট্ৰীয় উদ্যান (উত্তৰপ্ৰদেশ) – ৭
(তথ্য – Eco-Worker/91)

ইয়াৰ ভিতৰৰ উত্তৰ প্ৰদেশৰ দুধুৱা ৰাষ্ট্ৰীয় উদ্যানৰ গড় কেইটি নেপাল আৰু অসমৰ পৰা নি কেইবছৰমান আগতে সংস্থাপিত কৰিছে।



উল্লেখযোগ্য যে এসময়ত দুধুৱা গড়ৰ বাসস্থান আছিল। বিহাৰ প্ৰদেশতো এই প্ৰাণী বিধ পোৱা গৈছিল। ১৯৬০ চনত চাম্পাৰণ জিলাত শেষ গড়টো নিধন হোৱাৰ পিছত বিহাৰৰ গড়ৰ সংখ্যা শূন্য হৈ থাকিল। যদিও নিৰ্বিচাৰ হত্যাৰ ফলত গড়ৰ সংখ্যা হ্ৰাস পালে – কিন্তু মূলতঃ ইয়াৰ বাসস্থান ধ্বংসইহে প্ৰাণীবিধৰ বিলুপ্তিৰ মূল কাৰণ। আমি তলত অসমৰ গড়ৰ বাসস্থান সম্পৰ্কত উদ্ভৱ হোৱা পৰিস্থিতিসমূহ থোৰতে আলোচনা কৰিম। অৱশ্যে এই কাৰণবোৰ বাকী ঠাইসমূহৰ গড়ৰ বিলুপ্তিৰ কাৰণ বুলিও মূলতঃ গণ্য কৰিব পাৰি।

ভাৰতীয় এশিঙীয়া গড়ৰ বাবে মূলত সমতল সেউজীয়া ঘাঁহনি আৰু প্ৰচুৰ পৰিমাণে জলাশয় থকা ক্ষেত্ৰৰ প্ৰয়োজন। প্ৰতিবছৰে হোৱা বানপানীয়ে পলস পেলাই সৃষ্টি কৰা ন ঘাঁহনি আৰু বিল-খালৰ বোকাময় বন্ধ পানী প্ৰচুৰ থকা ঠাই এইবিধ প্ৰাণীৰ বাবে উপযুক্ত বাসস্থান। অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰায় সকলো ঠাইত সেয়ে এনে প্ৰাণীবিধ পোৱা গৈছিল। প্ৰবাদ আছে অসমৰ লোকে হেনো গড়ক বইচ মনাই এসময়ত খেতি কাৰ্যত ব্যৱহাৰ কৰিছিল। এই কথা অবিশ্বাস্য যেন নেলাগে। ইয়ে সূচায় যে অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ ঘাঁহনি আৰু জলমগ্ন এলেকাত প্ৰচুৰ পৰিমাণে গড় আছিল।

এটা কথা স্বীকাৰ কৰিবই লাগিব যে বন আৰু বন্যপ্ৰাণী মানৱৰ ভৱিষ্যত বংশধৰ সকলৰ এই পৃথিৱীত অস্তিত্বৰ বাবেই প্ৰয়োজন। মানুহৰ স্বাৰ্থৰ খাতিৰতে সংৰক্ষণৰ আৱশ্যক। যদি মানুহৰ জীৱন নিৰ্বাহিৰ বাবে বন আৰু বন্যপ্ৰাণী শূন্য পৃথিৱী এখনে কোনো সমস্যাৰ সৃষ্টি নকৰিলেহেঁতেন তেনেহলে নিমিষতে এইবোৰ পৃথিৱী পৃষ্ঠৰ পৰা নিঃশেষ হ'লহেঁতেন।

অসমৰ ব্ৰহ্মপুত্ৰ অৱবাহিকাৰ কালি ৫,০৩,৭০০ বৰ্গ কিঃ মিঃ (তিব্বত আৰু বাংলাদেশক বাদ দি)। এই অঞ্চল অসংখ্য নদ-নদী-জান-জুৰিৰে ক্ষত-বিক্ষত। এই আটাইবোৰ নদ-নদী উত্তৰ দক্ষিণ বা পূবৰ পৰ্বত মালাৰ পৰা ওলাই অৱশেষত ব্ৰহ্মপুত্ৰত মিলিছে। এই কথা কোৱাৰ নিশ্চয় প্ৰয়োজন নাই যে এই অসংখ্য নদ-নদীয়ে পানীৰ লগতে পাহাৰাঞ্চলৰ পৰা উটুৱাই অনা মাটিয়ে ব্ৰহ্মপুত্ৰৰ তলি বছৰে বছৰে বাম কৰি আনিছে। তাৰ ফলতে অসমত বানপানী এটা প্ৰায় বাৎসৰিক দুৰ্যোগত পৰিণত হৈছে। পৰীক্ষাৰ পৰা পোৱা তথ্য মতে অৰণ্যাবৃত মাটিৰ পানী ধাৰণ কৰিব পৰা ক্ষমতা (Infiltration Capacity) প্ৰতি ঘণ্টাত ৫.১৬ চেঃ মিঃ। অৰণ্য মুক্ত মাটিৰ ক্ষেত্ৰত এই ক্ষমতা প্ৰতি ঘণ্টাত ১.৪ চেঃ মিঃত কৈও কম। সেয়ে পাহাৰ অঞ্চলত উন্মুক্ত হোৱা মাটিত বৰষুণ পৰিলেই লগে লগে সেই পানী হিলদল ভাঙি ভৈয়ামলৈ নামি আহে। অৰণ্যাবৃত মাটিতকৈ উন্মুক্ত মাটিৰ পৰা বৰষুণৰ পানীয়ে মাটিৰ উপৰিভাগ (Top soil)ৰ ৩৮.৫% বেছিকৈ উটুৱাই নিয়ে। প্ৰতিবছৰে এনে মাটিৰ উপৰিভাগ (Top soil) বৰষুণৰ পানীয়ে ভাৰতবৰ্ষত ৬ বিলিয়ন টনতকৈ বেছি উটুৱাই আনে। এই কাৰণসমূহৰ বাবেই নদীসমূহৰ তলি বাম হৈ পানী ধাৰণ কৰিব পৰা ক্ষমতা নোহোৱা হৈছে আৰু বানপানী, গড়া-খহনীয়াৰ সৃষ্টি কৰিছে। পলস উটুৱাই আনি পুতি পেলোৱাৰ বাবেই ভাৰতৰ জলবিদ্যুত প্ৰকল্পসমূহ ঘোৰ সংকটত পৰিছে। এই সংকট ভাক্ৰানাঙলৰ পৰা গুৱাহাটীৰ নলা নৰ্দমালৈকে।

আমি অনুমান কৰিব পাৰো কি পৰিমাণৰ মাটি খহাই আনি প্ৰতিদিনে ব্ৰহ্মপুত্ৰ উপত্যকাত জমা হ'ব লাগিছে। সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকাটো মাত্ৰ পশ্চিমৰ সৰু সুৰুঙাটোৰ বাহিৰে পাহাৰ পৰ্বতেৰে বেৰি আছে। উত্তৰৰ ভূটান পাহাৰত ঠিক সীমাৰ পৰা সম্পূৰ্ণভাৱে ব্লেডেৰে খুৰুৱাৰ দৰেই অৰণ্য চাফা কৰি বস্তি আৰু নগৰ স্থাপন কৰিছে। অৰুণাচলতো উন্নতিৰ নামত অৰণ্য চাফা কৰা কাম পূৰ্ণগতিত চলি আছে। দক্ষিণৰ নগা, কাৰ্বি, খাছি পাহাৰবিলাক প্ৰায় উন্মুক্ত হৈ পৰিছে। উল্লেখযোগ্য যে সমগ্ৰ হিমালয় আৰু এই অঞ্চলৰ সকলোবোৰ পাহাৰ পৰ্বত স্পৰ্শকাতৰ আৰু নতুন (Recent Origin)। অপৈণত আৰু মাটিৰ গঠন শিথিল (Loose) হোৱা এই অঞ্চলৰ নিৰ্বনানীকৰণৰ ফলত উন্মুক্ত হোৱা মাটি প্ৰচুৰ পৰিমাণে প্ৰতিবছৰে ভৈয়ামলৈ ধোৱাই আনি আছে। বিপুল পৰিমাণৰ এই মাটি ব্ৰহ্মপুত্ৰই পোনে পোনে বা অইন নদীসমূহেও অসমত পেলাই আছে। ব্ৰহ্মপুত্ৰয়ো প্ৰতিবছৰৰ বানপানীত এই মাটি খেতি পথাৰ আৰু নৈ, বিল, খালত পেলাই সকলোবোৰ বাম কৰি আনিছে। অচিৰেই এটা দিন আহি আছে এই ঠাইসমূহত থকা বিল খালবোৰ পোতগৈ বাম হৈ সমগ্ৰ গড়ৰ বাসস্থান শুকান হবলৈ বাধ্য। ব্ৰহ্মপুত্ৰৰ খহনীয়াই ক্ষতিকৰা এই ঠাইসমূহৰ সমস্যাৰ বিষয়ে কোৱাৰ নিশ্চয় প্ৰয়োজন নাই। বাসস্থান ধ্বংসৰ এই সমস্যা ইমান ব্যাপক আৰু ভয়াবহ যে মাথো অসমে অকলে বা বৰ্তমানৰ পৰিস্থিতিত, এনেকি ভাৰতবৰ্ষৰো, এনে সমস্যা সমাধান কৰা এটা কঠিন কাম। আৰু প্ৰতিবছৰে পোতখোৱা জলাধাৰ, বিল-খালবোৰ পুনৰ খান্দি দ কৰা এটা প্ৰক্ৰিয়া বিৰাট ব্যয়বহুল। ই ঠিক হাতীক গা ধুওৱাৰ দৰে কথা। আমাৰ বোধেৰে অসমৰ গড়ৰ ভৱিষ্যতৰ অস্তিত্বৰ সম্পৰ্কত ইয়াতকৈ বিপদজনক আৰু ভয়াবহ সমস্যা আৰু নাই।

গড়ৰ বাসস্থান ধ্বংসৰ অইন এটি লেখতলবলগীয়া কাৰণ হ'ল Biotic interference। ওৰাং, পৱিতৰা, লাওখোৱা সম্পূৰ্ণভাৱে মানুহৰ বসতিৰে আবৃত একোখন অভয়াৰণ্য। এনেকি কাজিৰঙাও এই অৱস্থামুক্ত নহয়। কাজিৰঙাৰ বাহিৰে বাকী আটাইকেইখন গড়ৰ বাসস্থান দৰকাৰ অনুপাতে একেবাৰে সৰু। এই আটাইকেইখন অভয়াৰণ্যৰ এখনৰো Buffer Zone নাই। জনসমুদ্ৰৰ মাজত একোটা দ্বীপৰ দৰে ঠাইবোৰ উপঙি আছে। Buffer Zoneৰ অনুপস্থিতি হেতু অভয়াৰণ্যৰ সীমাৰ পৰাই মানুহৰ গাওঁ, খেতি, ঘৰ, বস্তি। সীমাৰ চাৰিওফালে থকা লোকসকলৰ অৰ্থনৈতিক অৱস্থা স্বাভাৱিকতে অতি শোচনীয়। খেতি-মাটিৰ হাহাকাৰ, জীৱিকাৰ বাবে খেতিৰ বাহিৰে অইন বিকল্প নথকাত ওচৰতে থকা অভয়াৰণ্যত খৰি, খেৰ, মাছ-কাছ, গৰু চৰোৱা কাম কৰিবলৈ এই লোকসকল বাধ্য। দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত বাস কৰা প্ৰায় ৮০% ভাগ এনে লোকে দিনে নিশাই প্ৰচণ্ড হেঁচা অভয়াৰণ্য সমূহত দি আছে। ৰাজ্যখনত অনাবাদী মাটি প্ৰায় শূন্য হোৱাত, চৰ-চাপৰিত লোকবসতি গিজ-গিজিয়া হোৱাত গো-পালক সকলেও অসংখ্য গৰু-মহ প্ৰকাৰান্তৰে অভয়াৰণ্যবোৰতে ৰাখিছে। ৰাজহ বৃদ্ধিৰ বাবে চৰকাৰে অভয়াৰণ্যৰ বাহিৰে বাকী ৰাজ্যৰ প্ৰায় সকলো খাল-বিল-নৈ ডাকত বিক্ৰী কৰাত দুখীয়া লোকসকলে সাধাৰণ এটি মাছ পুঠিৰ বাবেও অভয়াৰণ্যতেই নিৰ্ভৰ কৰে। মানুহ আৰু পোহনীয়া জীৱ-জন্তুৰ এই প্ৰচণ্ড বোজা বহণ কৰি এখন অভয়াৰণ্য কেতিয়াও প্ৰকৃতাৰ্থত অভয়াৰণ্য হৈ থাকিব নোৱাৰে। বিশেষকৈ একেবাৰে ক্ষুদ্ৰ কালিৰ অসমৰ গড়ৰ বাসস্থান সমূহ কেতিয়াও এনে অৱস্থাত উপযুক্ত আবাস হৈ থাকিব নোৱাৰে।

বছৰত কিমান গড় চোৰাং চিকাৰীয়ে নিধন কৰিলে সেই তথ্য বিচাৰ কৰি বাসস্থানৰ সংৰক্ষণ আৰু উন্নতি কৰণৰ কথা বিচাৰ নকৰিলে অভয়াৰণ্য এখনৰ সঠিক বিচাৰ কৰা সমূলি নহয়। প্ৰকৃততে এনে অভয়াৰণ্যৰ গড়ৰ লগতে সহযোগী প্ৰাণীসমূহৰ বাবে বাসস্থান সংৰক্ষণ আৰু উন্নতিকৰণ কৰিব পৰা গৈছে নে নাই; সেয়াহে বন্যপ্ৰাণী সংৰক্ষণৰ মূল লক্ষ্য আৰু সু-পৰিচালনাৰ নিদৰ্শন হোৱা উচিত। কিন্তু বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত এই দিশটোৱে দাবী কৰা ধৰণে আমি যেন মনোযোগ দিয়া নাই। পৱিতৰা অভয়াৰণ্য এই ক্ষেত্ৰত এটা উৎকৃষ্ট উদাহৰণ। বৰ্তমানে গড়ৰ আবাসভূমি প্ৰায় সম্পূৰ্ণ বিনাশ হোৱা পৱিতৰাত বাস কৰা ৫৬টা গড়ৰ প্ৰায় আধাতকৈও বেছি সংখ্যকে গোটেই বছৰ জুৰি অভয়াৰণ্যৰ বাহিৰত চৰি ফুৰিবলৈ বাধ্য হৈছে। পোহনীয়া জন্তুৰ অবাধ বিচৰণ, চাৰিও ফালৰ লোকৰ খৰি-খেৰ, মাছমৰা প্ৰাত্যহিক কাম আৰু ১৬ বৰ্গ কিঃ মিঃ এলেকাৰ এই ক্ষুদ্ৰ অভয়াৰণ্যখনৰ বুকুতে এক বৰ্গ কিঃ মিঃ বৈদ্যুতিক জেওৰাদি Brow Antlered deer (Sanghai Project)ৰ বাবে সংৰক্ষণ কৰা কাৰ্যই পৱিতৰাৰ গড়ৰ বাসস্থান সম্পূৰ্ণ ধ্বংস কৰি নিৰীহ, শান্তিপ্ৰিয় এই প্ৰাণী

কেইটাক বাহিৰলৈ ওলাই আহিবলৈ বাধ্য কৰা হৈছে। নিশা হলেই পৱিতৰাৰ গড় অভয়াৰণ্যৰ বাহিৰলৈ ওলাই আহি পুৱাতে পুনৰ নিজস্থানলৈ ঘূৰি যোৱা এটা স্বভাৱত পৰিণত হৈছে।

দেখা যায় পৱিতৰা অভয়াৰণ্যত মৃত্যু হোৱা সমুদায় গড়ৰ ৫৫.৫% অভয়াৰণ্যৰ বাহিৰত। ওৰাঙৰ ক্ষেত্ৰত এই হাৰ মাত্ৰ ৭.১%। অসমৰ কাজিৰঙাতো বাহিৰত মৃত্যু হোৱা গড়ৰ হাৰ পৱিতৰাৰ দৰে নহয়। যিখন অভয়াৰণ্যত পহু এটা থকাৰ সুস্থ পৰিবেশ নাই তাত গড়ৰ দৰে নিৰিবিলি প্ৰিয়, শান্ত জীৱ এটা আৱদ্ধ কৰি ৰখা নিশ্চয় সম্ভৱপৰ নহয়। উল্লেখযোগ্য যে পৱিতৰাত গড় আৰু গাহৰিৰ বাহিৰে অইন বনৰীয়া জন্তু পাবলৈ নাই। গড়ে পথাৰে সমাৰে ঘূৰি ফুৰাৰ ফলতে চিকাৰীয়ে অনায়াসে হত্যা কৰাৰ সুবিধা পায়। গড়ৰ এই লুতুৰা স্বভাৱৰ ফলতে এহাতে দাঁতি কাষৰীয়া খেতিয়কৰ খেতি নষ্ট কৰি, এনেকি মানুহ হত্যা কৰি ৰাইজক বন্য প্ৰাণীৰ প্ৰতি বিতুষ্ট কৰিছে আৰু আনহাতে বাহিৰলৈ গৈ গাওঁৰ মাজত আৱদ্ধ হোৱা গড় খেদি পুনৰ অভয়াৰণ্যলৈ অনা বনবিভাগৰ এটা প্ৰাত্যহিক জঞ্জালপূৰ্ণ কৰ্তব্য হৈ পৰিছে। আমাৰ বিশ্বাস, যিমানে দিন যাব সিমানে গড় অভয়াৰণ্যৰ অসুস্থ পৰিবেশত থাকিব নোৱাৰি বাহিৰলৈ অধিক হাৰত যাব আৰু অধিক হাৰত ই চিকাৰীৰ চিকাৰ হ'ব। কাৰণ, অভয়াৰণ্যৰ বাহিৰত বনবিভাগৰ কৰ্মীৰ গড় এটাক ৰক্ষণাবেক্ষণ দিয়া কাম বিভিন্ন কাৰণত অতি জটিল।

বানপানীৰ সময়ত সম্পূৰ্ণ অভয়াৰণ্যৰ মাটি পানীত বুৰ যোৱা এটা পৰিস্থিতিত গড় বা অইন জন্তু ওখ ঠাইলৈ জীৱন ৰক্ষাৰ বাবে যোৱাটো নিতান্তই স্বাভাৱিক। কিন্তু বছৰি কাজিৰঙা আৰু পৱিতৰাত বানপানীৰ সময়ত নিধন হোৱা গড় বা অইন বন্যপ্ৰাণীৰ সংখ্যা উলাই কৰিবলগীয়া বিধৰ নহয়। বানপানীয়ে সৃষ্টি কৰা সমুদায় দুৰ্যোগ অসমৰ মানুহে ভগৱানৰ ইচ্ছা বা কপালৰ লিখন বুলি ধৰি ললে বছৰি নিধন হোৱা কাজিৰঙাৰ গড়ৰ কথা সুকীয়াকৈ ভবাৰ প্ৰয়োজন নাই। কিন্তু এইটো ঠিক যে, ব্যয়বহুলতাৰ বাবেই হওক অথবা অইন কিবা কাৰণবশতই হওক যি হাৰত পৱিতৰা বা কাজিৰঙাত ওখ ভেটি সাজি বাৰিযা প্ৰাণীকেইটিৰ 'শিৱিৰ' পতাৰ ব্যৱস্থা কৰা হৈছে এই প্ৰক্ৰিয়াৰ গতি তীব্ৰ কৰা বা বেলেগ কিবা চিৰস্থায়ী উপায় উদ্ভাৱন কৰাৰ কথা বিজ্ঞ লোক সকলে চিন্তা কৰাৰ সময় পাৰ হয় এখোন।

বাসস্থান বিনাশৰ ওপৰোক্ত কাৰণসমূহৰ উপৰিও অইন কাৰণো আছে। কিন্তু উল্লিখিত কাৰণবোৰৰ তুলনাত বাকীবোৰ আমাৰ বোধেৰে সিমান ধৰ্তব্য নহয়। নুমলিগড়ৰ প্ৰস্তাৱিত প্ৰকল্পই কাজিৰঙাৰ গড়ৰ ক্ষতি সাধন কৰিব বুলি কাকতে পত্ৰই যি হাহাকাৰ চলিব লাগিছে তাৰ অনেকগুণ বেছি ক্ষতি ওপৰত উল্লেখ কৰা সমস্যাই আমাৰ কৰি আছে। সেই হিচাপে নুমলিগড়ৰ প্ৰকল্পই একো ক্ষতি তেনেদৰে কাজিৰঙাৰ কৰিব নোৱাৰে। এই হাহাকাৰত অইন কিবা লুকাই আছে যদি আমি নেজানো। কিন্তু নুমলিগড়ৰ প্ৰকল্পই ক্ষতি কৰিব পৰা পৰিবেশ ধ্বংসতকৈ বহু বেছিগুণে ধ্বংসকাৰ্য সমগ্ৰ অসমৰ বনানীত চলি আছে। তাৰ প্ৰতি সমুচিত দৃষ্টি আমি দিয়া নাই।

বছৰি বছৰি পলস আৰু বোকাই যি হাৰত বিল-খালবোৰ বাম কৰি আনিছে তাক পুনৰুদ্ধাৰ কৰা বা এই সৰ্বনাশী প্ৰক্ৰিয়া বন্ধ কৰা সম্ভৱ নহয় যেন লাগিছে। এপাচি শাকত এটা জালুকৰ দৰে বছৰি বছৰি খাল খান্দি দ কৰাৰ যি প্ৰক্ৰিয়া লাখ লাখ টকা খৰচ কৰি আমি কৰি আছো প্ৰকৃতাৰ্থত ইয়ে কোনো কাম নিদিব। কাৰণ এনেদৰে বিল দ কৰা কাম (Desiltation) হাতীক গা ধুওৱাৰ দৰে। আমাৰ মতে উপস্থিত অসমৰ গড়ৰ অস্তিত্বৰ সংকট ওপৰত বৰ্ণোৱা বাসস্থানৰ ক্ষতিহে। কাৰণ ইয়ে তিল তিলকৈ অজগড়ৰ দৰে এফালৰ পৰা চেপি গুড়ি কৰি আনিছে আৰু আনি থাকিব। আমি চাই আছো কিন্তু একো কৰিব পৰা নাই।

## ২। নিৰ্বিচাৰ হত্যাঃ–

গড় হত্যাৰ ইতিহাসো পুৰণি। অতীজতে ৰজা-মহাৰজাসকলে নিজৰ পৌৰষ দেখুৱাবলৈ এনে চিকাৰ কৰিছিল। পিছত ৰজা-মহাৰজাৰ এই ৰাজসিক গুণ চাহাবসকলে গাত সানি লৈ আগ্নেয়াস্ত্ৰৰ সহায়ত এনে চিকাৰ কৰে। বনৰীয়া জন্তু চিকাৰ হিচাপেই হওক বা বীৰত্ব জাহিৰ কৰিবলৈকেই হওক তথাকথিত চাহাব আৰু ধনী লোকসকলৰ ই এটা ফেচনত পৰিণত হ'ল। অসমৰ গড় নিধনৰ ক্ষেত্ৰত বৃটিছ চাহ-বাগিচাৰ চাহাব সকলেও যথেষ্ট ক্ষতি কৰি থৈ গৈছে। সম্ভৱত শক্তিবান জন্তুৰ ভিতৰত গড় নিধন কৰাই আটাইতকৈ সহজ। অতীতৰ সেই বীৰত্ব প্ৰকাশৰ চিহ্ন হিচাপে আজি আৰু গড় চিকাৰ কোনোৱে কৰিব নোৱাৰে। তাৰ ঠাইত, গড়ৰ বৈৰী, তাৰ খৰ্গটোৰ দুৰ্মূল্যৰ বাবেই গড় নিধন হ'ব লাগিছে।

এই কথা ঠিক যে যেতিয়ালৈকে আন্তৰ্জাতিক বজাৰত গড়ৰ খৰ্গৰ চাহিদা থাকিব – তেতিয়ালৈকে গড়ৰ চোৰাং নিধন কাৰ্য বন্ধ হোৱাৰ আশা ক্ষীণ। বৰ্তমানে অসমত নিম্নলিখিত উপায়েৰে চোৰাং চিকাৰীয়ে গড় নিধন কৰে।

১। আগ্নেয়াস্ত্ৰৰ দ্বাৰা
২। গাঁত খান্দি
৩। বিহ খুৱাই আৰু
৪। বিদ্যুৎ প্ৰৱাহিত কৰি।

যেতিয়া ৰাজ্যখনত ৰাজনৈতিক অস্থিৰতাৰ সৃষ্টি হয়, দেখা গৈছে, তেতিয়াই গড় নিধন কাৰ্য অধিক হয়। ১৯৮৩ চনত অসমৰ অস্থিৰতাৰ সময়ত লাওখোৱাত থকা প্ৰায় ৫৫ টা গড় ছমাহৰ ভিতৰতে নিঃশেষ হ'ল। ওৰাং অভয়াৰণ্যত সেই বছৰত ১০টা গড় চোৰাং চিকাৰীয়ে হত্যা কৰে। ১৯৮৯ চনত মানাহ অভয়াৰণ্যত হোৱা ক্ষতিৰ কথা কাগজে পত্ৰই ওলাই আছে আৰু এই ক্ষতি আপূৰণীয়, ভয়াবহ।

নিৰ্বিচাৰ হত্যাৰ ফলতে যে এড়োখৰ ঠাইৰ পৰা অতি কম সময়ৰ ভিতৰতে গড় নিঃশেষ হয় সেই উদাহৰণ লাওখোৱাই আমাক দি থাকিব। গড়ৰ বাসস্থান হিচাপে লাওখোৱা অভয়াৰণ্য কাজিৰঙাৰ পিছতে উৎকৃষ্ট ঠাই হ'ব পাৰিলেহেঁতেন। ১৯৮৩ চনৰ সেই হত্যা যজ্ঞৰ পিছত লাওখোৱাত বৰ্তমানে এটাও গড় নাই। মাজে মাজে গতি ভুল কৰি ক'ৰবাৰ পৰা অহা দুই এটা গড় হয় চিকাৰীয়ে নিধন কৰিছে নাইবা অত্যাচাৰত তিষ্ঠিব নোৱাৰি পলাই গৈছে।

নেপালৰ চিটৱান ৰাষ্ট্ৰীয় উদ্যানৰ গড় চোৰাং চিকাৰীৰ কবলৰ পৰা ৰক্ষা কৰাৰ বাবে ৰাজকীয় নেপালী সৈন্যক পহৰা কাৰ্যত নিয়োগ কৰা হৈছে। এই ব্যৱস্থাই গড় নিধনকাৰ্য ৰোধ কৰিব পৰা বুলি জানিব পৰা গৈছে। যোৱা বছৰ সমূহত অসমৰ গড় সংৰক্ষণৰ ক্ষেত্ৰতো অসম বনবিভাগৰ প্ৰচেষ্টা উলাই কৰিব পৰা বিধৰ নহয়। অত্যন্ত প্ৰতিকূল পৰিস্থিতি সত্ত্বেও বনকৰ্মীয়ে গড় সংৰক্ষণ আৰু ইয়াৰ বংশ বৃদ্ধিৰ বাবে কৃতিত্বপূৰ্ণ অৰিহণা যোগাই আহিছে। ১৯১৩ চনত থকা কাজিৰঙাৰ ৪০টা গড়ৰ ঠাইত বৰ্তমানৰ ১২০০ টা গড়েই ইয়াৰ সাক্ষ্য বহণ কৰিব। ১৯৮৫ চনৰ ৬৫টা গড়ৰ ঠাইত বৰ্তমানে ওৰাং অভয়াৰণ্যত প্ৰায় ১০০ টা গড় আছে। যি সময়ত বিশ্বত গড় ক্ৰমাগতভাবে নিঃশেষ হৈ আহিছে তাৰ বিপৰীতে কাজিৰঙা বা ওৰাঙৰ এই কৃতিত্ব নিশ্চয় স্বীকাৰ কৰিব লাগিব।

গড় সংৰক্ষণ এটা অত্যন্ত স্পৰ্শকাতৰ ব্যৱস্থা। তৃণমূল পৰ্যায়ৰ কৰ্মী, এটা ঘাঁহী বা মৃগৰক্ষীৰ পৰা একেবাৰে উৰ্দ্ধতন বিষয়ালৈকে সকলোৱে একেটা সুৰতে বান্ধখাই নেথাকিলে সংৰক্ষণ ব্যৱস্থা ফলপ্ৰসূ নহয়। অত্যন্ত শৃংখলাবদ্ধ আৰু নিয়মানুৱৰ্তী নহলে সংৰক্ষণ ক্ষেত্ৰ সুস্থিৰ ভাবে পৰিচালিত নহয়। একে বিভাগৰ অইন শাখাৰ তুলনাত বন্য প্ৰাণী শাখাৰ কাজ-কৰ্ম অধিক কষ্টকৰ, দায়িত্বপূৰ্ণ আৰু বিপদসঙ্কুল। এই অসুবিধা সমূহৰ বাবে একে বিভাগৰ অইন শাখাৰ লগত থকা একেটা পদৰ বৈষম্যৰ ফলত স্বাভাৱিকতে বন্যপ্ৰাণী শাখাত স্ব-ইচ্ছাই কাম কৰিব বিচৰা চাকৰিয়ালৰ সংখ্যা অতি তাকৰ।

সময়ৰ পৰিবৰ্তিত পৰিস্থিতিৰ লগত খাপ খুৱাই সংৰক্ষণৰ লগত জড়িতসকলক তৃণমূল পৰ্যায়ত মৌলিক সংস্কাৰ সাধন কৰা পৰিলক্ষিত হোৱা নাই যেন লাগিছে। পুৰণিকলীয়া ধ্যান-ধাৰণা সলনি কৰা সত্ত্বেও সময়োপযোগী নোহোৱাৰ বাবে পুলিচ বিভাগৰ ভূমিকা যেনেদৰে বৰ্তমানৰ অপৰাধ নিয়ন্ত্ৰণত অকৃতকাৰ্য হৈছে একেদৰে বিশেষ একো পৰিবৰ্তন নোহোৱা বনকৰ্মীয়েও সময়ৰ লগত তাল মিলাবলৈ ব্যৰ্থ হোৱা পৰিলক্ষিত হৈছে। ক্ষিপ্ৰ ব্যৱস্থা নললে পুলিচৰ দৰে বন্যপ্ৰাণী সংৰক্ষণৰ কামো সামৰিক বাহিনীক গটাই দিবলৈ বাধ্য হ'ব লাগিব যেন লাগে। কিন্তু তাৰমানে এইটো নহয় যে – বনবিভাগত নিষ্ঠাবান কৰ্মী বা সামৰ্থৰ অভাৱ। দীৰ্ঘকালীন পৰিকল্পনা বা সুসংহত আঁচনিৰ অভাৱে খেলিমেলিৰ সৃষ্টি কৰি থকা যেন লাগে। প্ৰসঙ্গক্ৰমে উল্লেখযোগ্য যে প্ৰায় আটাইকেইখন অভয়াৰণ্যৰ বাবে এতিয়াও Management Plan প্ৰস্তুত কৰণৰ কাম কৰিবলৈ বাকী। কৰ্মী সকলক প্ৰশিক্ষণ দিয়া কাম অত্যন্ত আৱশ্যক যদিও সেই কামেও বিশেষ গুৰুত্ব পোৱা নাই। যিহেতু বন্যপ্ৰাণী সংৰক্ষণৰ কামত শাৰীৰিক শক্তিৰ প্ৰয়োজন আছে সেয়ে এনে ক্ষেত্ৰত কৰ্ম কৰা লোকসকলৰ বয়সৰ কথা মূলতে বিবেচনা কৰি চোৱা ভাল। কাৰণ বৃদ্ধ বয়স বা পৰিয়ালৰ জঞ্জালত পোত গৈ থকা এজনৰ বাবে একাণপতীয়া হৈ এনে কাম-কাজত মনোনিবেশ কৰা স্বাভাৱিক নহয়। ক্ষেত্ৰকৰ্মীসকলক উলাই কৰি সংৰক্ষণৰ কামৰ কৃতকাৰ্যতা আশা কৰিব নোৱাৰি।

গড়ৰ খৰ্গ চোৰাং কাৰবাৰত প্ৰত্যক্ষভাবে চিকাৰ কাৰ্যত জড়িতসকল চোৰ ডকাইতৰ লেখীয়া একেবাৰে তলখাপৰ লোক। প্ৰকৃতাৰ্থত এনে লোকসকল ডবাখেলৰ পিলহে। আচল পৰিচালকজনক কৰায়ত্ত কৰিব নোৱাৰিলে ডাল-পাতবোৰ কাটি শিপাডাল উভালিব নোৱাৰিলে একো বিশেষ কাম নহয়। এই ক্ষেত্ৰত প্ৰচলিত আইনৰ বিশেষ সংশোধন নকৰিলে বোধকৰো বিশেষ সুফল পোৱা নেযাব। কাৰণ এনে চোৰাং খৰ্গৰ লগত সংযুক্ত Ring Leader জন পুলিচ, বনবিভাগ তথা সৰ্বসাধাৰণৰ প্ৰায়ে জনাজাত যদিও যিহেতু প্ৰমাণ আদালতত হাতে হাতে দাখিল নকৰিলে কোনো দোষীয়ে শাস্তি নেপায় সেয়ে গভীৰ পানীৰ এই বৃহৎ দাগীলোক স্বচ্ছন্দে বাচি যায়। অইন বিতৰ্কলৈ নেযায়, সৰল ভাবত কলে এইটো সকলোৱে স্বীকাৰ কৰিব লাগিব যে যোৱা ১/২ বছৰত এটা সংগঠনে গড়ৰ চোৰাং কাৰ্যত জড়িত এনে Ring Leader দুই এজনক নিধন কৰাৰ ফলত অসমত গড় হত্যাৰ সংখ্যা কমি গৈছে।

যোৱা কেইবছৰত চিকাৰীৰ হাতত নিধন হোৱা গড়ৰ তালিকা এখন আমি তলত দিলো।

| | কাজিৰঙা | ওৰাং | পৱিতৰা |
|---|---|---|---|
| ১৯৮৫ | ৪১ | ৮ | – তথ্য নাই |
| ১৯৮৬ | ৪১ | ৩ | – তথ্য নাই |
| ১৯৮৭ | ২৪ | ২ | ২ |
| ১৯৮৮ | ২৪ | ৩ | ৪ |
| ১৯৮৯ | ৪৪ | ২ | ৪ |
| ১৯৯০ | – তথ্য নাই | ০ | ১ |
| ১৯৯১ | – তথ্য নাই | ১ | ১ |

(তথ্যঃ অসম চৰকাৰ)

এই তথ্যৰ পৰা বুজা যায় প্ৰতি বছৰে নিহত হোৱা গড়ৰ সংখ্যাও কম নহয়। বৰ্তমানৰ ব্যৱস্থাৰ উন্নতিঁ কৰি উপযুক্ত সংৰক্ষণৰ ব্যৱস্থা কৰিলে অসমৰ গড় চিকাৰীয়ে হত্যা কৰি শেষ কৰিব নোৱাৰে যেন লাগে। কিন্তু এই ক্ষেত্ৰত সদাসৰ্বদা ঐকান্তিক আৰু নিষ্ঠাসহকাৰে প্ৰচেষ্টা চলাই প্ৰতিদিনে সচেষ্ট হৈ থাকিবই লাগিব। নহলে ১৯৮৩ চনৰ লাওখোৱা আৰু ১৯৮৯/৯০ চনৰ মানাহৰ অৱস্থা যিকোনো সময়তে যিকোনো অভয়াৰণ্যতে হোৱাৰ সম্ভাৱনা সৰ্বাধিক।

এই কথাত সকলোৱে লাজ পোৱা উচিত যে ১৯৮৩ চনত লাওখোৱা অভয়াৰণ্যত চিকাৰীয়ে নিহত কৰা গড় সংক্ৰান্তত কোনো জনচেতনা, কোনো বিশদ অনুসন্ধান, কোনো উপযুক্ত ব্যৱস্থা না বনবিভাগ, না জনসাধাৰণৰ পৰা লোৱা হ'ল। আমি সকলোৱে যেন গভীৰ নিদ্ৰাত নিমগ্ন আছিলো। সপোনত দেখিলো – সুন্দৰ স্বাস্থ্যৰ ৫৫টা গড়ে লাওখোৱাৰ কোমল ঘাঁহনিত ঘাঁহ খাই আছে, বিলৰ পানীত জলকেলি কৰিছে। সপোন শেষ হ'ল। দিথকত দেখিলো এটাও তাত গড় নাই। হেজাৰ হেজাৰ লোকে মাছমৰা; গছ কটা কাম পূৰ্ণোদ্যমে কৰি আছে। দুৰ্ভাগ্যক্ৰমে এই নিদাৰুণ ঘটনাৰ কোনো বিচাৰ নহ'ল, এই মৰ্মান্তিক দুৰ্যোগৰ প্ৰত্যক্ষতাই আমাক ভৱিষ্যতৰ বাবে কোনো অভিজ্ঞতা অৰ্জন কৰাব নোৱাৰিলে। নহ'লে ১৯৮৯ চনত মানাহত তাৰ পুনৰাবৃত্তি নহয়।

যিসকলে গড় সংৰক্ষণ সম্পৰ্কত তৃণমূল পৰ্যায়ত কৰি থকা ব্যৱস্থাসমূহ প্ৰত্যক্ষভাবে নিজে ক্ষেত্ৰভিত্তিক অভিজ্ঞতা লৈছে সেইসকলে নিশ্চয় অনুভৱ কৰিব যে অত্যন্ত সীমাবদ্ধতাৰ মাজত ক্ষেত্ৰ কৰ্মীসকলে কাম কৰিব লাগে। আমি পূৰ্বতে বহুবাৰ কৈছো যে গড়ৰ দৰে এনে লোভনীয়, সহজতে ধনী হ'ব পৰা চিকাৰ খুব কম। ড্ৰাগছ বা সোণৰ চোৰাং কাৰবাৰৰ ক্ষেত্ৰত লোৱা ব্যৱস্থাৰ অনুপাতে গড় সংৰক্ষণৰ ক্ষেত্ৰত লোৱা ব্যৱস্থা নিতান্তই ঢিলা। সেয়ে অকল গড় নিধন ক্ষেত্ৰত একপক্ষীয়ভাবে বনকৰ্মীক দোষাৰোপ কৰাৰ পক্ষপাতী আমি নহয়। যিহেতু বিশেষ কেইটামান বিভাগৰ সক্ৰিয় আৰু আন্তৰিক সহযোগিতা অবিহনে অকল বনকৰ্মীয়ে এনে চোৰাং চিকাৰ ৰোধ কৰা কাৰ্যত সফল হোৱা কঠিন সেয়ে হয় আইন সংশোধন কৰি বন বিষয়াক একক দায়িত্ব দিব লাগিব নাইবা সংশ্লিষ্ট বিভাগসমূহ সমপৰিমাণে দোষৰ অংশীদাৰ হৈ থাকিব লাগিব।

উদাহৰণ স্বৰূপে ১৯৮৩ চনত লাওখোৱাৰ ৫৫টা গড় ছমাহত ধ্বংস হোৱাৰ কথা যদি বিচাৰ কৰি চোৱা যায় তাত মূলতে দেখা যাব যে ৰাজ্যখনত চলি থকা বিদেশী বিতাৰণৰ আন্দোলনত তথাকথিত বিদেশী বুলি সন্দেহ কৰা এটা বিৰাট এলেকাৰ বাসস্থানৰ মাজত আৱদ্ধ লাওখোৱাৰ বনকৰ্মীসকলৰ সেই পৰিস্থিতিত নিজৰ প্ৰাণ বচোৱাটোৱেই ডাঙৰ সমস্যা আছিল। কিন্তু তেনে এটা পৰিস্থিতিত সমস্যাৰ সঠিক মোকাবিলা কৰাৰ বিপৰীতে তাত থকা সকলো আগ্নেয়াস্ত্ৰ আৰু গৃহৰক্ষী সমূহক অসামৰিক প্ৰশাসনে উঠাই অনাৰ ফলতে কেইদিনমানৰ ভিতৰতে সমস্ত গড় চিকাৰীয়ে বেপৰোৱা ভাবে নিঃশেষ কৰি দিলে। এনে মৰ্মান্তিক ঘটনা ১৯৮৯ চনত মানাহতো ঘটিল আৰু অনুভৱ হয় এনে ঘটনা যেতিয়াই তেতিয়াই যিকোনো গড় নিবাসতে ঘটাৰ পূৰা সম্ভাৱনা আছে। যি বছৰত মানাহক National Park আৰু World Heritage বুলি বিশ্বই খবৰ পালে সেই বছৰতে মানাহৰ চিতাগ্নি দপদপকৈ জ্বলি থাকিল। এই ঘটনাৰ বাবে বন বিভাগ, আন আন সংশ্লিষ্ট বিভাগ আমাৰ বুদ্ধিজীৱীসকল আৰু সমুদায় অসমীয়া জাতিয়ে সমভাবে দোষী।

এই কাৰণবিলাকৰ উপৰিও অসমৰ গড়ৰ অস্তিত্ব বিলোপৰ অইন কাৰণো আছে। ভৱিষ্যতৰ সুস্থিৰ প্ৰজন্মৰ বাবে কিমান সংখ্যক গড় এডোখৰ ঠাইত থকা উচিত (Minimum viable Population) Genetically viable population সেই ধৰণৰ উচ্চ আৰু সূক্ষ্ম বিচাৰৰ গৱেষণা বিশ্বৰ অইন ঠাই বা আমাৰ দেশৰে অইন বন্যপ্ৰাণীৰ ক্ষেত্ৰৰ লেখীয়া গড়ৰ ক্ষেত্ৰতো কৰা আৱশ্যক। কিন্তু বৰ্তমানে ওপৰত বৰ্ণোৱা বৃহত সমস্যা সমূহৰ তুলনাত এই সমস্যা কোঁচৰজন এৰি পেটৰজনৰ কথা ভবাৰ লেখীয়া যেন লাগে। সেয়ে সেইবোৰৰ বিচাৰ কৰাৰ পৰা সদ্যহতে বিৰত থাকি লো।

তথ্য–

1. Indian Forester
2. Unicornis
3. কাজিৰঙাৰ গড়
4. Eco. Worker

# ৰূপকথা সম্পৰ্কে যৎকিঞ্চিৎ

প্ৰসেনজিৎ চৌধুৰী

ৰূপকথাৰ উৎস আৰু স্বৰূপ সম্পৰ্কে আমাৰ শিক্ষিত সমাজ বৰ আগ্ৰহী নহয়। আমাৰ বহুতেই হয়তো ভাবে যে শিশুৰ আজগুবী গল্পৰ দৰে ৰূপকথাবোৰো উপেক্ষণীয়, গুৰুত্বহীন। অথচ যিসকলে লোক-সংস্কৃতি সম্পৰ্কে অনুসন্ধান আৰু গৱেষণা চলাইছে তেওঁলোকে ৰূপকথাৰ প্ৰকৃত গুৰুত্ব উপলব্ধি নকৰাকৈ থকা নাই। এই কথা আমি ন দি ক'ব পাৰো যে ৰূপকথাৰ বিচাৰ-বিশ্লেষণ অবিহনে আদিম মানুহৰ মানসিকতাৰ বিশেষ কেতবোৰ দিশ বুজাটো কোনোপধ্যেই সম্ভৱ নহয়। বিস্ময়, ভয়, কৌতূহল আদিয়ে আদিম মানুহৰ কল্পনাক কেনেকৈ প্ৰভাৱিত, নিয়ন্ত্ৰিত আৰু উদ্বুদ্ধ কৰিছিল তাৰ পূৰ্ণাংগ চিত্ৰ পোৱা যায় ৰূপকথাবোৰ ফঁহিয়াই চালেহে। তদুপৰি, সমাজ-ব্যৱস্থা, নীতি-নিয়ম, ধ্যান-ধাৰণা ইত্যাদিৰ বিষয়েও দেধাৰ সমল নিহিত হৈ থাকে এই ৰূপকথাবোৰত। ভালকৈ চালি-জাৰি লব পাৰিলে আপাত দৃষ্টিত গুৰুত্বহীন বা উপেক্ষণীয় যেন লগা বহুতো ৰূপকথাত সমাজ ইতিহাসৰ সমল পোৱা যায়।

ৰূপকথা কি ? জনৈক পণ্ডিতে থোৰতে এটি তাৎপৰ্যপূৰ্ণ সংজ্ঞা দিছে : 'The myth is a product of human imagination arising out of a definite situation and intended to do something.' (S. H. Hooke, **Middle Eastern Mythology**, p.11) সংজ্ঞাটোৰ পৰা বুজিবলৈ অসুবিধা নহয় যে আদিম মানুহে কোনো উদ্দেশ্য নোহোৱাকৈ ৰূপকথাবোৰ ৰচনা কৰা নাছিল। দৰাচলতে সমাজ-বিকাশৰ আদিম স্তৰত জীৱন-যুঁজত অহৰহ ব্যস্ত থকা মানুহে কেৱল সৃষ্টিৰ আনন্দ লাভ কৰিবলৈ বা অৱসৰ বিনোদনৰ বাবে ৰূপকথা ৰচনা কৰিছিল বুলি ধৰি লোৱাটো যুক্তিযুক্ত নহয়। কোৱা বাহুল্য যে কিছু লোকে আদিম মানুহৰ জীৱন-বাস্তৱৰ এই ৰূঢ় সত্যক অস্বীকাৰ কৰি ৰূপকথাৰ মাজত আৱিষ্কাৰ কৰে উদ্দেশ্য-বিযুক্ত কল্পনা-বিলাস। এই প্ৰকাৰ ব্যাখ্যা বৈজ্ঞানিক আৰু বিতৰ্কাতীত বুলি মনে নধৰে। কিয়নো, কল্পনা-বিলাসৰ বস্তুগত (material) ভিত্তি আদিম সমাজত নাছিল। সম্ভৱতঃ এইসকল ব্যাখ্যাকাৰে আধুনিক কালৰ উদ্দেশ্যহীন সাহিত্যৰ সমৰ্থন বিচাৰে স্মৰণাতীত অতীতত। সমজাতীয় উদ্দেশ্যৰ দ্বাৰা উদ্বুদ্ধ হৈ কিছু লেখকে আদিম যুগৰ গুহাচিত্ৰৰ বুকুতো আৱিষ্কাৰ কৰে সৌন্দৰ্য-সৃষ্টিৰ অপ্ৰতিৰোধ্য আদিম আকুতি।

সকলো ৰূপকথাৰ উদ্দেশ্য আৰু চৰিত্ৰ একে নহয়। উদ্দেশ্যৰ ফালৰ পৰা পণ্ডিতসকলে ৰূপকথাক বিভিন্ন বিভাগত ভাগ কৰিছে। যিবোৰ ৰূপকথাক ritual myth বোলা হয় সিবোৰ সচৰাচৰ কেতবোৰ অনুষ্ঠানৰ লগত জড়িত। অন্য এবিধ ৰূপকথাক aetiological myth বা উৎস-ব্যাখ্যামূলক ৰূপকথা বোলা হয়। এইপ্ৰকাৰ ৰূপকথাই বিশেষ একোটা সামাজিক নিয়ম, নাম, বস্তু বা ঘটনাৰ উৎস ব্যাখ্যা কৰিবলৈ যত্ন কৰে। প্ৰকৃতিৰ বৰ্ণাঢ্য আৰু বিস্ময়কৰ ৰেহ-ৰূপ বুজাৰ প্ৰয়াসো এই উৎস-ব্যাখ্যানমূলক ৰূপকথাবোৰত বিদ্যমান। যেনে, আকাশ আৰু পৃথিৱীৰ মাজত থকা বিৰাট ব্যৱধানৰ ৰহস্য ব্যাখ্যা কৰি ৰচিত বহুতো ৰূপকথা নানা সমাজত পোৱা যায়। চুদানৰ দিংকাসকলৰ মাজত প্ৰচলিত ৰূপকথা অনুযায়ী পৃথিৱীৰ প্ৰথম মহিলা গৰাকীয়ে ঈশ্বৰে দিয়াতকৈ বেছি শস্য আহৰণ কৰিবলৈ যত্ন কৰোতে ঈশ্বৰ আৰু আকাশক উৰাল-মাৰিৰে আঘাত কৰে। ইয়াৰ ফলত ঈশ্বৰৰ খঙ উঠে আৰু তেওঁ পৃথিৱীৰ পৰা আঁতৰি যায়। এনেকৈয়ে পৃথিৱী আৰু আকাশৰ মাজত বিৰাট ব্যৱধানৰ সৃষ্টি হয়। (G. Lienhardt, **Social Anthropology**, p. 139) একালত ঈশ্বৰ মানুহৰ পৃথিৱীখনতেই আছিল – এই কথাটোৱে আদিম অতীত সম্পৰ্কে এক তাৎপৰ্যপূৰ্ণ সমাজতাত্ত্বিক সত্যৰ আভাস দিয়ে। পৃথিৱীৰ পৰা ঈশ্বৰৰ স্বৰ্গাৰোহণৰ লগত শ্ৰেণী সমাজৰ বিকাশৰ সম্পৰ্ক আছে বুলি বস্তুনিষ্ঠ ব্যাখ্যাকাৰসকলে অনুমান কৰে। গোৰ্কিয়ে লিখিছিল : 'The more powerful and power loving the slave owner became, the higher the gods ascended to heaven.' (M. Gorky, **On Literature**, p. 231) ৰূপকথাৰ বৈচিত্ৰ্যময় পৃথিৱীখনত এইপ্ৰকাৰ সমাজতাত্ত্বিক সত্যৰ সপক্ষে বিচাৰিলে দেধাৰ দৃষ্টান্ত পোৱা যাব।

নকলেও হ'ব যে প্ৰাকৃতিক ঘটনাৱলী আৰু সমাজৰ বিভিন্ন নিয়ম আদিৰ উৎস সম্পৰ্কে আদিম মানুহ অজ্ঞ আছিল। এই অজ্ঞতা আছিল স্বাভাৱিক। কিয়নো সমাজ-বিকাশৰ আদিম স্তৰত জ্ঞান-বিজ্ঞান যে অনুন্নত অৱস্থাত আছিল সেই কথা সহজেই অনুমান কৰিব পাৰি। কিন্তু জ্ঞান-বিজ্ঞান অনুন্নত অৱস্থাত থাকিলেও আদিম মানুহৰ অনুসন্ধিৎসা আছিল তীব্ৰ, বহুমুখী আৰু বিচিত্ৰ। আমি জানো, বিৱৰ্তনৰ এটা পৰ্যায়ত মানুহ উন্নত মস্তিষ্কৰ অধিকাৰী হ'ল। চিন্তা-শক্তিৰ উন্মেষ ঘটাৰ লগে লগে নানা প্ৰশ্নই মানুহৰ মনত উগুল-থুগুল লগাবলৈ ধৰিলে, বাঢ়ি গ'ল মানুহৰ অনুসন্ধিৎসা। আদিম সমাজৰ অজ্ঞ অনুসন্ধিৎসু মনে সকলো কথাৰে কিবা নহয় কিবা এটা ব্যাখ্যা বিচাৰিব ধৰিলে আৰু সেই ব্যাখ্যা পালেহে বা সৃষ্টি কৰি ললেহে তেওঁলোকৰ মনত তীব্ৰ অনুসন্ধিৎসা যেন কিছু প্ৰশমিত হৈছিল। ক্ষেত্ৰবিশেষে এনে ব্যাখ্যাৰ সহায়ত তেওঁলোকে প্ৰকৃতিক নিয়ন্ত্ৰণ কৰিব বিচাৰিছিল। যেনে, বিশেষ একোটা প্ৰকৃতিক ঘটনাৰ নেপথ্যত আদিম মানুহে কেতিয়াবা একোটা শক্তিৰ সক্ৰিয়তা বিচাৰি পাইছিল আৰু সেই শক্তিটোক নিয়ন্ত্ৰণলৈ আনি বা তুষ্ট কৰি সেই বিশেষ প্ৰাকৃতিক ঘটনাটোক প্ৰভাৱাধীন কৰিব বিচাৰিছিল।

বিভিন্ন জনগোষ্ঠীৰ মাজত আদিম কালৰে পৰা চলি অহা বেছ চিত্তাকৰ্ষক কেতবোৰ aetiological myth বা উৎস-ব্যাখ্যানমূলক ৰূপকথা পোৱা যায়। এইবোৰে নিঃসন্দেহে আদিম মানুহৰ মনটোক বুজিবলৈ সহায় কৰে। কেতিয়াবা আকৌ এই ৰূপকথাবোৰত উদ্ভাসিত হোৱা দেখা যায় সমাজৰ অতিক্ৰান্ত স্তৰ এটাৰ ছবি। দৃষ্টান্ত হিচাপে আমি নক্তেসকলৰ মাজত প্ৰচলিত এটি ৰূপ কথাৰ উল্লেখ কৰিব পাৰো। পৃথিৱীৰ বুকুলৈ মানুহ কেনেকৈ আহিল সেই সম্পৰ্কে আদিম মানুহৰ অনুসন্ধিৎসা আছিল বিপুল আৰু বহুমুখী। আমি উল্লেখ কৰিব বিচৰা নক্তে ৰূপকথাটো এই আদিম অনুসন্ধিৎসাৰ এক সুন্দৰ নিদৰ্শন। নক্তে ৰূপকথাটো এইপ্ৰকাৰ : একে প্ৰথম অৱস্থাত পৃথিৱীত কেৱল নাৰী আছিল। বহুদিনৰ পাছত চাৰিজন পুৰুষ আহিল। এই পুৰুষ কেইজনক দেখাৰ লগে লগে নাৰীসকল কামাসক্তা হৈ পৰিল। পিছে, নাৰীৰ সংখ্যা সৰহ হোৱাৰ নিমিত্তে পুৰুষ কেইজন বৰ বেয়াকৈ ক্লান্ত হৈ পৰিল আৰু তাৰ ফলত তিনিজন পুৰুষৰ মৃত্যু হ'ল। যিজন পুৰুষ জীয়াই থাকিল তেওঁ সন্ত্ৰস্ত হৈ পলাল আৰু নাৰী সকলে তেওঁৰ পিছ ললে। পুৰুষজনে কলগছ কাটি বাটত পেলাই দিহে কোনোমতে নাৰী সকলৰ গতিৰোধ কৰিবলৈ সক্ষম হ'ল। কিন্তু তেওঁলোকৰ মাজৰ আটাইতকৈ দৃঢ়মনা গৰাকীয়ে অৱশেষত পুৰুষজনক নিজৰ আয়ত্তলৈ আনিবলৈ সক্ষম হ'ল। এওঁলোকৰ মিলনৰ ফলতেই মানৱ-প্ৰজাতিৰ জন্ম। (দ্ৰ. V. Elwin, **Myths of North-East Frontier of India**, p. 187).

এই কৌতূহলোদ্দীপক ৰূপকথাটোৰ লক্ষণীয় দিশ কেইবাটাও। ই কেৱল আদিম মনৰ সুতীব্ৰ অনুসন্ধিৎসাৰেই পৰিচায়ক নহয়, ইয়াৰ মাজত লুকাই আছে সুদূৰ অতীতৰ যৌন-নৈতিকতা তথা সমাজ-ব্যৱস্থাৰ অস্পষ্ট আভাস। এই ৰূপকথাটোত যি নাৰী-প্ৰাধান্য আৰু মুক্ত যৌন-আচৰণ দেখা যায় সি সম্ভৱ আদিম মাতৃতান্ত্ৰিক সমাজৰেই আওপকীয়া প্ৰভাৱ। প্ৰসংগত উল্লেখযোগ্য যে গ্ৰীক ৰূপকথাবোৰ ফঁহিয়াই চাই বস্তুনিষ্ঠ পণ্ডিতসকলে বেছ তাৎপৰ্যপূৰ্ণ সিদ্ধান্ত এটিত উপনীত হৈছে। সিদ্ধান্তটো হ'ল, প্ৰাক্-হেলেনিক যুগত কামাৰ্তা দেৱীয়ে অনিচ্ছুক দেৱতাক খেদি ফুৰিছিল আৰু পৰৱৰ্তীকালৰ পুৰুষ-প্ৰধান হেলেনিক যুগত দেৱতাই খেদি ফুৰিছিল অনিচ্ছুক দেৱীক। (দ্ৰঃ সুজিৎ চৌধুৰী, **প্ৰাচীন ভাৰতে মাতৃতন্ত্ৰ : কিংবদন্তীৰ পুনৰ বিচাৰ,** পৃঃ ৭১) নক্তে ৰূপকথাৰ নাৰীৰ যৌন-আচৰণৰ সতে প্ৰাক্-হেলেনিক মাতৃতান্ত্ৰিক যুগৰ গ্ৰীক দেৱীৰ সামঞ্জস্য লক্ষ্যণীয়।

প্ৰকৃতিৰ লগত আদিম মানুহৰ সম্পৰ্ক আছিল নিবিড় আৰু পোনপটীয়া। জীৱনৰ প্ৰয়োজনত, আত্মৰক্ষা আৰু আত্মসংৰক্ষণৰ তাগিদাত আদিম মানুহে প্ৰকৃতিৰ নিয়ম-কানুনবোৰ লক্ষ্য কৰিবলৈ বাধ্য হৈছিল। ইয়াৰ ফলত আদিম মনত গোট খাইছিল কিছু অভিজ্ঞতালব্ধ জ্ঞান। এই অভিজ্ঞতালব্ধ জ্ঞানৰ আভাস আমি কেতিয়াবা উৎস-ব্যাখ্যামূলক ৰূপকথাবোৰত দেখা পাওঁ। উদাহৰণ হিচাপে অগ্নিৰ জন্ম সম্পৰ্কীয় ৰূপকথা এটা উল্লেখ কৰা যায়। (Elwin, p.233) অৰুণাচলৰ ৱাঞ্চুসকলৰ মাজত প্ৰচলিত এই ৰূপকথাটো এইপ্ৰকাৰ : যেতিয়া জুই নাছিল তেতিয়া জন্তু-জানোৱাৰৰ দৰে মানুহে অৰণ্যত বাস কৰিছিল। এদিনাখন গছ-গছনি কাটি অৰণ্য পৰিষ্কাৰ কৰি থাকোতে এজন লোকে চৰাই এটালৈ শিলগুটি এটা মাৰি পঠিয়ালে। শিলগুটিটোৱে পাথৰত আঘাত কৰাত তাৰ পৰা ফিৰিঙতি ওলাল। মানুহজনে পুনৰ এটা শিলগুটি দলিয়ালে আৰু তাৰ পৰা ওলোৱা ফিৰিঙতিৰ পৰা কাষৰ জোপোহাত জুই লাগিল। এনেকৈয়ে মানুহৰ মাজলৈ জুই আহিল। এই ৱাঞ্চু ৰূপকথাটোক জানো আজগুবী কল্পনাৰ উদ্ভট সৃষ্টি বুলিব পাৰি ? দৰাচলতে ই আদিম মানুহৰ অভিজ্ঞতালব্ধ জ্ঞানৰ এক সুন্দৰ নিদৰ্শন। এইধৰণৰ চিত্তাকৰ্ষক নিদৰ্শন ঋকবেদতো পোৱা যায়। যেনে, ঋকবেদৰ এঠাইত কোৱা হৈছে যে ইন্দ্ৰই দুটি পাথৰৰ মাজত অগ্নিৰ জন্ম দিছিল। (দ্ৰ : দেবীপ্ৰসাদ চট্টোপাধ্যায়, ভাৰতীয় দৰ্শন, পৃঃ ১৬৭) কোৱা বাহুল্য যে পাথৰৰ ঘৰ্ষণৰ ফলত অগ্নিৰ জন্ম হয় – এই সত্য আদিম মানুহে উপলব্ধি কৰিব পাৰিছিল অভিজ্ঞতা আৰু পৰ্যবেক্ষণৰ ফলত। আৰু তাৰেই কল্পনাশ্ৰিত প্ৰকাশ আমি দেখা পাওঁ জনগোষ্ঠীৰ ৰূপকথাত, বৈদিক কবিৰ গাঁথাত।





# পৰাগৰেণুবিজ্ঞান আৰু ইয়াৰ আৱশ্যকতা

শিশিৰ কুমাৰ দত্ত
নকুল দত্ত

জীৱাশ্ম বিজ্ঞানৰ বিভিন্ন বিভাগৰ ভিতৰত সবাতোকৈ চালুকীয়া শাখাটো হৈছে পৰাগৰেণুবিজ্ঞান (Palynology)। পৰাগৰেণুবিজ্ঞান বিভাগটোক আকৌ দুটা ভাগত ভাগ কৰা হৈছে। এটা হ'ল–জীৱিত পৰাগৰেণু বিজ্ঞান অৰ্থাৎ পেলিন'ল'জি আৰু আনটো জীৱাশ্ম পৰাগৰেণুবিজ্ঞান অৰ্থাৎ পেলিঅ'পেলিন'ল'জি (Palacopalynology)। এই প্ৰবন্ধত পুৰাপৰাগৰেণুবিজ্ঞান অৰ্থাৎ পেলিঅ'পেলিন'ল'জিৰ বিষয়েহে চমুকৈ আলোচনা কৰিবলৈ লোৱা হৈছে।

১৯৪৪ চনত বিজ্ঞানী হাইড (Hyde) আৰু উইলিয়ামে (William) প্ৰথমে পৰাগৰেণুৰ অধ্যয়ন, সেইবিলাকৰ বিস্তাৰণ আৰু প্ৰায়োগিক দিশ সম্পৰ্কত অধ্যয়ন কৰা বিভাগটোক পেলিন'ল'জি হিচাপে নামাকৰণ কৰে। প্ৰায় সত্তৰৰ দশকলৈকে এই বিভাগটোৱে জীৱিত আৰু জীৱাশ্ম পৰাগৰেণু অধ্যয়নৰ দুয়োটা ভাগকে সামৰি লৈছিল। সত্তৰৰ দশকৰ আৰম্ভণীতে এই দুয়োটা ভাগতে কাম কৰা বিজ্ঞানীসকলৰ মাজত পেলিন'ল'জিৰ সংজ্ঞা লৈ কিছু মতভেদ হয়। পাছত সিদ্ধান্ত কৰা হয় যে যিটো বিভাগ জীৱিত পৰাগৰেণুৰ লগত জড়িত সেই বিভাগটো পেলিন'ল'জি (Palynology) আৰু আনটো শাখা যিটোৱে জীৱাশ্ম অৰ্থাৎ পুৰাপৰাগৰেণুৰ সৈতে সম্পৰ্ক ৰাখে সেইটোক পেলিঅ'পেলিন'ল'জি (Palacopalynology) হিচাপে আখ্যা দিয়া হয়। এতিয়াও অৱশ্যে সৰহসংখ্যক বিজ্ঞানীয়ে দুয়োটা ভাগৰ বাবে পেলিন'লজি নামটোকে ব্যৱহাৰ কৰা দেখা যায়।

আৰম্ভণিতে যদিও পুৰাপৰাগৰেণুবিজ্ঞানত কেৱল অপুষ্পক আৰু সপুষ্পক–এই দুবিধ উদ্ভিদৰ পৰাগৰেণুহে অন্তৰ্ভুক্ত কৰা হৈছিল; বৰ্তমানে ইয়াৰ উপৰিও জীৱাশ্ম হিচাপে সংৰক্ষিত বিভিন্ন ক্ষুদ্ৰ ক্ষুদ্ৰ উদ্ভিদ আৰু প্ৰাণী কিম্বা স্থূল (Mega) জীৱ আৰু উদ্ভিদৰ অংশ বিশেষৰ অধ্যয়নকো এই বিজ্ঞানত সাঙুৰি লোৱা হৈছে। এই বিলাক হৈছে–Dinoflage llates (সমুদ্ৰ আৰু উপকূল অঞ্চলত থকা এবিধ শেলুৱৈ), Nannofossil, Microforaminifera (সমুদ্ৰ আৰু উপকূল অঞ্চলত থকা এবিধ ক্ষুদ্ৰ প্ৰাণী, Dicoasterids, Acritarchs, Nannoconus, Calcareous algae, Silicoflagellates, ইত্যাদি। উল্লেখ যোগ্য যে ১৮৮৫ চনত প্ৰথম পৰাগ (Spore - ঢেঁকীয়াৰ) চিনাক্ত কৰিছিল উইথামে (Witham)।

ভাৰতবৰ্ষত পুৰাউদ্ভিদ বিজ্ঞানৰ (Palacobotany) জনকস্বৰূপ প্ৰয়াত বীৰবল সাহনীয়ে প্ৰথমে এই বিজ্ঞানৰ পাতনি মেলে। বিদেশৰ Raistric, R.Potonic, Erdtman, A.Traverse, Edna Plumsted, Kupria Nova আদি বিজ্ঞানীৰ এই বিভাগলৈ যোগোৱা বৰঙণি উল্লেখযোগ্য। আমাৰ দেশৰ আগশাৰীৰ পেলিন'ল'জিষ্ট সকল হৈছে–বীৰবল সাহনী, দীনেশ ভৰদ্বাজ, বিষ্ণু মেট্ৰে, মহেন্দ্ৰ নাথ ব'স ইত্যাদি।

১৯৪৬ চনৰ আগলৈকে পুৰাপৰাগৰেণুবিজ্ঞানৰ অগ্ৰগতি লেহেমীয়া আছিল। পিছে সেই বছৰত অ'কলা হামা বিশ্ববিদ্যালয়ৰ অধ্যাপক ডঃ এল, আৰ, উইলচনে প্ৰায় ২৪ কিঃ মিঃ অন্তৰত থকা টেক্সাচৰ দুটা তেলখাদৰ পৰা উদ্ধাৰ কৰা পৰাগৰেণুৰ জীৱাশ্ম অধ্যয়ন কৰি পোৱা তথ্য পাতিৰ ভিত্তিত শিলাস্তৰ সমূহৰ মাজত সহসম্বন্ধ (Correlation) স্থাপন কৰাটো যে সম্ভৱ সেইটো প্ৰমাণ কৰি দেখুৱাইছিল।

কয়লা আৰু খাৰুৱা তেল আৱিষ্কাৰ আৰু উম্ঘাটনৰ লগে লগে এই বিজ্ঞানৰ আৱশ্যকতাও দিনকদিনে বাঢ়ি আহিল। মাৰ্কিন যুক্তৰাষ্ট্ৰ, ছোভিয়েত ৰুছিয়া, জাৰ্মানী আদি দেশ সমূহত এই অধ্যয়নে যথেষ্ট প্ৰসাৰতা লাভ কৰিছে। কেৱল ছোভিয়েত ৰুছিয়াত পূৰ্বৰ ১৯৫৫ চনতে ডেৰশতকৈও অধিক গৱেষণাগাৰ আৰু তাত প্ৰায় এহেজাৰ গৱেষকে কাম কৰিছিল বুলি জানিব পৰা যায়।

জীৱাশ্ম পৰাগৰেণু অধ্যয়নৰ ভিত্তিত ভূতত্ত্ববিদ সকলে যে বহুতো নিৰ্ভৰযোগ্য

তথ্যপাতি সংগ্ৰহ কৰিবলৈ সমৰ্থ হয় সেইটো অনস্বীকাৰ্য। সেইবোৰৰ কেইটামান মূলকথা চমুকৈ আলোচনা কৰা হ'ল ঃ-

(১) প্ৰত্যেক জোপা উদ্ভিদেই বহু সংখ্যক পৰাগ বা ৰেণু উৎপাদন কম বেছি পৰিমাণে কৰিবলৈ সক্ষম হয়। পৰিবহণ আৰু জমাকৰণ প্ৰক্ৰিয়াত যদিও ইয়াৰে কিছু সংখ্যক নষ্ট হোৱাৰ আশঙ্কা থাকে তথাপিও বহু সংখ্যক পৰাগৰেণু গেদীয় শিলাস্তৰত সংৰক্ষিত হয়।

(২) এই পৰাগৰেণু বিলাক অতি ক্ষুদ্ৰ আকৃতিৰ। একোটাৰ আকৃতিৰ প্ৰায় দহৰ পৰা দুশ মাইক্ৰন (Micron)। গতিকে অন্যান্য স্থূল আকাৰৰ জীৱজন্তুৰ তুলনাত এইবোৰ অতি কম পৰিমাণেহে নষ্ট হোৱা দেখা যায়।

(৩) এই ক্ষুদ্ৰ ক্ষুদ্ৰ জীৱাশ্মবোৰ স্পৰ'নিন (Sporonin) পদাৰ্থযুক্ত এবিধ চামনিৰে আবৃত হৈ থাকে। পৰাগৰেণু সংৰক্ষণত ই যথেষ্ট সহায় কৰে। অৱশ্যে খাৰুৱা পৰিবেশত এই জীৱাশ্মবোৰ কিছু অসুবিধাৰো সমুখীন হয়।

(৪) এই বিলাকৰ গঠন আৰু আবৰণৰ পৰা জীৱাশ্ম সমূহ কেনে ধৰণৰ উদ্ভিদৰ পৰ. উৎপাদন হৈছিল সেইটো চিনাক্তকৰণত বহুতো সুবিধা হয়। তদুপৰি সেই জাতীয় উদ্ভিদ বৰ্তমানো আছে নেকি তাৰো সন্ধেদ পাব পাৰি। সেইটো নিৰ্ণয় কৰিব পাৰিলে অঞ্চল একোটাৰ প্ৰত্নভূগোল (Palacogeography) আৰু প্ৰত্ন জলবায়ুৰ (Palacoclimate) বিষয়ে জানিব পাৰি।

(৫) পৰীক্ষা কৰি দেখা গৈছে যে কোনো কোনো ক্ষেত্ৰত এক গ্ৰাম গেদীয় শিলাত ৫০০০ পৰ্যন্ত পৰাগৰেণু পোৱা যায়। গতিকে সৰহ সংখ্যকৰ উপস্থিতিয়ে গেদীয় শিলাস্তৰ সমূহক সূক্ষ্ম বিভাজন (Zonation) কৰাৰ ক্ষেত্ৰত যথেষ্ট সহায় কৰে; যিটো সহসম্বন্ধ স্থাপন কৰাত অতীব প্ৰয়োজন।

(৬) ক্ষুদ্ৰ আৰু পাতল হোৱা বাবে এই পৰাগৰেণুবোৰৰ বাবে বতাহেই হৈছে উত্তম বিস্তাৰিত মাধ্যম। গতিকে কোনো দ ঠাইতহে যে সেইবোৰ জমা হ'ব তেনে কোনো কথা নাই। সেইবাবেই এই জীৱাশ্মসমূহ প্ৰায় সকলে বিলাক গেদীয় শিলাস্তৰতেই পোৱা যায়।

(৭) ভিন' ভিন সময়ত গঠিত গেদীয় প্ৰস্তৰ সমূহৰ অধিক সংখ্যকতে জীৱাশ্ম পৰাগৰেণু পোৱা গৈছে। যিটো অন্যান্য জীৱাশ্মৰ ক্ষেত্ৰত ব্যতিক্ৰম। গতিকে বিভিন্ন সময়ৰ প্ৰস্তৰ সমূহত সংৰক্ষিত পৰাগৰেণু আৰু অন্যান্য ক্ষুদ্ৰ জীৱাশ্ম সমূহে অতীত জলবায়ু, ভৌগোলিক বিৱৰণ আৰু কেনে পৰিস্থিতিত সেই প্ৰস্তৰ সমূহ জমা হৈছিল সেই বিষয়ে সন্ধান দিয়ে। আনহাতে প্ৰস্তৰ সমূহত যদি উল্লিখিত ভিন্ ভিন্ উদ্ভিদ আৰু জীৱৰ কোনোবা এবিধ নাথাকে তেন্তে সাধাৰণতে আন এবিধ থাকে। উদাহৰণ স্বৰূপে চূণশিলত ফ'ৰামিনিফেৰা, এল্গি আদি থাকে। কিন্তু পৰাগৰেণু কাছিৎহে পোৱা যায়। কিয়নো চূণশিল সামুদ্ৰিক পৰিবেশত গঠন হয়। ঠিক সেইদৰে যিবিলাক শিলাস্তৰ মহাদেশীয় পৰিবেশত নিক্ষেপণ হয় সেই প্ৰস্তৰ সমূহত পৰাগৰেণু পোৱাৰ যথেষ্ট সম্ভাৱনা থাকে। কিন্তু সামুদ্ৰিক জীৱ অথবা এল্গি নাথাকে। গেদীয় প্ৰস্তৰসমূহ অধ্যয়নৰ পাছত এই কথা গম পোৱা গৈছে যে কাছিৎহে এই শিলাস্তৰ সমূহত জীৱাশ্ম পোৱা নাযায়।

(৮) সৰহসংখ্যক গেদীয় প্ৰস্তৰৰে নিজ নিজ সময়ৰ সূচক জীৱাশ্ম (Index fossil) আছে। ভূমণ্ডলৰ ভিন্ ভিন্ সময়ত নিক্ষেপ হোৱা প্ৰস্তৰ সমূহত অধ্যয়ন চলাই প্ৰায়বিলাক শিলাস্তৰৰ সূচক জীৱাশ্মৰ বয়স নিৰ্ণয় কৰা হৈছে। এই সূচক জীৱাশ্ম সমূহে শিলাস্তৰ সমূহৰ বয়স নিৰ্ণয় আৰু ভিন্ ভিন্ স্থানৰ সমসাময়িক শিলাস্তৰৰ সহ সম্বন্ধ (correlation) স্থাপন কৰাত সহায় কৰে। যিহেতু পৰাগ-ৰেণু আৰু অন্যান্য ক্ষুদ্ৰ ক্ষুদ্ৰ উদ্ভিদ আৰু প্ৰাণীসমূহ প্ৰায় ভাগ গেদীয় শিলাস্তৰত পোৱা যায়। সেইবাবে ভূতাত্বিক এই বিজ্ঞানৰ প্ৰয়োজন অপৰিহাৰ্য।

কয়লা উন্মাটনৰ ক্ষেত্ৰত এই বিজ্ঞানৰ আৱশ্যকতা ক্ৰমে বাঢ়ি আহিছে। কিয়নো আগেয়ে ভিন্ ভিন সময় আৰু অঞ্চলত পোৱা কয়লা সমূহৰ বয়স নিৰ্ণয় আৰু সহ সম্বন্ধ স্থাপন কৰা হৈছিল গছপাতৰ জীৱাশ্ম, সাঁচ ইত্যাদিৰ ওপৰত ভিত্তি কৰি। কিন্তু এই জীৱাশ্ম সমূহ সকলো কয়লা অথবা স্থানত পোৱা নাযায়। আনহাতে পৰাগৰেণুৰ জীৱাশ্ম প্ৰায় সৰহভাগ প্ৰস্তৰতে থকা দেখা যায়। গতিকে কয়লা ক্ষেত্ৰ অধ্যয়ন আৰু তাৰ বয়স নিৰ্ণয়ত এই বিজ্ঞানে অতুলনীয় বৰঙণি যোগাবলৈ সক্ষম হৈছে।

পুৰাপৰাগৰেণুৰ ভিত্তিত আমাৰ দেশৰ নিম্ন গন্দোৱানাৰ (Lower Gondwana) ঝাৰিয়া, ৰাণীগঞ্জ, চিঙ্গৰ'লী আৰু উত্তৰ পূৰ্বাঞ্চলৰ টাৰচিয়াৰী কয়লা সমূহৰ সহসম্বন্ধ স্থাপন কৰাত পুৰাপৰাগৰেণু বিজ্ঞানে যথেষ্ট অৰিহণা যোগাইছে।

খাৰুৱা তেল উন্মাটনত পুৰাপৰাগৰেণুৰ ভুমিকা উল্লেখযোগ্য। পৃথিৱীৰ সৰহসংখ্যক তেল কোম্পানীৰে এই বিজ্ঞান অধ্যয়নৰ বাবে নিজা গৱেষণাগাৰ আছে। বিশেষকৈ মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু ছোভিয়েত ৰুছিয়াত (পূৰ্বৰ অবিভক্ত) ইয়াৰ অধ্যয়ন ব্যাপকভাবে হয়। আমাৰ দেশতো তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ নিজস্ব কেইবাটাও গৱেষণাগাৰ আছে। আনহাতে অইল ইণ্ডিয়া লিমিটেডৰ আগেয়ে ক্ষুদ্ৰ ক্ষুদ্ৰ জীৱাশ্ম অৰ্থাৎ ফ'ৰামিনিফেৰা অধ্যয়নৰ ব্যৱস্থা আছিল। বৰ্তমান তেওঁলোকৰ এই বিষয়ৰ অধ্যয়ন আৰু ভিন্ ভিন স্তৰত পোৱা পৰাগৰেণু সমূহ লক্ষ্ণৌৰ বীৰবল সাহ্নী ইন্সটিটিউটলৈ অধ্যয়ন আৰু গৱেষণাৰ বাবে পঠায়।

কোনো এটা অঞ্চলত খাৰুৱা তেল অনুসন্ধান কাৰ্য চলাওঁতে প্ৰধানকৈ গুৰুত্ব দিব লগীয়া হয় অঞ্চলটোৰ গেদীয় শিলাস্তৰ সমূহৰ বয়সৰ কথাটোত। কিয়নো সকলো সময়ৰ প্ৰস্তৰতে খাৰুৱা তেল নাথাকে। গতিকে সেই প্ৰস্তৰসমূহৰ বয়স নিৰ্ণয় কৰাটো অতি আৱশ্যক, যিটো পুৰাপৰাগৰেণু অধ্যয়নৰ দ্বাৰা কৰিব পাৰি। বয়স নিৰ্ণয় কৰাৰ লগে লগে প্ৰস্তৰ সমূহৰ সহ সম্বন্ধ স্থাপন কৰাটো সহজ হৈ পৰে।

তৈলক্ষেত্ৰ সমূহত কৰা ভিন্ ভিন্ অধ্যয়নৰ পৰা দেখা গৈছে যে অতীতত সাগৰৰ উপকূল অঞ্চলৰ (ancient shoreline) মহাসাগৰীয় অংশৰ ফালে পৃথিৱীৰ সৰহ সংখ্যক খাৰুৱাতেলৰ ভাণ্ডাৰ সমূহ পোৱা গৈছে। গতিকে এই উপকূল সমূহ চিনাক্ত কৰাটো নতুন তৈলক্ষেত্ৰ আৱিষ্কাৰৰ মূল বিষয় হৈ পৰে। পুৰাপৰাগৰেণু বিজ্ঞানে এই অঞ্চলসমূহ নিৰ্ণয় কৰাত যথেষ্ট সহায় কৰে। মহাদেশীয় ভূখণ্ডৰ পৰা যিমানেই সাগৰৰ ফালে যোৱা যায় সিমানেই জীৱাশ্ম পৰাগৰেণু সমূহ ক্ৰমান্বয়ে কমি যায়। পৰাগৰেণুৰ সংখ্যাৰ ভিত্তিত এখন মানচিত্ৰ অঁকা হয়। সেই মানচিত্ৰই কোনদিশত উপকূলীয়, মহাদেশীয় আৰু সাগৰীয় অঞ্চলসমূহ আছিল সেইটো নিৰ্দ্ধাৰণ কৰাত সহায় কৰে আৰু এনে এখন মানচিত্ৰৰ পৰাই সম্ভাব্য তৈল ক্ষেত্ৰ এখনৰ স্থিতি সম্পৰ্কে ধাৰণা কৰিব পাৰি। তৈলক্ষেত্ৰ প্ৰস্তৰ সমূহৰ যিভাগ প্ৰস্তৰত আটাইতকৈ অধিক বয়সৰ পৰাগৰেণু পোৱা যায় সেই প্ৰস্তৰ ভাগেই সেই তৈলক্ষেত্ৰ খনৰ বাবে উৎস শিলাস্তৰ অৰ্থাৎ Source Rock বুলি ধৰা হয়।

ভাৰতবৰ্ষৰ অন্যান্য অঞ্চলৰ লগতে উত্তৰ পূৱাঞ্চলতো এই বিষয়ত যথেষ্ট অধ্যয়ন হৈছে। এই অঞ্চলটো টাৰচিয়াৰী যুগৰ, অৰ্থাৎ প্ৰায় সাতৰ পৰা পয়ষষ্ঠি নিযুত বছৰ বয়সৰ প্ৰস্তৰ সমূহত খাৰুৱা তেল আৰু কয়লা পোৱা গৈছে। ১৯৪৭ চনত বাৰ্মা তেল কোম্পানীয়ে অধ্যাপক বীৰবল সাহ্নীৰ তত্ত্বাৱধানত পুৰাপৰাগৰেণু অধ্যয়নৰ বাবে এটি প্ৰকল্প স্থাপন কৰিছিল। উজনি অসমৰ বৰাইল সংঘৰ পৰা ঢেকীয়াজুলি প্ৰস্তৰসমূহলৈকে মুঠ ২৬ টা নমুনা অধ্যয়ন কৰি অধ্যাপক সাহনীয়ে জনাইছিল যে পুৰাপৰাগৰেণু অধ্যয়নৰ ভিত্তিত এই অঞ্চলটোৰ ভিন্ ভিন প্ৰস্তৰসমূহৰ সুন্দৰকৈ সহঃসম্বন্ধ স্থাপন কৰিব পৰা যায়।

এইখিনিতে উল্লেখ কৰিব পাৰি যে অৰুণাচল প্ৰদেশৰ নিম্ন গন্দোৱানা আৰু টাৰচিয়াৰী যুগৰ প্ৰস্তৰ সমূহৰ পুৰাপৰাগৰেণু আৰু ডাইনোফ্লেজিলেট প্ৰথমে যুটীয়াভাবে অধ্যয়ন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰায়োগিক ভূতত্ত্ব বিভাগ আৰু লক্ষ্ণৌৰ বীৰবল সাহনী ইন্‌ষ্টিটিউটে। আনহাতে মেঘালয়ৰ টাৰচিয়াৰী প্ৰস্তৰসমূহৰ পৰা প্ৰথম ডাইনোফ্লেজিলেট্ ৰিপ'ৰ্ট কৰে এই প্ৰতিষ্ঠান দুটিৰ গৱেষক সকলে।



# কালচক্ৰ ঃ সন্ধিক্ষণ

ডাঃ আনন্দেশ্বৰ বৰঠাকুৰ


অংকন ঃ চম্পক বৰবৰা

গুদামত দিনটো ৰঘুনাথে বস্তা জুখি পইছা লৈ পাইকাৰীক চাউল বিক্ৰী কৰে আৰু গাঁৱৰ ধান কলৰ পৰা অহা চাউল হিচাপ কৰি ভাগে ভাগে খামাল পাতি ৰাখে। কাকজান, মেলেঙ আদি পিনৰ পৰা গৰু গাড়ীত চাউল আহে। কেতিয়াবা তেওঁলোকে চাউলৰ বাবত পইছা নিনিলে, সেই পইছা তেওঁলোকৰ নামে-নামে জমা হয়। সন্ধিয়া হোৱাৰ আগে আগে গুদামত তলা মাৰি ৰঘুনাথে হাঁহিৰামলৈ ৰয়। সি আজিকালি গাড়ীখন লৈ নিশা চকিদাৰ হিচাপে গুদামৰ বাহিৰৰ ঘৰটোত থাকে। ৰাতিপুৱা ৰঘুনাথ আহিলে আগদিনাই ঠিক কৰি থোৱাৰ দৰে গাড়ীত চাউল তুলি যোৰহাট চহৰৰ ভিতৰে বাহিৰে থকা খুচুৰা দোকানবোৰত চাউল দিবলৈ যায়। কেইমাহমানৰ পিছত ৰঘুনাথৰ কামত নিচা বহিল। হিচাপ কৰি চাই সি দেখিলে দিনে তাৰ টকাটো আধুলিটো উপাৰ্জন হয়। কেতিয়াবা দুটকামানলৈকো পায়। দোকানৰ হিচাপৰ পৰা পইছা কেইটা উলিয়াই লৈ কিবাকিবি বস্তু সি কিনে। ফাউন্টেইন পেন এটাও আঠ অনা পইছা দি কিনি লয়। এবাৰ চিয়াঁহি ভৰালে ভালেমান দিনলৈকে লিখি থাকিব পাৰে। কলমটো লোৱাৰ পিছৰ পৰা হিচাপ লিখিবলৈ উজু হ'ল। ঠাকুৰীয়াৰ ঘৰৰ পৰা অহা এৰি সূতাৰ চেলেঙ এখন সি কিনি লয় দেউতাকৰ বাবে। মাকৰ বাবে, ভনীয়েকহঁতৰ বাবে, বৌয়েকহঁতৰ বাবেও দুবটলমান গোন্ধ তেল লয়। গাঁৱৰ ধানৰ কললৈ উভতি যাওঁতে হাঁহিৰামৰ হাতত ঘৰলৈ বুলি সি সেইবোৰ দি পঠিয়ায়। সেউতীকো এবাৰ দুটামান তেলৰ বটল আনি দিছিল। দিয়াৰ আনন্দই মানুহক উন্মাদনা দিয়ে। সেই উন্মাদনাই জগাই ডাঙৰ হবলৈ, আগ বাঢ়িবলৈ হেঁপাহ। সি গাঁৱৰ পৰা তাৰ লগৰ ল'ৰা এটা আনি কাম শিকাবলৈ লয়। চন্দ্ৰকান্তক সৰুৰে পৰাই শ্ৰীমন্তই দেখিছিল। ল'ৰাটো কামত লাগিলে ভালেই হয়। ৰঘুনাথক গুদামৰ পৰা উলিয়াব পাৰিলে বাকীৰ তাগাদাত অ'লৈ ত'লৈ পঠিয়াব পাৰিব। শইকীয়াই আজিকালি শ্ৰীমন্তক কিবা কাম কৰি দিলেও তাৰ কাৰবাৰত হাত দিবলৈ নেযায়। কাৰবাৰটো ডাঙৰ হোৱাৰ লগে লগে বৰ জটিল হৈ অহা যেন লগা হ'ল তেওঁৰ। শহুৰেকক কয়, "পিতাই আৰু ৰ'ব নোৱাৰি, কঙ্কাইদেউৰ কাৰণে ছোৱালী এজনী চাব লাগে।"

গম্ভীৰ কাকতি বুজন মানুহ, "কাৰবাৰটো অলপ চিজিল হবলৈ দিয়া। সি এতিয়া কাৰবাৰৰ নিচাত মতলীয়া হৈছে; যাওকচোন আৰু কিছুদিন।"

বিয়াৰ বতৰা জনাই বান্ধৰ পৰা চিঠি আহিল। শাহুৱেকক আনি শইকীয়াই বাপক আৰু সুৰক গটাই দি সেউতীক লগত লৈ অৱে-ভেটিয়ে

মৰিয়নিত গাড়ীত উঠিল। বান্ধৱ ঘৰ পোৱাত মাকে চাবি-কাঠি গোটেইবোৰ সেউতীৰ হাতত দি বিয়াখন চলাবলৈ ক'লে। নামনিৰ ফালে উজনিৰ দৰে জোৰোণ দিবলৈ মানুহ নাযায়। আনাকাটা শাৰীৰে সৈতে তেলৰ ভাৰহে দিয়ে। সেইদিনাৰ পৰাই ঘৰত উলাহ মালহ আৰম্ভ হ'ল। কইনাৰ ঘৰলৈ দহমাইলমান বাট। শইকীয়াই দৰা নিবৰ কাৰণে হাতীৰ বন্দৱস্ত কৰিলে। ঢোল-ডগৰৰো ব্যৱস্থা হ'ল, গৰু গাড়ীৰ লাইন লাগিল। কইনা ঘৰৰ মানুহে শইকীয়াৰ কথা আগৰ পৰা শুনি আছিল যদিও দুয়ো বন্ধুক একেলগে পাই বৰ আনন্দ পালে। শইকীয়া বৰধৰা হৈ যাবলগীয়া হ'ল। ন-ছোৱালীক ঘৰত সুমুৱাই সেউতীয়ে পষেকমান থাকি তাইক কাম-কাজ শিকালে। আটাইতকৈ ডাঙৰ কথা শিকালে গৃহস্থৰ মন যোগাবলৈ, শাহুৱেকক সেৱা শুশ্ৰূষা কৰা কথা কওঁতে সেউতীৰ মাত থোকাথুকি হৈছিল; "মোৰ ভাইগত নহ'ল শাহুআই পোৱা। এই গৰাকী আইৰ তুমি সদায় চৰণ ধুই দিবা। তোমাৰ পুইন হ'ব। কোনো কথাত তেখেতে যাতে কষ্ট নাপায় সেই কথাও চাবা।" ন-ছোৱালীৰ নাম পাৰ্বতী। হাঁহি হাঁহি সেউতীয়ে কৈছিল, "তুমি পাৰ্বতী আৰু সেইজন তোমাৰ মহাদেৱ।"

কথা-বতৰাৰ বিভিন্নতা সত্ত্বেও ইজনীয়ে সিজনীৰ কথাবোৰ ভালকৈ বুজি পাইছিল। মৰমৰ আকৰ্ষণে দুয়োকে ভালকৈ বান্ধিলে। সেউতী যাবলৈ ওলোৱাৰ কথা শুনি কান্দি কান্দি পাৰ্বতীয়ে কলেহি, "তুমি আৰু কিছুদিন থাইকবা নবানা ?"

সেউতীয়ে বুজাই ক'লে, মাকৰ হাতত বাপক এৰি থৈ আহিছে। তালৈ বাৰে বাৰে মনত পৰি আছে। শইকীয়াও আৰু থাকিব নোৱৰা হ'ল। পষেকমানৰ পিছত দুয়ো যাবলৈ ওলাল। ঠাকুৰীয়াৰ মাকৰ চৰণ চুই সেউতী আৰু শইকীয়াই সেৱা কৰিছিল। দুয়োকে বুকুত সুমুৱাই লৈ বুঢ়ীয়ে পাৰেমানে কান্দিলে। সেউতীৰ মূৰত হাত ফুৰাই ক'লে, "ৰাজলক্ষ্মী হ বাছা তই।" শইকীয়াক ক'লে, "মায়েটো নমৰাক গেলি তই আহি থাইকবি বাছা। তোক বেছিদিন নেদেখলি মোৰ বুকুখান পুইৰৱা ধইৰবো। বাপুটো ডাঙৰ হ'লি তাক খেদে দিবি। এতে থাকি সি পইঢ়ৱা পাইৰবো। মোৰ সোণা মোৰ বুকুত থাইকলি মই আৰু ভাৰন্তত আকো নিবিছ্ৰো।"

মধুৱে ক'লে, "মই ব্যৱস্থা কৰি আপোনাক এবাৰ মোৰ ঘৰখন দেখুৱাই আনিমগৈ। আপুনি সদায় বান্ধৱ ঘৰতে থাকিবনে ? আপোনাৰ আৰু এটা পো আছে নহয় ? তাৰ ঘৰতো থাকিব লাগিব।"

কথাখিনি শুনি সোলা দাঁত কেইটা উলিয়াই বুঢ়ীয়ে হাঁহিলে। চকুৰ পানীও তেতিয়া সৰসৰকৈ বৈয়ে আছিল, মধুৰ গালত টিপি ক'লে, "আই ঐ মোৰ বাছাধন, তই ভালে থাক। ভগৱন্তপুৰুষে তোক আৰু ডাঙাৰ কৰোক। যাম বাছা। কিয়া নাযাম তোৰ ঘৰক। আপিটোক অলপ বুজ দিবা পাইৰ্লি মোৰতো আৰু কাম নাই! পিছে মোক কেইদিনাক লগি তেওঁৰ অছৰ্ক নেই তাকেহে নাজ্নু।"

সিপিনে পাৰ্বতীয়ে চকুৰ পানীৰে বাট নেদেখা হ'ল। পদূলি মুখত একাঠু ওৰণিৰ মাজেৰে শইকীয়াহঁত যোৱা গৰু গাড়ীখন তিনিআলিৰ মূৰত উত্তৰ মুৱা হোৱালৈকে চাই থাকি তাৰ পিছত দীঘলকৈ হুমুনিয়াহ এটা কাঢ়ি শাহুৱেকৰ ওচৰ চাপি কান্দিবলৈ ধৰিলে। সৰু দেওৰটোৱে আহি বৌয়েকক মাত দিলে, "বৌ, ভোক লাইগছি, খাবা দি।" পাৰ্বতীয়ে সম্বিত ফিৰাই পালে।

এই ঘৰখনৰ দায়িত্ব এতিয়াৰ পৰা সম্পূৰ্ণৰূপে তাইৰ। সিদিন বংশীবাদনৰ ওচৰত গধূলি চাকি জ্বলাই পাৰ্বতীয়ে মনে-মনে খাটিলে গোঁসায়ে শইকীয়াহঁতক যেন নিৰাপদে ঘৰ পোৱায়। চকুৰ পানীৰে কাকূতি জনাই দুইখন ঘৰৰ কল্যাণ কামনা কৰিলে।

শইকীয়াই চাইকেল চলাই দোকানলৈ আহি থাকোতে বাটত খেলি-মেলিকৈ কথাবোৰ ভাবিবলৈ ধৰিলে। শ্ৰীমন্তৰ নামত থোৱা বাৰীখনত সজা ঘৰটো সম্পূৰ্ণ হ'লে দুয়োখন ঘৰৰ মাজতে এটা ভালকৈ গোসাঁই ঘৰ সাজিব লাগিব। সকাম-নিকাম এইবোৰ কামত লগাৰ বাহিৰেও কণহঁত ডাঙৰ হলে ঘৰত গোসাঁইঘৰ এটা থাকিলে গুৰু-গোসাঁইলৈ ভকতি হ'ব। নহলে কোন কেতিয়া অবাটে গুচি যায় কোনেও নাজানে। ৰঘুনাথে আজিকালি কাৰবাৰটোত মন পুতি লাগিছে। শইকীয়াই মনে মনে ভাবে ডাঙৰ শহুৰেকৰ চিন্তা এটা আঁতৰিল। কিন্তু শ্ৰীমন্তক তেওঁ দুই -এদিনতে ক'ব। আৰু কিছুদিন মনোযোগেৰে কাম কৰিলে ৰঘুনাথৰ কাৰবাৰটো বেলেগ কৰি দিবলৈ। ভৱিষ্যতৰ কথা কোনেও ক'ব নোৱাৰে, মনত কেতিয়া কাৰ কেনেকৈ কেৰোণ সোমায়।

ক'লামন এতিয়া বহুত ডাঙৰ হ'ল। দোকানত কাম কৰিবলৈ আৰু দুটা ল'ৰা তাহাতঁৰ গাওঁৰ পৰা আনি দিলেহি। শ্ৰীমন্তই তাক চাউলৰ গুদামত চকিদাৰ হিচাপে কামত মকৰল কৰিলে। ল'ৰাটো বিশ্বাসী। শ্ৰীমন্তৰ পৰা ছকুৰি টকা আগধন নি ঘৰত মাটি এপূৰা, দেউতাকক কিনি দি থৈ আহিল। দৰমহাত সেইবোৰ পইছা কটা যায়। প্ৰথমতে ভাবিছিল শ্ৰীমন্তই মানুহক দিয়া-থোৱাত হাত টান কৰিব নোৱাৰে বুলি। এবাৰ ব্যৱসায়ৰ কথা পাতোতে শইকীয়াই শ্ৰীমন্তক কলে, "ককাইদেউ, মানুহবোৰে পইছা খুজিলে এনেকৈ দি দিলে 'আমো হেৰাব, ফৰ্মুঠিও হেৰাব'।"

শ্ৰীমন্তই কথাষাৰ শুনি হাঁহি হাঁহি উত্তৰ দিলে, "তুমি ক'লামনক টকা ছকুৰি হাওলাতে দিয়া কথালৈ কেলেই চিন্তা কৰিছা ? দোকানখনত ইমানবোৰ বস্তু তাৰ হ তত। ইমানবোৰ চাউলপাত, এইবোৰৰ চাবি-কাঠি তাৰ লগতে 'কে। এইবোৰ লিৰিকি-বিদাৰি থাকোতে তাৰ হাতলৰ হয় নে নহয় সেই কথা হাতে-লোতৰে ধৰা পেলোৱা সহজ নহয়। কিন্তু এই টকা ছকুৰিৰ লোভ এৰি সি যদি আদায় দিয়েহি, তেতিয়া হলে তাক মোৰ বুজিবলৈ বাকী নাথাকিব। তোমাৰ পহিলৰ কাৰবাৰতকৈ এইখন কাৰবাৰ বহুত বহল হ'ল। মই কৰো বুলি কৰা নাই। তোমাৰ ধৰ্মইহে কৰাইছে। এই কাৰবাৰত টকাতকৈ আমাক মানুহৰহে দৰকাৰ। আজিকালি মানুহৰ সঁজাত পোৱা টান। এনেকৈ মানুহ এটা যদি মই বিচাৰি পাওঁ তেতিয়া হ'লে আগন্তুকলৈ কাৰবাৰত আগ বাঢ়িবলৈ সাহস হ'ব।"

শ্ৰীমন্তৰ কথা শুনি শইকীয়াই বুজিলে সেউতীৰ ককায়েক কালক্ৰমত এজন ডাঙৰ ব্যৱসায়ী হ'ব বুলি। ৰঘুনাথৰ কথাটো নিষ্পত্তি কৰিবৰ বাবে শ্ৰীমন্তৰ লগতে সেই একে হেচোকতে কথা পাতিবলৈ ল'লে, "বৰপিতাই আৰু পিতাইৰ ঘৰ দুখন বেলেগ হলেও এখন যেন হৈ আছে। কেতিয়াবা ৰঘুনাথৰ কথা লৈ দুয়ো ককাই-ভাইৰ মাজত ভুল বুজা-বুজি হলে আমাৰ দুৰ্ভাগ্য হ'ব। গতিকে গুৰিতে আপুনি ৰঘুনাথৰ সম্পৰ্কে কি ভাবিছে, বৰ পিতাইক কৈ থ'ব।"

এইবাৰো শ্ৰীমন্তই অলপ পৰ নিতাল মাৰি থাকি ভনী-জোঁৱায়েকক আশ্বস্ত কৰিলে, "ৰঘুনাথক কানিৰ খোলাৰ পৰা তুলি বৰ পিতায়ে তোমাৰ হাতত গটাই দিছিল। মোতকৈ মানত সৰু হলেও বয়সত তুমি ডাঙৰ। সেই কাৰণে তোমাক গটাই দিলেও তাক মোক গটাই দিয়াৰ নিচিনা হৈছে। ঘৰৰ পৰা আনি তাক এতিয়া মই গুদামতে থাকিবলৈ দিছো। কথা পাতি মাজে-মাজে কওঁ, "মৰে উৰুলিপুঙা মৰে পদূলিশুঙা। এইখন চহৰ – ইয়াৰ মানুহবোৰ দূৰ-দূৰণিৰ পৰা আহি ঘৰ পাতি বহিছেহি। সকলোবোৰ মানুহৰ গুৰি-গছ আমি নাজানো। আটাইৰে মনৰ মেৰপাকৰ ভূ আমি নাপাওঁ। তই চা-চিনাকি হোৱা মানুহবোৰৰ লগত এটা আঁৰ ৰাখি চলিবি। পিছল খাওঁতে বেছি-পৰ নেলাগে। ঘৰখনৰ নাম ৰাখিব লাগিব। মই তাৰ কথাবোৰ এতিয়ালৈকে ভালেই দেখিছো। তথাপিও কানিৰ খোলাৰ কথাটো মাজে মাজে মনলৈ আহে। গাঁৱৰ পৰা সি চন্দ্ৰকান্তক আনি কামত লগালে। তাৰো আলেখ-লেখ চাই আছো। দুয়োটাকে কামৰ ক্ষেত্ৰত বেলেগ কৰি দিছো। চন্দ্ৰকান্তক লৈ মোৰ চিন্তা নাই। তূৰি-মূৰি কৰিলে পিটিকি মোহাৰি মাৰিব পাৰিবা। কিন্তু ৰঘুৰ কথা সুকীয়া। তাৰ লগত মোৰ মঙহৰ সম্পৰ্ক। পিতাই আৰু বৰ পিতাইক মাতি আনি তোমাক মাজত ৰাখি তাৰ সম্পৰ্কে এদিন কথা পাতিম। সি যদি বেলেগে কাৰবাৰ কৰিবলৈ বিচাৰে – গাঁৱতে এখন দোকান পাতি দিওঁতে বেছি পৰ নালাগিব। হাটখোলাৰ গাতে লাগি থকা হৰ দোকানীৰ বাহিৰেও নাথুনিৰামৰ এখন দোকান আছে। নাথুনি দেচোৱালী মানুহ। সি তেলীয়া ঘোঁৰাত উঠি মাল নিবলৈ আহোতে আমাক মাত দি যোৱা তুমি দেখিছা। তাক কি কাৰণে সকলে তেলীয়া বুলি কয় মই নাজানো, বাহিৰা গিলাচত বগামনে তাক চাহ বাকি খুৱায়। যোৱাৰ আগতে সি গিলাচটো ধুই থৈ যায়। সিহঁতৰ দোকানৰ ওচৰতে ৰঘুনাথক দোকান এখন পাতি দিব পৰা যাব। কিন্তু ৰঘুনাথে যদি চহৰতে আমাৰ লগত বা বেলেগে ব্যৱসায় কৰিবলৈ বিচাৰে, তাৰো ব্যৱস্থা কৰি দিব পৰা হ'ব। সেইটো তোমাৰ আৰু মোৰ দায়িত্ব।"

শইকীয়াই কথা শুনি প্ৰশান্ত চিত্তেৰে শ্ৰীমন্তৰ হাতখনত ধৰি ক'লে, "আপুনি পাৰিব। আপোনাৰ বাবে মই আৰু কোনোদিনে চিন্তা নকৰো।"

কথা-বতৰা পাতি থকাৰ মাজতে ফজল আহি ওলালহি। দোকানৰ বাৰান্দাত থিয় হৈয়ে শইকীয়াক ক'লে, "ভাইজান, ডাঙৰ ঝামেলাত পৰি তোমাৰ ওচৰলৈ আহিলো।"

মধুৱে চাই দেখিলে ফজলৰ চেহেৰাটো আগতকৈ বহুত বেয়া হ'ল। গাল দুখন ওলমি পৰিছে। চকু কেইটা ৰঙা, গাটো খীণাই পেটটো বাহিৰ ওলাই আহিছে। বুজিলে ইমান দিনে ফজলে মদ খাইছিল। এইবাৰ মদে ফজলক খাবলৈ আৰম্ভ কৰি দিছে। ভিতৰলৈ মাতি আনি বহুৱাই লৈ সুধিলে, "কিনো কথা ? কোৱাচোন।"

"চেহেৰা দেখি বুজিছাই মোৰ ভৱিষ্যত বৰ ভাল নহয়। অলপ দোপলৈ আকৌ ক'বলৈ আৰম্ভ কৰিলে, "গাড়ী চলাবলৈ মোৰ আৰু হিম্মত নাই। গাড়ীখন নশ টকাত বিক্ৰী কৰি এই টকাখিনি তোমাৰ হেগাজত ৰাখিবলৈ আহিছো। ল'ৰাটো আৰু ছোৱালীজনী সৰু হৈ থাকিল। বাবাজানে এৰি থৈ যোৱা জমিনখিনি বালিবাটৰ হিচাপত যথেষ্ট। কিন্তু ৰূপীয়া পইছা মোৰ হাতত পৰিলে চব হাৰাম হৈ যাব। ল'ৰাটো স্কুলত পঢ়ি আছে। ছোৱালীজনী লায়েক হোৱা নাই। তাইৰ কাৰণে মোৰ ফিকিৰ নাই। দেখাত মাকতকৈও খুবসুৰত। কিন্তু মুস্কিল হৈছে দুনিয়াখন চলাওঁ কেনেকৈ। তোমাৰ জব্বৰ দেমাক আছে। আল্লাৰ দোৱাত ভাবীজান তোমাৰ জিন্দেগীলৈ অহাৰ পিছত তোমাৰ বহুত উন্নতি হ'ল। ভাবীৰ ভাইজান চিৰমন্ত বৰ হুচিয়াৰ আছে। আমাৰ নিজৰ মানুহবোৰ কাকো মই বিশ্বাস কৰিব নোৱাৰো। বাবাজান ভাটিৰ মানুহ আছিল বাবে সিহঁতে মোক এতিয়াও নিজৰ কৰি নললে। মই মদ খোৱাটোহে দেখিলে। কাৰ ঘৰত কিমান গেৰাৰি খাটিলো, কাৰ কাৰণে কিমান দিন গাড়ী দৌৰালো, সেইটো সিহঁতে নেদেখিলে। আল্লাই এইবোৰৰ ইনচাফ কৰিব। মই কাৰো নিমখহাৰামী কৰা নাই। কাৰো ওচৰত বেইমানী কৰা নাই। তুমি বেলেগ মানুহ। তোমাক দোস্ত বুলি ক'বলৈও মোৰ হিম্মত নহয়। তুমি বহুত ওপৰৰ মানুহ। আল্লাই তোমাক আৰু তৰক্কি দিয়ক। এই টকা কেইটাৰে ঘৰখন চলাবৰ বাবে তুমি এটা ৰাস্তা কৰি দিব লাগিব। এইটো তোমাৰ ধৰম বুলি বুজিবা।"

টকাখিনি ফিৰৎ দিবলৈ শইকীয়াৰ সাহস নহ'ল। মানুহটোৱে বাটৰ শেষ পাইছেহি। কিন্তু দায়িত্বটো লোৱা বহুত ডাঙৰ কথা। তেওঁলোকৰ সমাজখন বেলেগ। কিন্তু মানুহবোৰ একেই। ক'ৰবাত কিবা কথা কোনোবাই বেয়াকৈ উলিয়ালে হিতে বিপৰীত হ'ব। টকা কেইটা হাতত লৈ শইকীয়াই কিবা গুণা-গঁথা কৰি থকা দেখি শ্ৰীমন্তই মাত লগালে, "ইমান ভাবিছা কেলেই ? দুয়ো বহি চিন্তা কৰি ব্যৱস্থা এটা কৰিব লাগিব। ফজল ভাই, তুমি একো নাভাবিবা। মোৰ ভনীক তোমাৰ দোস্তলৈ বিয়া কৰাই আনিবৰ বাবে তুমি গাড়ী লৈ গৈছিলা। আমাৰ ঘৰৰ চোতালত তুমি ভৰি দিছিলা। তাৰ প্ৰতিদান আমি দিব লাগিব। কাইলৈ দেওবাৰে দোকান বন্ধ থাকিব। পুৱাই দুয়ো তোমাৰ ঘৰলৈ গৈ কথা পাতিম।"

শ্ৰীমন্তক ফজলে বুকুত সাবটি ধৰি হুকহুককৈ কান্দিলে। "দুনিয়াত মই বহু গুণাহ কৰিছো। আল্লাৰ কছম খাই বহুবাৰ তৌবা কৰিও মই হাৰাম এৰিব পৰা নাছিলো। তাৰ সাজা মালিকে দিলে। বিবিজানৰ কথা ভাবি ল'ৰা-ছোৱালী কেইটালৈ চাই চকু পানী টোকোতে মোৰ দিন যায় ৰাতি নুপুৱায়। তোমাৰ ভাবী – এইজনী বৰ পৰেচগাৰ নেক আউৰত আছিল। আজি তেওঁৰ বেহেস্ত নচিব হওক। তেওঁ আজি নাই কিন্তু তেওঁৰ আত্মাই তোমাক সদায় দোৱা কৰি থাকিব। কাইলৈ তোমালোক আহিবা।" চকু মোহাৰি বেছি সময় তাত নৰৈ ফজল ওলাই গ'ল।

শ্ৰীমন্তই ফজলৰ সংসাৰখনৰ কথা আগতেই শুনিছিল। ঘৈণীয়েক ফতেমাৰ বাবে এপিনে পুত্ৰশোক, আনপিনে গিৰিয়েকৰ সুৰাৰ আসক্তি। এই দুৰ্বিসহ যন্ত্ৰণাৰ মাজত লাহে লাহে তেওঁ সংসাৰ বিমুখী হৈ গ'ল। ল'ৰা-ছোৱালী হালৰ ভালকৈ যত্ন লবলৈ এৰিলে। নিজৰ খোৱা-বোৱাৰ প্ৰতিও চৰম উদাসীনতা আৰম্ভ হ'ল। লাহে লাহে ধুনীয়া গোলাপফুল এপাহি মৰহি যোৱাৰ দৰে মৰহি গ'ল। এদিন সঁচাকৈয়ে ফতেমাৰ এন্তেকাল হ'ল। ফতেমা আঁতৰি গ'ল ফজলৰ জীৱনৰ পৰা – হয়তো তেওঁৰ হেৰোৱা সন্তানটোক বিচাৰি পাবৰ বাবে।

ফজলে সেইদিনা নেকান্দিলে। সকলোৱে শুনাকৈ ক'লে, "তুমি যোৱাগৈ দিলজান, মই জানো তুমি বেহেস্ত পাবাগৈ। মোৰ জীৱন গুণাহেৰে ভৰি আছে। দৰিয়াৰ সিপাৰেও মই তোমাক কোনোদিনে নেদেখিম। কায়ামতৰ পিছতো। মোক নহলেও তুমি চলিব পাৰিবা। বাবাটো তোমাৰ বুকুৰ মাজত সোমাই থাকিব।"

ওচৰ-চুবুৰীয়া দহজনমান মানুহ জানাজালৈ আহিছিল। মৌলবীয়ে সকলো নিয়ম অনুসাৰে কামবোৰ কৰালে। নিজৰ ছোৱালীৰ দৰে ফতেমাক মৰম কৰিছিল। চালিছা হৈ যোৱাৰ পিছৰ পৰা ফজলৰ শৰীৰ মন ভাঙিবলৈ আৰম্ভ কৰিলে। সি মানুহটোৱেই বদলি গ'ল। এতিয়াহে সি কান্দিবলৈ ল'লে।

মধুৱে মনে মনে ভাবিলে, "শ্ৰীমন্তই এনে এখন বহল অন্তৰ পালে ক'ৰ পৰা ?" ভিতৰৰ আবেগ ৰোধিব নোৱাৰি শ্ৰীমন্তক সুধিলে, "ককাইদেউ, আপুনি এনেকুৱা এখন অন্তৰ কেনেকৈ পালে ? এই মানুহজনক যিটো প্ৰতিজ্ঞা কৰিলে, সেই প্ৰতিজ্ঞা কৰাৰ সাহস আপোনাৰ ক'ৰ পৰা হ'ল ?"

ইতিমধ্যে শ্ৰীমন্তই হিচাপৰ খাতা লিখিবলৈ আৰম্ভ কৰিছিল। তেওঁ চকু নোতোলাকৈয়ে উত্তৰ দিলে, "কথাটো একেবাৰে সহজ দেখোন। এই সকলোবোৰ মই তোমাৰ পৰাই পাইছো, তোমাৰ ইয়ালৈ আহি কাৰবাৰটোত হাত দিয়াৰ দিনাৰে পৰা তুমি মোক যিখিনি বিশ্বাস দিছা, মই দেখাত আন দহজনেও তোমাক তেনেকৈয়ে বিশ্বাস কৰে। তাৰ মাজেৰে মই বহুত কথা শিকিলো। এই ঘৰৰ মাটিৰ মালিক বৰ অভাৱী মানুহ দোকানৰ পিছফালে ঘৰ সাজি তেওঁৰ উপাৰ্জন বহুত বঢ়াই দিলা। সেইটো নকৰি ইয়াতে এচমকা মাটি সৰহ দামত কিনিও ল'ব পাৰিলাহেঁতেন। ক'তা, সেইটো নকৰিলা দেখোন ? পিতায়ে তোমাক পাই আজি কিমান সাহস পাইছে তুমিতো নাজানিবা।"

এইবাৰ দুয়ো কামত ব্যস্ত হৈ পৰিল। গ্ৰাহক আহিল। নতুন কিতাপৰ অৰ্ডাৰ লিখিবলগীয়া হ'ল। আগৰ দোকানখনৰ বাবেও নতুন নতুন বস্তু অৰ্ডাৰ দিবলৈ ল'লে। আজি-কালি মধুৱে ঘনাই কলিকতালৈ যাবলগীয়া নহয়। তাৰ কাৰবাৰীবোৰৰ লগত বন্দৱস্ত কৰি থৈছে – ভালৰ ভালটো বাছি বাছি পুৰণি গ্ৰাহক বুলি পঠিয়ায়। ৰতনবাবুৰ গাদীৰ মাৰফৎ তেওঁলোকলৈ পইছা পঠিওৱা হয়। তথাপিও হিচাপবোৰৰ লেঠা চিঙিবলৈ এতিয়াও বছৰত দুবাৰমান কলিকতালৈ যায়।

চিন্তাৰ চকৰি ঘূৰি গৈ থাকে। মনে মনে মধু শইকীয়াই সখিয়েক ধৰণী বৰা, বাপুকণ নেওগ আৰু ককায়েক বলো মেধিৰ কথা ভাবে। ব্যস্ততাৰ মাজত তেওঁলোকৰ লগত আবেলি বেলিকা ক্ষন্তেক পৰৰ বাবে কেতিয়াবা দেখা হলেও আগৰ দৰে তিনি বন্ধুৱে মিলি নানা তৰহৰ মেল মাৰি সময় কটাবলৈ নেপায়। কলিকতাৰ পৰা তিনিও জনৰ ঘৰৰ বাবে লাপি-লুপা দুই-এপদ বস্তু আনি দি থৈ আহোতে পাৰ নোহোৱা আনন্দৰ লহৰ তেওঁ দেখিবলৈ পাইছিল সেই পৰিয়ালবোৰৰ মাজত। ঘৰবোৰ নিলগত হোৱা বাবে সেউতীয়েও ঘনাই আহ-যাহ কৰিব নোৱাৰে।

ধনতকৈ মানুহ ডাঙৰ। কিন্তু যুগৰ সভ্যতাই মানুহক মানুহৰ পৰা

আঁতৰাই লৈ গৈ আছে। ধনৰ গৰাহে ঠেঁটুত লাগিলে ৰক্ষা নাইকিয়া হয়; কেতিয়াবা মধুৰ বৈৰাগী হবলৈ মন যায়। কথা ভাবোতে ভাবোতে হাঁহি উঠে। গৌতম বুদ্ধই এনেকৈয়ে সংসাৰৰ লেঠা এৰাবলৈ কপিলাবস্তুৰ ৰাজপ্ৰাসাদ এৰি অৰণ্যৰ শান্তি বিচাৰি আঁতৰি গৈছিল; সেইটো ইতিবাচক আছিল। মধু শইকীয়াই আজি পলাবলৈহে বিচাৰিছে। পলায়নে মানুহক আগুৱাই নিনিয়ে; পিছুৱাইহে নিয়ে। বগামনৰ ঠাইত এটা নতুন ল'ৰা আহিল ৰন্ধা-বঢ়া কৰিবলৈ। বগামনক দোকানৰ অন্যান্য কাম-কাজত লগোৱা হ'ল। "খ" শ্ৰেণীলৈকে সি পঢ়িছিল। আখৰবোৰ চিনি পাইছিল। মধু শইকীয়াক শ্ৰীমন্তই এদিন কৈছিল, "ইহঁত দুয়োটাকে পোনাই-পজৰাই ল'ব পাৰিলে আগলৈ কামত আহিব। সিহঁতৰ এটা গতি কৰিব পাৰিলে তোমাৰ ধৰম হ'ব।"

নতুনকৈ কাম কৰা ল'ৰা কান্তৰামে কৰাই ভজা এবাতিৰে সৈতে চাহ এপিয়লা দি যায়হি, আজিকালি সেউতীয়ে ঘৰতে সুৰৰ লগত একেলগে জা-জলপান কৰি টেমাত ভৰাই ককায়েকে চাহ-পানীৰ লগত খাবৰ বাবে দোকানলৈ দি পঠায়। মুৰুকা-মুৰুককৈ কৰাইকেইটা চোবাই চাহ পানী টোপাত সোহা মাৰি হঠাতে ফজলৰ কথাবোৰ ভাবিবলৈ আৰম্ভ কৰে। কাইলৈ দেওবাৰ। ফজলৰ ঘৰলৈ পুৱাতে যাব লাগিব। বেছি দেৰি হ'লে পেটত দুগিলাচমান মদিৰা পৰিলে তেওঁৰ ঘৰলৈ গৈ কথা পতা-নপতা সমান হ'ব।

দেওৱাৰে মধু শইকীয়াৰ কাম-কাজবোৰ সাধাৰণতে লেহেম গতিত চলে। কিন্তু সেইদিনা ততাতৈয়াকৈ গা ধুই জলপান খাই চাইকেলখন উলিয়াবলৈ আগ বাঢ়োতে সেউতীয়ে শইকীয়াই শুনাকৈ সুৰক ক'লে, "আজি দেখোন দেওবাৰ অ', ভিনিহিয়েৰ পাহৰিলে নেকি ? এতিয়া ইমান পুৱাতেনো যায় ক'লৈ ?"

তামোলখন মুখত ভৰাই শইকীয়াই সেউতীক ফজলৰ কথাখিনি বিবৰি কলে। কথাবোৰ শুনি সেউতীৰ মুখখন বিষণ্ণ হৈ উঠিল। সেউতীয়ে গিৰিয়েকৰ কথা ভাবিলে, "মানুহজন কি বাৰু ? সকলো মানুহৰ প্ৰতি ইমান মৰম! এইজন মানুহৰ আপোন-পৰ ভাব নাই। তেওঁৰ কাৰণে ককাইদেউ আজি মানুহ হ'ল। ৰঘুনাথে আজি অবাট এৰি ঘৰলৈ আহিল। বহুত দিন বুঢ়ী গোসানীৰ দেৱালয়লৈ যোৱা নাই। কেঁচুৱাটো গাত থাকোতেই যোৱা দেওবাৰে পাৰিলে যাব লাগিব। ঘৰলৈ আহিলে গিৰিয়েকক কথাটো ক'ব।

দোকানৰ সমুখত চাইকেলৰ পৰা নমাৰ লগে লগে মধু শইকীয়াক কান্তৰামে ক'লে, "অলপ আগতে ককাইদেউক মানুহ এজনে লৈ গ'লহি, আপোনাক তালৈকে যাবলৈ কৈছে।"

আকৌ চাইকেলত উঠি ফজলৰ ঘৰৰ পিনে আগবাঢ়ি গৈ বাঁহৰ ওখ চকোৱাখনৰ মাজতে থকা টিনৰ দুৱাৰখন ঠেলি বাঁহৰ দলঙখনৰ ওপৰেৰে চাইকেলখন লৈ গৈ দেখিলে চোতালত মূঢ়া দুটাত বহি ফজল আৰু শ্ৰীমন্তই কথা পাতিছে। ফজলৰ মুখত আগদিনাৰ বিষণ্ণতাৰ অভিব্যক্তি নাছিল। দুৰ্বল হ'লেও এটা নিশ্চিন্ত প্ৰশান্তিৰ আভা তেওঁৰ মুখ-মণ্ডলত ফুটি ওলাইছিল। থৰক-বৰক খোজেৰে ফজলে শইকীয়াৰ পিনে আগবাঢ়ি যাওঁতে মইনাক মাতিলে, "মইনা আহ, তহঁতৰ বৰ বাবাক তচলিম কৰহি। ফুলকো মাতি লৈ আহ।"

মইনা ফজলৰ ল'ৰা। ফুল ছোৱালী। মইনাই দৌৰি আহি চাইকেলখন শইকীয়াৰ হাতৰ পৰা লৈ চকোৱাখনৰ খুঁটা এটাত আওজাই থলে। তিনিও এতিয়া চোতালত বহি আলচ কৰিবলৈ ল'লে। শইকীয়াই কিন্তু একো ভাবি উলিয়াব পৰা নাছিল – কেনেকৈনো এইকেইটা টকাৰে ফজলৰ ৰোজগাৰৰ বাট এটা উলিয়াব। পোন প্ৰথমতে শ্ৰীমন্তই ক'লে, "ভাইজান, আপোনাৰ ইয়াত বহুত জাগা আছে। মই এই সীমাৰ মূৰে মূৰে দীঘলীয়াকৈ এটা খেৰৰ ঘৰ সাজি দিওঁ। তাতে ছয়হাল গৰু অনায়াসে থাকিব পাৰিব। আজি ৰতিমিস্ত্ৰী আহিলে তেওঁক কৈ কাকজানৰ ওচৰত থকা মুছলমান গাঁৱৰ পৰা তিনিটা গাৰোৱান আনিম। গৰু গাড়ী ছখন গোহালিৰ কিনাৰতে থ'ব পৰা যাব। কাকজানৰ গাৰোৱান কেইটা আপোনালোকৰ স্বজাতি। সিহঁতে আপোনাৰ ঘৰতে থাকিবলৈ আপত্তি নকৰিব। ঘৰৰ কামতো মাজে মাজে সহায় হ'ব আৰু ৰাতি ঘৰখনত মতামানুহ কেইটামান থাকিলে সাহসো হ'ব।" আকৌ কৈ যায়, "আমাৰ মধুৰ ছয়খন গাড়ী ভাৰাত লাগি আছে। এই গোটেইকেইখন গাড়ী আপোনাৰ নামলৈ মই বদলি কৰিম। তিনিখন গাড়ীৰ গাৰোৱান আমাৰ পুৰণি মানুহকেইটা থাকিব। বাকী তিনিটা এনেয়ে যাওঁ যাওঁ লগাই আছে। সেইকেইটাৰ ঠাইত কাকজানৰ তিনিটা মানুহক মকৰল কৰিম। গাঁৱৰ পৰা চাউল লৈ আহোতে অলপ অলপকৈ খেৰ আনি পুঁজি এটা কৰিব পাৰিব।" মইনাই থিয় হৈ আছিল, তাক সুধিলে, "তই এইবোৰৰ ওপৰত পঢ়া-শুনাৰ মাজতে নজৰ ৰাখিব লাগিব। পাৰিবি নহয় ?"

মইনাই মূৰ দুপিয়াই সঁহাৰি জনালে।

"আমাৰ পুৰণি গাৰোৱানকেইটাই এতিয়াৰ দৰে চাউলৰ গুদামতে থাকিব পাৰিব। এই গাড়ীকেইখনৰ ভাৰাৰ বন্দৱস্ত মই কৰিম। সকলোবোৰ হিচাপ কৰি চাই দেখিছো দিনে প্ৰায় বাৰটকামান আপোনাৰ থাকিব – গাৰোৱানৰ দৰমহা আদি দিয়াৰ পিছত। মই পিছে আপোনাৰ ঘৰৰ খৰচৰ বাবত ডেৰটকা আৰু হাত খৰচৰ বাবে আঠ অনাহে দিম। এইবোৰৰ হিচাপ বেলেগ হ'ব। বাকী পইছা জমা থাকিব। মইনাক সকলো বুজাই দিম। সি হাইস্কুলত পঢ়া ল'ৰা। আপুনি মঞ্জুৰ থাকিলে কাইলৈৰ পৰা কাম আৰম্ভ হ'ব।"

কতো কোনো জেঙা নলগাকৈ গোটেই কথাবোৰ শ্ৰীমন্তই ঠিক কৰি পেলালে। শইকীয়া আচৰিত হ'ল। নিজৰ চলি থকা ব্যৱসায়ৰ মাজৰ পৰা গাড়ীকেইখন উলিয়াই আনি ফজলৰ কাৰণে বেলেগ এটা কাৰবাৰ কৰি দিবলৈ যোৱাৰ সৎ সাহস শ্ৰীমন্তই কেনেকৈ পালে। অলপ পিছত ভিতৰৰ পৰা বটা এখনত কল, খিচমিচ, বাদাম আদি বস্তু ফুলে, তেওঁলোকৰ আগত থলে। সিহঁতেও জানে শইকীয়াহঁত নৈষ্ঠিক হিন্দু মানুহ। তেওঁলোকৰ ঘৰত কেঁচা বস্তুহে সন্দেহ নোহোৱাকৈ খাবলৈ বিচাৰিব। শইকীয়াৰ মনটো আপোনভোলা ভাব এটাৰে পৰিপূৰ্ণ হৈ উঠিল। বাটত আহোতে শ্ৰীমন্তক শইকীয়াই সুধিলে, "এইবোৰ আপুনি কি কৰিলে ককাইদেউ! নিজৰ ভাগৰ ভাত আনক দিবলৈ যোৱাটো জানো ভাল হ'ব ?" শইকীয়াই শ্ৰীমন্তৰ বিচাৰখিনি মনে মনে ভাল পালেও অকণমান টুকুৰিয়াই চাবলৈ কথাটো সুধিলে, "মানুহ ইমান নিঃস্বাৰ্থ হ'লে চলে জানো ?"

শ্ৰীমন্তই জানে মধুৱে তাৰ এই বিচাৰবোৰত আপত্তি নকৰে বুলি। হাঁহি হাঁহি উত্তৰ দিলে, "এইবোৰ কথা তোমাৰ পৰাই শিকিলো। তোমাৰ কাৰবাৰটোৰ চাবি-কাঠি কোনো দ্বিধা নকৰাকৈ এদিন মোৰ হাতত তুলি দিছিলা। সেই ব্যৱসায়ৰ গছ লহপহকৈ বাঢ়ি বহুত ডাঙৰ হৈছে। গছৰ গুটিবোৰ কেতিয়াবা ওচৰৰ কাৰোবাৰ বাৰীত ৰুলে মোৰ আপত্তি কৰিবলৈ কিনো আছে ? ডাঙৰ কাম কৰিবলৈ গ'লে সৰু কামবোৰ ভগাই দিলে মূৰটো পাতল হয়।"

সেইদিনা দেওবাৰ আছিল বাবে শ্ৰীমন্তই দুপৰীয়া সোনকালে ভনীয়েকৰ ঘৰত ভাত মুঠি খাবলৈ ওলাল। চাইকেলেৰে গৈ থাকোতে মাছৰ হাতলৈকে সেইছোৱা বাট কাৰো মুখত একো কথা নোলাল। ঘৰ পোৱাৰ আগতে শ্ৰীমন্তই ক'লে, "অহা শনিবাৰলৈ বৌটিক লৈ পিতাই আহিব। সেউতীৰ গা-মূৰ ভাল নোহোৱালৈকে বৌটি থাকিব। ঘৰৰ পৰা অহা গাড়ীত বতৰা পঠিয়াইছিল। পিতায়ে তোমালৈ কাম এটা পাচিছে। দেওৱাৰে দুপৰীয়া তোমাৰ সখিয়েৰহঁতৰ তিনিওখন ঘৰকেই ভাত খাবলৈ মাতিবলৈ কৈছে; পুৱাতে গাড়ী পঠিয়াই দিবা আটাইকেইটা পৰিয়ালৰ ল'ৰা-তিৰোতাখিনিক আনিবৰ বাবে। মতা মানুহ কেইজন পিছত আহিলেও হ'ব। মোক কৈছে তেল-মছলা আদি বজাৰৰ পৰা কিনি থ'বলৈ।"

মধু শইকীয়াৰ মনটো উৎফুল্ল হৈ উঠিল। শহুৰেকক সৰবজান যেন লাগিল। এই পৰিয়াল তিনিটাক একেলগে গোটাই ভাত এসাজ খোৱাৰ কথা বহুত দিনৰ পৰাই ভাবি আছিল। বাপ গাত থকাৰ সময়ত মেথিয়নী নবৌয়ে কমখিনি সহায় কৰিলেনে ? সেইবোৰ ধাৰ কেতিয়াবা শুজিব পাৰিব জানো – মনে মনে মধুৱে ভাবে। (আগলৈ)



# পুনৰ্সংস্থাপনৰ আঁচনি সফল ৰূপায়ণ হ'বনে ?

হিতেন মহন্ত

আত্মসমৰ্পণকাৰী আল্ফা সদস্য সংস্থাপন আঁচনিৰ অধীনত ৰাজ্য চৰকাৰৰ উদ্যোগ বিভাগে এখন তালিকা প্ৰস্তুত কৰিছে। এই তালিকা অনুযায়ী আঠখন জিলাৰ ২১২৫ জন আত্মসমৰ্পণকাৰীয়ে স্ব-নিয়োজন আঁচনিৰ সুযোগ গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহিছে। জিলা কেইখন হ'ল লক্ষীমপুৰ, ধেমাজি, বৰপেটা, ডিব্ৰুগড়, তিনিচুকীয়া, যোৰহাট, শিৱসাগৰ আৰু গোলাঘাট। উদ্যোগ বিভাগে পৰ্যায়ক্ৰমে কামৰূপ, গোৱালপাৰা, ধুবুৰী, মাজুলী, দৰং আৰু শোণিতপুৰ জিলাৰ আত্মসমৰ্পণকাৰী সদস্যবো স্ব-নিয়োজন আঁচনিৰ অধীনত তালিকা প্ৰস্তুত কৰি আছে। এইখিনিতে উল্লেখ কৰিব পাৰি যে ৰাজ্য চৰকাৰৰ গৃহবিভাগৰ মতে অসমৰ মুঠ ২৩ খন জিলাৰ ভিতৰত ব্ৰহ্মপুত্ৰ উপত্যকাৰ ১৮ খন জিলাতহে আল্ফাৰ সংগঠন আছে। বৰাক উপত্যকাৰ কাছাৰ, কৰিমগঞ্জ, হাইলাকান্দি এই তিনিখন জিলাৰ লগতে কাৰ্বি আংলঙ আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলাত আল্ফাৰ সংগঠন নাই।

মাত্ৰ কেইদিনমান আগলৈকে স্বাধীন অসমৰ স্বপ্নত হাবিয়ে বননিয়ে অস্ত্ৰ-শস্ত্ৰ লৈ ঘূৰি ফুৰা এই বৃহৎ সংখ্যক আল্ফাৰ সদস্যই আত্মসমৰ্পণৰ জৰিয়তে পুনৰ সংস্থাপন আঁচনিৰ সুযোগ গ্ৰহণ কৰিবলৈ আগবাঢ়ি অহা বিষয়টো কেবাটাও দিশৰ পৰা তাৎপৰ্যপূৰ্ণ। কৰ্মসংস্থাপনৰ অভাৱত হতাশগ্ৰস্ত হৈ যে এচাম যুৱকে হাতত অস্ত্ৰ-শস্ত্ৰ তুলি লৈছিল সেই বিষয়ে কোনো সন্দেহ নাই। হতাশগ্ৰস্ত এই যুৱক-যুৱতী সকল পুনৰ স্বাভাৱিক জীৱনলৈ ঘূৰি আহিব বিচাৰিছে। শান্তিকামী যি কোনো ব্যক্তিৰ বাবেই এইটো এটা সু-খবৰ। কাৰণ এই যুৱক-যুৱতীসকল আমাৰেই ভ্ৰাতৃ-ভগ্নী। এওঁলোক সমাজৰ আৰ্বজনা হৈ থকাটো সৎ চিন্তা সম্পন্ন কোনো ব্যক্তিয়েই নিবিচাৰে। তাৰউপৰি স্ব-নিয়োজন আঁচনিৰ জৰিয়তে এই যুৱক-যুৱতী সকল আত্মনিৰ্ভৰশীল হ'লে স্বাৰ্থজড়িত মহলে ভৱিষ্যতে এওঁলোকক নিজ স্বাৰ্থ সিদ্ধিৰ বাবে ব্যৱহাৰ কৰিব নোৱাৰিব। এই ক্ষেত্ৰত আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল আলোচনা বিৰোধী আল্ফা গোটেও আনকি আত্মসমৰ্পণকাৰী সদস্য সকলে পুনৰ্সংস্থাপন আঁচনিৰ সুযোগ গ্ৰহণ কৰাৰ বিৰোধিতা কৰা নাই।

সি যি কি নহওক ৰাজ্য চৰকাৰৰ নিৰ্দেশমৰ্মেই উদ্যোগ বিভাগে ৰাজ্যখনৰ আঠখন জিলাত পৰ্যায়ক্ৰমে ঔদ্যোগিক অভিযান আৰম্ভ কৰে। এই ঔদ্যোগিক অভিযানৰ উদ্দেশ্য হ'ল আত্মসমৰ্পণকাৰী আল্ফা সদস্যৰ নাম ঠিকনা সহ স্ব-নিয়োজন আঁচনিৰ অধীনত কোনে কি উদ্যোগ গঢ়িবলৈ বিচাৰে সেই বিষয়ে সমীক্ষা চলোৱা। স্ব-নিয়োজন আঁচনিৰ অধীনত উদ্যোগৰ লগতে ব্যৱসায়, পৰিবহণ, কৃষি, পশুপালন, মীনপালন, ৰেছম আৰু বয়ন আদি অন্তৰ্ভুক্ত। আঠখন জিলাত এই ঔদ্যোগিক অভিযান সফল হৈছে। ২১২৫ জন আত্মসমৰ্পণকাৰী সদস্যৰ এই ঔদ্যোগিক অভিযানত অংশ গ্ৰহণেই বিষয়টোৰ সত্যতা প্ৰমাণ কৰে। আটাইতকৈ বেছি সংখ্যক সদস্যই পৰিবহণৰ বাবে আগবাঢ়ি আহিছে। অৰ্থাৎ ৭৬০ জন সদস্যই বাছ, মিনিচিটী বাছ, অ'টৰিক্সা আদি ল'বলৈ ইচ্ছা প্ৰকাশ কৰিছে। উদ্যোগ, কৃষি, পৰিবহণ, পশু পালন, মীন পালনৰ বাবে আগবাঢ়ি অহা ৯০৬ জন সদস্যৰ প্ৰস্তাৱ উদ্যোগ বিভাগে বেংকলৈ প্ৰেৰণ কৰিছে।

কিন্তু কথা হ'ল ইমানবোৰ কাম আগবঢ়া সত্ত্বেও এই আঁচনিৰ সফল ৰূপায়ণ সম্পৰ্কে সংশয় নথকা নহয়। বাহ্যিক ভাবে এই আঁচনি সুন্দৰ যেন লাগিলেও বাস্তৱত আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত জটিলতা সৃষ্টি হোৱাৰ সম্ভাৱনা আছে। কিয়নো ৰাজ্য চৰকাৰৰ ঘোষণা অনুযায়ী পুনৰ্সংস্থাপন আঁচনিৰ সুযোগ গ্ৰহণ কৰিবলৈ আগবাঢ়ি অহা প্ৰত্যেকজন আত্মসমৰ্পণ কাৰী সদস্যক সৰ্বাধিক দুই লাখ টকা দিয়া হ'ব। কিন্তু প্ৰকৃততে সেইটো নহয়। কাৰণ এই দুইলাখ টকাৰ শতকৰা ২৫ ভাগ ৰাজ্য চৰকাৰে প্ৰান্তিক ধন হিচাপে আগবঢ়াব। বাকী ৭৫ ভাগ টকা বেংকৰ জৰিয়তে ঋণ হিচাপে দিয়াৰ ব্যৱস্থা কৰা হৈছে। এই ঋণ দিয়াৰ ক্ষেত্ৰতেই জটিলতাৰ সৃষ্টি হ'ব। সম্প্ৰতি বিত্তীয় সংকটৰ বাবে বেংকে ঋণ দিয়া বন্ধ কৰিছে। তাৰ উপৰি ঋণ দিয়াৰ ক্ষেত্ৰত বেংকৰ অজস্ৰ নিয়ম আছে। এই নিয়মবোৰ শিথিলকৰণৰো ব্যৱস্থা কৰা নাই। বেংকলৈ প্ৰস্তাৱ যোৱাৰ পিছতো এজন সদস্যই ঋণ আদায়ৰ ক্ষেত্ৰত যথেষ্ট অসুবিধাৰ সমুখীন হোৱাৰ সম্ভাৱনা আছে। ধৰিলোৱা হওক এজন সদস্যই এটা ধানৰ কল স্থাপন কৰিবলৈ বিচাৰিছে। ইয়াৰ বাবে তেওঁ অনুমোদন লাভ কৰিব সৰ্বাধিক দুইলাখ টকা। কিন্তু ৰাজ্য চৰকাৰে প্ৰান্তিক ধন হিচাপে ৫০ হেজাৰ টকাহে আগবঢ়াব। বাকী ডেৰ লাখ টকা বেংকে ঋণ হিচাপে দিয়াৰ ব্যৱস্থা কৰা হৈছে। কিন্তু যদিহে সদস্যজনে ধান কল স্থাপন কৰিবলৈ ওলোৱা মাটিখিনি দ হয়, তেনেহ'লে তেওঁক মাটিখিনি সমান কৰিবলৈ বেলেগে টকাৰ প্ৰয়োজন হ'ব। কিন্তু এই টকা বেংকে দিবনে ? যদিহে বেংকে নিদিয়ে তেনেহ'লে সদস্যজনে কি কৰিব ? সেইদৰে ধৰি লোৱা হওক এজন সদস্যই এখন মিনি চিটীবাছ লব বিচাৰিছে। কিন্তু সদস্যজনৰ পক্ষে মিনিচিটীবাছখন লোৱা সম্ভৱ নহ'ব। কিয়নো মিনিচিটী বাছ এখনৰ দাম দুইলাখ টকাতকৈ অধিক। তেনেস্থলত দুজন বা তিনিজন সদস্য অংশীদাৰ হ'লেহে বাছখন লব পাৰিব। কিন্তু বহুসময়ত যুটীয়া অংশীদাৰৰ ব্যৱসায় সফল নহয়। ফলস্বৰূপে পুনৰ্সংস্থাপনৰ আঁচনি ব্যৰ্থ হোৱৰ সম্ভাৱনাই বেছি। এনেবোৰ গুৰুত্বপূৰ্ণ সমস্যাৰ প্ৰতি চৰকাৰ অৱগত যেন নালাগে। এনেবোৰ কাৰণতেই পূৰ্বে বহুতো চৰকাৰী স্ব-নিয়োজন আঁচনি ব্যৰ্থ হৈছে। চৰকাৰে প্ৰচাৰ চলাব পাৰিব যে আত্মসমৰ্পণকাৰী আল্ফা সদস্যক পুনৰ্সংস্থাপনৰ বাবে নগদ টকাৰ সাহায্য আগবঢ়োৱা হৈছে। কিন্তু সেই আঁচনিৰ জৰিয়তে প্ৰকৃততে আল্ফা সদস্যসকল উপকৃত হৈছে নে নাই সেইটো সন্দেহৰ উৰ্ধ্বত নাথাকিব। কথিত আছে পৰিসংখ্যা (Statistics), মিছা (Lies) আৰু অতি মিছা (Dam lies) একেই বস্তু। চৰকাৰ এখনে এই পৰিসংখ্যাৰ ভিত্তিতেই কৃতিত্ব দাবী কৰে।

আনহাতে বেংকৰ ঋণ আদায়ৰ বাবে আত্মসমৰ্পণকাৰী সদস্য সকলে বিভিন্নজনৰ দুৱাৰে দুৱাৰে ঘূৰি ফুৰি যদিহে অৱশেষত বেংকৰ ঋণ আদায় কৰিব নোৱাৰে, তেনেহ'লে হতাশগ্ৰস্ত যুৱক-যুৱতী অধিক হতাশ হৈ পৰিব। হতাশাত ভুগি যুৱক-যুৱতী সকলে পুনৰ হাতত অস্ত্ৰ শস্ত্ৰ লোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। ইয়াৰ পৰিণতিও অধিক ভয়ানক হৈ উঠিব পাৰে। সেয়ে পৰিস্থিতি বিষময় হৈ উঠাৰ আগেয়ে ৰাজ্য চৰকাৰে এই দিশবোৰ পৰ্যালোচনা কৰা দৰকাৰ। ঋণ দিয়াৰ ক্ষেত্ৰত বেংকবোৰে যাতে অযথা জটিলতাৰ সৃষ্টি কৰিব নোৱাৰে সেই বিষয়েও ৰাজ্য চৰকাৰে বেংক কৰ্তৃপক্ষক সুস্পষ্ট নিৰ্দেশ দিয়া উচিত। ইয়াৰ অন্যথা পুনৰ্সংস্থাপন আঁচনি প্ৰহসনত পৰিণত হ'ব।

# অসমৰ অনাগত দিনৰ এখন চিত্ৰ

দেৱব্ৰত বৰগোহাঞি

এ-ই কেইদিন অসমৰ জনসাধাৰণৰ মাজত দুটামান প্ৰশ্নই সঘনে ভুমুকি মাৰিছেহি। পৰবৰ্তী. দিনবোৰত আলোচনা বিৰোধী আল্‌ফা সদস্য সকলৰ ভূমিকা কি হ'ব পাৰে ? অগপ আৰু নতুন অগপৰ একত্ৰীকৰণ হ'বগৈ নে ? আছুৰ ভূমিকা কেনেধৰণৰ হ'ব ? বিজেপিৰ ৰথ যাত্ৰাই অসমত কিবা প্ৰভাৱ পেলাব পাৰিবনে ইত্যাদি প্ৰশ্নই-সকলোৰে মনত জুমুৰি দি ধৰিছেহি। সকলোৱে মাথো উৎকৰ্ণ হৈ আছে আহি থকা দিনবোৰৰ ঘটনাবোৰ জানিবলৈ।

## আল্‌ফাৰ কথা আৰু কাম ঃ

আল্‌ফাৰ আলোচনা বিৰোধী সকলৰ উপস্থিতিত শ্বিলঙত এখন বৈঠক অনুষ্ঠিত হৈ যায় অলপ দিনৰ পিছতে পুনৰ খবৰ ওলাল শ্বিলঙত নহয়, নলবাৰীৰ কোনো এঠাইতহে বোলে পৰেশ বৰুৱা, অৰবিন্দ ৰাজখোৱা, অনুপ চেতিয়া আদি কেন্দ্ৰীয় নেতা সকলৰ উপস্থিতিত এখন সভা অনুষ্ঠিত হৈ যায়। দিনবোৰ এনেদৰে বাগৰিল। পুনৰ খবৰ ওলাল, আচলতে বৈঠক খন ঢাকাতহে হেনো অনুষ্ঠিত হৈছিল। কাৰণ আলোচনা বিৰোধীৰ মূল নায়ক পৰেশ বৰুৱাই নিজৰ জীৱনৰ মায়া এৰি কোনো পধ্যেই অসমৰ মাটিত ভৰি ·দিবলৈ ইচ্ছুক নহয়। আনহাতে অৰবিন্দ ৰাজখোৱা, প্ৰদীপ গগৈ আৰু অনুপ চেতিয়া প্ৰমুখ্যে আল্‌ফাৰ শীৰ্ষস্থানীয় নেতাসকলে বহুদিনৰ আগতে অসম এৰি বাংলাদেশ পাইছিলগৈ। বিশ্বস্ত সূত্ৰৰপৰা গম পোৱা মতে অসমত বৰ্তমান আলোচনা বিৰোধী সকলৰ এজনো শীৰ্ষস্থানীয় নেতা উপস্থিত নাই। সকলোবোৰ কাম আৰু নিৰ্দেশ বাংলাদেশৰ পৰাই চলি আছে।

যি কি নহওক ভাৰতৰ চাৰিসীমাৰ বাহিৰত আলোচনা বিৰোধী সকলৰ অলপতে এখন বৈঠক হৈ যোৱা কথাটো প্ৰায় খাটাং বুলিয়েই ক'ব পাৰি। এই বৈঠকখনত কেইবাটাও প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সভাত অসমৰ শেহতীয়া পৰিস্থিতি সম্বন্ধে বিতং-ভাবে আলোচনা কৰা হয়। ৰাজ্যখনত ঘটি থকা হিংসাত্মক কাৰ্য-কলাপৰ বাবে সভাত উদ্বেগ প্ৰকাশ কৰা হয়। ৰাজ্যখনৰ বৰ্তমান পৰিস্থিতিলৈ লক্ষ্য ৰাখি আগন্তুক দুটা বছৰত সকলো ধৰণৰ হিংসাত্মক কাৰ্য সমূলঞ্চে বন্ধ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। আলোচনাপন্থী আল্‌ফা সদস্য সকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱাৰ পূৰ্বৰ সিদ্ধান্তৰ অলপ অদল-বদল ঘটাইছে। ঢাকাত হোৱা কেন্দ্ৰীয় সমিতিৰ বৈঠকখন আগষ্ট মাহৰ প্ৰথম ভাগত অনুষ্ঠিত হৈছিল। আনহাতে দৰঙৰ আলোচনাবিৰোধী আল্‌ফাৰ দ্বাৰা তিনিজন যুৱকক নৃশংস ভাবে জিভা-হাত কাটি হত্যা কৰে আগষ্ট মাহৰ দ্বিতীয় সপ্তাহত। অৰ্থাৎ যোৱা ১৬ আগষ্টত। ইয়াৰ পৰাই এই কথা প্ৰতীয়মান হয় যে দৰঙ জিলা আল্‌ফা গোট আল্‌ফাৰ আলোচনা বিৰোধী মূল গোটটোৰ লগত কোনোপধ্যেই জড়িত নাই কাৰণ আল্‌ফাৰ কেন্দ্ৰীয় সমিতিয়ে অলপতে গ্ৰহণ কৰা প্ৰস্তাৱ যোগে আগন্তুক দুটা বছৰলৈ সকলো হিংসাত্মক কাৰ্যৰ লগতে হত্যাকাণ্ড বন্ধ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। কিন্তু কেন্দ্ৰীয়

> আলোচনা বিৰোধী মূল নেতাসকলে অন্ততঃ এইষাৰ কথা সুন্দৰকৈ বুজি উঠিছে। সেয়েহে অহা দুবছৰ পৰ্যন্ত তেওঁলোকে সকলোবোৰ হিংসাত্মক কাৰ্য-কলাপ বন্ধ ৰাখি সংগঠনটো মজবুতকৈ গঢ়ি তোলাৰ পৰিকল্পনা গ্ৰহণ কৰিছে। অসমত ভৰি পৰা নিবনুৱা সকলৰ হতাশাগ্ৰস্ত মনবোৰেই এওঁলোকৰ প্ৰধান সম্পদ হ'ব বুলি আগতীয়াকৈ কৰা অনুমান যথেষ্ট দূৰদৰ্শিতাৰ পৰিচায়ক বুলি গণ্য কৰিবই লাগিব। কিন্তু এওঁলোকৰ এই লক্ষ্যক বাধা দিব লগৰ সতীৰ্থ সকলৰ অপৰিণত মগজুৰে কৰা কাৰ্য-কলাপবোৰে।

সমিতিৰ এই নিৰ্দেশক বুঢ়া আঙুলি দেখুৱাই দৰঙ জিলা আল্‌ফা গোটে পাঁচ জন ব্যক্তিক নৃশংস ভাবে হত্যা কৰাৰ আঁচনি গ্ৰহণ কৰে। এজনৰ মৃতদেহ এতিয়াও বিচাৰি পোৱা নাই। ভবেন কলিতা নামৰ এজন যুৱক সৌভাগ্যক্ৰমে বাচি যায় যদিও তেওঁ চিৰজীৱন পঙ্গু হৈয়েই কটাব লাগিব। নীতু শৰ্মা নামৰ আল্‌ফাৰ নেতাজনৰো আজি পৰ্যন্ত কোনো শুংসূত্ৰ পোৱা হোৱা নাই। ইতিমধ্যে সংগঠনে গোপনে যদি নীতু শৰ্মাক হত্যা কৰিছে, তাৰো খবৰ কোনেও পোৱা নাই। সংগঠনৰ সদস্যৰ মাজত ভুল বুজা বুজি হ'ব বুলিয়েই শ্ৰীশৰ্মাৰ প্ৰসঙ্গটো গাপ দি ৰখা হৈছে বুলি ভূ-ৰখা মহলে ক'ব বিচাৰে। এনে ধৰণৰ পৰস্পৰ বিৰোধী শেহতীয়া কৰ্ম-কাণ্ডৰ পৰা এই কথা সুন্দৰকৈ প্ৰমাণ হয় যে আল্‌ফাৰ কেন্দ্ৰীয় পৰিষদৰ কোনো আহ্বানেই জিলা গোটসমূহে কোনো পৰিস্থিতিতেই মানি ল'বলৈ বাধ্য নহয়। ইয়াৰ অন্য এটা উদাহৰণ হিচাপে আঙুলিয়াব পাৰি যোৱা ২৭ আগষ্টত তিনিচুকীয়াত ঘটা হত্যাকাণ্ড কেইটালৈ। এই হত্যাকাণ্ডৰ বলি হয় দুগৰাকী ব্যৱসায়ী ক্ৰমে নবীন আগৰৱালা আৰু হেলেন নেওগ। এই ব্যৱসায়ীক কোনটো সংগঠনে কিহৰ বাবে হত্যা কৰিছে তাক বহলাই ব্যাখ্যা নকৰিলেও অসমৰ ৰাইজে ভালদৰেই বুজি উঠিছেগৈ। অৰ্থ আৰু অস্ত্ৰ-সৰ্বস্ব আল্‌ফাৰ পূৰ্বতে অসংখ্য অপৰাধ আৰু নৃশংস হত্যাকাণ্ডই অসমৰ ৰাইজক ত্ৰাহি-মধুসূদন দেখুৱাইছিল। অসমৰ ৰাইজৰ হকে মাত মতা সংগঠনটোৰ হাততেই শ শ ব্যক্তিয়ে অকালতে প্ৰাণ হেৰুৱাব লগা হৈছিল। অসমৰ আকাশ-বতাহত মানুহৰ কেঁচা তেজৰ চেকুৰা আৰু গোন্ধে পৰিবেশটো মৰিশালিৰ নিচিনা কৰি পেলাইছিল। পূৰ্বৰ এনে অমানৱীয় ভুলবোৰ সংশোধন কৰি অসমবাসীৰ আগত ক্ষমা বিচৰা আলোচনা বিৰোধী আল্‌ফা সদস্যসকলে তাৰ ঠিক দুদিনমানৰ পিছতেই আৰম্ভ কৰিলে নৃশংস হত্যালীলা। সচেতন মহলত এই কেইদিন আলোচনা চলিছে ঃ অসমখনক ধ্বংস কৰাৰ শেষ যজ্ঞটো আল্‌ফাই আৰম্ভ কৰা নাইতো !

পৰবৰ্তী দিনবোৰত আল্‌ফাৰ পদক্ষেপ কি হ'ব পাৰে ? অসমৰ ৰাইজৰ মাজত ইও এক ডাঙৰ প্ৰশ্ন। ইতিমধ্যে আল্‌ফাৰ ৯০ শতাংশ নহ'লেও ৭০ শতাংশৰ অধিক সদস্য যে আলোচনা পন্থী তাক কোনেও অস্বীকাৰ কৰিব নোৱাৰে। বাকী ২০ বা ২৫ শতাংশ নিম্ন পৰ্যায়ৰ আল্‌ফা কেডাৰে সংগঠনটো পূৰ্বৰ দৰে কোনোপধ্যেই যে শক্তিশালী কৰিবগৈ নোৱাৰে, তাক অ-আ-ক-খ পঢ়া ল'ৰা এটাইও কব পাৰিব। আলোচনা বিৰোধী মূল নেতাসকলে অন্ততঃ এইষাৰ কথা সুন্দৰকৈ বুজি উঠিছে। সেয়েহে অহা দুবছৰ পৰ্যন্ত তেওঁলোকে সকলোবোৰ হিংসাত্মক কাৰ্য-কলাপ বন্ধ ৰাখি সংগঠনটো মজবুতকৈ গঢ়ি তোলাৰ পৰিকল্পনা গ্ৰহণ কৰিছে। অসমত ভৰি পৰা নিবনুৱা সকলৰ হতাশাগ্ৰস্ত মনবোৰেই এওঁলোকৰ প্ৰধান সম্পদ হ'ব বুলি আগতীয়াকৈ কৰা অনুমান যথেষ্ট দূৰদৰ্শিতাৰ পৰিচায়ক বুলি গণ্য কৰিবই লাগিব। কিন্তু এওঁলোকৰ এই লক্ষ্যক বাধা দিব লগৰ সতীৰ্থ সকলৰ অপৰিণত মগজুৰে কৰা কাৰ্য-কলাপবোৰে।

অহা দুটা বছৰৰ পিছত শইকীয়া চৰকাৰখনে চতুৰ্থ বছৰত ভৰি দিবগৈ। চৰকাৰৰ তোষামোদকাৰী সকলৰ পৰা ইতিমধ্যে গ্ৰামাঞ্চলৰ জনসাধাৰণে বহুতো শিক্ষা লাভ কৰিছেই। এই তোষামোদকাৰী সকলৰ পৰাই শইকীয়া চৰকাৰ যে আগন্তুক দুবছৰত বহুত আঁতৰি পৰিবগৈ সেয়া ধ্ৰুৱ সত্য। ঠিক তেনে এক দুৰ্বল মুহূৰ্ততে আল্‌ফাই হয়তো সজোৰে মূৰ দাঙি উঠিব। ৯১ৰ অসম বিধান সভাৰ নিৰ্বাচনত লোৱাৰ দৰে নিৰপেক্ষ দৃষ্টিভঙ্গী আল্‌ফাই কোনো পধ্যেই নলয় বুলি আজিয়েই থিৰাংকৈ কৈ দিব পাৰি।

## অগপ আৰু ন-অগপ মিলন সম্ভৱনে ঃ

এই কেইদিন আন এটা বহু চৰ্চিত বিষয় হৈছে অগপ আৰু ন অগপৰ একত্ৰীকৰণৰ সন্দৰ্ভত। অগপ আৰু ন অগপৰ মূল নেতাদ্বয় প্ৰফুল্ল মহন্ত আৰু ভৃগু কুমাৰ ফুকন বৰ্তমান একত্ৰীকৰণৰ প্ৰচেষ্টাৰ পৰা নিলগত আছে। দুই দলৰ বিধায়ক সকলৰ মাজত ইতিমধ্যে কেইবা লানিও আলোচনা অনুষ্ঠিত হৈ গৈছে। ইতিমধ্যে দুয়োটা দলৰ কৰ্মী আৰু বিধায়কসকলে এটা কথা বাৰুকৈয়ে উপলব্ধি কৰিছেগৈ যে একত্ৰীকৰণৰ অবিহনে অসমৰ ৰাজগাদী দখল কৰিবলৈ কোনোপধ্যেই সম্ভৱ নহবগৈ। অগপ আৰু ন অগপৰ শীৰ্ষ নেতাসকলে সেয়েহে এই একত্ৰী কৰণৰ প্ৰচেষ্টাত কোনো বাধা প্ৰদান কৰা নাই। কাৰণ এই শীৰ্ষ নেতা সকলে গম পাইছেগৈ এনেদৰে বিপৰীত মেৰুত এই দুয়োটা দলে আঁকোৰগোজকৈ অৱস্থান কৰি থাকিলে কোনো এটা দলেই অসমৰ ৰাজনীতিত সৰহদিন তিষ্ঠি থাকিব নোৱাৰিব। ডেভিদ লেজাৰৰ দৰে আনবোৰো গৈ হিতেশ্বৰ শইকীয়াৰ হাতহে শক্তিশালী কৰিবগৈ।

আঞ্চলিকতাবাদৰ নামাৱলী গাত মেৰাই লৈ বৰ বৰ ভাষণ দিওঁতা সকলে জানে যে তেওঁলোকে নামতহে আঞ্চলিকতাবাদৰ ওকালতি কৰিছে, কামত নহয়। পূৰ্বৰ অগপ দলৰ কাৰ্য-কলাপত অসমৰ ৰাইজে-কাহানিও আঞ্চলিকতাবাদৰ গোন্ধ নাপালে। হাড়ে-হিমজুৱে ই এটা সৰ্বভাৰতীয় দলৰ অবিকল চৰিত্ৰহে প্ৰদৰ্শন কৰিলে। অগপৰ আন এটা প্ৰধান দুৰ্বলতা আছিল অসম সংযুক্ত মুক্তি বাহিনীৰ প্ৰতি। অসমত ঘটি থকা নৃশংস হত্যাকাণ্ডবোৰক অগপ দলে পাকে-প্ৰকাৰান্তৰে সমৰ্থনহে কৰিছিল। ১৯৮৭ চনৰ পৰা আজিলৈকে আল্‌ফাৰ দ্বাৰা অজস্ৰ হত্যাকাণ্ড ঘটিল। অসমখন এখন মৰিশালিৰ ৰাজ্যত পৰিণত হৈছিলগৈ। অগপৰ ৰাজত্ব কালৰ শেহৰ দুবছৰত অসমৰ আকাশ-বতাহলৈ নামি আহিছিল কাল অমানিশা। অগপ চৰকাৰে ইচ্ছা কৰা হ'লে অসমৰ শ শ সধবাই বিধবাৰ সাজ কেতিয়াও পৰিধান কৰিব নালাগিলেহেঁতেন। দুখৰ বিষয় অগপ চৰকাৰে এই কাল অমানিশাক আঁতৰ কৰাৰ সলনি অসমলৈ সাদৰে আমন্ত্ৰণহে কৰি আনিছিল। অলপতে দৰঙ জিলাত আল্‌ফাৰ দ্বাৰা পুনৰ অমানুষিক হত্যাকাণ্ড এটা সংঘটিত হৈ গ'ল। জনতা দলৰ সভাপতি দুলাল বৰুৱাৰ দৰে স্পষ্টভাবে এই নৃশংস হত্যাকাণ্ডৰ প্ৰতিবাদ অগপ বা ন-অগপ দলে কৰিব পৰা হ'লে খুবেই ভাল আছিল। কিন্তু দুৰ্ভাগ্যৰ বিষয়, দুয়োটা দলেই এই ঘটনাত এষাৰো প্ৰতিবাদ নকৰি নীৰৱতাকহে সাবটি ললে। আন অৰ্থত তেওঁলোকে ইয়াৰ সমৰ্থন কৰিছে বুলিহে আমি বুজিব লাগিব। অসমত আল্‌ফাৰ দ্বাৰা সংঘটিত সৰহভাগ হিংসাত্মক ঘটনাৰ ক্ষেত্ৰতে নীৰৱে সমৰ্থন কৰি যোৱা অগপ আৰু ন অগপ দলক অসমৰ সমগ্ৰ জনসাধাৰণে ভৱিষ্যতে সমৰ্থন কৰি যাব বোলা ধাৰণাটো যে একেবাৰে অমূলক তাক একাষাৰে কৈ দিব পাৰি।

যি কি নহওক দুয়োটা দলৰ একত্ৰীকৰণৰ প্ৰচেষ্টাৰ প্ৰতি আমিও আদৰণি জনাইছো। অসমত এটা শক্তিশালী বিৰোধী দলৰ প্ৰয়োজন ৰাইজে খুবেই অনুভব কৰিছে। ভাৰতত ধৰ্মৰ গইনা লৈ সাম্প্ৰদায়িকতাৰ বিষ বাষ্প বিয়পাই তোলা বি জে পিৰ উত্থানতকৈ আঞ্চলিক দলৰ উত্থানেই আমাৰ অসমত বেছি ভাল হ'ব বুলি আমি বিশ্বাস কৰো। ১৯৯৫ ত হ'ব লগা অসম বিধান সভাৰ পৰৱতী নিৰ্বাচনত বৰ্তমান অসমৰ শাসক দল নিৰ্বিঘ্নে জয় লাভ কৰিব পাৰিম বুলি ভবাটো গণতন্ত্ৰৰ প্ৰতি অন্য এক ডাঙৰ প্ৰত্যাহ্বান। এই প্ৰত্যাহ্বানৰ লগত ফেৰ মাৰিবলৈ হ'লে অসমত প্ৰয়োজন এক শক্তিশালী বিৰোধী ৰাজনৈতিক দলৰ। অৱশ্যে বৰ্তমান হিতেশ্বৰ শইকীয়া নেতৃত্বাধীন আই কংগ্ৰেছী চৰকাৰে আগন্তুক বছৰ কেইটাত কেনেধৰণৰ জনহিতকৰ কাম সম্পন্ন কৰিব পাৰে তাৰ ওপৰতেই নিৰ্ভৰ কৰিছে এই দলৰ ভৱিষ্যত। চহৰীয়া মধ্যবিত্তৰ তোষণ নীতিত ভোল গৈ থাকিলে শইকীয়া চৰকাৰ যে অতি শীঘ্ৰেই বিপদৰ সমুখীন হ'ব তাক পুনৰ দোহাৰিবৰ প্ৰয়োজন নাই। দুই এজন মন্ত্ৰীৰ ভ্ৰষ্টাচাৰৰ কথাই আমাৰ জকাইচুকীয়া গাঁৱৰ নদাই-ভদাই হঁতকো বোলে আমোদৰ খোৰাক যোগাইছে। কথাবোৰ দকৈ ভাবি চাবলগীয়া কথা নিশ্চয় !

যি কি নহওক অহা ১৫ অক্টোবৰৰ ভিতৰত অগপ আৰু ন-অগপ দল দুটা একত্ৰিত হোৱাৰ সম্ভাৱনা খুবেই উজ্জ্বল। একত্ৰিত হোৱাৰ পিছত দলটোৰ কাৰ্যপন্থা, উদ্দেশ্যে আদি কেনেধৰণে আগবাঢ়ে সেয়া লক্ষ্য কৰিবলগীয়া বিষয় হ'ব। সবাতোকৈ লক্ষ্য কৰিব লগা বিষয় হ'ব আল্‌ফাৰ সন্ত্ৰাসবাদৰ ওপৰত এওঁলোকৰ দৃষ্টিভঙ্গী ! এইক্ষেত্ৰত শিয়ালৰ বা সিংহৰ চৰিত্ৰ দলটোৰ গাত ফুটি উঠিবই তাক চাবৰ বাবে আমি আগ্ৰহেৰে বাট চাই ৰ'লো।

## বিজেপি-আল্‌ফাৰ ৰণচালি ঃ

বি জে পি অৰ্থাৎ ভাৰতীয় জনতা পাৰ্টিয়ে এষাৰ কথা মৰ্মে মৰ্মে উপলব্ধি কৰিছে যে তেওঁলোকৰ গোড়া মৌলবাদী নীতিৰে উত্তৰ পূৰ্বাঞ্চলত কোনো ৰকমেই প্ৰভাৱ বিস্তাৰ কৰিবগৈ নোৱাৰে। গাদী দখল কৰাটো স্বপ্ন মাথোন। বেচ কৌশলেৰে সেয়েহে উত্থাপন কৰিছে অসমৰ এটা অতি আৱেগিক বিষয়। বাংলা-দেশী প্ৰসঙ্গ। অলপতে ভূপালত বহা বি জে পিৰ ৰাষ্ট্ৰীয় কৰ্ম সমিতিৰ বৈঠকত বাংলাদেশী অনুপ্ৰৱেশৰ বিৰুদ্ধে জনমত গঢ়ি তোলাৰ উদ্দেশ্যেৰে অৰুণাচলৰ পৰশুৰাম কুণ্ডৰপৰা মহা ধূমধামেৰে ৰথ যাত্ৰা উলিওৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। উত্তৰ পূৰ্বাঞ্চলত হিন্দু মুছলমানৰ মাজত যুগ যুগ ধৰি বৰ্তি থকা সাতামপুৰুষীয়া এনাজৰিডাল এই প্ৰস্তাৱিত ৰথ যাত্ৰাই যে অলপ হ'লেও দুৰ্বল কৰি তুলিব তাক নিঃসন্দেহে ক'ব পাৰি। নিজকে অসমৰ সদা জাগ্ৰত প্ৰহৰী বুলি চিঞৰ-বাখৰ কৰা সদৌ অসম ছাত্ৰ সংস্থাই প্ৰস্তাৱিত ৰথ যাত্ৰাৰ সবল প্ৰতিবাদ আজিলৈকে কৰা নাই। অগপ বা অন্য ৰাজনৈতিক দলবোৰেও ইয়াৰ প্ৰতিবাদ কৰা নাই। বৰ্তমানলৈকে আল্‌ফাইহে ইয়াৰ বিৰোধিতা কৰিছে। বেছ কৌশলেৰে আল্‌ফাই ইয়াৰ প্ৰতিবাদ কৰি দুয়োকুল ৰক্ষা কৰিবলৈ যে গৈছে তাক বহুজনে ভালদৰে বুজি উঠিছেগৈ।

বাংলাদেশৰ চৰকাৰৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰাৰ উদ্দেশ্যেৰেই আজি দুমাহমানৰ আগতে অসম সংযুক্ত মুক্তি বাহিনীয়ে এখন প্ৰচাৰ পত্ৰিকাত অসমত প্ৰব্ৰজনৰ সমস্যাৰ কথা স্বীকাৰ কৰিও ১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈকে সদৌ অসম ছাত্ৰ সংস্থা আৰু গণ সংগ্ৰাম পৰিষদৰ নেতৃত্বত চলা আন্দোলনটোক আৱেগিক বুলি অভিহিত কৰিছিল। প্ৰচাৰ পত্ৰিকা খনত সংযুক্ত মুক্তি বাহিনীয়ে পূৰ্ববঙ্গীয় জনগোষ্ঠীক (পূৰ্ব বঙ্গৰপৰা ইতিমধ্যে অসমলৈ প্ৰব্ৰজন কৰা অসম বাসী হিচাপে স্বীকৃতি দিছে।

আল্‌ফাৰ এই ঘোষণাৰ তীব্ৰ প্ৰতিবাদ কৰি দিয়া বিবৃতিত সদৌ অসম ছাত্ৰ সংস্থাই স্পষ্ট,

ভাষাৰে কয় যে, "অসম আন্দোলনৰ যুক্তি যুক্ততা আৰু ন্যায্যতা সম্পৰ্কত এতিয়া অসম বাসীক আল্ফাই নতুনকৈ বুজোৱাৰ প্ৰয়োজন নাই। আল্ফাৰ পৰা ছাত্ৰ সংস্থাই একো শিকিব লগীয়া নাই। অসম বাসী বিচ্ছিন্নতাবাদৰ সপক্ষে নাই। ছাত্ৰ সংস্থা বিচ্ছিন্নতা বাদৰ বিৰোধী।"

এই একেটা বিবৃতিতে ছাত্ৰ সংস্থাই পুনৰ কৈছে-"অসমৰ মাটিতে অসমৰ খিলঞ্জীয়া মানুহখিনি সংখ্যালঘুত পৰিণত হোৱাৰ বিৰুদ্ধে সংগ্ৰাম চলাবলৈ ছাত্ৰ সংস্থা দায়বদ্ধ। বাংলাদেশীক আশ্ৰয় দিবলৈ ওলোৱা আল্ফাই প্ৰকৃততে এখন বৃহত্তৰ বাংলাদেশ গঠনৰ পৰিকল্পনাতহে পৰোক্ষ ভাবে সহায় কৰিবলৈ আগবাঢ়ি আহিছে।" ছাত্ৰ সংস্থাই আকৌ অভিযোগ কৰে যে, আল্ফাৰ অদূৰদৰ্শী, অপৰিপক্ক, চিন্তা-চৰ্চা, ভ্ৰান্ত ধাৰণা, অবাস্তৱ দাবী আৰু নৃশংস হত্যা লুণ্ঠন আদি কাৰ্য কলাপৰ বাবে অসমত এটা অস্থিৰ আৰু অনিশ্চয়তাৰ পৰিবেশ সৃষ্টি হৈছে।

সদৌ অসম ছাত্ৰ সংস্থাৰ পৰা এই প্ৰচণ্ড হুমকি পোৱাৰ পিছত স্বাভাৱিকতে আল্ফাই চক খাই উঠিছিল। অসমবাসী সৰহভাগেই বাহিৰে নহলেও ভিতৰি আল্ফাৰ প্ৰতি অসন্তুষ্ট হৈ উঠিল। উপায়ন্তৰ হৈ আল্ফাই সুযোগলৈ বাট চাই থাকিল। অৱশেহত বি জে পিৰ ৰথ যাত্ৰাই এই সূবৰ্ণ সুযোগটো আনি দিলে। এইবাৰ খুব সাবধানতা অবলম্বন কৰি আল্ফাই এই বিষয়ত মনোনিৱেশ কৰিছে। বিবৃতিও দিছে অতি সাৱধানতাৰে। সাপো মৰক লাঠিও নাভাঙক। অৰ্থাৎ অসমীয়া জনসাধাৰণেও বেয়া নাপাওক আৰু বাংলাদেশৰ চৰকাৰেও ৰুষ্ট নহওক। আল্ফাৰ এই কৌশল কিন্তু মানিবলগীয়া!

অযোধ্যাৰপৰা ভূপাল, ভূপালৰপৰা পৰশুকুণ্ডলৈ প্ৰসাৰিত বিজেপিৰ ৰথ যাত্ৰা আল্ফাৰ হুমকিৰে বন্ধ কৰিব নোৱাৰিব বুলি আজিয়েই খাটাংকৈ কৈ দিব পাৰি। সশস্ত্ৰ পুলিচৰ আবেষ্টনীৰ মাজেৰে হলেও এই ৰথ খন আগবাঢ়ি যাবই। ছাত্ৰসংস্থা আৰু অগপ দলে এই বিষয়ত মৃদু প্ৰতিবাদ এটি আগবঢ়াই দায়িত্বৰপৰা হাত সাৰিব যেনহে অনুমান হৈছে। ৯৫ ৰ নিৰ্বাচনত অসমৰ ৰাজগাদী দখল কৰাৰ গোপন সন্ধি বিজেপি আৰু অগপ দলৰ মাজত হোৱাটো একো আচৰিত কথা নহয়। এতিয়া নহলেও ভৱিষ্যতে এই দুই দলৰ মাজত মিত্ৰতাৰ চুক্তি হোৱাৰ খুৱেই সম্ভাৱনা আছে।

অসমৰ শাসকদলৰ সমুখত এই গুৰুতৰ প্ৰত্যাহ্বানৰ মুখা মুখি হ'বলৈ কেনে ধৰণৰ পৰিকল্পনা আছে তাক এতিয়াও গম পোৱা নাই। এই প্ৰত্যাহ্বান কিন্তু মামুলি নহয়, হয়তো ইয়াতেই লুকাই আছে অনাগত দিনৰ এখন জীৱন্ত ছবি ...... ! সূ

# অৱক্ষয়ৰ গৰাহত অসম কৃষি বিশ্ববিদ্যালয়

স্বপ্না বেজবৰুৱা

ওপৰোক্ত শিৰোনামাৰে 'সূত্ৰধাৰ'ত প্ৰকাশিত আমাৰ প্ৰতিবেদনৰ প্ৰথম অংশৰ বিপৰীতে অসম কৃষি বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক আৰু ৰাজেন বৰুৱাই যি গোকাট মিছা যুক্তিৰে পাঠকসকলক ভুৱা দিবলৈ অপপ্ৰয়াস কৰিছে তাৰ প্ৰত্যুত্তৰত আমাৰ বক্তব্য এনেধৰণৰ-

অসম কৃষি বিশ্ববিদ্যালয়ৰ শিক্ষা যে পুথিগত এয়া আমি সাজি কোৱা কথা নহয়। স্বয়ং ছাত্ৰ, শিক্ষকৰেই মন্তব্য। এই পুথিগত শিক্ষাৰ বিষয়ে ১-১৫ ছেপ্টেম্বৰৰ সূত্ৰধাৰত প্ৰকাশিত হৰিচৰণ দাস আৰু ছাত্ৰ এজনৰ মন্তব্যই যথেষ্ট। পঞ্জীয়ক মহোদয়ে উক্ত সংখ্যাটো পঢ়ি চালে সম্যক জ্ঞান হ'ব বুলি আমাৰ ধাৰণা। পঞ্জীয়কে যি Practical Crops Productionৰ কথা কৈছে সেইখন এখন ভেকো ভাওনাহে মাথোন। ছাত্ৰসকলে একান্ত আগ্ৰহেৰে কৰিবলৈ বিচৰা এই Practical-তে ২ বছৰৰ আগৰে সময়সীমা পাৰ হৈ যোৱা ঔষধ প্ৰয়োগ কৰিবলৈ দিয়া হয়। এই ক্ষেত্ৰত পঞ্জীয়কে স্পষ্টীকৰণত চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ ভুল বুলি মূৰ পুলুকা মাৰিবলৈ অপচেষ্টা কৰিছে। কিন্তু আমি পঞ্জীয়ক মহোদয়ক প্ৰশ্ন কৰিব বিচাৰো যে - এদিন নহয় দুদিন নহয় দুটা বছৰ পাৰ হৈ যোৱাৰ পাছতো তেনে অব্যৱহৃত ঔষধ ৰখা হৈছিল কিয়? ছাত্ৰসকলে এই বিষয়ে কৰ্তৃপক্ষক স্পষ্টভাবে দৃষ্টিগোচৰ কৰাৰ ঠিক এসপ্তাহৰ পাছতে পুনৰ সেই ঔষধকে ছাত্ৰক পথাৰত প্ৰয়োগ কৰিবলৈ দিয়া হৈছিল কিয়? ইয়াৰ পাছতো পঞ্জীয়কে ছাত্ৰৰ প্ৰতি কৰ্তৃপক্ষৰ অমনোযোগিতা নহয় চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ ভুল বুলি কোৱাতো জ্ঞানী মূৰ্খৰহে কাম। তদুপৰি যি RAWE কাৰ্যসূচীৰ কথা স্পষ্টীকৰণটোত কোৱা হৈছে সেয়া এতিয়াও কাৰ্যকৰী হোৱা নাই। ইয়াকে কয় বোলে - 'গছত কঠাল ওঁঠত তেল, নৌখাওঁতেই চেলবেল।'

কৃষিবিজ্ঞান আৰু কৃষকৰ মাজত ব্যৱধান কমিছে বুলি পঞ্জীয়কে কিহৰ ভিত্তিত ক'লে আমাৰ বোধগম্য নহ'ল। অসম কৃষি বিশ্ববিদ্যালয়ত বৰ্তমান সম্প্ৰসাৰণ শিক্ষা, প্ৰশিক্ষণ আৰু গৱেষণাৰ নামত কি প্ৰহসন চলি আছে সেয়া আমাৰ প্ৰতিবেদনৰ দ্বিতীয় অংশত প্ৰকাশ কৰা হৈছে।

কৃষি বিশ্ববিদ্যালয়খনত চলি থকা ঋণাত্মক দিশসমূহ আঙুলিয়াই দি এইবোৰ সমাধানৰ বাবে কৰ্তৃপক্ষ, শিক্ষক, ছাত্ৰ, কৰ্মচাৰীৰ লগতে সমগ্ৰ অসমৰ জনসাধাৰণৰ দৃষ্টি আকৰ্ষণ কৰাই আমাৰ প্ৰতিবেদনৰ উদ্দেশ্য আছিল। তাৰ লগত সংগতি ৰাখিয়েই ডঃ স্বামীনাথনৰ উদ্ধৃতিৰ একাংশ প্ৰতিবেদনত তুলি দিয়া হৈছিল। কিন্তু কৰ্তৃপক্ষই স্পষ্টীকৰণত নিজৰ দোষ ঢাকি ৰাখিবৰ বাবে স্বামীনাথনে কেনেদৰে শলাগি গ'ল তাৰ উদ্ধৃতি তুলি সান্ত্বনা লভিছে। এজন আলহীক নিমন্ত্ৰণ কৰিলে গৃহস্থক শলাগি এষাৰ কথা কোৱাটো জ্ঞানী লোকৰ লক্ষণেই। যিদৰে ঘৰত সৰু ল'ৰা-ছোৱালী থাকিলে লজেন্স লৈ যোৱাটো ভদ্ৰতা। কিন্তু তাকে লৈ কৃষি বিশ্ববিদ্যালয় উৰ্ধ্বতম কৰ্তৃপক্ষ আৰু ৰাজেন বৰুৱাৰ দৰে বিজ্ঞ লোকে গৌৰৱবোধ কৰাটো বৰ শিশুসুলভ আচৰণ। তেখেতসকলে মন কৰিছেনে যে ডঃ স্বামীনাথনৰ বক্তব্যৰ শিৰোনামাই আছিল - 'Assam is green but has no green revolution.' ইয়াৰ সাৰমৰ্ম উপলব্ধি কৰাৰ সামৰ্থ্য পঞ্জীয়ক তথা শ্ৰীবৰুৱাৰ আছেনে নাই সেইটো আমাৰ সন্দেহ হৈছে।

আমাৰ প্ৰতিবেদনত জ্যেষ্ঠ শিক্ষক গৰাকীৰ মন্তব্য উদাহৰণ স্বৰূপেহে দিয়া হৈছিল। পঞ্জীয়ক তথা বিশ্ববিদ্যালয় কৰ্তৃপক্ষই কেৱল কাৰ্যালয়ৰ চাৰিবেৰৰ মাজতে দৰবাৰ পাতি থকাৰ বাবে কৃষি বিশ্ববিদ্যালয়খনৰ সম্পৰ্কে ছাত্ৰ, শিক্ষক, বিজ্ঞানী তথা জনসাধাৰণৰ ধাৰণা কেনে হ'বলৈ বাধ্য হৈছে সেই কথা উপলব্ধি কৰিব পৰা নাই। তদুপৰি উক্ত জ্যেষ্ঠ শিক্ষকজনৰ দৰে অন্য ব্যক্তি সকলে কৰা মন্তব্যবোৰৰ ওপৰত গুৰুত্ব নিদি টোগলকী শাসন চলাই যোৱাৰ বাবেই আজি কৃষি বিশ্ববিদ্যালয়খনৰ এই দুৰৱস্থা। গতিকে স্পষ্টীকৰণৰ বাবেই এটা স্পষ্টীকৰণ যুগুত কৰিলেই সমস্যা সমাধান নহয়। আমি কৃষি বিশ্ববিদ্যালয় কৰ্তৃপক্ষ তথা পদলেহনকাৰীৰ লগত কলমৰ চুপতি মাৰিবলৈ প্ৰতিবেদন যুগুত কৰা নাই। অসমৰ জনসাধাৰণক কৃষি বিশ্ববিদ্যালয়ৰ উন্নতি লাগে, কৃষিৰ উন্নতি লাগে। গতিকে কৰ্তৃপক্ষই আঙুলিয়াই দিয়া দোষ ত্ৰুটীবোৰ সংশোধন কৰিবলৈ যত্ন কৰক।

পঞ্জীয়কে কৈছে যে গৱেষণাৰ বাবে পৰীক্ষামূলক পথাৰত সকলো সুবিধা আছে। কিন্তু আমি পঞ্জীয়ক মহোদয়ক প্ৰশ্ন কৰিছো তেখেতে পৰীক্ষামূলক পথাৰত বছৰত কেইবাৰ পদধূলি দিছে? আনকি যোৱা পাঁচোটা বছৰত থকা উপাচাৰ্যজনে বিনা নিমন্ত্ৰণে কোনো দিনেই এই পথাৰ বা ফাৰ্মবোৰ পৰিদৰ্শন কৰা নাছিল বুলি ছাত্ৰ শিক্ষক বিজ্ঞানীয়ে অভিযোগ তুলিছে কিন্তু অসমৰ বাহিৰৰ কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্যই প্ৰায়েই এনে পথাৰ আৰু ফাৰ্মসমূহ পৰিদৰ্শন কৰি সু-ব্যৱস্থাৰ বাবে পদক্ষেপ লয় বুলি প্ৰত্যক্ষদৰ্শী কৃষি বিজ্ঞানীয়ে আমাক অৱগত কৰে। দ্বিতীয়তে জৰাজীৰ্ণ জঁকাটোৰ দৰে থিয় হৈ থকা জলধাৰাটো নিৰ্মিয়মান অৱস্থাত থকা বুলি স্পষ্টীকৰণটোত কৈছে, আমি তেখেতক প্ৰশ্ন কৰো এনে এটা জলধাৰা নিৰ্মাণ কৰিবলৈ কিমান বছৰৰ প্ৰয়োজন হয়?

পঞ্জীয়ক তথা ৰাজেন বৰুৱাই আমাক আক্ৰমণ কৰি বিভিন্ন প্ৰকাৰে কবলৈ বিচাৰিছে যে যোৱা পাঁচটা বছৰত শিক্ষক, কৰ্মচাৰী নিয়োগত কোনো অন্যায়, অনিয়ম, স্বজনতোষণ হোৱা নাই। তাৰ প্ৰত্যুত্তৰত আমি মাত্ৰ কেইটামান উদাহৰণ দাঙি ধৰিলো।

জয়জয়তে পঞ্জীয়কৰ কথাকে ধৰা যাওক। অসম কৃষি বিশ্ববিদ্যালয় বিধি অনুযায়ী পঞ্জীয়কৰ পদৰ বাবে বাতৰি কাকতত বিজ্ঞাপন দি সাক্ষাৎকাৰ অনুষ্ঠিত কৰি তাৰ ভিত্তিতহে এজন দক্ষ প্ৰশাসকক পঞ্জীয়ক হিচাপে নিযুক্তি দিব লাগে। কিন্তু বৰ্তমান পঞ্জীয়কৰ পদত থকা লক্ষেশ্বৰ দত্তৰ নিযুক্তিয়েই অবৈধ। কাৰণ তেখেতে কোনো আবেদনো কৰা নাছিল আৰু সাক্ষাৎকাৰো অনুষ্ঠিত হোৱা নাছিল।

দ্বিতীয়তে Comptroller পদবীটোত অসম চৰকাৰৰ এজন বিত্তীয় অভিজ্ঞতা সম্পন্ন বিষয়াক নিযুক্তি দিব লাগে। আগৰে পৰা এই নিয়মেই চলি আহিছিল। কিন্তু ডঃ প্ৰফুল্ল বৰা উপাচাৰ্য থকাৰ দিনত হঠাৎ Deputy Comptrollerৰ জনকে Comptroller পদত নিযুক্তি দিয়া হ'ল। বিধি অনুযায়ী ইয়াৰ বাবে কোনো সাক্ষাৎকাৰো অনুষ্ঠিত নহ'ল।

অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনত বিশ্বনাথ চাৰিআলিত থকা কৃষি মহাবিদ্যালয়খনৰ Associate Dean জনৰ নিযুক্তিও ৰহস্যজনক। এইজন ব্যক্তিয়ে প্ৰাক্তন উপাচাৰ্য বৰাৰ অনুগ্ৰহতে একে মাহতে অধ্যাপকও হ'ল আৰু লগে লগে Deanও হ'ল। আমাৰ প্ৰশ্ন হ'ল কিহৰ ওপৰত ভিত্তি কৰি এইজন ব্যক্তিয়ে এনে মুনাফা লাভ কৰিলে। বিশ্ববিদ্যালয় কৰ্তৃপক্ষই ক'ব পাৰিবনে যে - এই পদৰ বাবে বিশ্ববিদ্যালয়খনত তেওঁতকৈ উপযুক্ত ব্যক্তি নাছিল?

শিক্ষাগত অৰ্হতা থকা সত্ত্বেও বিশ্ববিদ্যালয়খনৰ বহুতো ব্যক্তিকে কৰ্তৃপক্ষই পদোন্নতি দিয়া নাই। কিন্তু ডঃ বৰা উপাচাৰ্য থকাৰ দিনত আই টি আই পাছ কৰা এজন যোগ্যতাবিহীন লোকক সহকাৰী অভিযন্তালৈ পদোন্নতি দিলে। সাধাৰণতে এনে পদৰ বাবে B.E. ডিগ্ৰীৰ প্ৰয়োজন।

পঞ্জীয়কে উল্লেখ কৰিছে যে "বিশ্ববিদ্যালয়ৰ শিক্ষক নিযুক্তি আৰু পদোন্নতিৰ বাবে নিজস্ব নীতি নিৰ্দ্ধাৰিক সমিতি আছে আৰু এই সমিতিসমূহৰ সিদ্ধান্ত অনুসৰি সময়ে সময়ে যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা হয়।" কিন্তু অধ্যাপক, ৰীডাৰ, প্ৰবক্তা আদি নিযুক্তিৰ ক্ষেত্ৰত আৰু ব্যক্তিগত পদোন্নতিৰ ক্ষেত্ৰত U.G.C. য়ে বান্ধি দিয়া নীতি আছে আৰু ভাৰতৰ সকলো বিশ্ববিদ্যালয়ে এই নীতি মানি চলে। কিন্তু অসম কৃষি বিশ্ববিদ্যালয়ে নিজস্ব নীতি গ্ৰহণ কৰাৰ অধিকাৰ ক'ত পালে?

এই যে অধ্যাপক নিযুক্তিত উপাচাৰ্য চেয়াৰমেন হিচাপে থাকে তাতেই তেওঁ নিজৰ সুবিধা অনুযায়ী সিদ্ধান্ত গ্ৰহণৰ বাবে আগতীয়া প্ৰস্তুতি চলায়। সহযোগী অধ্যাপক আৰু সহকাৰী অধ্যাপকৰ বাবে বাহিৰৰ অৰ্হতাসম্পন্ন ব্যক্তি, বিজ্ঞানীক চেয়াৰমেন হিচাপে মনোনীত কৰা হয় বুলি পঞ্জীয়কে কৈছে। কিন্তু যিজন উপাচাৰ্যই (ডঃ পি চি বৰা) বাহিৰৰ এখন বিশ্ববিদ্যালয়ৰ উপাচাৰ্যক গৈ এগৰাকী ভদ্ৰমহিলাৰ পাঠ্যক্ৰম চমুৱাই আনিবলৈ অনুৰোধ কৰিবগৈ পাৰে, ডাইৰেক্টৰ পদৰ বাবে ৫ বছৰ অধ্যাপকৰ অৰ্হতা, ৩ বছৰলৈ কমোৱাৰ বাবে চেষ্টা চলাব পাৰে তেওঁ আৰু কি কৰিব নোৱাৰে? গতিকে বাহিৰৰ পৰা অনা ব্যক্তিসকলকো তেওঁ কেনে ধৰণেৰে আমন্ত্ৰণ জনায় বা কেনেদৰে তেওঁৰ সপক্ষে মান্তি কৰাৰ ব্যৱস্থা কৰে সেই কথা বুজিবলৈ কিবা বাকী থাকিল নে? পঞ্জীয়কে কৈছে - বাছনি সমিতিত অনুষদৰ ডীন, গৱেষণা সঞ্চালক, সম্প্ৰসাৰণ শিক্ষাসঞ্চালক আৰু বিভাগীয় মুৰব্বী সকল সদস্য হিচাপে থাকে। কিন্তু এই ব্যক্তিসকলক কেইবাটাও বিভাগত উপাচাৰ্যই তেওঁৰ জ্ঞাতিক নিযুক্তি দি থৈছে। গতিকে 'Majority must be grant'. তাৰপাছত ব'ৰ্ডত অনুমোদন জনাবলৈ কোনো অসুবিধা নাথাকে। একাডেমীক কাউন্সিলৰ বা ব'ৰ্ডৰ সভা কেতিয়া কেনেকৈ অনুষ্ঠিত কৰে সেইবোৰ বকিবলৈ হ'লে আজি আমাৰ প্ৰতিবেদন শেষ কৰা সম্ভৱ নহ'ব। যোৱা ১৬-৩১ আগষ্টৰ সূত্ৰধাৰত অসম কৃষি বিশ্ববিদ্যালয়ৰ প্ৰাণদীপ ডেকাই নিযুক্তি আৰু পদোন্নতিৰ ক্ষেত্ৰত স্বজন প্ৰীতি আৰু তোষামোদকাৰীয়ে পোৱা সুবিধাৰ এখন ছবি দাঙি ধৰিছে। তেখেতে উল্লেখ কৰিছে যে 'বিশ্ববিদ্যালয়ৰ স্বাৰ্থৰ খাতিৰত' নামৰ তথাকথিত অস্ত্ৰপাতে বহুতো নিৰপেক্ষ বিদ্বান, গুণী, বিজ্ঞানী, শিক্ষক বা সুদক্ষ বিষয়া কৰ্মচাৰীৰ দক্ষ-পটুতাক দিনক দিনে কৰ্তৃপক্ষই হত্যা কৰি আহিছে।

পঞ্জীয়ক আৰু ৰাজেন বৰুৱাই শিক্ষকৰ সাক্ষাৎকাৰলৈ আমন্ত্ৰণ জনোৱাৰ পদ্ধতি সম্পৰ্কে বৰ দীঘলীয়া বক্তব্য দাঙি ধৰিলে। আমি বেছি কথা নকৈ তেওঁলোকক এইটোকে সুধিব বিচাৰো যে ইমান নীতি নিয়মৰ মাজেদি যাওঁতেও যোৱা ২৭ জুলাইৰ পৰা এসপ্তাহ ধৰি চলিব লগা বিভিন্ন পদৰ সাক্ষাৎকাৰ বিশ্ববিদ্যালয়ে জাননী যোগে এদিনৰ আগতে বন্ধ ৰাখিব লগা হ'ল কিয়? বাতৰি কাকতত পঢ়িবলৈ পালো বিশ্ববিদ্যালয়ৰ পাঁচজন শিক্ষকে আদালতত গোচৰ তৰাত আদালতে সাক্ষাৎকাৰ বন্ধ ৰাখিবলৈ নিৰ্দেশ দিছে। আমাৰ প্ৰশ্ন হ'ল - কোনো যুক্তি নথকাকৈ শিক্ষক কেইজন আদালতৰ কাষ চাপিলে নে? আদালতেও গোচৰৰ যুক্তি নথকাকৈ তেনে নিৰ্দেশ দিলেনে? নে পঞ্জীয়ক বা ৰাজেন বৰুৱাই আদালতৰো ন্যস্ত স্বাৰ্থ বুলি ক'ব!

কৰ্তৃপক্ষৰ ভুলৰ বাবেই এই সাক্ষাৎকাৰ অনুষ্ঠিত কৰিব নোৱৰাত বিশ্ববিদ্যালয়খনৰ কাম কাজ কেইবা মাহলৈ পিছ পৰি ৰ'ল। লগতে বহুতো নিবনুৱা যুৱক হতাশ হ'ল আৰু তেওঁলোকৰ ভৱিষ্যত এখোজ পিছুৱাই আহিল। ইয়াৰ বাবে কৰ্তৃপক্ষ জগৰীয়া নে ৫ জন শিক্ষক জগৰীয়া। নিশ্চয় কৰ্তৃপক্ষ। কাৰণ কোনো ব্যক্তি ন্যায়ৰ পৰা বঞ্চিত হলে, প্ৰাপ্যৰ পৰা বঞ্চিত হলে, কাৰোবাক অন্যায় কৰিলে ন্যায়ালয়ৰ কাষ চপাৰ অধিকাৰ সংবিধানে দিছে। অন্যায় অনিয়ম নিৰ্বিবাদে সহ্য কৰাটো কাপুৰুষালি মাত্ৰ। গতিকে বিশ্ববিদ্যালয়ৰ শিক্ষকে অন্ততঃ এই কাপুৰুষালি নকৰে।

উক্ত সাক্ষাৎকাৰ অনুষ্ঠিত কৰিবলৈ প্ৰক্ৰিয়াটো আৰম্ভ কৰাৰ দিন ধৰি কৰ্তৃপক্ষই কৰি অহা অনিয়মৰ কথা আমাৰ প্ৰতিবেদনত সদৰি কৰাৰ বাবে শ্ৰীবৰুৱাই আমাৰ হে জ্ঞাতি ভাইয়ে সাক্ষাৎকাৰলৈ আমন্ত্ৰণ নোপোৱা বুলি আক্ৰমণ কৰাৰ প্ৰয়াস কৰিছে। শ্ৰীবৰুৱাক আমি জনাব খোজো যে সমগ্ৰ অসমৰ জনসাধাৰণ আমাৰ জ্ঞাতি ভাই ককাই ইত্যাদি। তেওঁলোকক যেতিয়া কোনোবাই অন্যায় কৰে, শোষণ কৰে তেতিয়া তাৰ বিৰুদ্ধে মাত মতাটো আমাৰ কৰ্তব্য। বিশেষকৈ অসমৰ বিশ্ববিদ্যালয় কেইখনত চলি অহা দুৰ্নীতি, অন্যায়, অনিয়মৰ বিৰুদ্ধে আমাৰ কলম সদায় সৰব। ৰাজেন বৰুৱাই তেখেতৰ অধ্যয়নৰ সীমাবদ্ধতাৰ বাবেই এই কথা নাজানে যে যোৱা এবছৰতকৈও অধিক কাল আমি 'সূত্ৰধাৰ'ৰ পাতত 'বিশ্ববিদ্যালয়ৰ বাতৰি' পৰিবেশন কৰি আহিছো। কিন্তু আমাৰ প্ৰতিবেদনত কোন কাৰ অঙহী-বঙহী, কোন কাৰ জোঁৱাই, কোন কাৰ প্ৰেয়সী, কোন কাৰ জাতৰ এইবোৰৰ তালিকা প্ৰকাশ কৰাৰ বাবে

# দুৰ্নীতিৰ কেইটামান খবৰ

(১) আজি কেইবছৰমানৰ আগতে খানাপাৰা চৌহদত পৰ্ক প্ৰচেচিং প্ৰকল্প (Pork Processing Plant) নামৰ এটা প্ৰকল্প আৰম্ভ কৰিছিল। তাৰ বাবে প্ৰয়োজনীয় কৰ্মচাৰী, ঘৰ-দুৱাৰ সকলো হ'ল। প্ৰয়োজনীয় ১৮.৫ লাখ টকাৰ সঁজুলিও অনা হ'ল। প্ৰকৃততে ইয়াৰ বাবে প্ৰয়োজনীয় সা-সঁজুলিবোৰ শতকৰা এশ ভাগেই ষ্টেইনলেচ ষ্টিলৰ হ'ব লাগে। কিন্তু তাৰ ঠাইত শতকৰা এশভাগ কাষ্ট আইৰণৰ সামগ্ৰীহে যোগান ধৰা হ'ল। ফলত কিছুদিন চলাৰ পাছত দেখা গ'ল সঁজুলিবোৰ মামৰে ধৰি সম্পূৰ্ণৰূপে নষ্ট হৈ গ'ল আৰু অৱশেষত গোটেই প্ৰকল্পটোৱেই বন্ধ কৰি দিব লগা হ'ল। এতিয়া এই প্ৰকল্পটোৰ বাবে নিয়োগ কৰা কৰ্মচাৰীক বিশ্ববিদ্যালয়খনে অবাবতেই দৰমহা দি থাকিব লগা হৈছে। কিন্তু এই ১৮.৫ লাখ টকাৰ মানদণ্ডবিহীন ভুৱা সামগ্ৰী যোগান ধৰাৰ তদন্ত আজিও নহ'ল।

(২) অষ্টম আন্তঃকলেজ প্ৰতিযোগিতাৰ সময়ত খানাপাৰা চৌহদৰ Associate Dean জনৰ তত্ত্বাৱধানত কেইহাজাৰমান টকাৰ খেলাৰ সামগ্ৰী কিনিছিল। সময়ত তাৰ নথিপত্ৰ কৃষি বিশ্ববিদ্যালয়ৰ ছাত্ৰকল্যাণ সঞ্চালক গৰাকীলৈ প্ৰেৰণ কৰা হ'ল। কিন্তু এই ভদ্ৰলোকে ছাত্ৰৰ চহী জাল কৰি ভুৱা ৰছিদ পত্ৰৰে অধিক টকাৰ খৰচ দেখুৱাই কেইবাহাজাৰো টকা আত্মসাৎ কৰাৰ চেষ্টা চলাইছিল। কিন্তু তেনেতে ছাত্ৰ-সংস্থাৰ দৃষ্টি গোচৰ হোৱাত বিষয়টি উৰ্ধ্বতম কৰ্তৃপক্ষৰ দৃষ্টিগোচৰ কৰা হ'ল। কিন্তু আজি পৰ্যন্ত তাৰ বিচাৰ নহ'ল। সঞ্চালকজনে এতিয়াও সান্দহ খায়েই আছে।

(৩) তিতাবৰ ধান গৱেষণা কেন্দ্ৰত ১৯৯০ চনত উৎপাদন কৰা ব্ৰিদাৰ ছিদ (Breeuer Seed) সমূহ বীজৰ বাবে উপযুক্ত নহয় বুলি ৰাইচ ব্ৰিডাৰ জনে লিখিত ভাবে মুখ্য বিজ্ঞানীজনক জনাইছিল। কিন্তু তৎসত্ত্বেও মুখ্য বিজ্ঞানীজনে সেই অনুপযুক্ত বীজকে অসম বীজ নিগমক বিক্ৰী কৰিলে। ফলত এই অনুপযুক্ত বীজেই বীজ নিগমৰ যোগেদি অসমৰ কৃষকৰ মাজত সিঁচৰতি হৈ পৰিল। এই বিষয়টো তেতিয়াৰ উৰ্ধ্বতম কৰ্তৃপক্ষক অৱগত কৰা হৈছিল যদিও অৱগত কৰোতাজনহে কৰ্তৃপক্ষৰ ৰোষত পৰিল। মুখ্য বিজ্ঞানীজন এতিয়াও বিশ্ববিদ্যালয়ৰ খৰচত তেল পুৰি দিনৌ তিতাবৰলৈ অহা যোৱা কৰিয়েই আছে। যদিও মুখ্য বিজ্ঞানী জনৰ গৱেষণা কেন্দ্ৰৰ চৌহদত থকা আবাসতে থকাটো নিয়ম। জানিব পৰা মতে ডঃ পি চি বৰা উপাচাৰ্য থকাৰ দিনত বিজ্ঞানী জনৰ গাড়ীৰ পাছফালে জহা চাউলৰ বস্তাও উপঢৌকন হিচাপে আহি আছিল।

বিশ্ববিদ্যালয়ৰ কোনো কৰ্মচাৰীয়ে গৃহ নিৰ্মাণৰ বাবে ঋণ ল'লে তেওঁ বিশ্ববিদ্যালয়ৰ আবাস এৰি দিব লগাটো নিয়ম। কিন্তু স্বয়ং পঞ্জীয়ক মহোদয়ে এই ঋণ লৈ গৃহ নিৰ্মাণ কৰাৰ পাছতো বিশ্ববিদ্যালয়ৰ আবাস গৃহতেই দীৰ্ঘদিন কটাইছে। অথচ বহুতো শিক্ষক, কৰ্মচাৰী, বিজ্ঞানীয়ে আবাসৰ অভাৱত হতাশাত ভুগিছে। এয়েই নহয় আবাসগৃহ বিতৰণৰ ক্ষেত্ৰত কৰ্তৃপক্ষই বহুদিনৰ পৰাই বেমেজালিৰ সৃষ্টি কৰি আহিছে। সেয়ে আজিকালি কোনো আবাস গৃহ খালী হ'লেই হতাশ ব্যক্তি সকলে নিজে নিজে তলা ভাঙি আবাগ গৃহ দখল কৰে। বিশ্ববিদ্যালয়ৰ এই অৰাজকতা ৰোধিব কোনে ?

আমি অপাৰগ, এই কাৰণেই যে সাংবাদিকতাৰ এটা ভাষা তথা মানদণ্ড আছে। ভদ্ৰ, শিক্ষিত মানুহে সেই ভাষাৰে লিখিলেই সকলো কথা বুজি পায় সেয়াই যথেষ্ট।

কিন্তু শ্ৰীবৰুৱাৰ গাত ইমানকৈ খজুৱতি উঠাৰ কাৰণহে আমি বুজি নাপালো। অৱশ্যে 'সুজান পাত্ৰ হোৱে যি জন ৰাজাৰ, দোষ এৰি গুণ মাত্ৰ কহয় ৰাজাৰ।'

পঞ্জীয়ক তথা ৰাজেন বৰুৱাই বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ডঃ প্ৰফুল্ল চন্দ্ৰ বৰাৰ নাৰী সম্পৰ্কীয় কেলেংকাৰিৰ পষ্টাৰিঙৰ বিষয়টো উল্লেখ কৰি কৈছে যে তেখেতৰ চৰিত্ৰ হননৰ বাবে আমি অপচেষ্টা চলাইছো। কিন্তু যদি এই বিষয়টোৰ কোনো ভিত্তি নাই তেন্তে কৃষি বিশ্ববিদ্যালয় চৌহদৰ সঞ্চালক গৰাকীয়ে এপ্ৰিলৰ ৯ তাৰিখে সেইখন কিহৰ সভা অনুষ্ঠিত কৰিছিল ?

শ্ৰীৰাজেন বৰুৱাই কৈছে 'অসমত সেউজ বিপ্লৱ কৰিবলৈ যেন অকল অসম কৃষি বিশ্ববিদ্যালয়হে ঠিকা লৈ বহি আছে!' অসম কৃষি বিশ্ববিদ্যালয়খন 'অসম তথা উত্তৰ পূৰ্বাঞ্চলত সেউজ বিপ্লৱ গঢ়ি তুলিবলৈকে স্থাপন কৰা হৈছে। এই বিষয়ে তেওঁ এতিয়াও অজ্ঞ নে ? বিশ্ববিদ্যালয়খন ৰাইজৰ ধনেৰেই চলাইছে আৰু সেই ধন অসম তথা ভাৰতৰ জনসাধাৰণৰ তেজেৰে আৰ্জিছে। ৰাইজৰ হকে কাম কৰাটো বিশ্ববিদ্যালয়খনৰ কৰ্তব্য। ইয়াত ঠিকা ঠুকলিৰ কথা জড়িত কৰাটোৱে বৰুৱাৰ জ্ঞানৰ সীমাৱদ্ধতা আৰু কৰ্তব্যবোধহীনতাৰ কথাই প্ৰমাণিত কৰিছে। এনে কৰ্তব্যবোধশূন্য ব্যক্তিয়ে বিশ্ববিদ্যালয়ৰ বিষয়ে মাত মতাৰ অধিকাৰ নাই। এনেধৰণৰ কৰ্তব্যবোধশূন্য ব্যক্তিৰ বাবেই অসম কৃষি বিশ্ববিদ্যালয় তথা অসমৰ অৱক্ষয় হ'বলৈ ধৰিছে।

বৰুৱাৰ মতে অসমৰ কৃষিৰ ঋণাত্মক দিশ সমূহ বহুত আলোচনাচক্ৰ আৰু কৰ্মশালাত বিশ্লেষণ কৰা হৈছে। তেখেতৰ মতে আমি প্ৰতিবেদন প্ৰস্তুত কৰাৰ আগতে সেইবোৰ অনুমোদনাৱলী পঢ়ি চোৱা হ'লে আমাৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি পালেহেঁতেন আৰু উন্নতমানৰ প্ৰতিবেদন প্ৰস্তুত কৰিব পাৰিলোহেঁতেন। কিন্তু কৃষিৰ বিষয়ে অধিক জ্ঞান অৰ্জন কৰা বা প্ৰতিবেদন লিখি কৃষি বিজ্ঞানী হোৱাৰ উদ্দেশ্য তথা লক্ষ্য আমাৰ নাই। আমাৰ প্ৰতিবেদনৰ উদ্দেশ্য হ'ল কৃষি বিশ্ববিদ্যালয়ৰ ভিতৰ চ'ৰাত কি ঘটিছে সেই বিষয়ে ৰাইজক সচেতন কৰা আৰু দুৰ্নীতি মুক্ত কৰা, কৃষিৰ বিষয়ে জ্ঞান অৰ্জন কৰা, কৃষিৰ উন্নয়ন সাধন কৰা আৰু আলোচনা চক্ৰ আৰু কৰ্মশালাৰ অনুমোদনাৱলী কাৰ্যকৰী কৰা কাম অসম কৃষি বিশ্ববিদ্যালয়ৰহে।


এইখিনিতে আমি বৰুৱাক প্ৰশ্ন কৰিবলৈ বিচাৰো যে ৫০ বা ৬০ দশকত অতি মেধাৱী ছাত্ৰ-ছাত্ৰী কৃষি কলেজত পঢ়িবলৈ অহা নাছিল বুলি মন্তব্য কৰাৰ অধিকাৰ তেওঁক কোনে দিলে। ইয়াৰ সত্য তালিকা তেওঁ দিব পাৰিবনে ? তাৰমানে তেওঁ বৰ্তমানৰ সকলো জ্যেষ্ঠ শিক্ষক, বিজ্ঞানীক মেধাৱী নহয় বুলি ক'ব বিচাৰিছে। বহুত জ্যেষ্ঠ বিজ্ঞানীয়ে অসমৰ বাহিৰত নাম কৰি আহিছিল। কিন্তু বৰ্তমানৰ কৃষি বিশ্ববিদ্যালয়ৰ সীমাৱদ্ধ সুবিধাই তেওঁলোকক পঙ্গু কৰিছে। ৰাজেন বৰুৱাৰ কথাযাৰত এইটো স্পষ্ট হৈ পৰিছে যে – নিশ্চয় তেওঁৰ কোনো শুভাকাংক্ষী তেনে তৃতীয় বিভাগত পাছ কৰি এতিয়া অধ্যাপকৰ আসন শুৱনি কৰি আছে। বৰুৱাই এঠাইত কৈছে যে – অসম কৃষি বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মানদণ্ড ভাৰতবৰ্ষৰ আটাইতকৈ ভাল নাম থকা দিল্লীৰ I.A.R.I., পাঞ্জাব, হাৰিয়ানা আদিতকৈ কোনো গুণে কম নহয়।' কিন্তু বৰুৱাই সেই বিশ্ববিদ্যালয়বোৰে ৰাজ্য সমূহলৈ আগবঢ়োৱা অৱদানৰ লগত অসম কৃষি বিশ্ববিদ্যালয়ৰ অৱদান সমান বুলি ক'ব পাৰিবনে ? আমি ক'বলৈ গৈছো যে ইয়াৰ শিক্ষা পুথিগত আৰু ইয়াৰ অৱদান কৃষিৰ ক্ষেত্ৰত নগণ্য। কৃষিৰ বাবে কেৱল পুথিগত বিদ্যাই যথেষ্ট নহয়। কিন্তু কৃষি বিশ্ববিদ্যালয়খনত মেধাৱী বা আগ্ৰহী ছাত্ৰ-ছাত্ৰী নাই বুলি আমি ক'বলৈ বিচৰা নাই। যথেষ্ট মেধাৱী আৰু আগ্ৰহী ছাত্ৰ-ছাত্ৰী আছে কিন্তু অসম কৃষি বিশ্ববিদ্যালয়ে তেওঁলোকৰ মেধা শক্তিক সদ্ব্যৱহাৰ কৰিব পৰা নাই।

'কৈনো কৈ থাকো মানে ওৰকে নপৰে, কৃষি বিশ্ববিদ্যালয়ৰ কথা।' সেয়ে আমি সামৰণিত ইয়াকে ক'বলৈ বিচাৰো যে – ধৃতৰাষ্ট্ৰ অন্ধ দেখি গান্ধাৰীয়ে চকুত কাপোৰ বান্ধি পতি ভক্তি দেখুৱাবলৈ যাওঁতে গোটেই কুৰুবংশ ধ্বংস হ'ল। গতিকে এতিয়া আৰু অসম কৃষি বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ অন্ধনীতি সমৰ্থন কৰি গান্ধাৰী হ'বৰ দিন নাই। ❖



# নেজানো তোমাক ক'ত আছা প্ৰভু

ৰসানন্দ অভাজন



গভীৰ ঈশ্বৰ বিশ্বাসী ভগৱান প্ৰসাদ ভৰদ্বাজৰ বয়স বৰ বেছি হোৱা নাই। তেওঁ মনে প্ৰাণে বিশ্বাস কৰে যে সৰ্বশক্তিমান ভগৱানৰ অস্তিত্ব সকলোতেই বৰ্তমান। তেওঁ সকলো সময়তে অন্যায় কৰা অধৰমী মানুহক শাস্তি দিয়ে আৰু সজ আৰু পুণ্য কৰা সকলক কৰুণা প্ৰদান কৰে সকলো সময়তে নিৰ্ভয় আশ্ৰয় দিয়ে। ভৰদ্বাজে এই কথা কেৱল দৃঢ় ভাবে বিশ্বাস কৰাই নহয়, ভগৱানৰ প্ৰতি অটল বিশ্বাস ৰাখিবলৈ তেওঁ বুঢ়া-ডেকা সকলোকে উপদেশো দিয়ে।

কিন্তু আজি কিছুদিন ধৰি ওপৰা ওপৰিকৈ এনে কিছুমান ঘটনা ঘটিবলৈ ধৰাত আৰু সেইবোৰৰ প্ৰতিকাৰৰ বিষয়ে মন্দিৰে মন্দিৰে গৈ ভগৱানক কাকূতি কৰি সোধাতো কোনো ধৰণৰ সঁহাৰি নেপাই সকলোৰে অজ্ঞাতে ভৰদ্বাজ প্ৰায় হতাশ হোৱাৰ নিচিনা হৈছে। নাস্তিক কিছুমানে তেওঁৰ প্ৰতি কৰা শ্লেষ-মিশ্ৰিত বক্ৰোক্তিয়েও তেওঁক ভিতৰি ভিতৰি দুৰ্বল কৰি পেলাইছে।

হত্যাকাণ্ড, লুণ্ঠন, ডকাইতি, অপহৰণ, ধৰ্ষণ, পাশৱিক অত্যাচাৰ, বলৎকাৰ, দাবি-হুমকি মাৰি কৰা দাদাগিৰি নেতাৰ অতপালি ইত্যাদি জঘন্য আৰু পাপকাম বোৰ আজি কিছুদিনৰ পৰা দৈনন্দিন নিত্য নৈমিত্তিক সাধাৰণ ঘটনাত পৰিণত হৈছে। এই কথাবোৰ ভগৱানে নিশ্চয় নজনাকৈ থকা নাই। এনে পাপ কাৰ্যৰ বিচাৰ আৰু প্ৰতিকাৰ বিচাৰি হিন্দুৱে মন্দিৰত মুছলমানে মছজিদত, খৃষ্টানে গীৰ্জাত, বৌদ্ধই মঠত ভগৱানক এই সকলোবোৰ জনাই আহিছে। আৰু দুষ্টৰ দমন আৰু শিষ্টৰ পালনৰ কাৰণে প্ৰাৰ্থনা জনাইছে। কিন্তু এতিয়ালৈকে দেখা গৈছে, মানুহৰ কাতৰ প্ৰাৰ্থনা অৰণ্যত ৰোদনৰ নিচিনা হৈ পৰিছে। কোনো প্ৰতিকাৰ মানুহে দেখা নাই। এইবোৰ কাৰণতে ভৰদ্বাজৰ মনত বৰ দুখ আৰু খেদ। ধৰ্ম-তত্ত্ব জ্ঞানী সকলে কয়, মানুহৰ প্ৰাৰ্থনা শুনাৰ পিছতে ভগৱানে সকলো দিশ বৰ সূক্ষ্মভাবে বিচাৰ কৰিহে তেওঁৰ ঐশ্বৰিক ৰায় দিয়ে। এটা উপযুক্ত সময়ত তেওঁ দোষীক শাস্তি বিহে। কোনো পাপী তেওঁৰ শাস্তিৰ পৰা সাৰি যাব নোৱাৰে। জ্ঞানী গুণী সকলৰ মতে, যি কোনো কাৰণতেই নঘটক, মৃত্যুক হেনো ভগৱানে ৰোধ কৰিব নোৱাৰে। কাল-চক্ৰৰ আদিম ৰীতিৰ ওপৰতে ভগৱানে হস্তক্ষেপ নকৰে। কিন্তু ভৰদ্বাজৰ মনত ডাঙৰ আক্ষেপ এইটোৱেই যে এই সকলোবোৰ কথা ভগৱানে মন্দিৰ, মছজিদ, গীৰ্জা আদিলৈ যোৱা তেওঁৰ ভক্তসকলক তেওঁৰ স্বকীয় ইঙ্গিত বা সংকেতেৰে নকয় কিয় ? তেওঁৰ অস্তিত্বকেই মানুহে অনুভব নকৰে। আনহাতে এনেদৰে সম্পূৰ্ণ নীৰৱতা অথবা উদাসীনতা পালন কৰা কাৰণে মানুহৰ যে লাহে লাহে তেওঁৰ প্ৰতি বিশ্বাস আৰু আস্থা নাইকিয়া হৈ গৈছে, তেওঁ নেজানে নেকি ? আজি ঘটা পাপ কাৰ্য বা অন্যায়-অধৰ্মৰ বিচাৰৰ ৰায় যদি এশ বছৰৰ পিছতহে পোৱা হয়, তেনেহলে এই মৰ্ত্ত্যত থকা উচ্চতম ন্যায়ালয়েই দেখোন হেজাৰ গুনে ভাল। ভগৱানৰ সূক্ষ্ম বিচাৰৰ ৰায় শুনিবলৈ পঞ্চাশ বা এশ বছৰ বাট চোৱাৰ ধৈৰ্য আৰু আয়ুস দুয়োটাই কোনো মানুহৰে নাই।

পাছে এদিন অগাপিছাকৈ ঘটা কেইটামান ঘটনাই এনে এটা চৰম উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ সৃষ্টি কৰি দিলে, য়াৰ ফলত ধৰ্মৰ উভয় সংকটত ককবকাই থকা ভৰদ্বাজৰ গভীৰ ঈশ্বৰ বিশ্বাসৰ কটকটীয়া, শক্তিশালী খুটি ডালো লৰক-ফৰক হোৱাৰ উপক্ৰম হ'ল। তিনি চাৰি দিনৰ ভিতৰতে দিন দুপৰতে চাৰি-পাঁচটা হত্যাকাণ্ড, তাৰে দুজন একেবাৰে নিমাখিত আৰু ধৰ্ম-ভীৰু লোক, দুঠাইত নাৰকীয় ধৰ্ষণ কাৰ্য, তিনি ঠাইত ডাঙৰ ধৰণৰ ডকাইতি, ধৰিবলৈ যাওঁতে সিহঁতৰ পুলিচৰ গালৈহে গুলীচালনা, চাৰিজন মানুহ অপহৃত, অতৰ্কিতে খাদ্য বস্তুৰ অতিপাত চৰা দাম, চৰম অভাৱৰ তাড়নাত পৰিয়ালৰ সকলোকে হত্যা কৰি কোনোবা এজনৰ আত্মহত্যা, চৰকাৰী চাকৰিৰ বাবদ দিবলগীয়া ঘোচৰ নিৰিখৰ অতৰ্কিত বৃদ্ধি, নেতাই নেতাই শীতল যুদ্ধ, ইত্যাদি ইত্যাদি।

লাজতে হওক বা আত্মবিশ্বাসৰ অভাৱ ঘটাৰ কাৰণতেই হওক ভৰদ্বাজ দুদিন ঘৰৰ পৰা ওলোৱা নাছিল। কিন্তু ভৰদ্বাজ সাৰিব নোৱাৰিলে। এদিন ৪-৫ জন মানুহ ওলালহি। আটাইকিজনেই সভ্য গব্য সজ্জন ব্যক্তি। আহিয়ে তৰ্জন-গৰ্জন কৰি প্ৰশ্নবানেৰে ভৰদ্বাজক থকা-সৰকা কৰি দিলে–'এতিয়া কওক ভৰদ্বাজজী, আপোনাৰ ভগৱান ক'ত ? ইমানবোৰ ভয়ানক ঘটনা ঘটি গ'ল, কতো ভগৱানৰ চিন-মোকাম বিচাৰি নেপালো। মানুহৰ বিপদ আপদৰ সময়ত যদি আমি ভগৱানক নেপাওঁ, তেন্তে কিহৰ কাৰণে তেওঁক আমাৰ প্ৰয়োজন ? শুনক, আপুনিতো ভগৱানৰ পৰম বিশ্বাসী মানুহ। মন্দিৰ, মছজিদ, গীৰ্জা যতেই হওক তেওঁক আপুনি বিচাৰি উলিয়াওক আৰু মানুহৰ মাজত সৃষ্টি হোৱা উন্মাদ–প্ৰায় বিশৃংখলতাৰ কাৰণবোৰ সোধক আৰু তাৰ প্ৰতিকাৰ বিচাৰক। মাত্ৰ এটা ৰাতি সময় দিলো আপোনাক। কালিলৈ সমিধান নেপালে আমি নাস্তিকত পৰিণত হৈ যাম আৰু তেতিয়া আপোনাৰ দশা কি হ'ব আপুনি নিজেই চিন্তা কৰি লওক।'

লাজ-অপমান আৰু দুশ্চিন্তাত ভৰদ্বাজৰ গোটেই ৰাতি টোপনি নাহিল। কিন্তু পাছ ৰাতি অৰ্দ্ধজাগ্ৰত অৱস্থাত এটা তন্দ্ৰাৰ ভাব আহিল আৰু ঠিক তেতিয়াই তেওঁৰ বিছনাৰ কাষত এজন দিব্য কান্তি পুৰুষৰ আৱিৰ্ভাৱ ঘটিল। উচপ খাই উঠিল যদিও ভৰদ্বাজে বুজিলে সেয়া ভগৱান। সাগৰত পৰা মানুহে কুটা এডাল পোৱাৰ দৰে তেওঁ তৎক্ষণাত বিছনাৰ পৰা নামি চিঞৰি উঠিল–'ভগৱান! ক'ত আছিল আপুনি ইমানদিনে ? হাবাথুৰি খাই আপুনি থকা ঠাই বোৰত চলাথ কৰি বিচাৰিও আপোনাক পোৱা

নাই ? ইমানকৈ মতা সত্ত্বেও আপুনি উত্তৰ দিয়া নাছিল কিয় ??'

ভগৱানে তেতিয়া এটা ভয় মিহলি স্বৰত উত্তৰ দিলে-'হে মোৰ পৰম ভক্ত ভৰদ্বাজ !. তোমালোকে মোক যত বিচৰা, আজি কালি মই তাত নেথাকো ।'

-'ক'ত থাকে তেনেহলে আপুনি ?'

লাহে লাহে ভগৱানে উত্তৰ দিলে-'এসময়ত মই মন্দিৰত আছিলো, তোমালোকে জানা । কিন্তু তাত থকা মোৰ পক্ষে সন্তৱপৰ নহ'ল । কাৰণ তাত আজিকালি ইমান বেছি গণ্ডগোল, হৈ-চৈ চিঞৰ বাখৰ আৰু ৰাজনীতি যে এতিয়া তাত শান্তি একেবাৰেই নাই । ভাবিলো, মছজিদতেই বোধকৰো শান্তি আছে । কিন্তু তাতো সুবিধা নেপালো । আজান দিবৰ কাৰণে তাতো মাইক বান্ধি লৈছে । মুঠতে নিৰিবিলি শান্তি নাই । তেতিয়া ভাবিলো, গীৰ্জাতেই বোধকৰো এতিয়াও শান্তি বৰ্ত্তি আছে । কিন্তু দেওবাৰে ৰাতিপুৱা এনেকুৱাকৈ ঘণ্টা ধ্বনি হয় যে সপ্তাহৰ আন কিটা দিনতো এনে একে অৱস্থা হ'ব বুলি শংকা কৰি তাৰ পৰা পলাই আহিলো । তেতিয়া ভাবিলো বোধকৰো জৈন মন্দিৰেই ভাল হব । কিন্তু তাতো তথৈবচ অৱস্থা । মানুহৰ মুখৰ শব্দ নাই । তাৰ ঠাইত পইচাৰ শব্দ । তাৰ পিছত বৌদ্ধ-মন্দিৰলৈকে যোৱাটো ঠিক কৰি তাৰ কায় চাপোতেই শুনিলো লামা সকলৰ ছেদ ভেদ নোহোৱা অনৰ্গল মন্ত্ৰধ্বনি । গতিকে বিৰক্তিত ধৰ্মৰ স্থান বাদ দি একে কোবে সাগৰৰ তলী পালোগৈ । ভাবিলো সেয়ে মোৰ কাৰণে শান্তিৰ নীড় হব, যত বহি মই নিৰলে মানৱ জাতিৰ কল্যাণৰ কথা ভাবিব পাৰিম । কিন্তু মোৰ আশা বৃথাত পৰিণত হ'ল । তাতো মানুহৰ কি উৎপাত । চাব মেৰিন, মাইন-এইবোৰৰ হোহোৱনিৰ কোবত মই তাত এটা মুহূৰ্তও টিকিব নোৱাৰিলো । তেতিয়া একো উপায় নাপাই একে ছাটে হিমালয় অঞ্চল পালোগৈ । ভাবিলো সেয়া বেছ শান্ত সমাহিত অঞ্চল । পিছে কি হব ! তোমালোকৰ ভাষাৰে তাতো কণা বিধি । সাধু-সন্যাসীয়ে পৰম মোক্ষ বিচাৰি হাবাথুৰি খাই ফুৰাৰ বাহিৰেও হিমালয়ৰ শৃঙ্গত উঠিবলৈ পৃথিৱীৰ বিভিন্ন মতা-মাইকীৰ কি আতিশয্য । ইয়াৰ পিছত থাকিলগৈ অন্তৰীক্ষহে । সেয়াও এতিয়া সুখৰ ঠাই বুলি ভাবি নেথাকিবা । তলৰ পৰা মাৰি পঠোৱা ৰকেটৰ হোহোৱনি আৰু খুন্দা খোৱাৰ আশংকাত তাৰ পৰা পলাই আহিবলৈ মোৰ তৎ হেৰাই গ'ল । এতিয়া বুজিলানে মোৰ অৰ্থাৎ তোমালোকৰ ভগৱানৰ কি দুৰৱস্থা ।'

ভৰদ্বাজে তেতিয়া অধৈৰ্য হৈ সুধিলে-'তেন্তে আপুনি এতিয়া ক'তো নেথাকে ? আপোনাৰ কোনো নিজা বাসস্থান নাই ? এতিয়াহে বুজিছো দেশত কিয় ইমান অৰাজকতা, বিশৃংখলতা আৰু বিধ্বংসীমূলক কাৰ্য চলিছে ? কিন্তু অস্থায়ী হিচাবেওতো আপুনি ক'ৰবাত থাকিব লাগিব । কওক ভগৱান, থাকে ক'ত আপুনি এতিয়া ?

এইবাৰ মিচিকৈকৈ তৃপ্তিৰ হাঁহিৰে ভগৱানে উত্তৰ দিলে-'কিন্তু শেষত বিচাৰি পালো এটি অভাৱনীয় সুখ আৰু শান্তিৰ থলী । এনেকুৱা আপুৰুগীয়া এটুকুৰা ঠাইৰ সন্ধান পালো, যত কেতিয়াও কোনো মানুহে মোক বিচাৰি নেপায় আৰু মোৰ শান্তি বিঘ্নিত কৰিব নোৱাৰে । সেই ঠাইলৈ মানুহ নেযায়, হাই-উৰুমি আৰু উৎপাত কৰাটো দূৰৈৰে কথা । ভুলত কেতিয়াবা কোনোবা গলেও বেছি দলৈ সোমাব নোৱাৰে ।

অধৈৰ্য হৈ জোৰেৰে ভৰদ্বাজে চিঞৰি দিলে-'কত সেই ঠাই ভগৱান ? আপোনাৰ একান্ত ভক্ত হিচাপে মোক অন্ততঃ কওক ।

-'বৰ কঠিন নহয় বৎস । তোমালোকৰো সেই ঠাই খুব চিনাকি । বৰ্তমানে মই যি ঠাইত শান্তিৰে আছো, সেই ঠাই হৈছে তোমালোক অৰ্থাৎ মানুহৰ ভিতৰত থকা হৃদয় । চাৰিওকাষে পাহাৰে ঘেৰি থকা এটা নিৰ্মল পানীৰ হ্ৰদৰ নিচিনা । তোমালোকে বিশ্বব্ৰহ্মাণ্ড বিচৰণ কৰি মোক বৃথাই বিচাৰি চলাথ কৰিছা, কিন্তু কোনোবাদিনা ভুলতো সেই হ্ৰদ সদৃশ হৃদয়লৈ ভুমুকি মাৰি চাইছা জানো ? সেই সামান্য কাম কৰিবলৈও তোমালোকৰ সময় নাই । কিহৰ কাৰণে তোমালোক ইমান ব্যস্ত মই নেজানো । ......এবাৰ যদি ভুলতো তোমাৰ হৃদয়ৰ পিনে চালাহেঁতেন, অলপ কষ্ট কৰি গভীৰতালৈ সোমাবলৈ চেষ্টা কৰিলাহেঁতেন, তেতিয়া তাতেই মোক দেখিলাহেঁতেন আৰু তেতিয়াই পালাহেঁতেন তোমালোকৰ পৰম-জিজ্ঞাসাৰ সমিধান, য'ত তোমালোকৰ এই বাক-বিতণ্ডা, মৰা-কটা, হত্যা-লুণ্ঠন আদি ৰহস্যৰ অৱসান ঘটোৱাৰ সঁচাৰ-কাঠিৰ সন্ধান আছে । কিন্তু সেইটো আজিলৈকে তোমালোকে কৰা নাই আৰু কেতিয়াকৈ কৰিবা তাকো মই নেজানো ।

পূৰবী প্ৰকাশনৰ পৰা

অসমৰ সংবাদ জগতত সংযোজন নতুন আৰু বৰ্ণাঢ্য সাপ্তাহিক

জনক্ৰান্তি

প্ৰতি দেওবাৰে

সকলো ধৰণৰ প্ৰবন্ধ পাতি পঠোৱাৰ ঠিকনা-
সম্পাদক,
জনক্ৰান্তি
মনজেৰা হাউচ, মতিলাল নেহৰু পথ
পানবজাৰ, গুৱাহাটী- ১

(এজেন্সিৰ বাবে চাৰ্কুলেচন মেনেজাৰৰ লগত যোগাযোগ কৰক)



# সাম্প্ৰতিক অসমৰ নৃগোষ্ঠী আন্দোলনৰ আশা আৰু সম্ভাৱনা নব্য মধ্যশ্ৰেণীৰ ভূমিকা

ৰিপুঞ্জয় গগৈ

## পটভূমি :

আজিৰ পৰা ৬৬ বছৰৰ আগতেই অম্বিকাগিৰি ৰায়চৌধুৰীৰ সম্পাদনাত প্ৰকাশিত 'চেতনাৰ' (ভাদ-৪৭৭ শংকৰাব্দ) এটা প্ৰবন্ধত মহি চন্দ্ৰ মিৰি নামৰ এজন মিচিং ব্যক্তিয়ে-'অসমীয়া ভাষীৰ-বড়ো-মিচিং আদি ভাষাবোৰৰ প্ৰতি অকণো মৰম চেনেহ নাই' বুলি অভিযোগ কৰি লিখিছিল যে-'এনে অৱস্থাত তেওঁলোকে অসমীয়া ভাষীৰ পৰা এৰাই যাব খোজাতো একো আচৰিত নহয় যেন লাগে ।' ইয়াকে লিখি মিৰিদেৱে সংকল্প কৈছিল-'আমি ভাবিছো দুখীয়া হওক নিচলা হওক আমি নিজৰ আইক হে 'আই' বুলিম আৰু সেৱা কৰিম । অইন এজনী তিৰোতা (অসমীয়া ভাষা) চহকী হ'ল বুলিয়েই তেওঁক আমি 'আই' বুলিবলৈ নাযাওঁ ।'-এয়া আছিল অসমীয়া ভাষী মধ্যশ্ৰেণীটোক তেওঁলোকৰ দ্বাৰা অৱহেলিত নৃগোষ্ঠীৰ নব্য মধ্য শ্ৰেণীটোৱে জনোৱা ক্ষোভ প্ৰত্যাহ্বানৰ প্ৰাৰম্ভিক শীতল ৰূপ । আজি আৰু ই সেই ৰূপত নাই । পৰ্যায়ক্ৰমে পুঞ্জীভূত হোৱা অসমীয়া ভাষীৰ অৱহেলা তাচ্ছিল্যবোৰ প্ৰবল প্ৰতিবাদ হৈ আজি ৰাজ্যখনৰ বিভিন্ন নৃগোষ্ঠী আন্দোলনৰ মাৰফৎ জংগী ৰূপত আত্ম প্ৰকাশ কৰিছে । আজি প্ৰায় প্ৰতিটো নৃগোষ্ঠীৰ লোকে নিজৰ ভাষা-সংস্কৃতি-অৰ্থনীতি পূৰ্ণ বিকাশৰ বাবে স্বাধিকাৰৰ দাবীত আন্দোলনত নামি পৰিছে । এইবোৰ আন্দোলন আজি স্বায়ত্ত শাসনৰ পৰা স্বতন্ত্ৰ গৃহ ভূমিৰ দাবীলৈ পৰিব্যাপ্ত হৈছে । ইয়াক তেওঁলোকক নেতৃত্ব দিয়া নৃগোষ্ঠীৰ মাজত জন্ম নব্য মধ্যশ্ৰেণীটোৰ উৎকত আশা আকাংক্ষাই সৃষ্টি কৰা সুবিধাবাদ বা মনোবিকাৰ বুলি চিহ্নিত কৰি আইন প্ৰশাসনৰ সমস্যা বুলি মোকাবিলা কৰিলে নহ'ব । যি জাতি দম্ভক অসমীয়া ভাষীৰ মধ্যশ্ৰেণীটোৱে তাহানিৰ পৰা জুই গিলি আছিল আজি তাক এঙাৰ কৰি হগাৰ সময় । জুই খাই এতিয়া পেট পোৰা বাস্তৱতাক অস্বীকাৰ কৰিব নোৱাৰি, বড়ো মিচিং সকলৰ প্ৰতি অসমীয়া ভাষীয়ে কাহানিও প্ৰকৃততে সহোদৰ ভাতৃ-ভগ্নীৰ ব্যৱহাৰ কৰা নাছিল । এইবোৰ সঁচা কথা আমাৰ নৃগোষ্ঠীৰ মাজত জন্ম নব্য মধ্যশ্ৰেণী শিক্ষিত সকলে চিঞৰি আঙুলিয়াই দিয়াৰ পাছতহে আমাৰ বৰ্ণহিন্দুৰ প্ৰভাৱাধীন উগ্ৰ অসমীয়া ভাষী জাতি দম্ভই কলা আৰু কণা কৰা মনৰ চকু-কাণ নৃগোষ্ঠী সকলৰ ফালে মেল খায় । অসমীয়া উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈয়ে-তেওঁৰ 'মিৰি জীয়াৰী' উপন্যাসখনত মিচিং সমাজৰ যি বৰ্বৰ শান্তিৰ কথা লিখিছিল সেয়া মিচিং সকলৰ প্ৰতি অজ্ঞ হৈ আৰু তাচ্ছিল্য ৰাখি সৃষ্টি কৰা নিতান্ত সাধু কথা বুলি এজন মিচিং বিধায়কে ভূপেন হাজৰিকাৰ সম্পাদিত "আমাৰ প্ৰতিনিধিত' লেখা আমি পঢ়িবলৈ পাইছিলো । অসমীয়া ভাষাত এম, এ, কৰা প্ৰথমজন মিচিং ব্যক্তি তথা এজন বিশিষ্ট অসমীয়া সাহিত্যিক নাহেন্দ্ৰ পাদুনদেৱে সাহিত্যিক জীৱনৰ প্ৰথম অৱস্থাত অসমীয়া ভাষীৰ বিদ্ৰুপ তাচ্ছিল্যৰ হাত সাৰিবলৈ গোপনে সাহিত্য চৰ্চা কৰিব লগা হৈছিল, তেওঁৰ অসমীয়া ভাষাত লেখা কবিতা আৰু অন্যান্য প্ৰবন্ধ পঢ়ি জাতিদাম্ভিক কেতবোৰ অসমীয়াই সঁচাকৈয়ে তেওঁৱেই সেইবোৰ লিখিছেনে বুলি সন্দেহ প্ৰকাশ কৰিছিল ! (বুধবাৰ কাকতৰ 'মানুহৰ পৃথিৱীত-নাহেন্দ্ৰ পাদুন) অসমীয়া ভাষা-ভাষীৰ প্ৰতি এইজন ব্যক্তিৰ ধৰিত্ৰী সম সহনশীলতা এক দুৰ্লভ ব্যতিক্ৰম । কাৰণ অসমীয়া ভাষীৰ পণ্ডিতে তেওঁৰ গৱেষণাতো নানা বিধি পথালি দি তাক সম্পূৰ্ণ হ'বলৈ নিদিলে ! এই সত্ত্বেও তেওঁ অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক হৈছিল । অসমীয়া বৰ্ণহিন্দুৰ অনৈতিহাসিক আৰ্যী কৰণৰ প্ৰভাৱত উপেক্ষিত হৈছিল নৃগোষ্ঠীৰ অনেক সোণীয়া উপাদান । পাদুনদেৱেই প্ৰথম বিস্তৃত ভাবে প্ৰকাশ কৰে-অসমীয়া ভাষা সংস্কৃতিত থকা জনজাতীয় উপাদানবোৰৰ কথা । প্ৰধানকৈ মংগোলীয়া প্ৰধান অসমীয়া সমাজখনক বহু সময়ত আৰ্যীকৰণৰ ধোঁৱাই আচ্ছন্ন কৰি থৈছিল । সাম্প্ৰতিক ভবেন বৰুৱাৰ দৰে দুই এজনৰ অযুক্তিকৰ আঁকোৰগোজালিৰ বাহিৰে নব্য ধাৰাৰ বুৰঞ্জীবিদ লক্ষ্মীনাথ তামুলী, বিশিষ্ট চিন্তাবিদ ডঃ হীৰেণ গোহাঁই, প্ৰসেনজীৎ চৌধুৰী আদিয়ে আৰ্যীকৰণৰ ভ্ৰান্ত তথ্য-ধাৰণাক নাকচ কৰিছে । উজনি অসমৰ অসমীয়া ভাষাৰ সঠিক ৰূপটো আহোম শাসনৰ ফল বুলি তথাকথিত আৰ্য্যভেমত ওফন্দি থকা নৃগোষ্ঠী বিদ্বেষী সকলে স্বীকাৰ কৰিবলৈ বেয়া পায় । নৃগোষ্ঠীৰ বহু কথা উপাদানকেই তেওঁলোকৰ ৰুগ্নমনেৰে অৱলোকন কৰি বিকৃত তৃপ্তি পায় । এনে অগুণকাৰী-অকৃতজ্ঞ বোৰৰ প্ৰতি নৃগোষ্ঠীৰ মানসিক বিচ্ছিন্নতা কি অস্বাভাৱিক ? পৰিয়াল কল্যাণ বিভাগৰ এজন মিচিং বিষয়াক এই লেখকে যোৰহাটত প্ৰায় এবছৰ মান কক্ষসংগীৰূপে পাইছিলো । নৃগোষ্ঠীৰ মাজৰ নব্য মধ্যশ্ৰেণীৰ প্ৰতিনিধিত্ব কৰা ব্যক্তিজনৰ পৰা মিচিং সকলৰ আশা-আকাংক্ষা আৰু অসমীয়া ভাষীৰ প্ৰতি থকা তেওঁলোকৰ গোটেই আক্ষেপখিনি এটা বছৰত মই সঠিক ভাবে অনুধাৱন কৰিছিলো । বড়ো আৰু মিছিং অধ্যুষিত অঞ্চলত-শিক্ষকতা কৰা মোৰ দেউতাৰ পৰাও কিছু অভিজ্ঞতা লভিছিলো । মোৰ কক্ষসংগীজনৰ মতে মূলতঃ অসমীয়া বৰ্ণ হিন্দুৰ ফোপোলা দম্ভ আৰু উগ্ৰজাতীয়তাবাদৰ বাবেই মিচিং-বড়োৱে অসমীয়া ভাষীৰ প্ৰতি একাত্মতা-সৌহাৰ্দ্যতা হেৰুৱাই পৃথক-ভাষা-ভূমিৰ প্ৰতি আগ্ৰহান্বিত হৈছে । অসমীয়া ভাষীয়ে আন্তৰিকতাৰে তেওঁলোকক বুজিবলৈ চেষ্টা নকৰা বাবে অজ্ঞ হৈ তেওঁলোকক নান বিদ্ৰুপ কৰে । উদাহৰণ স্বৰূপে তেওঁ ভাষাৰ ধ্বনি আৰু উচ্চাৰণৰ কথা কয় । অসমীয়া ভাষীয়ে কোৱা 'ভাত খালে'টো মিচিং ভাষী এজনে প্ৰায়ে 'ভাত কালো' বুলি কয় । ইয়াত অজ্ঞ অসমীয়া ভাষীয়ে মিচিঙে 'খ' টোক 'ক' কোৱাৰ বাবে তাক জনজাতীয় উচ্চাৰণৰ দীনতা বুলি তাচ্ছিল্য কৰিবলৈ যায় । কিন্তু জাতি দম্ভত অন্ধ হোৱা অসমীয়া ভাষীয়ে নাজানে যে মিচিং ভাষাত 'খ' ধ্বনিয়েই নাই । সেয়ে তেওঁলোকে প্ৰায় 'ক' ধ্বনি উচ্চাৰণ কৰে ! অসমীয়া ভাষীৰ বিশেষকৈ বৰ্ণহিন্দু শ্ৰেণীটোৰ মাজত থকা প্ৰবল ব্ৰাহ্মণ্যবাদী ধ্যান-ধাৰণাই বহু ক্ষেত্ৰত নৃগোষ্ঠী লোকক ক্ষুণ্ণ কৰে । নৃগোষ্ঠী সকলৰ বাদেই এই অসমীয়া ভাষীয়েই কৈবৰ্ত-নমঃশূদ্ৰ আদিয়ে-বৰ্ণহিন্দু প্ৰভাৱাধীন অসমীয়া সমাজখনৰ পৰা কম অৱহেলা-তাচ্ছিল্য লাভ কৰেনে ? ১৯৩৪ চনত গান্ধীজী অসমলৈ আহোতে কামৰূপ জিলাবাসী নমঃ শূদ্ৰ ৰাইজৰ হৈ বেলিৰাম দাসে গান্ধীজীক এখন আবেদন দিছিল । তাত অসমীয়া

বৰ্ণহিন্দুৰ ব্ৰাহ্মণ্যবাদী নীতিৰ লগতে তথাকথিত মহাপুৰুষীয়াই তেওঁলোকক দেখুওৱা অমানৱীয়-অমৰ্যাদালিৰ ছবিখন সুন্দৰকৈ ফুটি উঠিছিল। দাসদেৱৰ আবেদনখনত লেখা এই জাতীয় বিভিন্ন কথাৰ মাজৰ দুটা কথাৰ উদ্ধৃতিয়েই আমাৰ মন্তব্য প্ৰমাণৰ বাবে যথেষ্ট। এটা হৈছে–'আমাক দীক্ষা দিয়াৰ সময়ত গোঁসাই মহন্ত সকলৰ চৰণ স্পৰ্শ কৰি আমাৰ সেৱা কৰিবৰ অধিকাৰ নাই। তেওঁলোকৰ ভৰিৰ খোজতহে আমাৰ সেৱা কৰাৰ অধিকাৰ। আনটো হৈছে–'দুখৰ বিষয় এই যে ব্ৰাহ্মণ সকলতকৈ শ্ৰীশংকৰদেৱৰ শিষ্য মহাপুৰুষীয়া সকলেই আমাক বেছিকৈ ঘিণ ভাব দেখুৱায়। এয়া ১৯৩৪ চনৰ ঘটনা যদিও আজিও সেই অৱস্থাৰ বিশেষ পৰিবৰ্তন ঘটা নাই। সৌ সিদিনা 'সাদিন' কাকতত পালো যোৰহাটৰ মাছুৰহাটৰ শিল্পী অৰুণ দাস দেৱৰ বৃদ্ধা মাতৃক যোৰহাটৰে আন এটা অসমীয়া নামঘৰত কৈৱৰ্ত হোৱাৰ পাপত (?) সোমাবলৈ নিদিলে! (১৯৯১ৰ চনৰ শেষ ভাগত) আপাতঃ দৃষ্টিত নৃগোষ্ঠীৰ আন্দোলনৰ প্ৰসঙ্গত এইবোৰ ঘটনা অপ্ৰাসংগিক যেন লাগিলেও এইবোৰ কথা ইয়াত এই বাবেই অৱতাৰণা কৰিছো যে-যিখন সমাজত অসমীয়া ভাষীৰ মাজৰে এক শ্ৰেণীৰ এই অৱস্থা দুৰ্গতি হয় তাত আন নৃগোষ্ঠীৰ প্ৰতি কেনে অৱহেলা তাচ্ছিল্য নিক্ষেপিত হ'ব পাৰে সেয়া সহজে অনুমেয়।

মনীষী মাৰ্ক্সৰ প্ৰখ্যাত 'বিচ্ছিন্নতা তত্ত্ব' অনুসাৰে শোষণ-অৱহেলাত অতিষ্ঠ হোৱাৰ বাবেই পীড়িত জাতি গোষ্ঠী পীড়ক জাতি-গোষ্ঠীৰ (শ্ৰেণী) পৰা আঁতৰি যোৱাৰ প্ৰৱণতা সৃষ্টি হয়। এই তত্ত্বানুসাৰে (লগতে বহিঃ শক্তিৰ উচটনি) ছোভিয়েতৰ পৰা বাল্টিক ৰাষ্ট্ৰ তিনিখন ওলাই গৈছিল। মহামতি ষ্টেলিনে জাতি সমস্যা সমাধানৰ সম্পৰ্কে উদ্ভাৱন কৰা–'প্ৰতি জাতি-গোষ্ঠীৰ ভাষা সংস্কৃতি অৰ্থনীতি সমবিকাশৰ বাবে ৰাষ্ট্ৰই সমান সুবিধা দিয়া' অভ্ৰান্ত নীতি সূত্ৰ কাৰ্যকৰী নকৰাটোও আজি ছোভিয়েত ৰাষ্ট্ৰ খণ্ড-বিখণ্ড হোৱা বহু উপাদানৰ মাজৰ এটা প্ৰধান উপাদান। বৃহৎ ৰুছ জাতিৰ আধিপত্য আৰু প্ৰবল জাতিদাম্ভিকতাৰ বাবে এই জাতিতকৈ আপেক্ষাকৃত ভাবে পিছপৰা জাতি-গোষ্ঠীবোৰৰ ৰাজ্যবোৰ মূল ভূখণ্ডৰ পৰা ওলাই যোৱাৰ প্ৰৱণতা সৃষ্টি হয়। এই প্ৰৱণতাটোৰ বাবেই ১৯৭২ চনত মেঘালয় অসমৰ পৰা আঁতৰি যায়। (বাকী পাঁচ খনৰ কথাও কব পাৰি।) এইয়াও অসমীয়া ভাষীৰ জাতি-দাম্ভিকতাৰ ফলশ্ৰুতি। যিদিনা শ্বিলঙত তদানীন্তন মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাৰ বাসভৱনত মেঘালয়ৰ নেতা উইলিয়ামচন চাংমাৰ উপস্থিতিত তেতিয়া অসমীয়া ভাষা-সাহিত্যৰ পুৰোধা ব্যক্তি নীলমণি ফুকনে 'অসম অসমীয়াৰ' বুলি অসমীয়া জাতিদাম্ভিক দাবী কৰি বহে সেইদিনাই ক্ষুণ্ণ হৈ ওলাই গৈছিল চাংমা। কিছুদিনৰ পাছত এই চাংমায়েই পৃথক মেঘালয় আন্দোলনৰ গুৰি ধৰিছিল। অৱশ্যে অসমৰ পৰা মেঘালয়-মিজোৰাম আদি ছখন ৰাজ্য ওলাই যোৱাত আমাৰ কোনো আক্ষেপ নাই। প্ৰথিতযশা সাহিত্যিক হোমেন বৰগোহাঞিয়ে আমাৰ তথা-কথিত সাতভনীৰ আবেগিক ঐক্যক অৰ্থহীন বুলি সঠিক ভাবেই কৈছে যে–'এই কেইখন ৰাজ্য অসমৰ গাত লাগি নাথাকি অষ্ট্ৰেলিয়া নিউজিলেণ্ডৰ ফালে থাকিলেও তেওঁলোকৰ ভাষা-সংস্কৃতি আমাৰ পৰা সমান দূৰত্বতেই থাকি যাব।' (মোৰ সাংবাদিক জীৱন) অৱশ্যে এই ৰাজ্যকেইখন আঁতৰি যোৱা ঘটনা এতিয়া বড়োকে আদি কৰি কেতবোৰ নৃগোষ্ঠীৰ পৃথক ৰাজ্য দাবীৰ এক পৰোক্ষ প্ৰেৰণা নোহোৱাকৈ থকা নাই। ইতিমধ্যে আঁতৰি যোৱা ৰাজ্য কেইখনৰ ভাষা সংস্কৃতি আৰু জনগাঁথনিত অসমীয়া ভাষী সমাজৰ কোনো বিশেষ স্থানক প্ৰভাৱ নথকাৰ বাবে এই কেইখন ৰাজ্য বিচ্ছিন্ন হৈ যোৱাৰ বাবে আমি 'মেপৰ মোহত' নিবিনাওঁ। অসমীয়া মধ্যশ্ৰেণীক এই মেপৰ মোহে বহু সময়ত আবেগিক কৰি ৰাখে। বিচ্ছিন্ন হৈ যাব খোজা অঞ্চলটোৰ জনগোষ্ঠীতকৈ সেই অঞ্চলটোৰ কথা ভাবি অখণ্ড-সুগঢ়ি (?) মেপখনৰ ধাৰণাক সাবটি থাকি বিভিন্ন নৃগোষ্ঠীৰ আন্দোলন দেখিলেই তাৰ সমস্যাক অনুধাৱন কৰি সমাধানৰ চিন্তা চেষ্টা কৰাতকৈ মেপখন সংকুচিত হৈ অভজা হোৱাৰ ভয়ত আন্দোলনবোৰৰ বিৰুদ্ধে থিয় দিয়ে। (মেপৰ মোহৰ কথাটো বিশিষ্ট বুদ্ধিজীৱী যতীন্দ্ৰ কুমাৰ বৰগোহাঞিয়ে যোৱা ২৯ জুলাইত যোৰহাটত হোৱা আলোচনা চক্ৰ এখনৰ সঞ্চালকৰ ভাষাত ব্যাখ্যা কৰে।) সাম্প্ৰতিক সুকীয়া বড়োলেণ্ড, মিচিং লেণ্ড বা কাৰ্বি সকলে কৰা পূৰ্ণ স্বায়ত্ত শাসনৰ আন্দোলনত অসমীয়া মধ্যবিত্তই সংশ্লিষ্ট আন্দোলন কাৰীৰ আন্দোলনৰ তাৎপৰ্য-সমস্যা অনুধাৱন কৰাতকৈ 'মেপৰ মোহতহে' হাহাকাৰ কৰি নৃগোষ্ঠীৰ সমস্যাবোৰক আওকাণ কৰি আহিছে। প্ৰাক স্বাধীনতা কালৰ অসমীয়া মধ্যশ্ৰেণীৰ ধ্যান ধাৰণাৰ পৰা বৰ্তমানলৈ মধ্যশ্ৰেণীৰ ধ্যান ধাৰণা (নৃগোষ্ঠী অথবা নিম্নবিত্তৰ প্ৰতি উদাসীনতা উন্নাসিকতা) বিশেষ সলনি হোৱা নাই। ১৮৯৪ চনৰ ২৮ জানুৱাৰীত পথৰুঘাটত বৃটিছ-সাম্ৰাজ্যবাদীৰ খাজনা বৃদ্ধিৰ প্ৰতিবাদত হোৱা কৃষক বিদ্ৰোহত যি সময়ত বৃটিছৰ হাতত ১৪৩ জন কৃষক নিহত আৰু শতাধিক লোক আহত হৈছিল সেই সময়ৰ' ৯৪ৰ ১৬ ফেব্ৰুৱাৰীত অসমীয়া মধ্যশ্ৰেণীৰ প্ৰতিভূ জগন্নাথ বৰুৱাইঁতে বৃটিছ বৰলাটক অভিনন্দন পত্ৰ দি ৰাজভক্তি প্ৰদৰ্শন কৰিছিল। বৃটিছৰ দিনত বা এতিয়াও চূড়ান্ত ভাবে শোষণ-নিষ্পেষণৰ বলি হোৱা জনগোষ্ঠীটো হৈছে-চাহ শ্ৰমিক সকল। কিন্তু এই বাস্তৱতাক অস্বীকাৰ কৰি বৃটিছৰ ভক্তিত অন্ধ হোৱা অসমীয়া মধ্যবিত্তৰ প্ৰতিভূ প্ৰথম অসমীয়া অভিযন্তা বলিনাৰায়ণ বৰাই তেওঁৰ সম্পাদিত 'মৌ'ত লেখিছিল–'বাতৰি কাকত বিলাকে মিছাই সঁচাই কুলিৰ দুৰ্দশা বখানি বাগিচাৰ সাহাব বিলাক আৰু গৱৰ্মেন্টক গালি পৰা সমূলি বলিয়াৰ বন। যদি অসমত এনে কোনো শ্ৰেণী মানুহ আছে যাক গৱৰ্মেন্টে নিজ চকুৰে চাই নিজৰ পোৰ দৰে পালন কৰে সেয়াই হৈছে কুলি শ্ৰেণী।' বলিনাৰায়ণ বৰাইঁতৰ দৰে-আজি নব্য অসমীয়া ভাষী মধ্যশ্ৰেণী পূৰ্বসূৰীৰ আন্তৰিক পদাংকানুসৰণকাৰী। আজি অসমীয়া বৃহৎ সংখ্যক মধ্যশ্ৰেণীয়েও নৃগোষ্ঠীৰ মাজত শোষিত, নিপীড়িত জনসমষ্টি লক্ষ্য কৰাতকৈ তেওঁলোকৰ স্বচ্ছল অৱস্থাটোহে দেখা পায়। কোনোবাই তাক তথ্য প্ৰমাণেৰে দেখুৱাবলৈ গলে সেয়া তেওঁলোকৰ চৰিত্ৰ দোষ বুলি কৈ আত্মতৃপ্তি লভে। তাহানি লৰ্ড কাৰ্জনেও ভাৰতীয় মানুহৰ বিলাই বিপত্তিৰ বাবে ভাৰতবাসী নিজেই দায়ী বুলি অপযুক্তি থিয় কৰিছিল। এতিয়াও বৰ্ণহিন্দু বহুতে নৃগোষ্ঠীৰ স্বচ্ছল-আঢ্যৱন্ত (?) অৱস্থাত শিক্ষা চাকৰি আদিত আসন সংৰক্ষণ পোৱাটো বা দাবী কৰাটো অবৈধ অযুক্তিকৰ বুলি ভাবে। পাঠক সকলে মনত পেলাওক সেই মণ্ডল আয়োগৰ প্ৰতিবেদনৰ প্ৰকাশৰ মুহূৰ্তলৈ। বৰ্ণহিন্দু মালিক আৰু সম্পাদকৰ হাতত থকা সিংহভাগ কাকত-আলোচনীয়ে এই সংৰক্ষণৰ বিৰুদ্ধে মাত মাতিলে–ইয়াৰ বিপৰীতে নৃগোষ্ঠী বা আন সকলো মংগোলীয় গোষ্ঠীৰ লেখক-সাংবাদিকে সংৰক্ষণৰ সপক্ষে লিখিছিল। এই সময়ছোৱাত লেখক-সাংবাদিকবোৰে কিদৰে নিজ নিজ গোষ্ঠী সম্প্ৰদায়ৰ শিৰিৰত সোমাই পৰিছিল সেইটো চাবলগীয়া দৃশ্য হৈছিল। এই অৱস্থাৰ বাবেই অসমীয়া মধ্যশ্ৰেণীৰ বিশিষ্ট চকিদাৰ সদৌ অসম ছাত্ৰ সংস্থাই অসমৰ বিদেশী খেদা আন্দোলনৰ সময়ত নৃগোষ্ঠীৰ ২০% সংৰক্ষণ উঠাই দিবলৈ আৰু লগতে জলপানিও উঠাই দিবলৈ দাবী কৰিছিল। 'অসমীয়া উগ্ৰজাতীয়তাবাদৰ অন্তিম ৰণুৱা আল্‌ফাই' (ভাষ্য ডঃ হীৰেণ গোহাঁই) নৃগোষ্ঠীৰ ভাষা সংস্কৃতিৰ সুকীয়া অস্তিত্বক উলাই কৰি 'নিৰ্জাতিকৰণৰ দৰে আজৱ তত্ত্বৰে অসমীয়া মধ্যশ্ৰেণীৰ নৃগোষ্ঠীৰ প্ৰতি থকা অজ্ঞতা অনিহাক চূড়ান্ত ভাবে প্ৰকাশ কৰে। (বিভিন্ন ৰচনাৰে দেৱব্ৰত শৰ্মা, কিশোৰী মোহন শৰ্মা আদি নৃগোষ্ঠীৰ সপক্ষে থকা সকলে ইতিমধ্যে এই তত্ত্ব ভ্ৰান্ত বুলি প্ৰমাণ কৰিছে।) অসমীয়া উগ্ৰজাতীয়তাবাদী বিশিষ্ট প্ৰতিভূ অসম গণপৰিষদে তেওঁলোকৰ শাসন কালত নৃগোষ্ঠীৰ স্বতন্ত্ৰ ভাষাক আওকাণ কৰি 'সেবা' চাৰ্কুলাৰৰ দ্বাৰা তেওঁলোকৰ ওপৰত বাধ্যতামূলক ভাবে অসমীয়া ভাষাটো জাপি দিবলৈ চেষ্টা কৰে। যোৱা ৰাষ্ট্ৰপতি নিৰ্বাচনত তথা[illegible]ত কংগ্ৰেছ বিৰোধী অগপই মেঘালয়ৰ জি[illegible] ছোৱেলৰ বিপৰীতে কংগ্ৰেছ প্ৰাৰ্থীক এই যুক্তিতে ভোট দিয়ে যে–ছোৱেলে হেনো সুকীয়া মেঘালয় ৰাজ্যৰ বাবে আন্দোলন কৰাত আগভাগ লৈছিল! নৃগোষ্ঠী সকলৰ সমস্যা নুবুজা অথচ 'মেপৰ মোহ' এৰিব নোৱৰা অসমীয়া মধ্যশ্ৰেণীৰ ৰাজনৈতিক মঞ্চ অগপৰ দৰে দলেই এনে অৱস্থান লোৱাত পাৰংগম। আকৌ এই দলেই তেওঁলোকৰ বিশিষ্ট চৰিত্ৰানুসাৰে বড়ো-কাৰ্বিৰ স্বায়ত্ত শাসন দিয়াত ওজৰ তুলিছে। এওঁলোকৰ এই চৰিত্ৰৰ বাবেই 'আমি'ৰ এটা সাক্ষাৎকাৰত (এপ্ৰিল/৯২) কাৰ্বি যুৱ নেতা জয়ন্ত ৰংপীয়ে কৈছিল–'আমি অগপক অসম আন্দোলনৰ সহযোগী হিচাপে অধিক বিশ্বাস আৰু আশা কৰিছিলো। কিন্তু এওঁলোকে আমাৰ আশা-আকাংক্ষা কংগ্ৰেছতকৈ অধিক নিৰ্মম ভাবে দমনৰ চেষ্টা কৰে। Disturbed Area Act T.A.D.A. আদি কংগ্ৰেছতকৈ অগপইহে আগেয়ে প্ৰয়োগ কৰে। এই অগপয়েই আমাক ৬ বাৰ জেলত ভৰায়।' অসমীয়া জাতিদাম্ভিকতাৰ সকলো উপাদান লৈ অসমীয়া মধ্যশ্ৰেণীক প্ৰতিনিধিত্ব কৰা অগপৰ শাসন কালতেই নৃগোষ্ঠী আন্দোলনে প্ৰবল ভাবে আত্ম প্ৰকাশ কৰে। ইয়াক যদি দলীয় স্বাৰ্থত কংগ্ৰেছেও উচটাইছিল তেন্তে সি বুমেৰাং হৈ কংগ্ৰেছকো প্ৰত্যাহবান নজনোৱাকৈ নাথাকে। অগপৰ 'ভূমকা' কীৰ্তিকে ধৰি বড়ো কাৰ্বিৰ ওপৰত সামৰিক-পুলিচ নিৰ্যতিন চলোৱা সত্বেও 'যিমানেই মোৰ বাধা আহে সিমানেই মোৰ শক্তি বাঢ়ে' (নজৰুল ইছলাম) চৰিত্ৰৰে নৃগোষ্ঠী আন্দোলনে জংগী ৰূপ লয়। এইদৰে যিমানেই অসমীয়া ভাষীৰ নব্য মধ্যশ্ৰেণীটোৱে তেওঁলোকৰ ঐতিহ্যময় চৰিত্ৰৰে নৃগোষ্ঠী সমস্যাবোৰক দমন-আওকাণ কৰিছে সিমানেই নৃগোষ্ঠীৰ মাজত জন্ম লোৱা নব্য মধ্যশ্ৰেণীটোৱে তেওঁলোকৰ আশা-আকাংক্ষা পূৰণাৰ্থে বিভিন্ন আন্দোলন জোৰদাৰ কৰি তুলিছে। এতিয়া নৃগোষ্ঠীৰ নব্য মধ্যশ্ৰেণীটো যে উপেক্ষণীয় নহয় তাক অসমীয়া ভাষীৰ মধ্যশ্ৰেণীয়ে বুজা নাই। ভাৰতৰ বাকী অংশৰ নৃগোষ্ঠীৰ তুলনাত অসমৰ নৃগোষ্ঠীৰ শিক্ষিতৰ হাৰ বেছি। ১৯৬১ চনত ভাৰতৰ বাকীবোৰ ৰাজ্যত যেতিয়া শিক্ষিতৰ হাৰ ১০% কম আছিল তেতিয়া অসমৰ নৃগোষ্ঠীৰ শিক্ষিতৰ হাৰ আছিল ২৩% ৰ অধিক। বৰ্তমান আকৌ এই বৃদ্ধিহাৰ বহুত হ'লহি। ১৯৭১ চনত কাৰ্বি সকলৰ মাজত মাথোন এম, এ ৩ জন এম এ, বি, এল ১ জন এম, বি, বি, এছ ২ জন, বি, এ, ১৫ জন আছিল। বাকীবোৰ জনগোষ্ঠীৰো তদনুৰূপ অনুপাতত আছিল। এতিয়া বৰ্দ্ধিত পৰ্যায়ত তেওঁলোকৰ মাজত যি নব্য মধ্যশ্ৰেণীটোৰ সৃষ্টি হৈছে তেওঁলোকেই আন্দোলনবোৰত সবল নেতৃত্ব দিছে। মূলতঃ অসমীয়া মধ্যশ্ৰেণীৰ হাতত থকা সংবাদ পত্ৰবোৰেও নৃগোষ্ঠী আন্দোলনবোৰৰ প্ৰতি অনীহা-উদাসীনতা দেখুৱাই আহিছে। আজি কেইবছৰমানৰ পূৰ্বে বড়ো নেতা উপেন ব্ৰহ্মই আন্দোলনৰ এটা বিবৃতি ছপাবৰ বাবে বহু-কাগজৰ কাৰ্যালয়লৈ গৈ বিফল মনোৰথহৈ উভতি গৈছিল। আমাৰ নিজস্ব অভিজ্ঞতাৰেও দেখিছো নৃগোষ্ঠী আন্দোলনৰ নেতৃবৃন্দই যেতিয়ালৈকে ক'ৰবাত বোমা-গুলিৰে হত্যাকাণ্ড বা আন হিংসাত্মক ঘটনা নঘটায় তেতিয়ালৈকে কাকত-আলোচনীবোৰেও তেওঁলোকৰ সমস্যা সম্পৰ্কে শব্দ এটাও ব্যয় নকৰে। এতিয়া অৱশ্যে সময় সলনি হৈছে। এতিয়া কাকত আলোচনীয়ে এই আন্দোলনৰ নেতাৰ সাক্ষাৎকাৰ খবৰৰ বাবে হেতা ওপৰা লগায়। ইয়াত অৱশ্যে বহু সময়ত কাকতৰ বেপাৰী স্বাৰ্থৰ লগতে শাসনাধিষ্ট চৰকাৰক বিভ্ৰান্ত কৰাৰ কৌশলো নিহিত থাকে। কিন্তু এইবোৰত আন্তৰিকতা নাথাকিলেও এতিয়া অৱস্থা এনে পাইছেগৈ যে অনিচ্ছা সত্বেও এতিয়া কাকত-আলোচনীবোৰে-বহু সময়ত নৃগোষ্ঠী আন্দোলনবোৰৰ মুখপত্ৰ হবৰ বাবেও বাট এৰি দিব লগা হৈছে। কাৰ্বি আৰু বড়ো আন্দোলনকাৰীয়ে আজি নিজৰ শক্তি আৰু আন্দোলনৰ ন্যায্যতা বহুখিনি প্ৰদৰ্শনৰ বাবে সক্ষম হৈছে। ১৯৮৬ চনত কাৰ্বি এ, এছ, ডি, চিয়ে সংবিধানৰ ষষ্ঠ অনুসূচী তেওঁলোকৰ বাবে যথেষ্ট নহয় বুলি অধিক স্বায়ত্ত শাসনৰ বাবে প্ৰধানমন্ত্ৰীক স্মাৰক পত্ৰ দিয়ে। ১৯৮৯ চনত তেওঁলোকে ৪৯% ভোটেৰে কাৰ্বি জিলা পৰিষদত প্ৰৱেশ কৰি যোৱা ৯১ ৰ নিৰ্বাচনত ৫২% ভোটেৰে এ, এছ, ডি, চিয়ে বিধান সভাৰ চাৰিওখন আসন আৰু কাৰ্বি আংলঙৰ একমাত্ৰ লোকসভাৰ আসন খন দখল কৰি তেওঁলোকৰ দাবী আন্দোলনক জনপ্ৰিয় কৰি তোলে। ইতিমধ্যে কাৰ্বি জিলা পৰিষদে ৰাজ্য চৰকাৰৰ পৰা ৩০ টা বিভাগ পৰিচালনা কৰা ক্ষমতা আদায় কৰিছে। মাথোন গৃহ বিভাগ সম্পৰ্কে কিছু বিতৰ্ক ৰাখিছে। সেইদৰে সুকীয়া বড়োলেণ্ডৰ দাবীত আবছু-বিপিচিয়ে হিংস অহিংস এই দুই ধৰণে জংগী আন্দোলন গঢ়ি তুলিছে। বড়োক প্ৰথমে নেতৃত্ব দিয়া সংগঠন পিটিচিয়ে প্ৰথমে ১৯৬৭ চনত পৃথক বড়োলেণ্ডৰ দাবী কৰে। স্মৰ্তব্য তদানীন্তন ৰাজ্যপাল লালন প্ৰসাদ সিঙে পিটিচিৰ 'নীলাচলক' 'বড়োলেণ্ড' কৰাৰ পৰামৰ্শ দিয়ে। তেওঁলোকৰ আন্দোলনৰ দ্বাৰা কেইবাজনকো ছহিদ কৰি বড়ো ভাষা স্বীকৃতি, শিক্ষাৰ মাধ্যম আদি কৰিবলৈ সক্ষম হয়। এতিয়া অৱশ্যে 'পি টি চি এ'ৰ হাতত বড়ো নেতৃত্ব নাই। বৰঞ্চ বৰ্তমান ই মূল নেতৃত্বৰ সৈতে সংঘৰ্ষ মূলক বৈৰিতাত উপনীত হৈছে। এতিয়া উপেন ব্ৰহ্মৰ পৰা ছানচুমা খংগুৰ বৈচুমুতিয়াৰীলৈকে বাগৰি অহা আন্দোলনৰ নেতৃবৃন্দই পৃথক বড়োলেণ্ডৰ দাবীত হাজাৰ ঘণ্টীয়া বন্ধ, উগ্ৰবাদী অসংখ্য ঘটনা আদিৰে অসমৰ মেপখনত পুনঃ ভাবুকি সৃষ্টি কৰিছে। এতিয়ালৈকে কেন্দ্ৰ চৰকাৰক লগত তেওঁলোকে ৯বাৰ আলোচনাত বহিছে। আৰু তেওঁলোকে প্ৰতি বাৰতেই প্ৰতাৰিত হৈছে বুলি ভাবিছে। ইতিমধ্যে ১৫ জুলাইত গুৱাহাটীৰ জৰ্জখেলৰ পথাৰত আছু, চি পি আই, চিপি আই (এম) দুই অগপ আদি সকলো দলক লৈ বিৰাট জনসভা পাতি আন্দোলনৰ ক্ষেত্ৰ প্ৰসাৰিত কৰিছে। ২২ জুলাইত আবছু আৰু কাৰ্বি নেতাৰ যুটীয়া বিবৃতি প্ৰকাশ কৰি যুটীয়া ভাবে আন্দোলন কৰাৰ সংকল্প লৈছে। ইয়াত ৰাজ্য চৰকাৰে সমস্যা সমাধানাৰ্থে বিভিন্ন আলোচনাত কৰিছে। চৰকাৰে স্বায়ত্ত শাসনকে ধৰি বিভিন্ন সূত্ৰ আগবঢ়াইছে।

## আন্দোলনকাৰীৰ স্বায়ত্ত শাসন কিম্বা গৃহভূমি ঃ আশা আৰু সম্ভাৱনা।

সাম্প্ৰতিক নৃগোষ্ঠী আন্দোলনৰ প্ৰসংগত বিশিষ্ট বুদ্ধিজীৱী ডঃ হীৰেণ গোহাঁয়ে এটা কথা অৱতাৰণা কৰিছে। সি হৈছে 'এইটো এটা বিতৰ্কিত প্ৰশ্ন যে স্বাধীনোত্তৰ কালত তেওঁলোকৰ প্ৰতি কৰা অৱহেলা আৰু বৈষম্যমূলক আচৰণে তেওঁলোকক বিদ্ৰোহী কৰি তুলিছেনে সঁচাকৈয়ে এই সময়ছোৱাত তেওঁলোকৰ জীৱন ধাৰা সামান্য ভাবে উন্নতি হৈছে আৰু ইয়ে তেওঁলোকৰ মনত অধিক আকাংক্ষা জগাই তুলিছে? এই প্ৰশ্ন মীমাংসাৰ বাবে আমি স্বাধীনতাৰ প্ৰাক লগ্নৰ পৰা আজি দিনলৈকে নৃগোষ্ঠীৰ উন্নতিক এটা বিহংগম দৃষ্টিৰে চাওঁ– যি আন্দোলনবোৰৰ সম্ভাৱনাৰ কিছু ইংগিত দিব। ৫০ৰ দশকত অসমৰ তদানীন্তন প্ৰধানমন্ত্ৰী গোপীনাথ বৰদলৈয়ে সংবিধানত ষষ্ঠ অনুচ্ছেদ অন্তৰ্ভুক্ত কৰি জনজাতি লোকৰ বাবে শিক্ষা আৰু প্ৰশাসনত আসন সংৰক্ষণৰ দ্বাৰা তৎকালীন ভাবে জনজাতীয় নেতা সকলৰ সমৰ্থন লাভ কৰিবলৈ সক্ষম হৈছিল। এই ব্যৱস্থাৰ দ্বাৰা নৃগোষ্ঠীৰ মাজত এচাম নব্য মধ্যশ্ৰেণী সৃষ্টি কৰিলেও ইয়াৰ অসংখ্য ব্যৱহাৰিক ত্ৰুটিৰ বাবে (ঐতিহাসিক অৱস্থানৰ কথাও আছে) সামগ্ৰিক ভাবে ই নৃগোষ্ঠীৰ বিকাশ সাধিব নোৱাৰিলে। এই সকল অবিকশিত হৈ ৰোৱাত অৱশ্যে কম বেছি পৰিমানে ভৌগোলিক, বা সামাজিক গাঁথনিও দায়ী। কাৰ্বি গাওঁ কেতবোৰ ৩-৪ ঘৰ মানুহক লৈয়ে গঠিত। তাতে ইখন গাঁৱৰ পৰা সিখন গাঁৱৰ দূৰত্ব ৩/৪ কিঃ মিঃ পৰা ১০/১৫ কিঃ মিঃ। ফলত ইয়াত সামাজিক একতাৰে উন্নয়নমূলক কাম হাতত লোৱাত কিছু অসুবিধা আছে। ইয়াৰ বহু ঠাইত ঝুম খেতিৰ বাহিৰে আন খেতি অচল। এইদৰে বড়ো মিচিং আদি নৃগোষ্ঠীৰ সমাজ গাঁথনিৰ লগত সোমাই পৰা জনজাতীয় আৰু সামন্তবাদী কেতবোৰ মিশ্ৰিত উপাদানেও তেওঁলোকৰ অৰ্থনৈতিক বিকাশত বাধাৰ সৃষ্টি কৰে।

অসমীয়া জাতিগঠন প্ৰক্ৰিয়াত বড়ো-মিচিং-আদি সোমাই পৰিছিল যদিও তেওঁলোকক অসমীয়া ভাষীৰ মধ্যশ্ৰেণীয়ে অৰ্থনৈতিক সাংস্কৃতিক সমতা আৰু মৰ্যাদা নিদিয়াৰ বাবে তেওঁলোকে পৃথক গোট হিচাপে আত্মপ্ৰকাশ কৰিব বিচাৰে। ডঃ গোহাঁইদেৱৰ মতে ইয়াকে

হ'বলৈ নিদি তেওঁলোকক সমান অধিকাৰ-মৰ্যাদা দিয়াহেঁতেন তেওঁলোক হয়তো অসমীয়া জাতীয়তাবাদৰ দৃঢ় প্ৰবক্তা হ'লহেঁতেন। কিন্তু উগ্ৰজাতীয়তাবাদে নিজ স্বাৰ্থৰ বাহিৰে একো নেদেখে! আকৌ ১৯৪৭ত চৰকাৰে বিশেষ বিধিৰ দ্বাৰা জনজাতীয় আৱেষ্টনি সুৰক্ষিত কৰাৰ চেষ্টা কৰিছিল। কিন্তু ইয়াতো বিৰাট ফাঁক ৰৈ যোৱাত লগতে জনজাতীয় সৰলতাৰ বাবে এই সংৰক্ষিত বহু ভূমি অজনজাতীয় অসমীয়া মধ্যশ্ৰেণী আৰু বহিৰাগতৰ বেপাৰী শ্ৰেণীৰ হাতলৈ গুচি গ'ল। জনজাতীয় অধ্যুষিত গুৱাহাটী আদিত আজি জনজাতীয় বিতাড়নৰ দ্বাৰা অজনজাতীয় আধিপত্য অব্যাহত। গুৱাহাটীৰ বেলতলা আদি জনজাতীয় সুৰক্ষিত অঞ্চল সম্পূৰ্ণভাৱে আজি অজনজাতিৰ বেদখলত। জনজাতীয় প্ৰধান গুৱাহাটীত আজি বড়ো-কাৰ্বি সংখ্যালঘু। এওঁলোক বহুতো স্বভূমিৰ পৰা বিতাড়িত হৈ গৃহহীন কাঙাল জীৱন যাপন কৰিছে। সেয়েহে কিছু সংগতি থকা নৃগোষ্ঠী সকলৰ গৃহভূমি হেৰুৱাৰ সংশয়ত তেওঁলোকৰ বহুতৰ বাবে পৃথক গৃহভূমিৰ আৱশ্যক হৈ পৰিছে। এনে অৱস্থাত ভূমি পুত্ৰ বড়ো সকলে তেওঁলোকৰ মানুহ ৫০% কম থকা ঠাইতো তেওঁলোকৰ গৃহভূমি কৰিব বিচৰাতো গণতান্ত্ৰিক দৃষ্টিত ভুল হ'লেও ঐতিহাসিক স্বত্ব যে তেওঁলোকৰহে তাক অস্বীকাৰ কৰিব নোৱাৰি। এইবোৰ কাৰণতে বড়ো অধ্যুষিত ওদালগুৰিৰ গুলাণ্ডিহাবিত যোৱা ১৯ জুলাইত বহিৰাগত সংখ্যালঘু সম্প্ৰদায়ৰ ৮ জন নীৰিহ মিজু-মহিলাক বড়ো উগ্ৰপন্থীয়ে হত্যা কৰি পিতৃভূমি মুকলি কৰিবৰ বাবে সকীয়নি দিছে। (টেলিগ্ৰাফ কাকতৰ সম্পাদকীয় ভাষ্য) এনে ঘটনা পূৰ্বতেও মৰাধনশ্ৰীত (২১/২/৯২) হৈছিল। এই সকলোৰে উদ্দেশ্য টেলিগ্ৰাফ কাকতৰ ভাষ্যৰেই ব্যাখ্যা কৰিলে ভুল নহব সম্ভৱ। নিজৰ সংৰক্ষিত অঞ্চলৰ পৰা বিতাড়িত হৈ এওঁলোকৰ বহুতে সংৰক্ষিত বনাঞ্চলত সোমাই পৰে। কিন্তু বনাঞ্চলৰ নিছিদ্ৰ আইনে তেওঁলোকক পুনঃ উচ্ছেদ কৰে। এইদৰে এওঁলোকৰ আজি বৃহৎ গোষ্ঠী এটা গৃহহীন ভূমিহীন এক ট্ৰেজিক জনগোষ্ঠী। ভাষা সংস্কৃতিৰ দিশতো তেওঁলোকৰ বাবে অসমীয়া ভাষী মধ্যশ্ৰেণীয়ে নান' ভাবুকিৰ সৃষ্টি কৰিছে। ১৯৬১ চনৰ চৰকাৰী ভাষা

অজনজাতীয় আৰক্ষী এলেকা

| এলেকা | প্ৰাথমিক বিদ্যালয় | হাইস্কুল | ডাক্তৰ-খানা | পকী ৰাস্তাৰ গাওঁ |
|---|---|---|---|---|
| চতিয়া | ১৮৮ (খন) | ১২ (খন) | ৫ (খন) | ৬১ (খন) |
| মঙ্গলদৈ | ৩০৮ | ২ | ৮ | ৯৪ |
| নলবাৰী | ৫১০ | ৮ | ১০ | ৬৩ |

বিধেয়ক খনক নৃগোষ্ঠী সকলে উন্নতিৰ প্ৰতিবন্ধক হিচাপে গণ্য কৰিছিল। অগপ-আছুৰ এই সম্পৰ্কীয় কাৰ্যকলাপ ইতিপূৰ্বে বিবৃত কৰিছোৱেই। পদে পদে অসমীয়া ভাষী আধিপত্যই তেওঁলোকক শংকিত কৰি আহিছে। আকৌ আছু-আলফা-উত্থানে অসমীয়া ভাষী আধিপত্যবাদী শক্তিটোক নৃগোষ্ঠী সকলৰ আশা আকাংক্ষাক গ্ৰাস কৰিবলৈ সুবিধা দিয়াৰ লগতে ই তেওঁলোকক নৃগোষ্ঠী স্বতন্ত্ৰ ভাবে সংগঠিত হ'বৰ বাবে উদ্দীপনাও নোযোগোৱা নহয়। অসমীয়া ভাষীৰ অস্তিত্ব চিন্তাই নৃগোষ্ঠীৰ অস্তিত্ব চিন্তাক জোৰদাৰ কৰি তোলে। মুঠতে অসমীয়া ভাষীৰ উগ্ৰজাতীয়তাবাদী উত্থানে নৃগোষ্ঠী আন্দোলনবোৰলৈও উগ্ৰজাতীয়তাবাদৰ সঞ্চাৰ কৰে। ডঃ গোহাঁইদেৱে অৱশ্যে অসমীয়াৰ উগ্ৰজাতীয়তাবাদক ধিক্কাৰ দিবলৈ যোৱাৰ আগেয়ে এয়া বৃটিছ উপনিৱেশৰ শোষণৰ ফল (অসমীয়া ভাষাক এসময়ত বিতাড়িত কৰি বঙলা ভাষা জাপি দিয়া কৰ্ম) আৰু স্বাধীনতাৰ পাছতো অসমীয়াই তেলশোধনাগাৰ, ব্ৰহ্মপুত্ৰ দলং আদি দাবীৰ বাবেও তীব্ৰ আন্দোলন কৰিব লগা হৈ তেওঁলোকে অনুভৱ কৰা কেন্দ্ৰৰ বঞ্চনাৰ ফলশ্ৰুতি বুলি কবলৈ পাহৰা নাই। মুঠতে আমাৰ উভয় পক্ষৰ উগ্ৰজাতীয়তাবাদী শিপাডাল প্ৰধানকৈ শোষণত নিহিত আছে–যি উভয় গোষ্ঠীক বিভিন্ন আন্দোলনত নমাত সহায় কৰিছে। বহু সময়ত সামাজিক ৰাজনৈতিক আৰু অৰ্থনৈতিক আধিপত্যৰ ক্ষেত্ৰত অসমীয়া মধ্যশ্ৰেণীৰ সৈতে থকা দ্বন্দ্বত তিষ্ঠিব নোৱাৰিও জাতি ভাইৰ আন্দোলনৰ কান্ধত উঠি নিজৰ আশা-আকাংক্ষা চৰিতাৰ্থ কৰাৰ বাবে নৃগোষ্ঠীৰ মধ্যশ্ৰেণীয়ে আন্দোলন সংগঠিত কৰে। কথাটো আঞ্চলিক ৰাজনীতিৰ লগত বহুখিনি সাদৃশ্য আছে। বহুসময়ত আকৌ উগ্ৰজাতীয়তাবাদী প্ৰচাৰেও জনজাতি সকলক প্ৰকৃত দুৰৱস্থাতকৈ শতগুণে অধিক দুঃস্থ-নিঃস্ব ছবি এখন দাঙি ধৰে। বাস্তৱিকতে নৃগোষ্ঠী সকল উল্লিখিত কাৰণৰ বাবে অসমীয়া ভাষীবোৰতকৈ কিছু পিছ পৰি গ'লেও ইয়াৰ অনুপাত আকাশ-পাতাল নহয়। উদাহৰণ হিচাপে ১৯৮১ চনৰ পিয়লমতে কেইখনমান জনজাতীয় আৰু কেই খন মান অজনজাতীয় আৰক্ষী অঞ্চলৰ তুলনা দাঙি ধৰা হ'ল।

জনজাতীয় আৰক্ষী এলেকা

| এলেকা | প্ৰাথমিক বিদ্যালয় | হাইস্কুল | ডাক্তৰ-খানা | পকী ৰাস্তাৰ গাওঁ |
|---|---|---|---|---|
| ওদাল-গুৰি | ১২২ (খন) | ২ (খন) | ১ (খন) | ৪৩ (খন) |
| তামুল-পুৰ | ১৪২ | ৫ | ৬ | ৩৫ |
| কোকৰা-ঝাৰ | ২৬২ | ৩ | ১০ | ৯৪ |

অসম আন্দোলনত আন্দোলনকাৰীয়ে ৰাইজৰ আবেগ উতলাবৰ বাবে প্ৰফুল্ল মহন্তইঁতে প্ৰকৃত হিচাপতকৈ কেইবালাখো অধিক বিদেশী সংখ্যা উল্লেখ কৰিছিল। এনেবোৰ অতিৰঞ্জিত তথ্য-হিচাপে মানুহক অধিক উত্তেজনা সৃষ্টি কৰি অধিক প্ৰত্যাশা-উদ্দীপনাৰে আন্দোলন এটা জোৰদাৰ কৰিব পাৰি ঠিকেই কিন্তু শেষান্তত ই আটৈ মতা নেতৃবৃন্দকে সদায় বিপদত পেলায়।

আছুৰ আন্দোলনে যিদৰে মহন্তইঁতক গাদীত বহালে সেইদৰে তেওঁলোকে মিছা তথ্যৰে সৃষ্টি কৰা মিছা প্ৰত্যাশাৰ অন্তত বাস্তৱক্ষেত্ৰত হতাশ হৈ অসমীয়া ৰাইজে ক্ষোভ ঘৃণাৰে এসময়ৰ 'অসমৰ দিগন্ত/প্ৰফুল্ল মহন্ত'ৰ ৰাজনৈতিক জীৱনেই প্ৰায় অন্ত কৰি দিলে।' ৮৫ৰ ১৫ আগষ্ট অসম চুক্তিৰ সময়তে দুৰদৰ্শী হোমেন বৰগোহাঞিদেৱে আমাৰ উল্লিখিত 'অধিক প্ৰত্যাশাই সৃষ্টি কৰিব পৰা হতাশাৰ' সম্ভাৱনাটোৰ কথা 'জনক্ৰান্তিত' লিখিছিল। বাস্তৱত সি এসময়ত আখৰে আখৰে ফলিয়ালে।

বড়ো আন্দোলনৰ ন্যায্যতা স্বীকাৰ কৰি আমি তাত পূৰ্ণ সমৰ্থন জনালেও আমি বড়ো নেতৃবৃন্দই দাঙি ধৰা কেতবোৰ তথ্যৰ প্ৰতি সন্দেহমুক্ত হ'ব পৰা নাই। চৰকাৰী হিচাপ মতে বড়ো জনসংখ্যা য'ত ৩০-৩৫%, তাত বড়ো নেতৃত্বৰ হিচাপ মতে ৬০-৭০%! চৰকাৰী ক্ৰটি স্বীকাৰ কৰিলেও (ইতিমধ্যে যোৱা ৩০ মাৰ্চত দাখিল কৰা ভূপেন্দ্ৰ সিং কমিটি ৰিপৰ্টত লক্ষীমপুৰৰ কেইবাখনো ঠাইত বড়ো নাই বুলিছে, কিন্তু আমি নিজেই আজি তিনিবছৰ পূৰ্বে বৰদলনীৰ বড়ো গাওঁ কেইখন মানলৈ গৈছিলো (৮৯ৰ ১৬-২৮ ফেব্ৰুৱাৰী সূত্ৰধাৰ দ্ৰষ্টব্য) তথ্যৰ ইমান গড়মিল হোৱালৈ চাই বড়ো নেতৃবৃন্দৰ অতিৰঞ্জনাৰ প্ৰতিও আমাৰ সন্দেহ হৈছে। এনেবোৰ খেলিমেলি তথ্যই অৱশেষত বড়ো নেতৃবৃন্দকে বিপদত পেলাব।

এনে অৱস্থাত তেওঁলোকে সিং কমিটিৰ প্ৰতিবেদন নাকচ কৰাই স্বাভাৱিক। বাস্তৱিকতে হৈছেও সেয়াই। ছানচুমা খংগুৰ বৈচুমুতিয়াৰীইঁতে সেইখন বিৰোধীৰ অধিক বক্তব্যক প্ৰাধান্য দিয়া আৰু নিৰপেক্ষ নাছিল বুলি এককোবেই নাকচ কৰি পৃথক বড়োলেণ্ডৰ দাবীত ১০০ বছৰ সংগ্ৰাম কৰা ভাবুকি দিয়ে। ('বুধবাৰ' কাকতে আয়োজন কৰা কৰ্মশালা জুলাই/৯২) অসমৰ মুখ্যমন্ত্ৰীয়ে ইতিমধ্যে ১১ আগষ্টত সাংবাদিক মেলত তেওঁলোকক বিত্তীয়, প্ৰশাসনিক আৰু বিধায়িনী বিষয়ত স্বায়ত্ত শাসন দি ৫০% ওপৰত বড়ো জনসংখ্যা থকা ঠাই তাক কাৰ্যকৰী কৰা কথা ঘোষণা কৰে। ইয়াৰ বাবে বড়ো নেতৃবৃন্দই ৪৪৪৩ খন গাঁওৰ প্ৰস্তাৱ দিয়ে। কিন্তু অনুসন্ধানত প্ৰকৃততে ৩৩৯৩ খন



গাঁৱতহে বড়ো আছে বুলি জনা যায়। আকৌ ইয়াৰ ১১৮৫ খন গাঁৱতহে ৫০% ওপৰৰ বড়োলোক আছে। চৰকাৰে যোৱা ১৮-১৯ আগষ্টত প্ৰস্তাৱিত বড়োভূমিৰ মধ্যৱৰ্তী ১০৯ খন চাহ বাগান আৰু কেতবোৰ ঔদ্যোগিক অঞ্চল বাদ দিয়ে। বড়ো নেতৃত্বৰ মতে ইয়াৰ আগৰ ২৬ জুলাইত চৰকাৰে বৰ্তমান বাদ দিয়া অঞ্চলবোৰ বোলে প্ৰস্তাৱিত বড়োভূমিৰ অন্তৰ্ভুক্ত কৰিছিল। চৰকাৰ আৰু বড়ো নেতৃত্বৰ এনেবোৰ তথ্যৰ গড়মিলত প্ৰকৃত অৱস্থাটো অনুধাৱন কৰাত জটিল হৈ পৰিছে। আজি পৰ্যন্ত (আগষ্টৰ শেষ সপ্তাহ) বড়ো নেতৃত্ব আৰু অসম চৰকাৰৰ মাজত প্ৰতিশ্ৰুতি/আশ্বাসৰ বিশ্বাসভংগৰ অভিযোগ, প্ৰতি আভিযোগ চলি আছে। কিছুমান ৰাজনৈতিক পৰ্যবেক্ষকে সমস্যা সমাধানৰ পথত বুলি কোৱা মুহূৰ্তত আবছু বিপিচিয়ে ঘোষণা কৰিছে যে ৰাজ্য চৰকাৰৰ লগত তেওঁলোকৰ আলোচনা প্ৰস্তাৱিত গৃহভূমিৰ এলেকাক লৈহে বাকীবোৰ সমস্যাৰ মীমাংসা কেন্দ্ৰীয় চৰকাৰৰ লগতহে হ'ব। অসম চৰকাৰে আগবঢ়োৱা অট'নমাছ কাউঞ্চিলৰ প্ৰসংগত কাৰ্বি আংলঙত ১৯৫১ চনতেই জিলা পৰিষদক স্বায়ত্ত শাসন দিয়া সত্বেও কিয় এ, এছ, ডি, চি'ৰ উত্থান হৈছে তালৈ আঙুলি নিৰ্দেশ কৰে। মুঠতে অতীত অভিজ্ঞতাৰে বড়ো নেতৃত্ব সংশয়াচ্ছন্ন। কোনোবাই ইয়াক অকৰা মৈত উঠিছে বুলিও ক'ব পাৰে।

প্ৰস্তাৱিত বড়োৰ গৃহভূমিৰ মাটি কালি ২৫,৪৭৮ বৰ্গ কিঃ মিঃ। কাৰ্বি আংলঙৰ মাটি কালি ৪০০৪ বৰ্গ কিঃ মিঃ। আন্দোলন দুটাৰ তুলনা কৰিলে এটা ডাঙৰ পেৰাডক্স প্ৰকাশ পায়। সি হৈছে সংখ্যা গৰিষ্ঠ জনসংখ্যা থকা অথচ বিশেষ ভূমি অধিকাৰী হৈয়ো কাৰ্বিয়ে অধিক স্বায়ত্ত শাসন বিচাৰি আন্দোলন কৰিছে; আনহাতে সংখ্যা গৰিষ্ঠ জনসংখ্যাৰে সুকীয়া অখণ্ড গৃহভূমি নথকা সত্বেও বড়ো নেতৃত্বই সম্পূৰ্ণ সুকীয়া 'বড়োলেণ্ডৰ' দাবীত খামোচ মাৰি ধৰিছে। যোৱা নিৰ্বাচনত কাৰ্বি নেতৃত্বই তেওঁলোকৰ প্ৰস্তাৱিত এলেকাৰ সংখ্যাগৰিষ্ঠ জনসংখ্যাৰ সমৰ্থন আৰু কৰ্তৃত্ব প্ৰমাণ কৰিছে। কিন্তু বড়ো নেতৃত্বই তেওঁলোকৰ সমৰ্থন আৰু কৰ্তৃত্ব কেৱল কোকৰাঝাৰ জিলাখনতেই সীমাৱদ্ধ ৰাখিবলৈ বাধ্য হৈছে। এনে অৱস্থাত কাৰ্বি আংলঙক যিদৰে সম্পূৰ্ণ পৃথক ভূমিৰে স্বায়ত্ত শাসনৰ এলেকা ভুক্ত কৰিব পাৰি সেইদৰে বড়োসকলক নোৱাৰি। 'আজিৰ অসম' কাকতত এই সম্পৰ্কে ডঃ ভুবন মোহন দাসে এটা তথ্য সমৃদ্ধ ব্যাখ্যা আগবঢ়াইছে। (১৯৯১) আকৌ লক্ষীনাথ তামুলীৰ দৰে নব্য ধাৰাৰ বুৰঞ্জীবিদে সংবিধানৰ ২৪৪(ক) অনুচ্ছেদ বৃটিছ সাম্ৰাজ্যবাদৰ স্বাৰ্থৰ ৰক্ষাকাৰী বিচ্ছিন্নতাৰ বীজ সিঁচা এক ধাৰা হিচাপে চিহ্নিত কৰিছে (আজিৰ বাতৰি-জুলাই/৯২–'সাগৰৰ পৰা মৰাসুঁতিলৈ') তামুলীদেৱৰ কথাটোও একেবাৰে দলিয়াই পেলাব নোৱাৰি। দেশখনক প্ৰকৃত সংঘীয় ব্যৱস্থাৰে (ফেডাৰেল গাঁথনি) গঢ়ি নুতুলিলে ই অসমৰ দৰে বিভিন্ন জনগোষ্ঠী অধ্যুষিত অঞ্চলত (ঝাৰখণ্ডৰ দৰে এলেকাৰ কথাটো আছেই) প্ৰতিমুহূৰ্ততে স্বায়ত্ত শাসনৰ নামত বিচ্ছিন্নতা বাদী আন্দোলন সংগঠিত কৰাৰ আশংকাই সৰহ। কাৰ্বিৰ দৰে কমিউনিষ্টৰ নেতৃত্বত চলা সঠিক সুদীৰ্ঘ গণতান্ত্ৰিক আন্দোলনৰ কথা অৱশ্যে সুকীয়া। প্ৰতি মুহূৰ্ততে তেওঁলোকে দেশৰ আন সকলো গণতান্ত্ৰিক শক্তিৰ প্ৰাত হাত আগবঢ়াইছে। সেইদৰে তেওঁলোকে দেশৰ গণতান্ত্ৰিক শিৱিৰৰ পৰাও উদাৰ সমৰ্থন লাভ কৰিছে। আজিৰ পটভুমিত গণতান্ত্ৰিক ভাবে আন্দোলন নকৰিলে বিচ্ছিন্নতাবাদী আন্দোলনবোৰত বাহিৰা অপশক্তি সোমাই পৰি কেনে প্ৰতিক্ৰিয়াশীল আত্মঘাতী আন্দোলনলৈ পৰ্যবসিত হব পাৰে তাৰ কোনো ঠিকনা নাই। বড়ো আন্দোলনৰ মাজতো খৃষ্টান পাদুৰী সোমাই পৰা কথা এসময়ত শুনিছিলো। এইবোৰে চি আই এৰ কদৰ্য-জাগুৰ হাঁতোৰাৰ উপস্থিতিত আন্দোলন উতলোৱা সম্ভাৱনাকো নাকচ কৰিব নোৱাৰি। সাম্প্ৰতিক আমেৰিকাৰ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ সমুখত জৰ্জ বুশ্বে দম্ভৰে ঘোষণা কৰিছে যে ছোভিয়েত ৰাছিয়াক তেওঁৰ কূট কৌশলেৰেই খণ্ড-বিখণ্ড কৰিছে। আমাৰ নৃগোষ্ঠী আন্দোলনৰ সকলো ন্যায্যতা স্বীকাৰ কৰিও এইবোৰ দিশ-সম্ভাৱনাৰ প্ৰতিও আমি চকু ৰাখিব লাগে। স্বায়ত্ত শাসন উপভোগ কৰিবলৈ গৈ নৃগোষ্ঠী সকলে এই কথা পাহৰিলেও নহব যে আজি আমাৰ দেশে মুঠ ৰাজহৰ এক চতুৰ্থাংশতকৈ অধিক ধন বিদেশী ঋণৰ সুত পৰিশোধ কৰোতেই ব্যয় কৰিব লগা হয়। সেয়ে এই অৱস্থাত স্বায়ত্ত শাসন পালেই সকলো ফালৰপৰা স্বচ্ছন্দ অৱস্থা লভিলো বুলি ভাবিলে তৎকালেই হতাশা আহিব। ফলশ্ৰুতিত দেশৰ বৰ্তমান অৱস্থাত স্বায়ত্ত শাসনৰ যি অলপ সুবিধা তাকো অৰ্থহীন যেন লাগিব।

আমাৰ ৰাজ্যত স্বায়ত্ত শাসনৰ এক ঐতিহ্য আছে। ১৭ শ শতিকাত আহোম ৰজাৰ দিনত ৰাণী, বকো, বেলতলা, দৰং আদিত কোচ, ৰাভা লালুং কছাৰী আদিৰ স্বায়ত্ত শাসিত ৰাজ্য আছিল। এইবোৰক আহোমৰজাৰ সলাল গোহাঁই, বৰফুকন আদিয়ে চোৱা-চিতা কৰিছিল। আহোম ৰজাই এইবোৰ ৰাজ্যৰ পৰা এক নিৰ্দ্ধাৰিত হাৰত খাজনা বা কৰ লৈছিল। কিন্তু ইয়াৰ আভ্যন্তৰীণ বিষয়ত ৰজাই বিশেষ হস্তক্ষেপ কৰা নাছিল। বহিঃশত্ৰু আক্ৰমণৰ সময়ত কিন্তু আহোম ৰাজ্যৰ লগত আন সকলো স্বায়ত্ত শাসিত ৰাজ্যৰ সৈন্য বাহিনী এক হৈছিল। এই ঐক্যৰ বাবেই ১৭ বাৰকৈ প্ৰবল প্ৰতাপী মোগলক পৰাভূত কৰি দেশৰ পৰা বিতাড়িত কৰিছিল। এই সুস্থ ঐতিহ্যৰ ধাৰাবাহিকতা ৰক্ষা কৰি (কৰৰ ব্যৱস্থা সলনি কৰি) জনসংখ্যানুপাতে প্ৰতি নৃগোষ্ঠীক পৰ্যাপ্ত স্বায়ত্ত শাসন দিলেই বহু আন্দোলনেই প্ৰশমিত হ'ব। ইয়াৰ লগতে কিন্তু এই কথাৰ প্ৰতিও লক্ষ্য ৰাখিব লাগিব যে অধিক স্বায়ত্ত শাসনৰ অচিলা লৈ অগপৰ আমোলত আল্‌ফা উত্থান হোৱাৰ দৰে-(চিন্তাবিদ সুজিত চৌধুৰীয়ে এই সংক্ৰান্তত 'সূত্ৰধাৰা'ত লেখা এলানি প্ৰবন্ধত বিস্তৃত ব্যাখ্যা দিছে।) স্বায়ত্ত শাসিত অঞ্চলত নিজ জাত ভাইৰ শাসনৰ সোৱাদ প্ৰশ্ৰয় পাই স্বায়ত্ত অঞ্চলবোৰত যাতে বিচ্ছিন্নতাবাদী সন্ত্ৰাসবাদী গ্ৰহভূমিলৈ পৰিণত নকৰে। এই সকলোবোৰ কৰিবলৈ গৈ আমি সততে মনত ৰাখিব লাগিব–'এই উত্থান আৰু সংঘৰ্ষবোৰ কেৱল এটা ৰাজনৈতিক ঐক্যমতৰ পতনৰ ফলশ্ৰুতি নহয়। বৰং এইবোৰ হৈছে আমাৰ দেশৰ অৰ্থনীতিত দেখা দিয়া ঘোৰতৰ সংকট। ভাৰতীয় ৰাষ্ট্ৰ আৰু ইয়াৰ আদৰ্শগত ভেটি সম্পৰ্কে দেখা দিয়া সম্পূৰ্ণ বিভ্ৰান্ত আৰু অনিশ্চয়তাৰ বহিঃ প্ৰকাশ।' (ডঃ হীৰেণ গোহাঁই) বহুতে এইবোৰ অৱস্থাত যান্ত্ৰিক ভাবে লেলিনৰ 'আত্মনিয়ন্ত্ৰণ'ৰ কথা আওৰায়। আমি ভাবো এইবোৰ আমাৰ বস্তুগত আৰু বিষয়গত অৱস্থা সাপেক্ষেহে প্ৰয়োগ বা বৰ্জন হব। আকৌ এইকথা আমি পাহৰিলে নচলিব যে এই নৃগোষ্ঠী সমস্যাবোৰৰ মাজতো দেশত দ্ৰুতগতিত যি উদ্যোগীকৰণ হৈছে–অসমভাবে হ'লেও পুঁজিৰ যি বিকাশ ঘটিছে তাত দ্ৰুত ভাবে শ্ৰেণী প্ৰৱাহমানতা সৃষ্টি হৈছে। (Transformation of class) যদিও আজি বিশ্ব নৃগোষ্ঠী বা জাতিৰাষ্ট্ৰ উত্থানৰ যুগ বুলি ঠায়ে ঠায়ে ক্ষণিকৰ বাবে চিহ্নিত হৈছে তাৰ বিপৰীতে অৰ্থনৈতিক গ্ল'বেলাইজেশ্যনৰ যুগত ইয়াৰ তাৎপৰ্যও দ্ৰুত গতিত হেৰুৱাই ভিন্ন শ্ৰেণী গোটত (class unit) বিভাজিত হৈছে বিভিন্ন বিকশিত জাতিৰ লগতে নৃগোষ্ঠী সকলো।

**লেখকৰ টোকা :** প্ৰবন্ধটোৰ মাজত উল্লেখ কৰা বিভিন্ন প্ৰাসংগিক কাকত কিতাপ আৰু লেখকৰ উপৰিও নিম্নোল্লিখিত গ্ৰন্থ আৰু কাকত আলোচনীৰ পৰা (বিশেষকৈ প্ৰথম দুখন) প্ৰবন্ধটোৰ বাবে বহুখিনি তথ্য গ্ৰহণ কৰা হৈছে।

(১) ডঃ প্ৰফুল্ল মহন্ত–অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ ইতিহাস। (ছেপ্টেম্বৰ/৯১)
(২) ডঃ হীৰেণ গোহাঁই–স্বাধীনতাৰ সপোন আৰু দিঠক। (ডিচেম্বৰ/৯১)
(৩) ত্ৰৈলোক্য নাথ গোস্বামী–অতীতৰ কথা (আত্মজীৱনী)
(৪) বিনয় ঘোষ–বঙালী মধ্যবিত্ত।
(৫) দিলীপ শৰ্মা–প্ৰগতিৰ পথত কাৰ্বি আংলং
(৬) দিলীপ চন্দন–পথেক (১৬-৩১ জুলাই) প্ৰবন্ধ
(৭) ব্ৰজ কিশোৰ শইকীয়া –পথেক (১-১৫ আগষ্ট/৯২) প্ৰবন্ধ
(৮) ডঃ ধ্ৰুবজ্যোতি বৰা – বুধবাৰ (১৯ আগষ্ট/৯২) প্ৰবন্ধ

# "অসমৰ স্বাধীনতা সংগ্ৰাম" প্ৰসঙ্গত

(ডঃ সুভাষ সাহাৰ 'মতান্তৰ'ৰ প্ৰতিবাদ টোকা ।)

ৰমেশ কলিতা

"স্বাধীনতা আন্দোলনৰ ইতিহাস" শীৰ্ষক মোৰ প্ৰবন্ধ এটি প্ৰখ্যাত সাহিত্যিক আৰু বুদ্ধিদীপ্ত সাংবাদিক শ্ৰদ্ধেয় শ্ৰীযুত হোমেন বৰগোহাঞি দেৱৰ দ্বাৰা সম্পাদিত সাহিত্যালোচনী 'সূত্ৰধাৰ'ত (১৬-৩১ জানুৱাৰী, ১৯৯২, পৃঃ ২৪-২৭) প্ৰকাশ হৈছিল। প্ৰবন্ধটি আছিল ডঃ সুভাষ সাহাৰ দ্বাৰা সম্পাদনা কৰা "অসমৰ স্বাধীনতা সংগ্ৰাম" (প্ৰথম পৰ্ব, ১৮২৬-১৯০০) শীৰ্ষক ঐতিহাসিক প্ৰবন্ধ সংকলনখনৰ সন্দৰ্ভত। মোৰ প্ৰবন্ধটিত সংকলনখনত সন্নিবিষ্ট প্ৰবন্ধ সমূহৰ এটি বস্তুনিষ্ঠ আলোচনা দাঙি ধৰাৰ লগতে সেইবিলাকৰ ঐতিহাসিক সত্যাসত্য তথা গ্ৰহণযোগ্যতা সম্পৰ্কেও মতামত দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছিল।

এইটো অনস্বীকাৰ্য যে ইতিহাস এবিধ জটিল সমাজ বিজ্ঞান। অতীত সমাজ অধ্যয়নৰ ই এবিধ পৰিশীলিত প্ৰক্ৰিয়া। ইতিহাসত মানৱ সমাজৰ অতীত সম্পৰ্কে অধ্যয়ন কৰা হয়, আলোচনা কৰা হয়। ইতিহাস অধ্যয়ন তথ্য ভিত্তিক, বিশ্লেষণাত্মক আৰু বস্তুনিষ্ঠ হোৱাটো বাঞ্ছনীয়। তথ্য ভিত্তিক হ'লেই যে ইতিহাস বস্তুনিষ্ঠ হ'ব সেইটো আশা কৰিব নোৱাৰি। বস্তুনিষ্ঠ ইতিহাস চৰ্চাহে পাঠকৰ মনত ইতিহাস চেতনাৰ উদ্ৰেক কৰে। বস্তুনিষ্ঠ নহৈ কেৱল তথ্য ভিত্তিক হ'লে তেনে ইতিহাসে পাঠকৰ মনত মাত্ৰ ইতিহাস প্ৰীতিহে সৃষ্টি কৰিব পাৰে, ইতিহাস চেতনা নহয়। ইতিহাস প্ৰীতি আৰু ইতিহাস চেতনা একে নহয়। মনে সজা কাহিনী আৰু ৰূপকথাকেই (myth) ইতিহাসৰ সাৰ বস্তুৰূপে দেখুৱাবলৈ চেষ্টা কৰিলে তেনে ইতিহাসে পাঠকৰ মনত অহৈতুক ৰোমাঞ্চৰ সৃষ্টি কৰে, আৰু পাঠকক অতীতমুখী নষ্টালজিয়াত ডুবাই ৰাখে। অকল পাঠককেই নহয়, তেনে ইতিহাসে সৃষ্টি কৰা ইতিহাস প্ৰীতিয়ে সমাজ ব জাতি এটাক অতীতমুখী কৰি তোলে আৰু বৰ্তমানৰ জটিল সমাজ জীৱনত জুৰুলা হোৱা লোকে এই কাৰণতেই আজিৰ অসমৰ পৰিস্থিতিত কৰাৰ দৰে সাম্প্ৰতিক যুগৰ কাৰ্যকৰী ৰাজনৈতিক মতাদৰ্শৰ বিপৰীতে সমাজ পৰিবৰ্তনৰ বাবে আদৰ্শ সমাজ দেশ নায়কৰ বাবে মূলা-গাভৰু লাচিত বৰফুকনলৈ ধাপলি মেলে।

আনহাতে ইতিহাস চেতনাই বৰ্তমানতকৈও ভৱিষ্যতৰ বাবে অধিক সমৃদ্ধিশালী সমাজ গঢ়াৰ প্ৰেৰণা যোগায়। ইতিহাস পণ্ডিতৰ জ্ঞান চৰ্চা জ্ঞান আহৰণৰ কেৱল এক আছুতীয়া ক্ষেত্ৰই নহয়, ই ভৱিষ্যত সমাজ গঢ়া সভ্যতা সংস্কৃতি গঢ়াৰ অনুপ্ৰেৰণাৰ পাঠশালাও। নতুন নতুন তথ্যৰ অনুসন্ধান আৱিষ্কাৰ আৰু ব্যাখ্যা-বিশ্লেষণৰ আলোকত অতীত ইতিহাসৰ চৰ্চা অধ্যয়ন আৰু জ্ঞান আহৰণৰ কাম প্ৰতিনিয়ত চলি আছে আৰু ই চলমান প্ৰক্ৰিয়া। নতুন তথ্য আৰু সমলৰ ভিত্তিত আলোচিত ঐতিহাসিক ঘটনা-পৰিঘটনাৰ ব্যাখ্যা বিশ্লেষণৰ প্ৰক্ৰিয়াই পূৰ্বৰ ঐতিহাসিক সত্যক বহু সময়তে অপ্ৰাসঙ্গিক কৰি তুলিছে বা তুলিব পাৰে। গতিকে ঐতিহাসিক সত্য বুলি কোনো এটি চিৰন্তন বস্তু নাই। ঐতিহাসিক সত্যানুসন্ধানৰ পথ যেনেকৈ মুকলি আৰু ব্যাপক, ঐতিহাসিক সত্যতাৰ পৰিবৰ্তনশীলতাও তেনেকৈ অনস্বীকাৰ্য প্ৰক্ৰিয়া। ঐতিহাসিক সত্য পৰিবৰ্তন সাপেক্ষ।

অৱশ্যে স্বীকাৰ কৰিব লাগিব যে প্ৰতিটো ঐতিহাসিক গৱেষণা কাৰ্যই আমাৰ অতীত সম্পৰ্কীয় জ্ঞানৰ পৰিসৰ বৃদ্ধিত সহায় কৰাৰ লগতে পৰৱৰ্তী গৱেষণাৰ দ্বাৰ উন্মোচন কৰে পথ প্ৰশস্ত কৰে। ঐতিহাসিক তথ্য সমল সমূহক বাঙ্ময় কৰিবলৈ যাওঁতে ঐতিহাসিকে তেওঁৰ ৰুচি, সমাজচেতনা, আৰু দৃষ্টিভঙ্গী অনুযায়ী সদায় তথ্য আৰু সমল নিৰ্বাচনত গ্ৰহণ বৰ্জনৰ নীতি প্ৰয়োগ কৰে। এই গ্ৰহণ বৰ্জনৰ ওপৰতেই নিৰ্ভৰ কৰে ঐতিহাসিকজনৰ দৃষ্টিভঙ্গী মতাদৰ্শ বস্তুনিষ্ঠতা আৰু ঐতিহাসিক ব্যাখ্যা-বিশ্লেষণৰ যথাৰ্থতা আৰু সত্যনিষ্ঠতা। "চিৰন্তন সত্যটো ময়েই আৱিষ্কাৰ কৰিলো" বুলি কোনো কথা নাই, সেইটো কৰিলেই ইতিহাস চৰ্চা অধ্যয়নৰ প্ৰক্ৰিয়া স্থবিৰ হৈ পৰিব, জ্ঞানান্বেষণ হৈ পৰিব প্ৰহসন, অসামাজিক বস্তু।

> ঐতিহাসিক তথ্য সমলসমূহক বাঙ্ময় কৰিবলৈ যাওঁতে ঐতিহাসিকে তেওঁৰ ৰুচি, সমাজ চেতনা, আৰু দৃষ্টিভঙ্গী অনুযায়ী সদায় তথ্য আৰু সমল নিৰ্বাচনত গ্ৰহণ-বৰ্জনৰ নীতি প্ৰয়োগ কৰে

সি যি কি নহওক, আমাৰ পূৰ্বে উল্লিখিত প্ৰবন্ধটি প্ৰকাশ হোৱাৰ পাছত সেই প্ৰবন্ধটিৰ প্ৰতিবাদত দুটি লিখা ইতিমধ্যে 'সূত্ৰধাৰ'ত প্ৰকাশ পাইছে। হেমন্ত ৰাজবংশী বোলা এজনে ("অসমৰ স্বাধীনতা সংগ্ৰাম প্ৰসঙ্গত", সূত্ৰধাৰ, ১-১৫ মাৰ্চ, ১৯৯২, পৃঃ ৪) আমাৰ প্ৰবন্ধটিৰ পৰিপ্ৰেক্ষিতত আমাক যি অশালীন অসঙ্গত গালি-গালাজ কৰি নিৰ্লজ্জভাৱে ডঃ সুভাষ সাহাৰ মনোৰঞ্জন কৰিছে তাক দেখি আমি অত্যন্ত অস্বস্তি আৰু বিব্ৰত বোধ কৰিছো। কাৰণ যিকোনো সাধাৰণ বুদ্ধি বৃত্তিৰ লোকেই ধৰিব পাৰিব যে চিঠিখনৰ পৰিকল্পনা ডঃ সুভাষৰ আৰু তাৰ মাধ্যমেৰে মোক অযথা আৰু অনাহক অপদস্থ কৰাৰ অপচেষ্টা চলাইছে।

দ্বিতীয়তে, ডঃ সুভাষ সাহাইও "প্ৰসঙ্গ ঃ স্বাধীনতা আন্দোলনৰ ইতিহাস" শীৰ্ষক 'মতান্তৰ'ত (সূত্ৰধাৰ, ১-১৫ মে', ১৯৯২, পৃঃ ৪৫-৪৭) মোৰ বিৰুদ্ধে ব্যক্তিগত কুৎসা ৰটনাৰে ইতিহাস চৰ্চাক কলুষিত কৰাৰ ব্যৰ্থ চেষ্টা কৰিছে। মোৰ নামৰ আগত তেতিয়ালৈ মোৰ দ্বাৰা অনাৰ্জিত ডক্টৰেট ডিগ্ৰীটো সাঙুৰি দি পণ্ডিত প্ৰবৰ (?) ডঃ সুভাষ সাহাই লিখিছে, "........ডঃ কলিতাই সমালোচনাক ব্যক্তিগত আক্ৰমণৰ পৰ্যায়লৈ নি ইতিহাস চৰ্চাৰ এক অসুস্থ পৰিবেশ সৃষ্টি কৰিব খুজিছে। প্ৰকাৰান্তৰে নিজৰ পাণ্ডিত্যৰ অহংকাৰহে প্ৰকাশ কৰিছে।" (ঐ, পৃঃ ৪৫) গতিকেই, অনিচ্ছা সত্ত্বেও, সচেতন পাঠকৰ জ্ঞাতাৰ্থে কেইটামান আনুষঙ্গিক কথা লিখিবলৈ বাধ্য হ'লো। কাৰণ অশালীন, অমাৰ্জিত আৰু অৰুচিকৰ বিতৰ্কত অংশ গ্ৰহণ কৰাটো মই দায়িত্বশীল বৌদ্ধিক কাম বুলি বিবেচনা নকৰো।

১। হেমন্ত ৰাজবংশী বোলাজনে অভিযোগ কৰিছে যে মই সুভাষ সাহাক "নিৰাশাব্যঞ্জক আৰু নীচাত্মিকা বাক্যবাণ" নিক্ষেপ কৰিছো। প্ৰবন্ধ সংকলনখনৰ ওপৰত সমালোচনা আগবঢ়াওঁতে মই সুভাষ সাহাৰ প্ৰতি "নিৰাশাব্যঞ্জক আৰু নীচাত্মিকা বাক্যবাণ" কৰা নাই। সুভাষ সাহাৰ প্ৰাপ্ত স্বীকৃতি মই দিছো। সেই ক্ষেত্ৰত মই অকণো কাৰ্পণ্য কৰা নাই। সংকলনখনত সন্নিবিষ্ট সুভাষৰ প্ৰথম প্ৰবন্ধটি ("সাম্ৰাজ্যবাদ বিৰোধী সংগ্ৰামত পাৰ্বত্য জনজাতি সকলৰ ভূমিকা")ৰ সীমাবদ্ধতা সম্পৰ্কে উনুকিয়াই দিয়াৰ লগতে মই লিখিছিলো, "অৱশ্যে স্বীকাৰ কৰিব লাগিব যে খাচী-জয়ন্তীয়া আৰু লুচাই পাহাৰৰ অধিবাসীসকলৰ বিদ্ৰোহী সত্তা, আৰু স্বাধীনতা স্পৃহাৰ অমৰ গাঁথা লোকদৃষ্টিলৈ অনাত সাহা সফল হৈছে।" (সূত্ৰধাৰ, ১৬-৩১ জনুৱাৰী, ১৯৯২, পৃঃ ২৬) মোৰ আলোচনাত মই স্পষ্টভাৱেই উল্লেখ কৰিছিলো যে সুভাষে তেওঁৰ "সাম্ৰাজ্যবাদ বিৰোধী সংগ্ৰামত পাৰ্বত্য জনজাতিৰ ভূমিকাত" "আলোচনা সীমিত ৰাখিছে কেৱল খাচী-জয়ন্তীয়া আৰু লুচাই পাহাৰৰ অধিবাসী সকলৰ বৃটিছ বিৰোধী বিদ্ৰোহ অভ্যুত্থানতে।" (ঐ, পৃঃ ২৬) প্ৰবন্ধটিত সুভাষে আলোচনা কৰিবলগীয়া অথচ তেওঁ আলোচনা নকৰা কথাখিনিও তেওঁ প্ৰবন্ধটিত আলোচনা কৰিছিল বুলি মই কেনেকৈ কওঁ; সুভাষৰ প্ৰবন্ধটিত অন্যান্য পাৰ্বত্য জনজাতি সকলৰ সাম্ৰাজ্যবাদী ভূমিকাৰ কথা আলোচিত হোৱা নাই। সেই আলোচনা নোহোৱা কথাখিনি মাত্ৰ মই উল্লেখ কৰিছিলো। কিন্তু জোনলৈ আঙুলিয়ালে সূৰ্যই জোনটোলৈ নাচায় আঙুলিলৈ চোৱাৰ দৰে ডঃ সুভাষেও মোৰ কথাৰ তাৎপৰ্য নুবুজি ওলোটাই প্ৰশ্ন কৰিছে; 'খাচী, জয়ন্তীয়া, লুচাই বা কুকীসকল পাৰ্বত্য জনজাতি নহয় নেকি? নে তেওঁলোকৰ দ্বাৰা সংগঠিত সেই সময়ৰ বিদ্ৰোহ সমূহক ডঃ কলিতাই সাম্ৰাজ্যবাদ বিৰোধী ভূমিকা বুলি স্বীকাৰ নকৰে?" (মতান্তৰ, সূত্ৰধাৰ, ১-১৫ মে', ১৯৯২, পৃঃ ৪৫) কথা হ'ল, এই ধৰণৰ বিতৰ্কলৈ অহাৰ আগতে সুভাষে তেওঁৰ কুৎসিত পঢ়াশালীয় দুষ্টামিবোৰ পৰিত্যাগ কৰিব পাৰিব লাগিছিল।

২। ডঃ সুভাষে ভাবে আৰু তেওঁৰ ভকত হেমন্ত ৰাজবংশী বোলাজনেও বোধহয় বিশ্বাস কৰে যে "সবাৰ উপৰে সুভাষ সত্য, তাহাৰ উপৰে নাই।" সুভাষৰ এই চাৰিত্ৰিক বৈশিষ্ট্য মোৰ ভালেমান বছৰৰ চিনাকি। সেয়ে যেতিয়া উত্তৰ-পূব ভাৰত বুৰঞ্জী সংস্থাৰ দ্বাদশ বাৰ্ষিক সন্মিলনৰ উদ্যোক্তা, কেইজনমানৰ নিৰ্দেশত সুভাষ সাহাই মোৰ হাতত যান্ত্ৰিকভাৱে গ্ৰন্থখন সমালোচনাৰ (Review) বাবে তুলি দিছিল তেতিয়া মই কোনো উৎসাহবোধ কৰা নাছিলো। কেৱল সমালোচনা এটি লিখি দি মোৰ ওপৰত অৰ্পণ কৰা দায়িত্বটি মোৰ জ্ঞানে ঢুকি পোৱা মতে আৰু সময়মতে পালন কৰিছিলো। সেইটো কৰোতে মই সুভাষৰ প্ৰতিভা নিঃশেষ কৰাৰ বাবে কোনো ব্যৱস্থা কৰা নাই। মোৰ "পণ্ডিতালি"ৰে সুভাষৰ প্ৰতিভাক নিষ্প্ৰভ কৰিবও বিচৰা নাই, নিঃশেষ কৰাৰ চেষ্টা কৰাতো দূৰৰে কথা। প্ৰতিভা কাঢ়ি নিব পৰা বা জাপি দিব পৰা বস্তু নহয়। ই ভাষাগত বা জাতিগতও নহয়। উত্তৰাধিকাৰসূত্ৰে সম্পত্তি পাব পাৰি, নোৱাৰি প্ৰতিভা। কাজেই তথাকথিত প্ৰগতিশীল কৰ্মী সুভাষ সাহাই মোৰ প্ৰতি হেমন্ত ৰাজবংশী বোলাজনে কৰা অশালীন বাগাড়ম্বৰৰ ইতিমধ্যেই প্ৰতিবাদ কৰিব লাগিছিল। এই ক্ষেত্ৰত সুভাষৰ নিৰ্লিপ্ততাই আৰু তেওঁৰ পৰৱৰ্তী লেখাত (মতান্তৰ, সূত্ৰধাৰ, ১-১৫ মে', ১৯৯২) মোৰ প্ৰতি পুনৰ ব্যক্তিগত আক্ৰমণে তেওঁৰ অপসংস্কৃতি আৰু অসংস্কৃত মনৰেই পৰিচয় দিছে।

৩। হেমন্ত ৰাজবংশীয়ে তেওঁৰ চিঠিখনত এটি চমৎকাৰ খবৰ দিছে। তেওঁ বোলে কিতাপখনত সন্নিবিষ্ট ডঃ সূৰ্যকান্ত বৰপূজাৰীৰ "অসমত ১৮৫৭ চনৰ বিদ্ৰোহ ঃ নতুন তথ্যৰ আধাৰত এটি সমীক্ষা" (অসমৰ স্বাধীনতা সংগ্ৰাম, পৃঃ ৬৯-৭৯) নামৰ প্ৰবন্ধটি ইংৰাজীৰ পৰা অসমীয়ালৈ অনুবাদ কৰি দিছিল। ডঃ বৰপূজাৰীৰ "Further light on the revolt of 1857 in Assam" নামৰ প্ৰবন্ধটিৰ যে এজন অনুবাদক আছে সম্পাদক সুভাষ সাহাই সেইটো গ্ৰন্থখনৰ ক'তো উল্লেখ কৰা নাই। তাৰ দ্বাৰা তেওঁ অনুবাদকক প্ৰাপ্য স্বীকৃতিৰ পৰাই বঞ্চিত কৰা নাই, লগতে ডঃ বৰপূজাৰীৰ প্ৰতিও অন্যায় কৰিছে। অনুবাদকৰ নামটো উল্লেখ কৰাৰ জৰিয়তে সুভাষ সাহাই তেওঁৰ বৌদ্ধিক সততাৰ পৰিচয় দিয়াৰ ভাল সুযোগ এটা পাইছিল। তেওঁ কিবা কাৰণত তাক গ্ৰহণ নকৰিলে।

৪। হেমন্ত ৰাজবংশী বোলা সুভাষৰ ভকতজনে তেওঁৰ চিঠিত লিখিছে যে "ফুলগুৰিৰ কৃষক বিদ্ৰোহ ঃ এটি সমীক্ষা" শীৰ্ষক প্ৰবন্ধটি লিখোতে সুভাষ সাহাই হেনো "ছয়খন ইতিহাসৰ অমূল্য গ্ৰন্থৰ উদ্ধৃতিও দাঙি ধৰিছে।" (সূত্ৰধাৰ, ১-১৫ মাৰ্চ, ১৯৯২, পৃঃ ৪) কথা হ'ল, প্ৰবন্ধটিৰ প্ৰসঙ্গসূচীত তথা 'উৎস নিৰ্দেশিকাত সুভাষে মাত্ৰ দুখন তদানীন্তন চৰকাৰী চিঠি আৰু দুটা চৰকাৰী ৰিপৰ্টৰহে উল্লেখ কৰিছে। চৰকাৰৰ বিভাগীয় চিঠি আৰু চৰকাৰী ৰিপ'ৰ্টক "অমূল্য গ্ৰন্থ" বুলি হেমন্ত ৰাজবংশীয়ে উল্লেখ কৰাটো আৰু তাতেই সুভাষে আত্মসন্তুষ্টি লাভ কৰাটো অকল বিভ্ৰান্তিকৰেই নহয়, অত্যন্ত হাস্যস্পদো। প্ৰবন্ধটিৰ 'উৎসনিৰ্দেশিকা'ত সুভাষে উল্লেখ কৰা ৰিপ'ৰ্ট দুখন হ'ল; 'Report on the Province of Assam, A. J. Moffatt Mills, (1854)', আৰু B. C. Allanৰ 'Assam District Gazatteers (Nowgong District), 1905, আৰু চিঠি দুখন হ'ল, Letter No. 87, from Secy to the Govt. of Bengal, dt. 30 August 1861, in Letters Received from the Govt., Vol. 24, January to December, 1861, আৰু Letter No. 82 dt. 24 June 1862, from Lt. Sconce to the Offg. Commissioner of Assam, Microfilm, Judicial Proceedings, 178-81, Oct., 1862. ডঃ সুভাষে কোনক কোন বুলিবলৈ কেতিয়াৰ পৰা শিকিব?

অৱশ্যে ডঃ সুভাষে আৰু এখন গ্ৰন্থৰ নামোল্লেখ কৰিব লাগিছিল, কিয়নো তেওঁ সেই গ্ৰন্থখনৰ পৰাও সহায় লৈছে, তথ্যপাতি গ্ৰহণ কৰিছে, অথচ গ্ৰন্থখনৰ নামটো উহ্য ৰাখিছে। ৰহস্যটো কি? গ্ৰন্থখন নগাওঁৰ শ্ৰদ্ধেয় শ্ৰীযুত বেণুধৰ কলিতাৰ "ফুলগুৰিৰ ধোৱা"। সি যি কি নহওক হেমন্ত ৰাজবংশীয়ে বিশ্বাস কৰা মতে ডঃ সুভাষেও দাবী কৰে নেকি যে তেওঁ ফুলগুৰিৰ কৃষক বিদ্ৰোহৰ ওপৰত লিখা প্ৰবন্ধটি 'ছয়খন অমূল্য গ্ৰন্থৰ" আধাৰত ৰচিত বুলি। এই ক্ষেত্ৰত সুভাষৰ মতামত?

৫। ডঃ সুভাষে তেওঁৰ দ্বাৰা সম্পাদিত গ্ৰন্থখনৰ ভূমিকাত এটি বৰ লাগতিয়াল আৰু তাৎপৰ্যপূৰ্ণ কথা লিখিছে। তেওঁ লিখিছে যে অসমৰ বুৰঞ্জী চৰ্চাৰ ক্ষেত্ৰত আজিলৈকে "তথ্যৰ নামত সাধুকথা, কিংবদন্তি, জনবিশ্বাস, মনে সজা কাহিনী, উৰা বাতৰি আদিয়েই (Sic) ঐতিহাসিক সত্যৰূপে দাঙি ধৰা হৈছে।" (ভূমিকা, অসমৰ স্বাধীনতা সংগ্ৰাম, প্ৰথম দফা।) দুৰ্ভাগ্যৰ কথা যে এনে এটি সাৰগৰ্ভ মন্তব্য কৰাৰ সময়তেই ডঃ সুভাষে তেওঁৰ "ফুলগুৰিৰ কৃষক বিদ্ৰোহ ঃ এটি সমীক্ষা"ত তথ্যৰ নামত সাধুকথা, কিংবদন্তি, জনবিশ্বাস, মনে সজা কাহিনী, উৰা বাতৰি আদিকেই ঐতিহাসিক সত্যৰূপে দাঙি ধৰিছে। মই সেয়ে প্ৰথম দৃষ্টিতেই প্ৰবন্ধটি পালমৰা বিধৰ হৈছে বুলি আৰু তাত সুভাষে নগৈ গড়গাওঁৰ কথা কৈছে বুলি মন্তব্য দি আহিছিলো। ইয়াত পূৰ্বে উল্লেখ কৰি অহা কথাবোৰৰ পুনৰুল্লেখ বাদ দি আমি অন্য কেইটামান কথা কবলৈ বিচাৰিছো।

ডঃ সুভাষে লিখিছে "হাতীৰ পিঠিত উঠি লেফটেনেন্ট চিঙ্গাৰে ১৯ অক্টোবৰ তাৰিখে নিচেই পুৱাতে নগাওঁৰ পৰা ফুলগুৰিলৈ যায়।" (অসমৰ স্বাধীনতা সংগ্ৰাম, পৃঃ ১২৯) চিঙ্গাৰে হাতীৰ পিঠিত উঠি নগাওঁৰ পৰা ফুলগুৰিলৈ যোৱাৰ সম্বেদটো ডঃ সুভাষে ক'ত পালে? তেওঁ প্ৰবন্ধটিৰ উৎস নিৰ্দেশিকাত উল্লেখ কৰা নথিপত্ৰত? নে এইটো তেওঁৰ কল্পনা প্ৰসূত ধাৰণা?

চিঙ্গাৰে হাতীৰ পিঠিত উঠি নগাওঁৰ পৰা ফুলগুৰিলৈ যোৱা কথাটো ডঃ সুভাষে শ্ৰদ্ধেয় শ্ৰীযুত বেণুধৰ কলিতাৰ আমি পূৰ্বে উল্লেখ কৰি অহা "ফুলগুৰিৰ ধেৱা" নামৰ গ্ৰন্থখনৰ পৰা লৈছে। (ফুলগুৰিৰ ধেৱা, পৃঃ ৭৬)

দৰাচলতে চিঙ্গাৰে হাতীৰ পিঠিত উঠি নগাওঁৰ পৰা ফুলগুৰিলৈ যোৱা নাছিল, তেওঁ টাটু ঘোঁৰাত উঠিহে ফুলগুৰিলৈ গৈছিল।

(Home Public: Part A, Proceedings Nos. 99-103, 1st Oct., 1861, NAI.) গতিকে ডঃ সুভাষে লিখা "বিক্ষুব্ধ কৃষকসকলৰ কেইজনমানে লৰ মাৰি গৈ লেফ্‌টেনেন্ট চিঙ্গাৰক হাতীৰ পিঠিৰ পৰা নমাই আনি লাঠিৰে কোবাবলৈ ধৰে" (অসমৰ স্বাধীনতা সংগ্ৰাম, পৃঃ ১২৯) – এই কথাখিনিৰ কোনো ঐতিহাসিক ভিত্তি নাই, কাজেই ই অনৈতিহাসিক আৰু ফুলগুৰিৰ কৃষক বিদ্ৰোহৰ ইতিহাসৰ এক বিকৃতকৰণ কাৰ্য ।

ডঃ সুভাষে এনেদৰে বুজাবলৈ চেষ্টা কৰিছে যেন চিঙ্গাৰে নগাওঁৰ পৰা হাতীৰ পিঠিত উঠি গৈয়েই পোনে পোনেই বিক্ষুব্ধ কৃষকসকলৰ মাজলৈ সোমাই গৈছিল, আৰু বিক্ষুব্ধ কৃষকসকলে তেওঁক হাতীৰ পিঠিৰ পৰা (নিশ্চয় জোৰ জবৰদস্তি কৰি) নমাই আনি কোবাই কোবাই মাৰি পেলাইছিল বা অৰ্দ্ধমৃত অৱস্থাত কলং নদীত পেলাই দিছিল । যদি ডঃ সুভাষে কোৱাৰ দৰে চিঙ্গাৰে হাতীৰ পিঠিতেই উঠি আছিল, তেনেহলে তেওঁক হাতীৰ পিঠিৰ পৰা জোৰ জবৰদস্তি কৰি নমাই আনোতে নিশ্চয় হাতীৰ গছকত পৰি বিক্ষুব্ধ কৃষক কিছুমানৰো মৃত্যু হৈছিল, আৰু তেনেদৰে মৃত কৃষকসকলৰ হিচাপো নিশ্চয় ডঃ সুভাষৰ হাতত আছে !

৬। সি যি কি নহওক, টাটু ঘোঁৰাত উঠি নগাওঁৰ পৰা ফুলগুৰিলৈ গৈ চিঙ্গাৰে ফুলগুৰিৰ নামঘৰটোত আশ্ৰয় তথা জিৰণি লৈছিল । তাতে ২/৩ ঘন্টা জিৰণি লোৱাৰ আৰু ৰাইজমেলত সমবেত হ'বলৈ অহা হেজাৰ বিজাৰ কৃষক জনসাধাৰণৰ মতিগতি আলেখ-লেখ লোৱাৰ পিছত তেওঁ পুনৰ টাটু ঘোঁৰাত উঠি সভাস্থলীত উপস্থিত হয় । তেওঁ সভাত উপস্থিত কৃষক সকলক তেওঁলোকৰ হাতৰ পৰা লাঠি-টাঙোনবোৰ পেলাবলৈ নিৰ্দেশ দিছিল । তেওঁৰ সৈতে যোৱা পুলিচকো কৃষকসকলৰ হাতৰ পৰা লাঠি-টাঙোনবোৰ টানি আজুৰি পেলাবলৈ নিৰ্দেশ দিছিল । কৃষক সকলৰ কিছুমানে এই নিৰ্দেশ অমান্য কৰাত তেওঁ টাটু ঘোঁৰাৰ পৰা নামিগৈ নিজেই লাঠি টাঙোন কাঢ়িবলৈ লাগিল । ১৮৬১ চনৰ ১৯ অক্টোবৰৰ এটি চৰকাৰী নথিত এনেদৰে আছে; "Mr. Singer ordered them to put down their clubs, upon which some of the Lallongs obeyed, and **Mr. Singer got off his pony** and commenced picking up the clubs. The Sahib was armed with a pistol. Whilst in the act of picking up the clubs Mr. Singer was struck down,....... Mr. Singer had fired at some of the Lallongs and some Lallongs were wonded,...... he was beaten twice, and after finding him breathing, they beat him again to death and then threw Mr. Singer's body into the Kullung River." (Home Public: Part A, Proceedings, Nos. 99-103, 1st Oct., 1861, NAI.) অন্য এটি চৰকাৰী নথিত উল্লেখ আছে; "Lieutenant Singer then ordered the police to take away their sticks. When it was attempted to carry out this order, the assembled men who had been sitting arose, and one of the mob struck a policeman. Lieutenant Singer then seized the stick of the striker, and at this instant Baboo (Bahoo) Doom felled the unfortunate young officer to the ground by a blow on the head. Upon this the whole crowd set upon Lieutenant Singer and the police. Shortly after the mob seem to have retired to some distance, leaving Lieutenant Singer for dead. Life, however, was not quite extinct. But when some persons went up with water to try and revive him a portion of the mob drove them away, and, as has since transpired on the trial-again beat the wounded officer till he died. Lieutenant Singer was on foot,......." (Annual Report on the Administration of the Bengal Presidency, during the year 1861-62, p. 66, NAI.) আৰু এটি তদানীন্তন চৰকাৰী নথিত আছে, ".......Lieutenant Singer ordered the police to take away their lattees, he himself assisting. During this process a Militia Sepoy, while occupied in disarming a group of people, was assaulted. Lieutenant Singer ran to his assistance, and attempted to wrest a lattee out of the hands of one of the crowd. A scuffle ensued, the cry of 'mar-dhar' was raised, and Lieutenant Singer was struck to the ground. He was deserted by the police, who all ran away and escaped with their lives, though the firing of a single musket caused the crowd to fall back, and was afterwards cruelly murdered at the instigation of one of the leaders, who said 'the Saheb did not come to redress our grievances, but to put us in bonds, he is still alive, kill him." (Secy. to the Govt. of Bengal to Offg. Commissioner of Assam, 31st May 1862, NAI.)

ইয়াৰ পিছতো ডঃ সুভাষে চিঙ্গাৰে হাতীৰ পিঠিত উঠি নগাওঁৰ পৰা ফুলগুৰিলৈ যোৱাৰ আৰু হাতীৰ পিঠিৰ পৰা বিক্ষুব্ধ কৃষকে তেওঁক নমাই আনি হত্যা কৰাৰ দৰে ৰূপকথাৰ বা মনে সজা কাহিনীৰ সৃষ্টি কৰিবনে ? আৰু যদি ডঃ সুভাষৰ হাতত এই সম্পৰ্কত গ্ৰহণযোগ্য আৰু বিজ্ঞানসন্মত উৎসৰ সন্ধেদ আছে তেনেহলে যথাৰ্থ ইতিহাস চৰ্চাৰ খাতিৰত তেওঁ যেন আমাক এই বিষয়ে সমজুৱাভাবে অবহিত কৰে ।

৭। ডঃ সুভাষে উক্ত প্ৰবন্ধটিত লিখিছে যে 'ৰহা পুলিচ থানা ঘেৰাও কৰি বিদ্ৰোহী কৃষকসকলে জ্বলাই দিয়ে । উক্ত থানাৰ ভাৰপ্ৰাপ্ত পুলিচ অফিচাৰ গোলাপ সিঙক লাঠিৰে কোবাই অৰ্দ্ধমৃত অৱস্থাত কলঙৰ পানীত উটুৱাই দিয়ে ।" (অসমৰ স্বাধীনতা সংগ্ৰাম, পৃঃ ১৩০) এই সম্পৰ্কতো ডঃ সুভাষে তেওঁৰ অনুসন্ধানৰ উৎসৰ সন্ধেদ উহ্য ৰাখিছে । ৰহস্যটো কি ? আমাৰ বিচাৰ মতে তেওঁ এই খবৰটিও শ্ৰদ্ধেয় শ্ৰীযুত বেণুধৰ কলিতাৰ 'ফুলগুৰিৰ ধেৱা'ৰ পৰা লৈছে । তাত উল্লেখ আছে, 'ৰহা থানা দখল কৰিবলৈ যোৱা দলটোৱে থানাৰ দাৰোগা গোলাপ সিঙকো আধামৰা কৰি কলঙত উটুৱাই দিয়ে ।" (ফুলগুৰিৰ ধেৱা, পৃঃ ৭৭) ডঃ সুভাষে এই খবৰটি তেওঁৰ প্ৰবন্ধত উল্লেখ কৰাৰ আগতে তদানীন্তন চৰকাৰী নথিপত্ৰত তাৰ কিবা উল্লেখ আছে নেকি চালিজাৰি verify কৰি চাইছিলনে ?

প্ৰবন্ধটিত উপস্থাপন কৰা ৰক্তব্যৰ সমৰ্থনত তেওঁ যি দুখন চৰকাৰী চিঠি আৰু যি দুখন ৰিপ'ৰ্টৰ উল্লেখ কৰিছে তাত তেওঁৰ এইবিলাক খবৰৰ কিবা সমৰ্থন আছে নে, ভিত্তি বিচাৰি পাইছে ? যদি পাইছে স্পষ্টকৈ কিয় উল্লেখ কৰা নাই ? শ্ৰদ্ধেয় বেণুধৰ কলিতাৰ কিতাপখনৰ নামেই বা কিয় উহ্য ৰাখিছে ? আমাৰ হাতত থকা আমি verify কৰা তদানীন্তন চৰকাৰী নথিপত্ৰ, টোকা-ভাষ্য আৰু ৰিপ'ৰ্টত বিদ্ৰোহী কৃষকসকলে ৰহা থানা ঘেৰাও কৰি জ্বলাই দিয়া আৰু থানাৰ ভাৰপ্ৰাপ্ত পুলিচ দাৰোগা গোলাপ সিঙক কোবাই অৰ্দ্ধমৃত অৱস্থাত কলঙৰ পানীত উটুৱাই দিয়া সম্পৰ্কত কোনো খবৰ নাই । ডঃ সুভাষে এই সম্পৰ্কত স্পষ্টকৈ জনালে আমি কৃতাৰ্থ মানিম ।

৮। ডঃ সুভাষে লিখিছে, "ইফালে প্ৰয়োজনীয় সৈন্য বাহিনীৰ অভাৱত জিলা উপায়ুক্ত চিন্তিত হৈ পৰে । তেওঁ ততালিকে তেজপুৰলৈ সৈন্য বাহিনী পঠিয়াবলৈ বাতৰি পঠিয়ায় । তেজপুৰৰ পৰা ডিব্ৰুগড়লৈ নাৱেৰে গৈ থকা এক পল্টন সৈন্যবাহিনী নগাওঁলৈ পঠিওৱা হয় ।" (অসমৰ স্বাধীনতা সংগ্ৰাম, পৃঃ ১৩০) বিদ্ৰোহী কৃষকৰ হাতত চিঙ্গাৰৰ মৃত্যু সংবাদটো নগাওঁৰ জিলাধিপতি হাবাৰ্ট স্কঞ্চে ঘটনাৰ দিনা (১৮ অক্টোবৰ, ১৮৬১) সন্ধিয়াই পায় । এই ঘটনাত তেওঁ আতঙ্কিত হৈ পৰে আৰু সামৰিক সাহায্যৰ বাবে তেজপুৰত দৰং জিলাৰ জিলাধিপতি লেফ্‌টেনেন্ট ডব্লিউ ফেয়াৰ (Lt. W. Phaire) লৈ খবৰ পঠিয়ায় । ব্ৰহ্মপুত্ৰৰে "লক্ষৌ" নামে জাহাজত গুৱাহাটীৰ পৰা ডিব্ৰুগড় অভিমুখে যাত্ৰা কৰি অসমৰ তদানীন্তন কমিচনাৰ হেনৰী হপ্‌কিন্সন সেইদিনাখনেই (১৮/১৯) মাজৰাতি গুৱাহাটী তেজপুৰৰ আদবাটতে উপস্থিত হয় আৰু পিছদিনাখন অৰ্থাৎ ১৯ অক্টোবৰৰ দিনা বেলি ডুবাৰ সময়তে তেজপুৰত উপস্থিত হয় । জাহাজে লাঙ্গৰ পেলোৱাৰ লগে লগেই লেফ্‌টেনেন্ট ফেয়াৰে জাহাজলৈ গৈ কমিচনাৰ হেনৰী হপ্‌কিন্সনক লেফ্‌টেনেন্ট হাবাৰ্ট স্কঞ্চৰ সামৰিক সাহায্যৰ প্ৰয়োজনৰ কথা সদৰি কৰে । সেই জাহাজতে "চেকেণ্ড আছাম লাইট ইনফেন্ট্ৰীৰ ভাৰপ্ৰাপ্ত কামাণ্ডাৰ মেজৰ কেম্পবেল হপ্‌কিন্সনৰ সহযাত্ৰী আছিল । কমিচনাৰ হপ্‌কিন্সনে মেজৰ কেম্পবেলক তৎকালেই জাহাজৰ পৰা নামি গৈ তেজপুৰত থকা সেনাবাহিনীৰ প্ৰায় ৫০ জনমান লোকক লাউখোৱা ঘাটেৰে নগাওঁলৈ নিয়াৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিয়ে আৰু নিজে গুৱাহাটীলৈ আৰু অধিক সৈন্য আনিবলৈ যাত্ৰা কৰে । আৰু কেপ্তেইন চেম্বাৰছৰ নেতৃত্বত গুৱাহাটীৰ পৰা চেকেণ্ড আছাম লাইট ইনফেন্ট্ৰীৰ প্ৰায় ৮০ জন সৈনিকক লৈ ২২ তাৰিখে মাজৰাতি তেজপুৰত উপস্থিত হয় । কমিচনাৰ হেনৰী হপ্‌কিন্সনৰ ভাষাত; "11. On the night of the 18th October I was on board the steamer Lucknow half way between Gowhatty and Tezpore. I arrived at Tezpore the following day close upon sunset, and the steamer had not long anchored when Lieutenant Phaire came on board with Lieutenant Sconce's requisition for aid which he had just received. Major Campbell, the Officer commanding the 2nd Assam Light Infantry, was a passenger on board the steamer. I got the Captain of the Lucknow to place her at my disposal. Major Campbell landed, collected all his men then at Tezpore, -- there were not quite fifty, brought them on board the steamer, and by day-break next morning, the 20th October, we were under weigh for Lowqua Ghat on the opposite side of the Brahmapootra, distant about sixteen miles from Nowgong, and connected with it by a narrow road having an impassable swamp on both sides of it the whole way. By this road, which secured his flanks and rear, Major Campbell was to proceed and endeavour to get into Nowgong, and maintain himself there until I could bring him up reinforcements from Gowhatty, to which place I proceeded with all speed. I arrived there after a very quick passage that afternoon, and started again the following morning with eighty men of the 2nd Assam Light Infantry under command of Captain Chambers. A fog detained the steamer for some hours; but at my urgent request, and there being moonlight, the captain consented to go on steaming after dark, and at midnight we reached Tezpore, ....." (Henry Hopkinson to the Bengal Govt. dt. 30th Nov., 1861, NAI.).

কাজেই উদ্দেশ্যবিহীনভাৱে ব্ৰহ্মপুত্ৰত উজাই যোৱা সেনাবাহিনী এটাক ধৰি আনি ফুলগুৰিত বিদ্ৰোহ দমন কাৰ্যত মোতায়েন কৰা হোৱা নাছিল । অসমৰ এই ঐতিহাসিক সাক্ষীৰ পৰিপ্ৰেক্ষিতত আমি উদ্ধৃতি দি অহা ডঃ সুভাষৰ বক্তব্যখিনিৰ তৃতীয় বাক্যটো সঁচা নহয়, অৰ্থাৎ 'তেজপুৰৰ পৰা ডিব্ৰুগড়লৈ নাৱেৰে গৈ থকা এক পল্টন সৈন্যবাহিনী (sic) নগাওঁলৈ পঠিওৱা" বুলি লিখা কথাখিনি গোকাট মিছা ।

আমাৰ কথা হ'ল, সঁচা মিছা সকলোকে সানি-পোটকি ডঃ সুভাষে আমাক ফুলগুৰিৰ গৌৰৱময় কৃষক বিদ্ৰোহৰ এক অনৈতিহাসিক আৰু ছালেবেৰে কোবোৱা তথ্যপাতিৰে বিকৃত চিত্ৰ দিবলৈ অপচেষ্টা কৰিছে ।

৯। কানি সম্পৰ্কত বহুবল্কী ডঃ সুভাষে ভালেমান অসংলগ্ন কথাৰ অৱতাৰণা কৰিছে । ডঃ সুভাষে লিখিছে যে অসমত আফুখেতি নিষিদ্ধ কৰাৰ বাবে "১৮৬১ চনৰ আগষ্ট মাহত বৃটিছ চৰকাৰে অপ্ৰত্যাশিতভাবে এটি আইন পাছ কৰে ।" (অসমৰ স্বাধীনতা সংগ্ৰাম, পৃঃ ১২৬) অৰ্থাৎ ডঃ সুভাষে প্ৰকাৰান্তৰে এইটো বলপূৰ্বকভাবে দেখুৱাবলৈ চেষ্টা কৰিছে যে আফু খেতি নিষিদ্ধ কৰাৰ ডেৰ/দুমাহৰ ভিতৰতেই ফুলগুৰিত কৃষক বিদ্ৰোহ হৈছিল (১৮/১৯ অক্টোবৰ, ১৮৬১), অৰ্থাৎ আফুখেতি নিষিদ্ধ কৰাটো এই বিদ্ৰোহৰ এটি তাৎক্ষণিক কাৰণ ! আমি জনাত বৃটিছ চৰকাৰে ১৮৬০ চনৰ মে' মাহত তৎকালেই কাৰ্যকৰী হোৱাকৈ অসমত আফুখেতি নিষিদ্ধ কৰাৰ বাবে আইন গৃহীত কৰিছিল । (Historical Account of the Administration of Opium in Assam, J. J. S. Driberg, Commissioner of Excise, Assam, 3rd Nov., 1893.) আৰু আফুখেতি নিষিদ্ধ কৰাৰ পৰা ফুলগুৰিত কৃষক বিদ্ৰোহ হোৱালৈ মুঠতে সুদীৰ্ঘ ডেৰ বছৰৰ সময়ৰ ব্যৱধান আছিল, গতিকেই আফুখেতি নিষিদ্ধকৰণ আৰু ফুলগুৰিত কৃষক বিদ্ৰোহৰ মাজৰ সম্পৰ্কটো অত্যন্ত ক্ষীণ আছিল । ওপৰত উদ্ধৃত কৰা ডঃ সুভাষৰ বাক্যটিৰ "অপ্ৰত্যাশিতভাবে" শব্দটিয়ে ডঃ সুভাষৰ নিজা মতামত বা দৃষ্টিভঙ্গী দাঙি ধৰিছে । অৰ্থাৎ ডঃ সুভাষে ক'ব বিচাৰিছে যে আফুখেতি নিষিদ্ধ কৰাটো তেওঁৰ বাবে "অপ্ৰত্যাশিত" আছিল । ডঃ সুভাষে এইবিষয়ে যিমানেই কৈফিয়ৎ নিদিয়ক কিয় (মতান্তৰ, সূত্ৰধাৰ, ১-১৫ মে, ১৯৯২, দফা ১.৪, পৃঃ ৪৭) এই শব্দটিয়ে তেওঁৰ দৃষ্টিভঙ্গী প্ৰকাশ কৰিছে । হয়তো তেওঁ শব্দটিৰ প্ৰয়োগো ভুলভাবে কৰিব পাৰে ।

আমি সেয়ে আমাৰ প্ৰথম প্ৰবন্ধটিতে কৈছিলো যে ডঃ সুভাষ এই সমগ্ৰ প্ৰবন্ধটিতে নগৈ গড়গাওঁৰ কথা কোৱা যেন লাগিছে । (সূত্ৰধাৰ, ১৬-৩১ জানুৱাৰী, ১৯৯২, পৃঃ ২৬) আৰু তাৰ দ্বাৰা আমি ৰসতে নাম থোৱাৰ ব্যৱস্থা কৰিছিলো । পিছে ডঃ সুভাষ আৰু তেওঁৰ ভকত জনে পুনৰ লিখিবলৈ আমাক বাধ্য কৰিলে । ইয়াৰ পিছতো ডঃ সুভাষে "ফুলগুৰিৰ কৃষক বিদ্ৰোহত উল্লিখিত কোনো তথ্যই আমাৰ মনে সজা নহয়" (মতান্তৰ, ১-১৫ মে, ১৯৯২) বুলি ন-দি কোৱাৰ প্ৰয়াস কৰিবনে ?

১০। ডঃ সুভাষে তেওঁৰ প্ৰবন্ধটিত উত্থাপিত ফুলগুৰিৰ কৃষকৰ ভূমিহীনতাৰ তত্ত্বটো ভুল আৰু জোৰপূৰ্বকভাবে পুনৰ সাব্যস্ত কৰিবলৈ (মতান্তৰ, সূত্ৰধাৰ, ১-১৫ মে', ১৯৯২, পৃঃ ৪৬) ভালেমান ছালে-বেৰে কোবোৱা কথাৰ অৱতাৰণা কৰিছে । তেওঁ কৈছে কলং আৰু ব্ৰহ্মপুত্ৰৰ বানপানী আৰু গৰাখহনীয়াৰ প্ৰকোপত আৰু বৃটিছৰ ৰাজহ নীতিৰ আক্ৰমণত ফুলগুৰিৰ কৃষকসকল ভূমিহীন হৈ পৰিছিল । আমাৰ কথা হ'ল, সমগ্ৰ অসমখনেই এখন নদী মাতৃক দেশ । অসমৰ কৃষক জনসাধাৰণ দীৰ্ঘকালৰ পৰা বানপানী আৰু গৰাখহনীয়াৰ সৈতে পৰিচিত । অকল ফুলগুৰি কিয় সমগ্ৰ অসমৰ জনসাধাৰণেই বানপানী আৰু গৰাখহনীয়াৰ দ্বাৰা পৰ্যুদস্ত হৈ আহিছে, আৰু সেই কাৰণেই আমি কম নেকি যে অসমৰ জনসাধাৰণ ভূমিহীন আছিল আৰু ঠিক একেই অৰ্থত ফুলগুৰিৰ কৃষকসকলো । ডঃ সুভাষে কৈছে, "কিন্তু 'ভূমিহীন' বোলোতে আমি ওপৰত আলোচিত দৃষ্টিভঙ্গীতহে বুজিব বিচাৰিছো ।" (মতান্তৰ, সূত্ৰধাৰ, ১-১৫ মে', ১৯৯২, পৃঃ ৪৬) অৰ্থাৎ বানপানী আৰু গৰাখহনীয়াকে তেওঁ ফুলগুৰিৰ কৃষকৰ 'ভূমিহীনতা'ৰ কাৰণ বুলি দেখুৱাইছে । কিন্তু কথা হ'ল, ডঃ সুভাষে ভূমিহীনৰ অৰ্থ আৰু তত্ত্ব ভুলকৈ বুজিলেই যে সি ইতিহাস গ্ৰাহ্য হ'ব তাক বুজাই বুজে । যদি বানপানী আৰু গৰাখহনীয়াৰ ফলত 'মাটি হেৰুৱাই কৃষকসকল ভূমিহীন হৈ পৰাটো তেনেই স্বাভাৱিক" (ঐ) তনেহলে অসমত ভূমিহীন অৱস্থা সৃষ্টিত জটিল সাম্ৰাজ্যবাদৰ কোনো ভূমিকাই নাছিল ! কৃষকৰ ভূমিহীনতা সম্পৰ্কত এতিয়ালৈ ডঃ সুভাষৰ

নিজৰ জ্ঞানেই অসম্পূৰ্ণ, তেনে অৱস্থাত আনক জ্ঞান দিবলৈ যোৱাটো বাতুলতা মাত্ৰ।

দ্বিতীয়তে, ডঃ সুভাষে কৈছে, "বৰ্তমানৰ দৰে মহাজনী শোষণ বা অভাৱগ্ৰস্ততাত জুলাকলা হৈ ভূমিৰ পৰা উচ্ছেদ হৈ একেবাৰে কৃষি মজুৰ বা বনুৱাহৈ পৰাৰ দৰে ভূমিহীন নে ? নিশ্চয় নহয়। ১৮৬১ চনত তেনে হোৱাৰ বাস্তৱ পৰিস্থিতিয়েই সৃষ্টি হোৱা নাছিল।" (ঐ) ডঃ সুভাষৰ এই দৃষ্টিভঙ্গী তথা মতামতো ইতিহাস সিদ্ধ নহয়। কিয়নো অসমত বৃটিছ শাসন প্ৰবৰ্তনৰ অগাপিছাকৈ বহিৰাগত মাৰোৱাৰী আৰু বঙালী দোকানী বেপাৰীসকলে অসমত মহাজনী অৰ্থনীতি আৰু শোষণৰ সূচনা কৰি সদ্য প্ৰবৰ্তিত মুদ্ৰা অৰ্থনীতিত অনভ্যস্ত হোজা অসমীয়া কৃষকসকলক জুৰুলা কৰিছিল। মাটি-ভেটিৰ পৰা উচ্ছেদ কৰিছিল। অসমীয়া ভাষীক বিপৰ্যয়ৰ (১৮৩৬-৭৩) লগতে বিশেষকৈ বঙালীসকলৰ এই মহাজনী শোষণেও অসমীয়া লোকৰ মনঃস্তত্ত্বত বঙালী বিদ্বেষ সৃষ্টিত সহায় কৰিছিল। ইতিহাসৰ ছাত্ৰ ডঃ সুভাষে এই কথাটো বুজা উচিত। এতিয়াও অসমৰ ভালেমান অঞ্চলত ধুৰন্ধৰ মাৰোৱাৰী আৰু বঙালী দোকানী বেপাৰীসকলে অসমীয়া হোজা খেতিয়কৰ তথাকথিত বেঙ্কাৰৰূপে কাম কৰি আহিছে। এফালে খাজনা সংগ্ৰহকাৰী চৌধাৰী মৌজাদাৰ আদি ৰাজহ বিষয়া আমোলা আৰু আনফালে দোকানী বেপাৰী সকলৰ মহাজনী শোষণৰ দ্বাৰা অসমীয়া কৃষক যে জুৰুলা হৈছিল তাৰ ঐতিহাসিক সাক্ষী ১৮৪০ চনতে উইলিয়ম ৰবিনছনে তেওঁৰ "A Descriptive Account of Assam"ত সুন্দৰভাবে দি গৈছে; "......Holding their lands by no certain tenure, they never think of expending capital in their improvement; in fact, but a very small proportion of the farmers can be supposed to have the means of doing so. They are for the most part a poor and oppressed people; the taxgatherers, and the Chowdris, who are the nominal proprietors of the land, not unfrequently levy from the teanants a sum averaging as much as one-fourth the amount paid into government; and in addition to this, they have frequent other opportunities of extorting money from them.

"The **Ryots**, or cultivators, in general, therefore, obtain but a bare maintenance from their labours, and it is in vain to look amongst them for a bold, happy, and independent yeomanry. A very few indeed are able to pay their rents before the harvest; but the greater proportion are obliged to borrow money, and in most cases with a exorbitant usury, upon the credit of the crop, and repay it after harvest. Thus **the great body of the cultivators are, in fact, mere servants of the merchants, who engages to pay their rent for them, whilst they in turn agree to surrender all the produce of their land to him; from whom also they receive what is necessary for the maintenance of their families, till the harvest. If the produce be more than the debts, the farmer keeps the surplus. If it be less, which is not unfrequently the case, the remainder is written as debt in his name, and he engages to pay it out of the produce of the next year. If, on the other hand, he should be very unfortunate in his harvest, the poor cultivator's little all is sold by the merchant, and with his family he is turned out upon the cold unfeeling world, to beg his bread, or to perish......"** (pp. 217-18, Emphasis added.)

এই প্ৰবন্ধৰ লেখকেও তেওঁৰ গৱেষণা গ্ৰন্থত এইটো নিৰঙ্কুশভাবে দেখুৱাইছে যে "The Marwari merchants, called Kayahs in Assam and Bengali traders usually advanced money to the cultivators at exorbitant rates of interests varying from 37.50 per cent to 75 per cent and consequently ruined the peasants in the transactions". (A Study of the Role of the Mass Movements in the Struggle for Freedom in Assam, 1857-1942, Unpublished Ph. D. Thesis, 1990, G. U., p. 32.) এই সম্পৰ্কত B. C. Allanৰ District Gazetteers of Assamৰ প্ৰায় আটাইবোৰতে আৰু W. W. Hunterৰ A Statistical Account of Assamৰ দুয়োটা খণ্ডতে বিস্তৃত তথ্যপাতি সংৰক্ষিত হৈ আছে। এই সম্পৰ্কে ডঃ অমলেন্দু গুহৰ মত হ'ল; "Traders and bankers from other Indian provinces flocked to Assam and, in the absence of local business acumen, they provided the economy with the necessary, yet exploitative services of trading and banking." (Planter-Raj to Swaraj, p. 19.) আনকি এইধৰণৰ মহাজনী শোষণৰ তীব্ৰতা ইমানেই বৃদ্ধি পাইছিল যে ঋণগ্ৰস্ত কৃষকৰ খেতিমাটি আৰু ভেটি মাটি লৈয়েই অবিভক্ত দৰং জিলাত মাৰোৱাৰী মহাজনে এখন জমিদাৰীয়েই পাতি লৈছিল। (Census of India, Assam, 1911).

এই ক্ষেত্ৰত ডঃ সুভাষে তথ্যৰ অভাৱ (?) আৰু যুক্তিৰ তাৰল্যৰ পৰিপ্ৰেক্ষিতত হাবুডাবু খাই অযথা আৰু অপ্ৰাসঙ্গিকভাবে ডঃ অমলেন্দু গুহৰ গ্ৰন্থ "জমিদাৰীকালীন গোৱালপাৰা জিলাৰ আৰ্থ-সামাজিক অৱস্থা ঃ এটি দৃষ্টিপাত" খন কামত খটোৱাৰ বৃথা আস্ফালন কৰিছে। (মতান্তৰ, সূত্ৰধাৰ, ১-১৫ মে' ১৯৯২, পৃঃ ৪৬)

১১। আগতে উনুকিয়াই আহিছো যে ডঃ সুভাষে তেওঁৰ প্ৰবন্ধটিত কানি খেতি আৰু কানিৰ ব্যৱসায় সম্পৰ্কত অসংলগ্ন কথাৰ অৱতাৰণা কৰিছে। অকল তাতেই সীমিত নাথাকি তেওঁ তেওঁৰ 'মতান্তৰ'তো (সূত্ৰধাৰ, ১-১৫ মে', ১৯৯২, পৃঃ ৪৬-৪৭) সেই অসংলগ্ন কথাসমূহৰ আৰু বিস্তৃত পোহাৰ মেলিছে। তেওঁ লিখিছে, "........কানি খেতি বন্ধ কৰাৰ বাবে বৃটিছ চৰকাৰক পৰামৰ্শ দিয়াৰ প্ৰমাণ আমি এতিয়ালৈ পোৱা নাই।" (সূত্ৰধাৰ, ১-১৫ মে', ১৯৯২, পৃঃ ৪৭) অৰ্থাৎ তেওঁ ইমান খাটাং যে এই বিষয়ত কোনো প্ৰমাণেই নাই। ডঃ সুভাষে উদ্ধৃত কৰা তেওঁৰ এই বাক্যটিৰ পিছতে মিলছৰ ৰিপ'ৰ্টৰ কথা উল্লেখ কৰিছে। আচৰিত কথা যে এই মিলছৰ ৰিপ'ৰ্টৰ মাজতেই অসমত আফুখেতি বন্ধ কৰিবলৈ বৃটিছ চৰকাৰক পৰামৰ্শ দিয়াৰ দেখাৰ উদাহৰণ আছে। ডঃ সুভাষে অলপ পৰিশ্ৰম কৰি মিলছৰ ৰিপ'ৰ্টখন ভালকৈ মেলি চালেই দেখিব যে আনন্দৰাম ঢেকিয়াল ফুকন, মণিৰাম দেৱান, আৰু অসমত থকা বৃটিছ চিকিৎসক জন বি বেৰী, এ মেকলিন, ডব্লিউ জনষ্টন লগু আদিয়ে অসমত আফুখেতি আৰু কানিৰ প্ৰচলন সম্পূৰ্ণৰূপে বন্ধ বা নিষিদ্ধ কৰি ধ্বংসমুখী অসমীয়া জনসাধাৰণক ৰক্ষা কৰাৰ বাবে বৃটিছ চৰকাৰৰ ওচৰত ১৮৫৩ চনতেই কাতৰ অনুৰোধ জনাইছিল আৰু সুপৰামৰ্শ দিছিল। আনন্দৰাম ঢেকিয়াল ফুকনে মিলছক দিয়া প্ৰতিবেদনত লিখিছিল; "The source must be completely exhausted, and the introduction of fresh supplies from out the country carefully suppressed". (Mills Report, Appendix-J, p. 110.) মণিৰাম দেৱানে কানি নিবাৰণ আৰু আফু খেতি নিষিদ্ধ কৰাৰ বাবে বৃটিছ চৰকাৰৰ ওচৰত এটি ৮ দফীয়া পৰামৰ্শ দিছিল আৰু কৈছিল; "......and in 20 years the cultivation and the use of the drug would be effectually eradicated". (ibid., Apendix-K. B., P. 619.) গোৱালপাৰাৰ Civil Surgeon John B. Barry য়ে পৰামৰ্শ দিছিল, ".....it is incumbent that stringent measures be had recourse to, not to mitigate and evils only, but to root out, stem and branch the cause, the sources, whence these originate....." (ibid., p. 311.) গুৱাহাটীৰ এচিছটেন্ট ছাৰ জন A Mclean য়ে ".....opium eating......can be remedied only by the suppression of the cultivation of the poppy throughout the whole province". (ibid., p. 387.) বুলি পৰামৰ্শ দিছিল।

এই ক্ষেত্ৰত, দ্বিতীয়তে, ডঃ সুভাষে কৈছে "কিন্তু কানি ব্যৱসায়ৰ ক্ষেত্ৰত অসমখন তেতিয়া এক লাভজনক বজাৰ হৈ থকাৰ বাবে বৃটিছ প্ৰশাসকসকলে আফু খেতি বন্ধ কৰাৰ পক্ষপাতী নাছিল।" (সূত্ৰধাৰ, ১-১৫ মে', ১৯৯২, পৃঃ ৪৭) কিন্তু অসমখন কানি ব্যৱসায়ৰ বাবে লাভজনক বজাৰ হৈ থকা বাবেহে চৰকাৰী কানি বিক্ৰীৰ বাবে সেই বজাৰখন সম্পূৰ্ণৰূপে দখল কৰাৰ কাৰণে কানি খেতি আৰু থলুৱাভাবে কানি উৎপাদন বন্ধ কৰাৰ পক্ষপাতী আছিল। আফু খেতি আৰু কানিৰ থলুৱা উৎপাদন বন্ধ হলেহে চৰকাৰী আবকাৰী কানি বিক্ৰীৰ ক্ষেত্ৰখন বৃটিছ সাম্ৰাজ্যিক স্বাৰ্থৰ অনুকূলে সংৰক্ষিত হৈ থাকিব। অসমত আফু খেতি বন্ধ বা নিষিদ্ধ কৰাৰ পোষকতা কৰি বংগ চৰকাৰলৈ পঠিওৱা ১৮৬০ চনৰ ১৬ ফেব্ৰুৱাৰীৰ চিঠিত অসমৰ কমিচনাৰ ফ্ৰেঙ্কিছ জেনকিন্সে লিখিছিল; "......the suppression of the cultivation of poppy will not be felt injuriously by any class of people in Assam,...... and **a very large increase to the Government Revenue provided no stoppage in the necessary full supply of the Drug to the Collectors takes place......"** (গুৰুত্ব চিহ্ন লেখকৰ)।

১২। ডঃ সুভাষ সাহাই সম্পাদনা কৰা গ্ৰন্থখনৰ সমালোচনা কৰোতে (সূত্ৰধাৰ, ১৬-৩১ জানুৱাৰী, ১৯৯২, পৃঃ ২৭) মই প্ৰখ্যাত অৰ্থনৈতিক ইতিহাসবিদ ডঃ অমলেন্দু গুহৰ 'Planter-Raj to Swaraj'ৰ ৩৬ পৃষ্ঠাৰ মন্তব্য এটিৰ মৰ্মৰ উল্লেখ কৰি সেই একেই পৰিপ্ৰেক্ষিতত অধ্যাপক ৰাজেন শইকীয়াৰ নতুন দৃষ্টিকোণৰ কথা আঙুলিয়াই দিছিলো। ডঃ অমলেন্দু গুহই লিখিছিল; "The alignment of the railways was done through the thinly populated submontane tea-belt with the obvious purpose of serving the planters' interests best. Old trading centres like Goalpara and Barpeta and towns like Sibsagar were by-passed, thus allowing them to stagnate and decay. The structure of railway rates was biased in favour of the tea industry....." (p. 36).

ডঃ গুহৰ এই দৃষ্টিভঙ্গীৰ বিপৰীতে অধ্যাপক ৰাজেন শইকীয়াই তেখেতৰ প্ৰবন্ধটিত লিখিছিল; 'উনবিংশ শতিকাৰ অসমত জলপৰিবহণ যাতায়াতৰ মুখ্য ব্যৱস্থা আছিল। শতিকাটোৰ শেহ ভাগলৈ যিবোৰ ৰেল লাইন নিৰ্মাণ কৰা হ'ল – সেই সকলোবোৰৰ ক্ষেত্ৰতে ৰেল কোম্পানী আৰু চৰকাৰৰ মূল উদ্দেশ্য আছিল ব্যৱসায়িক যাতায়াতৰ উন্নতি। প্ৰথমে চাহ-বাগিচা থকা অঞ্চল সমূহক, পিছলৈ মৰা পাট আৰু কাঠ উৎপাদন বা সংগ্ৰহৰ সুযোগ থকা অঞ্চলসমূহক ৰেল ব্যৱস্থাৰ দ্বাৰা সংযোগ কৰা হৈছিল। অৰ্থনৈতিক দৃষ্টিকোণৰ পৰা ইয়াত ভুল ক'ত ? পৰবৰ্তীকালত অৰ্থনৈতিক বিবেচনাৰ স্থান গৌণ আৰু ৰাজনৈতিক বিবেচনাৰ স্থান মুখ্য হৈছে মাত্ৰ। ভাৰতৰ পশ্চিম অঞ্চলতো, বিশেষক মহাৰাষ্ট্ৰত সেই সময়তে 'cotton roads'বোৰ নিৰ্মাণ কৰা হৈছিল। বৃটেইনলৈ কপাহ নিয়াৰ স্বাৰ্থত এই পথবোৰৰ উন্নয়ন নিশ্চিত কৰিবলৈ ভাৰত চৰকাৰৰ ওপৰত মানচেষ্টাৰৰ উদ্যোগপতি সকলৰ হেঁচাও কম নাছিল। (ইংলেণ্ডৰ প্ৰথম ৰেললাইন ১৮২৫ খ্ৰীষ্টাব্দত ষ্টকটনৰ পৰা ডাৰ্লিংটনলৈ কয়লা সৰবৰাহৰ বাবে আৰু আমেৰিকাৰ প্ৰথম বাল্টিম'ৰ অহিও ৰেল লাইন জাহাজ নিৰ্মাণ আৰু তীখা উদ্যোগৰ প্ৰয়োজনত ১৮৩০ চনত সজা হৈছিল। গতিকে উপনিবেশৰ বেলিকা তেওঁলোকে সুকীয়া নীতি লোৱা বুলি ক'ব নোৱাৰি।" (অসমৰ স্বাধীনতা সংগ্ৰাম, পৃঃ ১৩৭)

অধ্যাপক ৰাজেন শইকীয়াৰ প্ৰবন্ধটিত ডঃ অমলেন্দু গুহৰ মন্তব্যৰ উল্লেখ নাথাকিল বুলিয়েই যে একেই প্ৰসঙ্গত আলোচনা কৰিলে অন্য এজনে ডঃ গুহৰ মন্তব্যৰ তথা দৃষ্টিভঙ্গীৰ কথা দোহাৰিব যে নোৱাৰিব সেইটো নহয়। পূৰ্বসূৰীৰ গৱেষণা লব্ধ জ্ঞানৰ ওপৰত ভিত্তি কৰিয়েই পৰৱৰ্তীকালৰ গৱেষণাৰ কাম কাজ আগবাঢ়ে। গৱেষণাৰ প্ৰয়োজনৰ তাৎপৰ্যও তাতেই। মই ডঃ গুহৰ মন্তব্যৰ তথা দৃষ্টিভঙ্গীৰ কথা উল্লেখ কৰি ডঃ গুহক হেয় প্ৰতিপন্ন কৰিবলৈ বিচৰা নাই। নতুবা অধ্যাপক ৰাজেন শইকীয়াৰ 'মৌলিক চিন্তাকো কলুষিত কৰিবলৈ (মতান্তৰ, সূত্ৰধাৰ, ১-১৫ মে', ১৯৯২, পৃঃ ৪৭) বিচৰা নাই। (কেৱল সুচতুৰ ডঃ সুভাষে ৰান্ধনি জোকাই জোল খোৱাৰ বুদ্ধি পাঙিছে।) উল্লেখ নাথাকিলেও একে প্ৰসঙ্গতে থকা দুজন গৱেষকৰ পৃথক/অনুকূল দৃষ্টিভঙ্গীক পৰৱৰ্তী আলোচনাত টানি অনাতো বিদ্বৎ সমাজৰ প্ৰচলিত ৰীতি। এই ক্ষেত্ৰত ডঃ সুভাষৰ অক্ষমনীয় আৰু পৰ্বত প্ৰমাণ ধৃষ্টতা দেখি আমি তবধ মানিছো। ডঃ সুভাষৰ প্ৰতি পুতৌও জন্মিছে।

১৩। ওলাইছে যিহেতু এইখিনিতে ডঃ সুভাষৰ গ্ৰন্থখনত থকা 'ভূমিকা' সম্পৰ্কেও দু-আষাৰ কৈ থোৱা ভাল হ'ব যেন বোধ কৰিছো। ডঃ সুভাষৰ 'ভূমিকা'ত আমাৰ সকলোৰে সুপৰিচিত কাৰ্লমাৰ্ক্স 'কাৰ্লমাৰ্কচ' হৈ থাকিল, ইংৰাজ ইষ্ট ইণ্ডিয়া কোম্পানীটো (English East India Company) বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানী হৈ ওলাল। আমি ইমান দিনে অসমত বৃটিছ শাসনৰ আদি পৰ্বৰ কেইটামান বিদ্ৰোহৰ নেতাৰ নাম/কথা পাই আহিছিলো, ডঃ সুভাষে 'ভূমিকা'ত সেইবিলাকক একোটা বিদ্ৰোহলৈ প্ৰমোচন দিলে; যেনে, গোমধৰ কোঁৱৰ (আমি গমধৰহে পাইছো), পিয়লি বৰুৱা, মণিৰাম দেৱান, বিচাগাম আদি সামন্ত বিদ্ৰোহসমূহৰ........" (ভূমিকা, ১০ম দফা) গমধৰ কোৱঁৰ, পিয়লি বৰুৱা, মনিৰাম দেৱান বিচাগাম আদি কেতিয়াৰ পৰা সামন্ত বিদ্ৰোহ হ'ল এইবোৰ ঐতিহাসিক ব্যক্তিৰ নাম নে (সামন্ত) বিদ্ৰোহৰ নাম ?

১৪। পৰিশেষত ক'ব বিচাৰিছো, ডঃ সুভাষে অভিযোগ কৰিছে যে তেওঁৰ ফুলগুৰিৰ কৃষক বিদ্ৰোহ সম্পৰ্কীয় প্ৰবন্ধটিৰ আলোচনাৰ ক্ষেত্ৰত মই "ইচ্ছাকৃতভাবে প্ৰায় ব্যক্তিগত আক্ৰমণৰ মনোবৃত্তিৰে" (সূত্ৰধাৰ, ১-১৫ মে', ১৯৯২, পৃঃ ৪৫) কাম কৰিছো। গ্ৰন্থখনৰ সমালোচনা কৰোতে মই যথাৰ্থ আৰু প্ৰয়োজনীয় যিখিনি কথা ডঃ সুভাষৰ প্ৰবন্ধটি সম্পৰ্কত কৰিছিলো তাত তেওঁক ব্যক্তিগত আক্ৰমণ কৰাৰ মোৰ কোনো স্বাৰ্থ নাছিল। যথাৰ্থ ইতিহাস চৰ্চাৰ খাতিৰতেই মই প্ৰবন্ধটিৰ ত্ৰুটি বিচ্যুতিখিনি আঙুলিয়াই দিছিলো, সিও ডঃ সুভাষৰ জ্ঞান আৰু পাণ্ডিত্যৰ প্ৰতি সচেতন হৈ থাকি। কিন্তু বৰ্তমানৰ এই লেখাটিত আমি উপস্থাপন কৰাৰ দৰে ডঃ সুভাষৰ ফুলগুৰিৰ কৃষক বিদ্ৰোহ সম্পৰ্কীয় প্ৰবন্ধটিত থকা চিন্তাৰ বিভ্ৰান্তি আৰু তথ্যপাতিৰ বিকৃতকৰণৰ প্ৰতি লক্ষ্য ৰাখি আমি ফুলগুৰিৰ কৃষক বিদ্ৰোহৰ ইতিহাসক বিকৃত কৰাৰ অপৰাধত অপৰাধী ডঃ সুভাষক প্ৰথমতে এটি ৰাজহুৱা ঘোষণাৰে গ্ৰন্থখনৰ পৰা উক্ত প্ৰবন্ধটি উঠাই লবলৈ, আৰু দ্বিতীয়তে, সেই ইচ্ছাকৃত বিকৃতকৰণৰ বাবে অসমৰ বিদ্বৎ সমাজৰ ওচৰত ৰাজহুৱাভাবে ক্ষমা ভিক্ষা কৰিবলৈ বিনম্ৰ অনুৰোধ জনালো; অন্ততঃ অসমত যথাৰ্থ আৰু সুস্থ ইতিহাস চৰ্চাৰ খাতিৰত। জোৰা-টাপলি মৰা তথ্যপাতি আৰু চিন্তাৰ বিভ্ৰান্তিৰে আৰু তথ্যৰ বিকৃতকৰণেৰে ডঃ সুভাষে অসমৰ ইতিহাস চৰ্চা নকৰিলেও কোনো ক্ষতি নহ'ব। এডমাণ্ড বাৰ্কৰ এষাৰ মন্তব্যৰ সামান্য সালসলনি কৰি পৰিশেষত ডঃ সুভাষক ক'ব বিচাৰিছো; "A little mind and a great cause go ill together".

# মানিকবাবু সত্যজিৎ ৰায়

আবু নাছাৰ চাঈদ আহমদ

(যোৱা সংখ্যাৰ পাছৰ পৰা)

## চাকৰি আৰু কলা চৰ্চা

১৯৪৩ চনৰ এপ্ৰিল মাহত ডি, জে কিমাৰ নামৰ বৃটিছ বিজ্ঞাপন সংস্থাৰ কনিষ্ঠ ভিচুৱেলাইজাৰ পদত সত্যজিৎ ৰায়ে যোগদান কৰিলে। দৰমহা মাহে ৮০ টকা। চাকৰিটোৰ বাবে সাক্ষাৎ গ্ৰহণ কৰিছিল সংস্থাটোৰ সহকাৰী ব্যৱস্থাপক ডি কে গুপ্তাই। এই চাকৰিটোৰ বাবে তেওঁৰ নাম কিমাৰ এজেন্সীক আগতীয়াকৈ সত্যজিতৰ চিনাকি এজন মানুহে কৈ ৰাখিছিল। সেই বাবে সাক্ষাৎকাৰৰ বাবে সোমাই যাওঁতে গুপ্তাই তেওঁক কৈছিল ঃ "তাৰ মানে তুমিয়ে সুকুমাৰ ৰায়ৰ ল'ৰা। তোমাৰ দেউতাৰাই লেখা কিতাপৰ বিষয়ে কোৱা।" মানিক বাবু বিশ্ববিখ্যাত হোৱাৰ আগলৈকে তেওঁক সুকুমাৰ ৰায়ৰ পুত্ৰ বুলিয়ে পৰিচয় পাইছিল


শান্তি নিকেতনৰ পঢ়া-শুনা আধৰুৱাকৈ এৰি থৈ আহিয়ে সত্যজিতে কমাৰ্চিয়েল আৰ্টিচ্‌ট্ হোৱাৰ মানসেৰে চাকৰি বিচাৰি আছিল। মাক সুপ্ৰভাই সত্যজিতে এনেদৰে পঢ়া-শুনা আধৰুৱা কৰি আহি চাকৰি বিচৰাত আপত্তি কৰা নাছিল। মানিকে যে দেউতাকৰ ইচ্ছানুযায়ী আৰু মাকৰ কথাকে শিৰোধাৰ্য কৰি কবি গুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ আশ্ৰমত আঢ়ৈ বছৰ পঢ়া-শুনা কৰিলে তাতেই তেওঁ সন্তুষ্ট। একমাত্ৰ পুতেকৰ মনোবাঞ্ছা– কমাৰ্চিয়েল আৰ্টিচ্‌ট্ হোৱাৰ– পূৰণ হোঁৱাকে তেওঁ কামনা কৰিলে। সাক্ষাৎকাৰ গ্ৰহণৰ পিছতেই সত্যজিতৰ ধাৰণা হ'ল, চাকৰিটো তেওঁ পাব। আৰু সেইমতে কেইদিনমানৰ পিছতেই তেওঁ চাকৰিটো পালে। মনৰ অভিলাষ পূৰণ হোৱাৰ এটা সুযোগ পোৱাত তেওঁ আনন্দিত হ'ল। সংস্থান আৰু কলা-চৰ্চা একেলগে হোৱাত সত্যজিতে মনপুতি কামত লাগিল।

পোনতেই তেওঁ কিমাৰ এজেন্সীত কাম কৰি ভাল লাগিল। কিমাৰৰ ব্যৱস্থাপনা আনবোৰ এজেন্সীৰ তুলনাত বেছি উদাৰ ধৰণৰ। তাৰ কাৰণ সত্যজিতৰ মতে কেইবাটাও। প্ৰথমতে, যদিও কোম্পানীটোৰ স্বত্বাধিকাৰী বৃটিছ, তথাপি ব্যৱস্থাপনাত বগা চাহাবৰ সংখ্যা কম আৰু যি দুই এজন চাহাব আছিল তেওঁলোক অত্যন্ত ভদ্ৰ আৰু মালিকী ভেমত ওপঙি ফুৰা ধৰণৰ নাছিল। দ্বিতীয়তে কলা সঞ্চালক জন যদিও কলা-কুশলী নাছিল তথাপি বৰ ভদ্ৰলোক আৰু অমায়িক আছিল। তৃতীয়তে সেই সময়ৰ স্বৰাজৰ আবেগিক পৰিস্থিতিতো তাত থকা, দুই-তিনিজন ইংৰাজ বিষয়াই সুন্দৰ সম্পৰ্ক ৰাখি চলিছিল। সত্যজিতৰ কোনো কামত হস্তক্ষেপ কৰা নাছিল। তেওঁলোকে সত্যজিতক "মানেক ৰয়" বুলি মাতিছিল আৰু চিত্ৰকলাৰ উচ্চ মানদণ্ড ৰখাৰ কাৰণে তেওঁক যথেষ্ট সন্মান কৰিছিল। নিকলচন নামৰ এজন ব্যৱস্থাপকে সত্যজিতক যথেষ্ট শ্ৰদ্ধা দেখুৱাইছিল। সত্যজিত এজন চিধা, "চালাকী" নথকা আৰু অতি নিষ্ঠাবান লোক বুলি নিকলচনে সদায়ে প্ৰশংসা কৰিছিল। এনেধৰণৰ এটা মধুৰ পৰিবেশত মানিকে কাম কৰি বেছ ভাল পাইছিল।

তথাপি ব্যক্তিগত খণ্ডৰ বিদেশী প্ৰতিষ্ঠান এটাত মনপুতি কাম কৰাত নানা ধৰণৰ প্ৰতিবন্ধকতা আছেই। সেই বিলাকৰ প্ৰতি উদাসীন নহ'লেও সেইবিলাকৰ বিৰোধিতা কৰি সময় আৰু শক্তি অপচয় কৰাত মিঠা-তিতা অভিজ্ঞতা তেওঁৰ কেইখনমান চলচ্চিত্ৰত প্ৰকাশ কৰিলে। সেইকেইখন হ'ল "মহানগৰ", "সীমাবদ্ধ", আৰু "অৰণ্যেৰ দিন ৰাত্ৰি"। বিজ্ঞাপন প্ৰতিষ্ঠানৰ "বছ"ৰ ওস্তাদি আৰু কৰ্তৃত্ব প্ৰয়োগ কৰাৰ নিচিনা ভাল নলগা কথা কেতিয়াবা কেতিয়াবা শুনিবলগীয়া হৈছিল যদিও তেওঁ সেইবিলাকৰ প্ৰতি বিশেষ ভ্ৰূক্ষেপ নকৰি নিজৰ কলা চৰ্চাত একাণপতীয়াকৈ লাগিছিল।

সেইকাৰণে এই প্ৰতিষ্ঠানটোৰ ব্যৱস্থাপনাই সত্যজিতৰ প্ৰতি ভালপোৱা আৰু লগতে শ্ৰদ্ধাও প্ৰদৰ্শন কৰিছিল। বিজ্ঞাপনৰ কাৰণে কেতিয়াবা কোনো কোনো কলা বিষয়ক একো জ্ঞান নথকা মানুহ আহি সত্যজিতক কাম দিয়ে। যেনে কোনোবা লেখকৰ কিতাপৰ বেটুপাত বা কোনোবা সামগ্ৰীৰ বিজ্ঞাপনৰ কাৰণে ছবি আঁকি দিবলৈ অনুৰোধ কৰিবৰ কাৰণে এনে ধৰণৰ মানুহ আহি অদ্ভুত কথা কৈ তেওঁক আমনি কৰে। কিন্তু একেবাৰে খং বা বিৰক্তি প্ৰকাশ কৰিব নজনা সত্যজিতে "হ'ব বাৰু; মই কৰি দিম" বুলি কৈ তেওঁলোকক চমু কথাত বিদায় দিয়ে আৰু তেওঁলোক অকলাসুলভ ভাবনা কলাৰ মাধ্যমলৈ আনি সুন্দৰ সৃষ্টি কৰাৰ পাৰদৰ্শিতা দেখুৱাই তেওঁ সকলোকে চমকিত কৰে।

কিমাৰত চাকৰি কৰি থকাৰ সময়ত তেওঁ বিজ্ঞাপনত গ্ৰাফিক ডিজাইন ব্যাপকভাবে প্ৰয়োগ কৰিছিল। শান্তি নিকেতনত মাষ্টাৰমশাই নন্দলাল বোসৰ ওচৰত গ্ৰাফিক ডিজাইন শিকিছিল। তেওঁ আহৰণ কৰা জ্ঞানক নিজস্ব ভাব আৰু মৌলিকত্ব প্ৰদান কৰি বিজ্ঞাপনতো যে গ্ৰাফিক ডিজাইন অতি সফলতাৰে লগাব পাৰি তাক তেওঁ প্ৰমাণ কৰি দিলে। তেওঁৰ আগলৈকে বিজ্ঞাপনক গ্ৰাফিক ডিজাইন চকুত লগাকৈ কোনোৱে প্ৰয়োগ কৰিব পৰা নাছিল।




সত্যজিতে অঁকা বিজ্ঞাপন

কিন্তু তেওঁৰ সৃষ্টিত এক ধৰণৰ গ্ৰাফিক বাৰ্তা ৰাখি থৈ দৰ্শকক শিক্ষিত কৰাৰ নতুন চিন্তাৰ খোৰাক দিয়াৰ সফল প্ৰচেষ্টাই এই কলাৰ নতুন দিগন্ত প্ৰতিষ্ঠা কৰি দিলে। পিছত তেওঁ এই কলা কথাছবিৰ চিত্ৰ নাট্য যুগুত কৰোতে ব্যাপকভাবে প্ৰয়োগ কৰিছিল। প্ৰতিটো দৃশ্য গ্ৰহণৰ বিতং ছবিখন তেওঁ গ্ৰাফিক আৰ্টৰ দ্বাৰা চিত্ৰনাট্যৰ লগতে আঁকি লৈছিল। তাৰ ফলত দৃশ্য গ্ৰহণত তেওঁৰ কোনো ধৰণৰ খুঁত থাকি নগৈছিল। এই কলা তেওঁ আখৰতো প্ৰয়োগ কৰিবলৈ ধৰিলে। কিতাপৰ বেটুপাতৰ ওপৰত কিতাপৰ নাম আৰু লেখকৰ নাম লিখোতে তেওঁ গ্ৰাফিক টেকনিক বা কৌশল প্ৰয়োগ কৰিছিল। বাংলা আখৰৰ উপৰিও তেওঁ ইংৰাজীত দুটা ধৰণৰ "টাইপফেচ" সৃষ্টি কৰিছিল। Ray Roman আৰু Ray Bizarre নামৰ এই দুটা নতুন ধৰণৰ টাইপফেচৰ কাৰণে ১৯৭১ চনত তেওঁ আন্তৰ্জাতিক পুৰস্কাৰ লাভ কৰিছিল। সত্যজিত ৰায়ে প্ৰমাণ কৰি থৈ গৈছে যে অঁকা আৰু লেখা দুয়ো পৰস্পৰৰ পৰিপূৰক। এটা কল্পনা বা বিষয়ক সুন্দৰভাবে ফুটাই তোলাত যে অংকনৰ কৌশলে কিমান জীৱন্ত আৰু উচ্চ পৰ্যায়লৈ নিব পাৰে তাকে তেওঁ দেখুৱাই গৈছে। সেইদৰে অঁকা কামটো কিমান যে ৰোমাণ্টিক, প্ৰকাশমান আৰু ৰহস্যময়ী হ'ব পাৰে তাৰে তেওঁ কালজয়ী দৃষ্টান্ত ৰাখি থৈ গৈছে। এইখিনিতে এটা কথা কৈ থোৱা ভাল যে সত্যজিত ৰায়ৰ সকলো গ্ৰাফিক অংকন অতি উচ্চ পৰ্যায়ৰ নাছিল; কিন্তু বেছিখিনিয়েই তেওঁৰ মহান আৰু সৃজনীসুলভ প্ৰতিভাৰ সাক্ষ্য বহণ কৰিছে। পিছৰ জীৱনত তেওঁৰ সাক্ষাৎকাৰ লওঁতে এই বিষয়ে সুধিলে তেওঁ এনে ধৰণৰ আৰ্টত ভাৰতীয় তথা প্ৰাচ্য সংস্কৃতিৰ বাৰ্তা বা ছাপ ৰাখিবলৈ বিচাৰিছিল। এই আৰ্টৰ গঠন আৰু বিস্তৃত আউট লাইনে পিছত কথাছবিৰ সুকীয়া মাধ্যমতো ঠাই পাইছিল। কিমাৰতঁ চাকৰি কৰি থকাৰ সময়তে তেওঁ গ্ৰাফিক আৰ্টক কমাৰ্চিয়েল আৰ্টৰ সৈতে একাকাৰ কৰি নতুন চিন্তা আৰু সৃষ্টিৰ বাট মোকোলাই দিলে।

কিমাৰত চাকৰি কৰি থকাৰ সময়তে কেইবাখনো উৎকৃষ্ট কিতাপৰ বেটুপাতৰ ডিজাইন আঁকি নিজৰ মৌলিক প্ৰতিভাৰ পৰিচয় দিয়ে। বাংলা কবিতাৰ সংকলন, ৰবীন্দ্ৰনাথ ঠাকুৰ, জীবনানন্দ দাস, বিষ্ণু দে আদিৰ বিখ্যাত কবিতা পুথিৰ বেটুপাত, জিম কৰবেটৰ বিখ্যাত গ্ৰন্থ "Maneaters of Kumaon", জৱাহৰলাল নেহৰুৰ "Discovery of India" আৰু বিভূতিভূষণ বন্দোপাধ্যায়ৰ "পথেৰ পাঁচালীৰ" বেটুপাত আৰু কেইখনমান কাহিনীৰ লগত জড়িত ছবি উল্লেখযোগ্য। তাৰ উপৰি ডি কে গুপ্তাই ১৯৪৩ চনত আৰম্ভ কৰা চিগনেট প্ৰেছৰ কিতাপৰ বেটুপাতৰ ডিজাইন কৰাৰ দায়িত্ব সত্যজিতৰ ওপৰত অৰ্পিত হয়। গুপ্তাই তেওঁক এই দিশত সম্পূৰ্ণ স্বাধীনতা দিছিল। সেইবাবে তেওঁ নিজৰ সৃষ্টিধৰ্মী প্ৰতিভা নিৰ্বিঘ্নে প্ৰকাশ কৰাৰ সুবিধা পাইছিল। চিগনেট প্ৰেছে সেই সময়ত বাংলা সাহিত্যৰ বিখ্যাত লেখক সকলৰ ছবি আৰু কিতাপৰ ওপৰত এখন বুলেটিন প্ৰকাশ কৰিছিল। এই ছবিসমূহ সত্যজিৎ ৰায়ে নিজৰ স্বকীয় আৰ্হিত আঁকিছিল। এইবোৰ কৰি তেওঁ গুপ্তাৰ লগত যদিও ঘনিষ্ঠ সম্পৰ্ক গঢ়ি উঠিছিল লাহে লাহে এই সম্পৰ্কত ঘূণে ধৰিবলৈ ধৰিলে। প্ৰথমতে তেওঁ শান্তিনিকেতনত পঢ়ি থকাৰ সময়ৰে বন্ধু এলিক্স এৰনচনৰ কিতাপ এখন ডি কে গুপ্তাক প্ৰকাশৰ বাবে দিছিল। কিছুদিন ৰাখি এজন প্ৰভাৱশালী ব্যক্তিৰ প্ৰৰোচনাত গুপ্তাই এৰনচনৰ পাণ্ডুলিপিখনি অগ্ৰাহ্য কৰি ঘূৰাই দিলে। এই কথাত সত্যজিৎ বৰকৈ ক্ষুণ্ণ হ'ল। তাতকৈ অধিক ক্ষুণ্ণ হ'ল তেওঁ ব্যক্তিগত কথা এটাত।

সুকুমাৰ ৰায়ৰ মৃত্যুৰ পিছত U Ray & Sons ছপাশাল আৰু অন্যান্য সম্পত্তিখিনি বিশ্বাস নামৰ এজন চহকী লোকে কিনি ৰাখে আৰু তাৰ পিছত ১৯২৭ চন মানৰ পৰা তেওঁ মনে মনে সুকুমাৰ ৰায়ৰ কিতাপবোৰ পুনৰ মুদ্ৰণ কৰি প্ৰকাশ কৰিবলৈ ধৰে। তাৰ বাবত পাবলগা এটা ফুটা কড়িও তেওঁ সুপ্ৰভা ৰায় বা সত্যজিতক দিয়া নাছিল। কিন্তু ১৯৩৩ চনৰ শেষৰ পিনে ডি কে গুপ্তাই সুকুমাৰ ৰায়ৰ সকলো কিতাপৰ স্বত্বাধিকাৰ লাভ কৰিছে বুলি কলিকতাৰ এখন প্ৰেছ মেলত বিশ্বাসে ঘোষণা কৰিলে। তাৰ পিছৰ পৰাই গুপ্তাই সুকুমাৰ ৰায়ৰ কিতাপবোৰ প্ৰকাশ কৰিবলৈ ধৰে। তেওঁ অৱশ্যে সত্যজিতৰ মাকক কিতাপৰ পৰা পোৱা লাভৰ একাংশ দিছিল। কিন্তু দোষণীয় কামটো হ'ল কিতাপখিনিৰ যিটো স্বকীয় আকাৰ আৰু বৈশিষ্ট্য আছিল সেইবোৰ পুনৰ মুদ্ৰণৰ সময়ত বিকৃতি ঘটিল। সত্যজিতে নিজৰ ক্ষোভৰ কথা গুপ্তাক ব্যক্ত কৰিছিল যদিও তাৰ কোনো ফল নধৰিল। গুপ্তাৰ মৃত্যুৰ পিছত অৱশ্যে চিগনেট প্ৰেছে কিতাপ আকৌ প্ৰকাশ কৰোতে ইয়াৰ স্বকীয় বৈশিষ্ট্য ৰক্ষা কৰিবলৈ চেষ্টা কৰিছিল যদিও U Ray & Sons এ প্ৰকাশ কৰাৰ নিচিনা মানদণ্ড ৰক্ষা কৰিবলৈ সক্ষম নহ'ল। দেউতাকৰ কিতাপৰ প্ৰতি কৰা অন্যায়ৰ কাৰণে সত্যজিতে ডি কে গুপ্তাক যথেষ্ট বেয়া পাইছিল; যদিও কেইবাটাও কথাত তেওঁ গুপ্তাৰ প্ৰতি কৃতজ্ঞ হৈ আছিল। প্ৰথম কথা, গুপ্তাই তেওঁক এটা ভাল বিজ্ঞাপন এজেন্সীত চাকৰি পোৱাত সহায় কৰিছিল য'ত তেওঁ নিজৰ প্ৰতিভা বিকাশ কৰাৰ বাধাহীন সুবিধা পাইছিল। দ্বিতীয়তে তেওঁক চিগনেট প্ৰেছৰ পৰা প্ৰকাশিত কিতাপৰ ডিজাইন তৈয়াৰ কৰিবলৈ তাৰ বেটুপাত আঁকি দিবলৈ দায়িত্ব দি সম্পূৰ্ণ স্বাধীনতা দিছিল। যাৰ কাৰণে সত্যজিতে নিজৰ সকলো সৃজনী প্ৰতিভা আৰু কল্পনা শক্তিক পৰীক্ষামূলকভাবে খটুৱাই বিজ্ঞাপন কলাৰ নতুন দিগন্ত মুকলি কৰি দিয়াত অভাৱনীয় সুযোগ পালে। তৃতীয়তে, প্ৰতিটো কামৰ বাবে গুপ্তাই তেওঁক যথেষ্ট শকত মাননী দিছিল। চতুৰ্থতে, গুপ্তাই তেওঁক বাংলা সাহিত্যৰ বিষয়ে সম্যক জ্ঞান আহৰণ কৰাত সহায় কৰিছিল। ইমানদিনে তেওঁ ইংৰাজী সাহিত্যতহে ৰাপ আছিল। কিন্তু গুপ্তাৰ অনুপ্ৰেৰণাত তেওঁ বাংলা সাহিত্য জগতত প্ৰবেশ কৰি পিছত এই সাহিত্যৰ ক্লাছিক গ্ৰন্থৰ ওপৰত ভিত্তি কৰি তেওঁ বিশ্ববিখ্যাত ছবি নিৰ্মাণ কৰাৰ সম্ভাৰ বিচাৰি পালে।

চাকৰি কৰা কালতে সত্যজিতে বংগত হোৱা দুৰ্ভিক্ষৰ কৰুণ আৰু ভয়লগা পৰিস্থিতি দেখিবলৈ পাইছিল। বৃটিছ চৰকাৰৰ ভুল নীতি আৰু সময়মতে যথোচিত ব্যৱস্থা গ্ৰহণ নকৰাৰ ফলতে এই দুৰ্ভিক্ষই কদাকাৰ ৰূপ ধাৰণ কৰে। প্ৰায় ৩৫ লাখ লোক এই দুৰ্ভিক্ষৰ নিৰ্দোষ বলি হয়। কলিকতা চহৰো ইয়াৰ কৰাল গ্ৰাসত পৰিল। বাটে-পথে মৰাশ পৰি থাকিবলৈ ললে। চাৰিওপিনে কৰুণ আৰু ভয়াবহ দৃশ্য। সেই সময়ত "Statesman" কাকতৰ সম্পাদক আয়ান ষ্টিফেনে এই দুৰ্ভিক্ষৰ বিতং প্ৰতিবেদন প্ৰকাশ কৰি গৈছিল। চৰকাৰী যন্ত্ৰ সম্পূৰ্ণ উদাসীন। ভাৰতৰ ভাইচৰয় লৰ্ড লিনলিথগো এবাৰো বংগলৈ আহি মানুহে সৃষ্টি কৰা এই প্ৰলয়ৰ বিভীষিকা চোৱাৰ প্ৰয়োজন বোধ নকৰিলে। ভাৰতৰ ইতিহাসত দুৰ্ভিক্ষৰ উদাহৰণ বিৰল নাছিল। কিন্তু ই ইমান ব্যাপক আৰু ভয়ানক ৰূপ কোনো দিনাই লোৱা নাছিল। চৰকাৰৰ উদাসীনতাৰ লগতে কলিকতাবাসী বহুতো মানুহ এই ভয়াবহ পৰিস্থিতিৰ প্ৰতি উদাসীন আছিল। সত্যজিৎ ৰায়ো তাৰ উৰ্ধ্বত নাছিল। ইমান এটা ব্যাপক আৰু সহজে সমাধান কৰিব নোৱৰা সমস্যাক লৈ তেওঁ অকলে কি কৰিব! গতিকে দুৰ্ভিক্ষত ক্ষতিগ্ৰস্ত হোৱা মানুহক কিবা ধৰণেৰে সহায় কৰিব পাৰি নেকি– এই দিশত আন বহুতৰ দৰে তেওঁ কোনো পদক্ষেপ লোৱা নাছিল। তেওঁ তেতিয়া চাকৰিত সোমাইছিল মাত্ৰ। নিজে দান বৰঙণি দিব পৰা সামৰ্থ্য তেওঁৰ নাছিল। নিজৰ চাকৰি, কলা আৰু সংগীতৰ জগতত তেওঁ বিভোৰ আছিল। পিছত তেওঁৰ এই উদাসীন ভূমিকাত নিজেই দুখ অনুভৱ কৰি কৈছিল যে দুৰ্ভিক্ষৰ সমগ্ৰ বিষয়টোৰ প্ৰতি তেওঁৰ চৰম উদাসীনতাৰ বিষয়ে কোনোবাই সমালোচনা কৰাটো অস্বাভাৱিক নহয়। সেই সময়ত তেওঁ সামাজিক দায়বদ্ধতাৰ কথা ভবা নাছিল। যিদৰে কলিকতাৰ প্ৰায় সকলো মানুহে কিবা এটা কৰাৰ কথা ভবা নাছিল; তেঁৱো একেদৰেই ভবা নাছিল। কিন্তু পিছৰ জীৱনত তেওঁ এই বিষয়ে দকৈ চিন্তা কৰিছিল। দুৰ্ভিক্ষ চলি থকাৰ সময়তে লেখা বিভূতি ভূষণ বন্দোপাধ্যায়ৰ উপন্যাস "অশনি সংকেত" ১৯৭২

চনত চিত্ৰৰূপ দি তেওঁ সামাজিক দায়বদ্ধতাৰ পলমকৈ হ'লেও প্ৰমাণ ৰাখি থৈ গৈছে।

পৰাধীন ভাৰতৰ শেষৰ কেইটা বছৰ সঁচাকৈ যন্ত্ৰণাৰে ভৰা আছিল। বংগৰ দুৰ্ভিক্ষৰ পিছতে দেশ বিভাজনৰ দাবী আৰু তাৰ পৰা উদ্ভৱ হোৱা সাম্প্ৰদায়িক পৰিস্থিতি, হত্যা-কাণ্ড আৰু ৰাজনৈতিক অস্থিৰতা। এই বিলাক সমস্যাৰ পৰা দূৰত থাকি সত্যজিৎ ৰায়ে পশ্চিমীয়া সংগীত আৰু কথাছবিৰ পৰা নতুন অনুভূতিৰ সোৱাদ ল'বলৈ চেষ্টা কৰিলে। পশ্চিমীয়া সংগীতৰ পৰাই তেওঁ সংগীতৰ নোটেচন প্ৰস্তুত কৰা বিদ্যাও শিকি ললে। কাৰো সহায় নোলোৱাকৈ আৰু কোনো সংগীত বিদ্যালয়ত নোসোমোৱাকৈ কেৱল মাত্ৰ কিতাপ পঢ়ি আৰু সংগীত শুনি নোটেচন বিদ্যা শিকাটো দৰাচলতে প্ৰায় অসম্ভৱ কথা। এই অসম্ভৱ কথাটো সম্ভৱ হ'ল বোধকৰো কেইটামান বিশেষ কাৰণে। তেওঁ সংগীতৰ লগত জড়িত থকা পৰিয়ালত জন্ম গ্ৰহণ কৰিছিল আৰু সংগীত আছিল সত্যজিতৰ অন্যতম বিশ্বস্ত লগৰীয়া। অভাৱনীয় স্মৰণ শক্তি থকাৰ কাৰণে তেওঁ সংগীতৰ তাল আৰু সুৰ মনত ৰাখি যাব পাৰিছিল। সেইবাবে কিতাপৰ সহায়ত শিকোতে তেওঁ নোটেচন সম্পৰ্কীয় চিহ্নবোৰ আৰু তাৰ লগত মিলা সুৰ আৰু তালৰ কথা সহজেই মনত ৰাখিব পাৰিছিল। এই সময়ছোৱাতে শিকি লোৱা বিদ্যাই তেওঁক পিছত সংগীতকাৰ হিচাপে প্ৰতিষ্ঠিত কৰাত ব্যাপক সহায় কৰিছিল।

কাৰো সহায় নোলোৱাকৈ কোনো পণ্ডিত বা ওস্তাদৰ ওচৰত দীক্ষা নোলোৱাকৈ সংগীত শিকা কাম সত্যজিতৰ বাবে বৰ সহজ নাছিল। সংগীত চৰ্চা কৰোতে যিথিনি ন্যূনতম পৰিবেশ লাগে সেয়া তেওঁ পোৱা নাছিল। ভবানীপুৰত থকা মামাকে পুৰণি ঘৰ এৰি ৰামবিহাৰী এভিনিউত নতুন ঘৰ লৈছিল। তাতো পৰিস্থিতি বৰ ভাল নাছিল। সংগীত সাধনাৰ বাবে কোনো ধৰণৰ নিৰিবিলি পৰিবেশ তাত নাছিল। ১৯৪৫ চনত তেওঁ সেই ঘৰ এৰি নিজৰ বৰীয়াকৈ লোৱা এটা সৰু ফ্লেটলৈ আহিল। তাত তেওঁৰ এটা কোঠা লাইব্ৰেৰী, চিত্ৰকলাৰ ষ্টুডিঅ' আৰু সংগীত সাধনাৰ বাবে লগা যাবতীয় বাদ্য যন্ত্ৰ লৈ ব্যস্ত থকাৰ পৰিকল্পনা কৰিলে। কিন্তু এই ঠাইখনো ইমান হুলস্থূলীয়া যে দিনৰ ভাগত তেওঁ কোনো কামকে কৰিব নোৱাৰে। নিশা যেতিয়া সকলো শোৱাৰ পিছত তেওঁৰ চৌপাশৰ পৰিবেশ নিতাল মাৰে তেতিয়াহে তেওঁ গ্ৰামোফোনটো লৈ ভাল লগা ৰেকৰ্ড বজাই সংগীতৰ তাল-মান আৰু লয় আয়ত্ত কৰিবলৈ চেষ্টা কৰে। নোটেচনৰ বহী উলিয়াই সেইবোৰ টুকি যায়, আৰু কিবা নতুন সুৰে মনৰ মাজত ঝংকাৰ তুলিলে সেয়াও নোটেচন বহীত টুকি ৰাখে। এনে ধৰণৰ প্ৰতিকূল পৰিবেশত সাধনাৰ বিঘিনি ঘটিছিল। পিছত এনে পৰিস্থিতিৰ লগত তেওঁ অভ্যস্ত হৈ পৰিল। চাৰিওপিনে গান-বাজনা, কেঁচুৱাৰ কান্দোন, হাই উৰুমি তাৰ মাজত মানিকৰ নীৰৱ সাধনা। বাহিৰৰ জগতে তেওঁক তলাব বা আমনি দিব নোৱাৰে।

১৯৪৪ চনত সত্যজিৎ এজন বৃটিছ নাগৰিকৰ লগত পৰিচিত হয় আৰু পিছত তেওঁৰ ঘনিষ্ঠ বন্ধু হৈ পৰে। নৰমান ক্লাৰ নামৰ এই মানুহজন আচলতে ৰয়েল এয়াৰ ফৰ্চৰ কৰ্মচাৰী আছিল। নৰমানক তেওঁৰ বন্ধু এজনে এবাৰ কবি বিষ্ণু দেৰ সৈতে পৰিচয় কৰি দিছিল। সংগীত আৰু কবিতাৰ অনুৰাগী নৰমানে বাংলা পঢ়িব আৰু কব পাৰিছিল। এবাৰ তেওঁ কলিকতা চহৰত বাছত বহি বাংলা কিতাপ এখন পঢ়ি থকা দেখি এজন বঙালী ভদ্ৰলোকে দৃশ্যটো সহ্য কৰিব নোৱাৰিলে। চাহাবে বাংলা পঢ়িব জানে! হ'বই নোৱাৰে। ওচৰলৈ গৈ নৰমানক তেওঁ ইংৰাজীতে ক'লে "আপুনি বাংলা পঢ়িব নাজানে।" তেওঁ বাংলাতে ক'লে ঃ পঢ়িব জানো। কলিকতাৰ বহুতো বঙালী পৰিয়ালৰ লগত চিনাকি নৰমান সত্যজিতৰ মামাকৰ ঘৰত ১৯৪৫ চনৰ শেষৰ পিনে তিনিমাহমান আছিল। কবি বিষ্ণু দেই নৰমানক চঞ্চল চেটাৰ্জী নামৰ এজন সংগীতৰ ভক্তৰ লগত পৰিচয় কৰাই দিছিল। চঞ্চলে ভাৰতীয় আৰু পশ্চিমীয়া সংগীতৰ বিষয়ে ভালদৰে জানিছিল। তেঁৱেই নৰমানক সত্যজিতৰ ওচৰলৈ লৈ আহিছিল। এইদৰে সত্যজিত আৰু নৰমানৰ মাজত ঘনিষ্ঠতা গঢ়ি উঠে। পিছত ১৯৫০ চনত সত্যজিত লণ্ডনলৈ যাওঁতে নৰমানে যথেষ্ট সহায় কৰি দিছিল। চাকৰিৰ পৰা সন্ধিয়া পৰত ঘৰলৈ উভতি আহোতে প্ৰায়ে নৰমানে সত্যজিতক লগ দিয়ে। সন্ধিয়া তেওঁ, নৰমান আৰু বিজয়া একেলগে বহি বহুত সময় ধৰি গল্প, কবিতা, নাটক আৰু সংগীতৰ আলোচনা কৰে। কেতিয়াবা তিনিও চিনেমা চাবলৈ ওলাই যায়। কেতিয়াবা সত্যজিতে ঘৰতে বহি নিজৰ কাম কৰে আৰু বিজয়াক নৰমানৰ লগত কথাছবি চাবলৈ পঠাই দিয়ে। ভাৰতীয় মহিলা বিদেশী চাহাবৰ লগত একেলগে চিনেমা চাবলৈ যায়! এনে আচহুৱা দৃশ্য দেখি পাৰাৰ মানুহৰ ফুচফুচীয়া মেল হয়। বন্ধুত্বৰ পৱিত্ৰ সম্পৰ্কত সেইবোৰে প্ৰভাৱ পেলাব নোৱাৰে। আৰু কেতিয়াবা একো কৰিব লগীয়া নাথাকিলে নৰমান আৰু সত্যজিতে দবা খেলে। নৰমান স্বদেশলৈ যোৱাৰ পিছত তেওঁ অকলেই কেতিয়াবা দবা খেলে। পিছত এই অভ্যাসটোৰ অন্ত পৰে। কথাছবিৰ জগতত সোমাই তেওঁৰ সময়ৰ যথেষ্ট অভাৱ হ'ল। কিন্তু "শৎৰঞ্জ কে খিলাৰী" ছবিখন কৰোতে পুৰণি অভ্যাসটো অলপ সময়ৰ বাবে সঞ্জীৱিত হৈ উঠিছিল।

কিমাৰ এজেন্সীৰ ওচৰতে এখন কফিৰ দোকান আছিল। তাতে সদায় যিকোনো বিষয়ৰ ওপৰত আলোচনা হয়। তাকে চমুকৈ "আড্ডা পিটা" বুলি কোৱা হয়। বিষয়বোৰ সাধাৰণতে গুৰুতৰ ধৰণৰ। কাচিৎহে লঘু বা সৰু কথাৰ ওপৰত আলোচনা হয়। ফুটবল খেলাৰ কৌশলৰ পৰা আৰম্ভ কৰি জ্ঞান-বিজ্ঞান, কলা সংস্কৃতি, সাহিত্য, সমাজ ব্যৱস্থা আদিৰ জটিল কথাবোৰেহে ইয়াত ঘাইকৈ ঠাই পাই কাৰণে এনে ধৰণৰ কফিৰ দোকানক স্বীকৃতিবিহীন বিশ্ববিদ্যালয় বুলিও কোৱা হয়। এই কফি দোকানত সত্যজিতে প্ৰায়ে বহি আড্ডাত অংশ গ্ৰহণ কৰিছিল তেওঁ ভাল পোৱা বিষয়বোৰত আছিল কথাছবিৰ সমালোচনা, সংগীত, সাহিত্য আৰু ষ্টেটচমেন কাকতৰ শেষৰ পৃষ্ঠাত প্ৰকাশ পোৱা Crossword সমাধান কৰা। আড্ডাৰ লগৰীয়া সকলৰ ভালেকেইজন পিছত সত্যজিতৰ কথাছবিৰ ইউনিটৰ অবিচ্ছেদ্য অংগ হৈ পৰিছিল। কফি দোকানৰ আড্ডাত বহা সত্যজিতৰ লগৰীয়াসকল আছিল শান্তিনিকেতনত একেলগে পঢ়া পৃথ্বিশ নেওগী, সংগীত চৰ্চাৰ মন্দী চঞ্চল চেটাৰ্জী, বংশী চন্দ্ৰগুপ্ত, চিদানন্দ দাস কমল কুমাৰ মজুমদাৰ। আটাইকেইজনৰ ভিন্ন মুখী প্ৰতিভাৱান ব্যক্তি। পৃথ্বিশ নেওগীৰ কথা আগতে উল্লেখ কৰা হৈছে। চঞ্চল আছিল ভাৰতীয় আৰু পশ্চিমীয়া শাস্ত্ৰীয় সংগীতৰ ভক্ত আৰু সাধক। বংশী চন্দ্ৰ গুপ্ত কাশ্মীৰৰ পৰা আহি তেতিয়া বাংলা বোলছবিৰ আৰ্ট ডিৰেক্টৰ হিচাপে কাম কৰিছিল। তেওঁ নিজৰ কামত মনোযোগ দিব পৰা নাছিল। কাৰণ, তেওঁ নিজৰ প্ৰতিভা বিকাশৰ কোনো সুযোগ তাত পোৱা নাছিল আৰু সেই বাবে তেওঁ সদায় বিতুষ্ট হৈ থাকিছিল। পিছত তেওঁ সত্যজিতৰ নিজৰ কথাছবিৰ আৰ্ট ডিৰেক্টৰ হয়গৈ। চিদানন্দ দাস আছিল সেই সময়ৰ কথাছবি সমালোচক। তেওঁৰে ছোৱালী অৰ্পণা সেন বাংলা কথাছবিৰ আগশাৰীৰ নায়িকা আৰু পৰিচালিকা। কমল বাবু সাহিত্যিক, উপন্যাসিক, ৰসিক। আৰ পি গুপ্তা নামৰ আৰু এজন লগৰীয়া আছিল তথ্যৰ ভাণ্ডাৰ। যিকোনো কথাৰ আটিগুৰি মাৰি বিশদভাবে ক'ব পৰা ব্যক্তি। এনে এটা প্ৰতিভাবান গোষ্ঠী যেতিয়া "কফি হাউচ"ত একেলগে বহি আড্ডা দিয়ে সেই আড্ডাৰ মানদণ্ড কিমান উচ্চ পৰ্যায়ৰ হ'ব সেয়া সহজে অনুমেয়। দুটা বিষয়ৰ বাহিৰে সকলো কথাৰ আড্ডা বহে এই কফিৰ দোকানত। সেই দুটা হ'ল ৰাজনীতি আৰু দৰ্শন। কমল বাবু সাহিত্যৰ ওপৰত কিবা এটা আৰম্ভ কৰিলে গুপ্তা বাবুৱে সাহিত্যৰ ওপৰত সময় উপযোগী যিমান তথ্য আছে এফালৰ পৰা দি যায়। এই আলোচনাৰ মাজত সত্যজিতে নিজৰ স্বকীয় মতামত সদায়ে দি যায় কাৰণ আলোচ্য বিষয়বোৰৰ ওপৰত তেওঁৰ পৰিষ্কাৰ ধ্যান ধাৰণা আছিল আৰু আড্ডাৰ সামৰণিত তেৱেঁই চমু বক্তব্য ৰাখিছিল। ক্ৰমশঃ





# দিছপুৰলৈ গৈছিলো

দীপ্তি নাথ

দিছপুৰ'ত থাকে সৰ্বসাধাৰণৰ আশা-ভৰসাৰ থল মন্ত্ৰী-বিধায়ক সকল, অসমৰ ভূত-ভৱিষ্যত পৰিকল্পনা কৰা গণ্যমান্য ব্যক্তিসকল। ইয়াতেই সমাবেশ হয় প্ৰতিদিনে হাজাৰ-হাজাৰ উদ্‌ভ্ৰান্ত ডেকা-গাভৰুৰ। তেওঁলোকৰ হাতে হাতে জৰাজীৰ্ণ মাৰ্কচিট আৰু চাৰ্টিফিকেট।

সমস্যা সমাধানৰ পথ বিচাৰি আৰু কৰ্মসংস্থান বিচাৰি হাজাৰ জনৰ লগতে কাকতৰ টোপোলাটো হাতত লৈ এদিন ময়ো গৈছিলো দিছপুৰলৈ। চলিত বছৰৰ এপ্ৰিল মাহৰ চৌবিশ তাৰিখে। বহু আশা বুকুত বান্ধি মন্ত্ৰী মহোদয়ৰ কৰুণা ভিক্ষা কৰিছিলো। কিন্তু কমেও বিশবাৰ যোৱাৰ পিছত আশা ভঙ্গৰ বেদনাই মোক প্ৰায় ধৰাশায়ী কৰিলে। অভিজ্ঞতাই ইয়াকো শিকালে যে অন্যান্য হাজাৰ জনৰ জটিল সমস্যাৰ তুলনাত মোৰ সমস্যাটো যেন কোনো সমস্যাই নহয়। চৰম হতাশ হৈ জীৱনৰ খোজে খোজে উজুটি খোৱা দুই চাৰিজনৰ কৰুণ কাহিনীহে মই ইয়াত ক'ব খুজিছো।

জনতা ভৱনৰ আশে-পাশে প্ৰায়েই লগ পাওঁ এগৰাকী পঁয়ত্ৰিছ কি ছয়ত্ৰিছ বছৰীয়া মহিলাৰ লগত ছয় কি সাত বছৰীয়া এজন সৰু ল'ৰাক। ওচৰ চাপি চিনাকি হৈ গম পালো, মহিলা গৰাকীৰ গিৰিয়েকক যোৱা বছৰৰ চেপ্তেম্বৰ মাহতেই তথাকথিত সন্ত্ৰাসবাদী সংগঠন আল্‌ফাই অপহৰণ কৰি নিয়ে। মহিলা গৰাকীয়ে তেতিয়ালৈকে নাজানে গিৰিয়েক মৃত নে জীৱিত। চৰকাৰৰ ওচৰত বাৰে বাৰে আবেদন জনোৱাৰ পিছতো কোনো ধৰণৰ সঁহাৰি পোৱা নাই। আনহাতে পৰিয়ালৰ একমাত্ৰ উপাৰ্জনৰ পথটি হেৰাই যোৱাত তেওঁলোকৰ অৱস্থা পানীত হাঁহ নচৰা বিধৰ হৈছে।

অতিশয় ক্ষোভেৰে মহিলা গৰাকীয়ে মোক কৈ গ'ল – "ৰাজীৱ গান্ধীৰ হত্যাকাৰীক চৰকাৰে বিচাৰি উলিয়াবলৈ সক্ষম হ'ল; অথচ মোৰ লগতে এই কণমানি ল'ৰাটোৰ তেজ পি খোৱা উগ্ৰপন্থী সংগঠনটোৰ নেতাক ধৰি অসম চৰকাৰে মোৰ স্বামীৰ বতৰা উলিয়াব নোৱাৰিলে। আমি সাধাৰণ মানুহ। আমাৰ দুখ-কষ্টৰ বতৰা কোনে ল'ব? আমাৰ চকুপানীখিনিক মূল্য দিবই বা কোনে?" এইদৰে মহিলা গৰাকীয়ে তথাকথিত গণতান্ত্ৰিক দেশৰ সাধাৰণ মানুহৰ অসহায়তাৰ কথা বাৰে বাৰে দোহাৰিছিল। কণমানি ল'ৰাটোৰ ভৱিষ্যৎ ভাবি দিছপুৰলৈ আহিছে এটা চাকৰি বিচাৰি। কিন্তু মন্ত্ৰী মহোদয় সকলৰ উদাসীনতাত তেখেত হতাশ হৈ পৰিছে। আনকি মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা তিনিবাৰৰ সাক্ষাৎকাৰৰ অনুমতি পায়ো এবাৰো লগ ধৰিব নোৱৰাত তেওঁ সকলোৰে ওপৰত বিশ্বাস হেৰুৱাইছে। কপালত ট টকৈ জিলিকি থকা সেন্দুৰৰ ফোঁটটি দেখি মোৰ বুকু কঁপি গৈছিল। কি আশাত তেওঁ এতিয়াও ফোঁটটো লৈ ফুৰিছে?

এজনী কাৰ্বিআংলঙৰ ছোৱালী লগ পাওঁ। চৰকাৰী চাকৰি কৰি থকা অৱস্থাতে পিতৃ বিয়োগ হোৱাত তেওঁ চৰকাৰী বিধি অনুযায়ী একে বিভাগতে এটি চাকৰিৰ বাবে আবেদন জনাই আহিছে প্ৰায় এবছৰে। চাকৰিৰ বাবে তেওঁৰ যোগ্যতাও আছে। বিভাগত খালী পদো আছে। কিন্তু সকলো নিৰ্বিকাৰ। প্ৰায় দহখনমান দৰ্খাস্ত তেওঁৰ হাতত য'ত আছে মন্ত্ৰী মহোদয় সকলৰ বহুমূল্যবান চহী। তেওঁৰ পৰা শুনিলো বিভাগীয় মুৰব্বী বিষয়াৰ অভদ্ৰোচিত ব্যৱহাৰ আৰু লগতে নিম্নখাপৰ কৰ্মচাৰী সকলৰ হেমাহি ডেমাগিৰ কথা। দিছপুৰত সদায় ঘূৰি ফুৰা মুখা পিন্ধা ভদ্ৰলোক কিছুমানৰ লগতে প্ৰবেশ পত্ৰ পৰীক্ষা কৰা পৰীক্ষক সকলৰ একা-বেঁকা কথা। ইয়াৰ সোৱাদ অৱশ্যে ময়ো পাইছো। মুখ্যমন্ত্ৰী মহোদয়ৰ চহী থকা দৰ্খাস্তখন উলিয়াই তেওঁ কৈছিল "যি চহীটো মোৰ দৰ্খাস্তত পৰাৰ দিনা মই স্বৰ্গ ঢুকি পোৱা যেন পাইছিলো, সেইটো দেখিলে মোৰ এতিয়া হাঁহি উঠে বহুত জোৰেৰে। ইও এক প্ৰবঞ্চনাৰ কেনে হাস্যকৰ নমুনা।" কথাত বুজি পালো দিছপুৰলৈ অহা-যোৱা কৰিবলৈ তেওঁৰ হাতত আৰু পইছা নাই।

বহুজনৰ লগতে এ জি পি চৰকাৰৰ দিনৰে পৰা চাকৰিৰ বাবে ঘূৰি ফুৰা শিক্ষিত ডেকাজনৰ তাপলি মৰা চাৰ্ট পেন্টটোৰ কথা নকলোৱেই যেনিবা। কিন্তু হঠাৎ লগপোৱা শাৰীৰিকভাবে অক্ষম লোকজনৰ কথা নকলে মোৰ কাহিনী আধৰুৱা হৈ ৰ'ব। কিছুদিন যোগাযোগ কৰাৰ পিছতে তেওঁৰ চাকৰি হ'ল হেনো। কথা শুনি মোৰ শিক্ষিত নিবনুৱা সকলক চিঞৰি চিঞৰি কবলৈ মন গৈছিল "আমি আটায়ে পঙ্গু হওঁ আহা।" চলিত মাহৰ এঘাৰ তাৰিখৰ (আগষ্ট) পৰা মই আৰু দিছপুৰলৈ যোৱা নাই। পুনৰবাৰ মাৰ চকুপানীখিনি চাবলগীয়া হোৱাৰ ভয়ত। হিয়া ভগা হুমুনিয়াহটো শুনিবলগীয়া হোৱাৰ দুখত মোৰ সেইদিনা ভৰি এখন ভাগি দিবৰ মন গৈছিল; কাৰণ মোৰ হাতত তেতিয়া ত্ৰিশ হাজাৰ টকাৰ ঠাইত ত্ৰিশ টকাও নাছিল। ■

সূত্ৰধাৰ
ডাকযোগেও আপুনি পাব
বছৰেকীয়া বৰঙণি: ১৪৪ টকা
ছমহীয়া বৰঙণি: ৭২ টকা
ডাক মাচুলৰ পৰা ৰেহাই দিয়া হ'ল।
আপোনাৰ বৰঙণি ডিমান্ড ড্ৰাফট অথবা চেক যোগে পূৰ্বৰী প্ৰকাশন প্ৰাঃ লিঃ, গুৱাহাটীৰ নামত তলৰ ঠিকনালৈ পঠিয়াওক:
চাৰ্কুলেচন মেনেজাৰ
সূত্ৰধাৰ
মনজেৰা হাউছ, মতিলাল নেহৰু পথ
পানবজাৰ, গুৱাহাটী-৭৮১০০১

## ডিব্ৰুগড় ঃ ১৯৯১

বিপুলকুমাৰ মহন্ত

নিয়ন লাইটৰ পোহৰ আৰু আন্ধাৰে
ধূসৰ কৰি তুলিছিল চহৰখনৰ সন্ধিয়াটো

বৰফৰ বুকুৰে টনা শ্লেজৰ দৰে
একাবেঁকা এচফ্যাল্টৰ ৰাস্তাৰে
গতি কৰিছিল যান্ত্ৰিক বাহনবোৰ আৰু
মানুহে বৈ অনা ৰিক্সাবোৰ

পথ আৰু পদ পথবোৰ সংকুচিত হৈ গৈ আছিল
হুইছেল মাৰি সশব্দে পাৰ হৈছিল
য়ুনিভাৰচিটী-মেডিকেলৰ ১নং ২নং আৰু
বজাৰ বাছৰ সমদলবোৰ

লেজাইৰ পানীটেঙা, নাহৰকটীয়াৰ নলকচু, চেঁচা ডিহিংৰ
মাছৰ হাট বেহাইছিল চৌকিডিঙীৰ প্ৰৌঢ়া
পোহাৰীহঁতে, চঞ্চল কৰি ৰাখিছিল চৌকিডিঙীৰ পথাৰ
খেলুৱৈৰ প্ৰাণচঞ্চল দেহসৌষ্ঠৱ আৰু
গতিময় মনৰ মাধুৰ্যই

ইউকেলিপ্টাচ আৰু চতিয়নাবনত অবিশ্ৰাম তুলিছিল
কলকণ্ঠৰৱ, বসন্তৰ হেটুলকাবোৰে

উদ্দাম যৌৱনৰ প্ৰাণচঞ্চলতাই মুখৰিত কৰি ৰাখিছিল
চহৰৰ ইমূৰ-সিমূৰ, মেডিকেল কলেজ আৰু য়ুনিভাৰচিটী
যৌৱনৰ জ্যোতি, প্ৰজ্ঞা আৰু প্ৰেমে
জ্যোতিষ্মান কৰি ৰাখিছিল জীৱন পাঠশালাৰ শ্ৰেণীকোঠা
আৰু তাৰ উন্মুক্ত প্ৰাঙ্গন । জীৱনৰ গতিসহ ছন্দ মিলাই
আগবাঢ়িছিল শৈশৱ কৈশোৰ যৌৱন প্ৰৌঢ়ত্ব আৰু বাৰ্ধক্যৰ
বিপুল অভিজ্ঞতা । ছাত্ৰ-শিক্ষক, ৰোগী-ডাক্তৰ
বনুৱা-নিবনুৱা, অফিচ একাউনটেন্ট, কেৰাণী-মহৰি
পিয়ন-চাপ্ৰাচী, নগৰপালিকা, পৰিবহণ, অনাতাঁৰ
ইলেকট্ৰিচিটী, পুলিচ প্ৰশাসন, গ্ৰাম্য উন্নয়ন, বিষয়া-অবিষয়া
অভিভাৱক, নাগৰিক, অধিবক্তা, সাংবাদিক, ব্যৱসায়ী
চোৰ অচোৰৰ ভিৰে সজীৱ কৰি ৰাখিছিল চহৰখন
ভাউচাৰ, টেণ্ডাৰ, বিল, দৰমহা, ফাইলৰ সমষ্টি হৈ
গতি কৰিছিল বাৰ্ষিক পৰিকল্পনাবোৰে

বৰষাৰ এই ভাঙো এই ছিঙো স্পাৰৰ মথাউৰিয়ে
সময়ে সময়ে বিবৰ্ণ কৰি তুলিছিল চহৰখন – ঠিক
এডলফিন, ইনছুলিন লোৱা ৰোগীৰ দৰে
সামৰিক বাহিনীৰ নিশ্চিদ্ৰ পহৰাইহে[১] মাথো
সকাহ দিছিল বিবৰ্ণময় চহৰখনক

এইখন চহৰতে এদিন আমি জিৰণি লৈছিলোহি
পান্থশালাত লোৱা জিৰণিৰ দৰে
চহৰখনেও আমাক আশ্ৰয় দিছিল

পান্থশালাৰ সমগ্ৰ সময়ছোৱাই আছিল
ভ্ৰাম্যমান নাটকৰ অস্থায়ী মঞ্চৰ দৰে
অভিনয় উপযোগী ৰঙ বৰণ, পোছাক, মুখা আমাৰ লগত
আছিলেই, প্ৰত্যুৎপন্নমতি ধীৰোদাও নায়কৰ দৰে
অভিনয়ত আমি চং দিছিলো, মুখস্থ মাতিছিলো
জীৱনৰ টোকাবহীৰ কেতবোৰ লাগতিয়াল পদ্য

গতানুগতিক অনুকৰণৰে কৰিছিলো
জীৱনৰ বৃত্তিৰ আবৃত্তি । কৰিছিলো জীৱন বীমাৰ
প্ৰিমিয়াম, মেডিক্লেইম, বেংক ড্ৰাফট্, পে'বিল, ৰেশ্যন কাৰ্ড
ভিৰ কৰিছিলো ৰন্ধন গেছ, কেৰাচিন তেলৰ লাইনত
আৰু সঘনে সলোৱা ষ্টোভৰ ফিটাৰ লগতে
আধুনিক জীৱনৰ ছন্দ মিলাবলৈ খুলিছিলো
টেলিভিশ্যনৰ চেনেল

জীৱনৰ এটা সবাক্ মঞ্চ আছিল শীতাৰ্ত এই
চহৰখন । ইনছুলিন লোৱা ৰোগীৰ দৰে সময়ে সময়ে
ই বিবৰ্ণ হৈ পৰিছিল ঃ "য়ুনিভাৰচিটীলৈ চাইকেল মাৰি
যোৱা অধ্যাপক এইজনেই ! বাগানৰ সেউজীয়াৰ
মাজেৰে গ'লে বহুত সুবিধা বে ঃ !" ধোঁৱাৰ কুণ্ডলী এৰি
বিনন্দৰ দোকানত মন্তব্য ৰাখিছিল কলেজ ফেৰৎ
ডি বৰুৱা ডেকাহঁতে ঃ মই পিছে গৈয়ে আছিলো
উচ্চাৰণ কৰিছিলো স্বগত ঃ
জীৱনৰ পথ অনৰ্থক দীঘল হোৱাতকৈ
চুটি অথচ প্ৰশস্ত হোৱাই হয়তো ভাল

সময়ে সময়ে চহৰখন বিবৰ্ণৰ পৰা বিবৰ্ণতৰ হৈছিল
নিঃফুটমৰা স্তব্ধতাই ফুটগধূলিতে, ৰুটিনমাফিক,
চহৰখনক গ্ৰাস কৰিছিল, নিশাই নিশাই হোৱা
লোড্‌শ্বেডিং-এ চহৰখনক অধিক
জয়াৰ কৰি তুলিছিল
পথ উপপথবোৰেৰে নিঃসঙ্গতা আৰু একাকীত্বৰ বেদনা
সমুদ্ৰ লহৰৰ দৰে অন্ধকাৰে লৈ আহিছিল, কেৱল
জালান বাগিচাৰ পৰা বৈ আহিছিল চতিয়না সুতীব্ৰ ঘ্ৰাণ
আৰু হেটুলুকাবোৰৰ কলকণ্ঠৰৱ, ভূতৰ ওপৰত দানহৰ দৰে
আহিছিল বজৰং, শ্বেৰ-ই-ডিল আৰু অপাৰেচন
ৰাইনো, ........ 'ফুলবাগান'ৰ ফুল কাহানিও নুফুলিছিল
লক্ষীপথাৰ, দৰিকাদলং, গ্ৰীটছাংকো ছাৰ্গেই........ৰাজু বৰুৱা........
মাথোন চৌকিডিঙী পথাৰৰ পলাশ জোপা
জুই ফুলেৰে ফুলিছিল

চহৰখনে অৱশ্যে আমাক আশ্ৰয় দিছিল
সকলো চহৰ সকলো গাওঁ আৰু সকলো মানুহেই দিব পৰা
মানুহৰ আশ্ৰয়ৰ দৰে, সেই আশ্ৰয়তে আমি অতিক্ৰম
কৰিছিলো জীৱনৰ কেইবাটিও ঋতু আৰু তাৰ
পুনৰাবৃত্তি । স্বৰভেদে সময়ে শিকোৱা জীৱনৰ পাঠ
আমি গ্ৰহণ কৰিছিলো
জীৱন পান্থশালাৰ নামো সেয়ে আমি ৰাখিছিলো
'আশ্ৰয়'

কৰ্তব্যৰ বিবেকী আহ্বানে সমুখ সমৰৰ সেনাপতিৰ দৰে
আমাক নিৰ্দেশ দিছিল ঃ 'সময় থাকোতেই
হল্ডঅ'ল[২] খোলা আৰু সময় যদি উকলিল হল্ডঅ'ল বান্ধা'
আমি যান্ত্ৰিকতাৰে খোলা আৰু বন্ধাৰ কাম কৰি গৈছিলো
আমি নাজানিছিলো
চহৰখনৰ কোনেও আনকি চহৰখনেও
আমাক কোৱা নাছিল

জীৱনৰ অন্তিমৰো, অন্তিমতম হল্ডঅ'লটো
ক'তনো আমি বান্ধিম । ❑

---

বিঃ দ্ৰঃ–

১। প্ৰতিটো বাৰিষাকালতে সেনাবাহিনীয়ে স্পাৰৰ মথাউৰি আৰু চহৰখন ৰক্ষাৰ্থে সতৰ্ক পহৰা দিয়ে ।

২। এগৰাকী ভাৰতীয় সাহিত্যিকে মানৱ জীৱনৰ পাতনি আৰু সামৰণিৰ কাৰ্য হল্ডঅ'ল খোলা আৰু বন্ধাৰ সৈতে তুলনা কৰি ৰখা বক্তব্যৰ পৰা 'হল্ডঅ'ল' শব্দটো আহৰণ কৰা হৈছে ।

## গ্ৰন্থজগত

নলিনীধৰ ভট্টাচাৰ্য

# কিশোৰ উপযোগী কল্পবিজ্ঞান

আধুনিক কালত বিজ্ঞান-নিৰ্ভৰ কাহিনী শিশু-সাহিত্যৰ এটা ঘাই অঙ্গ । আধুনিকতাৰ সোৱাদ থকা কল্প-বিজ্ঞানৰ কাহিনীয়ে আজিৰ শিশু আৰু কিশোৰক সহজে মুগ্ধ কৰে । সৰু ল'ৰা-ছোৱালীৰ বাবে ঘাইকৈ পাঁচ বিধৰ বিষয়ক কেন্দ্ৰ কৰি সাহিত্য ৰচনা কৰা হয়, – স্মৃতিচাৰণ, এড্‌ভেঞ্চাৰ, সাধুকথা, গোয়েন্দা কাহিনী আৰু বিজ্ঞান-নিৰ্ভৰ গল্প । অসমীয়া ভাষাত এনেবোৰ প্ৰসঙ্গৰ বিষয়ে শিশু-সাহিত্য নাই বুলিব নোৱাৰি, কিন্তু শিশুৰ মনস্তত্ত্ব অনুযায়ী সেইবোৰ লিখা হৈছে বুলি কোৱা টান । বহুতেই যেনে তেনে গল্প এটা লিখি শেষ কৰে – তাত চুটি গল্পৰ আঙ্গিক যে থাকিব লাগে তালৈ লেখকসকলে বৰকৈ মন-কাণ নিদিয়ে । আধুনিক মানসিকতালৈও চকু দিয়ে বুলি ক'ব নোৱাৰি । বৰ্তমানৰ শিশু আৰু কিশোৰৰ মনস্তত্ত্ব বুজি নিতৌ নতুন ৰচনাৰ প্ৰয়াস কৰা লেখকৰ সংখ্যা অসমীয়া ভাষাত বৰ কম । সংখ্যাত কম হ'লেও, এওঁবিলাকৰ সাহিত্য কৰ্মত কালোপযোগী নতুন আঙ্গিক যোৱা যায় । ডঃ পদ্মপাণিয়ে এনে নতুন আঙ্গিকৰ সন্ধান কৰিছে । 'হাৰ্টিক' নামৰ এই উপন্যাসোপম কাহিনীয়ে তেওঁৰ হাতত, আধুনিক সাধুকথাৰ ৰূপ লৈছে বুলিব পাৰি । 'হাৰ্টিক'ৰ কাহিনীক এটা দীঘল গল্প বুলি ধৰাই ভাল, তাত উপন্যাসৰ আঙ্গিক নাই ।

'হাৰ্টিক' শব্দটোৰ অৰ্থ হৈছে – আনৰ অন্তৰৰ কথা গোপনে ধৰিব পৰা এটা ক্ষুদ্ৰ যন্ত্ৰ বিশেষ । এই যন্ত্ৰটোৰ সহায়তে গল্পৰ নায়ক চন্দনে (এটি কিশোৰ) গোয়েন্দাগিৰি কৰিছে । আমাৰ জনা-শুনাৰ বাহিৰৰ এখন বিচিত্ৰ ৰহস্যময় জগতৰ লগত তাৰ পৰিচয় হৈছে– য'ত বিজ্ঞানেই সৰ্বনিয়ন্তা । বিজ্ঞানৰ সেই দেশ মৰম-চেনেহেৰে ভৰা, পৃথিৱীৰ হিংসা-দ্বেষ, অন্যায়-অনীতি তাত নাই । এইখন বিচিত্ৰ জগতৰ সতেই চন্দনৰ পৰিচয় ঘটিছে । সেই দেশৰ প্লেটি নামৰ ছোৱালী জনীয়েই চন্দনক দিছে হাৰ্টিক নামৰ যন্ত্ৰটো, যাৰ সহায়ত, চন্দনে উৰহী গছৰ ওৰ উলিয়াই পুলিচৰ চাহাব দেউতাকৰ অনুসন্ধান কাৰ্যত সহায় কৰিছে । দেউতাক তিনিবাৰ সমস্যাত পৰিছে । প্ৰথমবাৰ, এজন হত্যাকাৰীৰ শুংসূত্ৰ উলিয়াব নোৱৰা বাবে ওপৰৱালাই তেওঁক 'দায়িত্বহীন' বুলি কৰ্কথনা কৰিছে । দ্বিতীয়বাৰত এজন সৎ আৰু দক্ষ বিষয়াৰ বিৰুদ্ধে কিছুমান মানুহে দুৰ্নীতিৰ অভিযোগ আনি বিষয়াজনক কৌশলেৰে নিলম্বিত কৰালে । বিষয়াজন দেউতাকৰ নলে-গলে-লগা বন্ধু । মিছা অভিযোগৰ পৰা সৎ-বন্ধুক তেওঁ ৰক্ষা কৰিবলগীয়া হ'ল । তৃতীয়তে, চন্দনৰ দেউতাক এবাৰ সন্ত্ৰাসবাদীৰ গুলিত নিজেই পঙ্গু হৈ পৰিল যদিও, চৰকাৰৰ তৰফৰ পৰা সেই সন্ত্ৰাসবাদীক ধৰা পেলাবলৈ তেওঁৰ ওপৰতে ভাৰ দিয়া হ'ল । এই তিনিটা প্ৰসঙ্গত চন্দনে প্লেটিৰ পৰা পোৱা হাৰ্টিক আৰু 'অদৃশ্য হ'ব পৰা শক্তি'ৰ সহায়ত দেউতাকৰ অনুসন্ধান কাৰ্য সফল কৰি তুলিছে । ইয়াৰ উপৰিও এজন অপৰাধীক চন্দনে নিজে পুলিচক গটাই দিবলৈও সমৰ্থ হৈছিল । অপৰাধীজন আছিল বাছৰ সহযাত্ৰী । ঘটনাক্ৰমৰ মাজতে ফৰেন্‌চিক গৱেষণাগাৰৰ অনুপুংখ বিবৰণো পুথিখনত দিয়া হৈছে; তাৰ ৰিভিন্ন বিভাগৰ লগত চন্দনৰ পৰিচয় ঘটিছে । সেই প্ৰসঙ্গতে ফৰেন্‌চিকৰ বৰ্ণনাও দিয়া হৈছে । দেখাত, মূল প্ৰসঙ্গৰ সতে, ফৰেন্‌চিকৰ কথাখিনিৰ সম্পৰ্ক নাই যদিও, কিশোৰজনে ডিটেক্টিভ হোৱাৰ বাসনা পুহিছে, সেইসূত্ৰেই তাৰ কৌতূহল হৈছে – ফৰেন্‌চিকৰ বিষয়ে জানিবলৈ । গোয়েন্দাগিৰিত ফৰেন্‌চিকৰ ভূমিকা অপৰিহাৰ্য ।

পুথিখনৰ বিশেষত্ব হ'ল, ইয়াত চহৰীয়া ল'ৰা চন্দনে বিজ্ঞানৰ সহায়ত, (ইলেক্ট্ৰনিকচ) বিভিন্ন অপৰাধীক কৰায়ত্ত কৰিবলৈ যে সমৰ্থ হৈছে তাৰেই ইঙ্গিত আছে । ৱেলচৰ 'ইনভিজিবোল মেন'ৰ উপাদানো ইয়াত ব্যৱহাৰ কৰা হৈছে । পুথিখন ডিটেক্টিভৰ কাহিনী যেন লাগিব পাৰে, কিন্তু তাৰ লগতে বিজ্ঞান-সম্বন্ধে লেখকৰ কল্পনাও আকৰ্ষণীয় হৈ উঠিছে । কিশোৰ মনত 'হাৰ্টিক নামৰ ইলেক্ট্ৰনিক যন্ত্ৰটোৱে চমকৰ সৃষ্টি কৰিব আৰু চন্দনে বিজ্ঞানৰ সহায়তে অদৃশ্য হৈ ঘূৰি ফুৰা ছবিখনো কিশোৰ মনৰ উপাদেয় খাদ্য হ'ব । গল্পটো বিজ্ঞান-নিৰ্ভৰ; চন্দনৰ কাৰ্য আৰু আচৰণত দুঃসাহসিকতা আৰু বিজ্ঞান মনস্কতা ফুটি উঠিছে । আগ্ৰহী কিশোৰ মনক সিয়েই অনুপ্ৰেৰণা যোগাব ।

গল্পটোৰ সামৰণি কৰুণ হৈ উঠিলহেঁতেন, কাৰণ, অশৰীৰী চন্দন পৃথিৱীৰ পৰা নিৰ্দিষ্ট সময়ত গৈ প্লেটিৰ ওচৰ নেপালে তাৰ মৃত্যু অৱধাৰিত । লেখকে অৱশ্যে, দৃশ্যটো কৰুণ কৰি নুতুলিলে; চন্দনে পৃথিৱীতে প্লেটিহঁতৰ সপোন দেখিলে । সি ক'লে ঃ "জানা প্লেটি, মোৰ অসমতো এদিন বিজ্ঞান আগবাঢ়িব; তোমালোকৰ দৰেই আমাৰ মাজতো হিংসা-দ্বেষ নাথাকিব । থাকিব মাথোন মৰম আৰু ভালপোৱা । কিমান যে তেতিয়া ভাল লাগিব ।" নিজৰ মাতৃভূমি বিজ্ঞানৰ স্পৰ্শেৰে উজ্জ্বল কৰি তোলাৰ এই হেঁপাহে চন্দনৰ চৰিত্ৰক এটা বিশেষত্ব দিছে । কিশোৰ পাঠকে এই কথাটোত ৰস পাব । পুথিখনত যি অশৰীৰী বা অলৌকিক ৰস আছে, সিও কিশোৰ মনক আনন্দ দিব; কিয়নো সিহঁতৰ স্বপ্নময় জগত বিচিত্ৰ কল্পনা আৰু অনুভূতিৰ জগত । তাত ক'তো বিৰোধ নাই ।

পুথিখনিৰ ভাষা মনোজ্ঞ; কাহিনী কষ্টকল্পিত হ'লেও, শেষলৈকে উৎকণ্ঠাই পাঠকক ধৰি ৰাখিব । নিটোল, সুন্দৰ অলংকৰণেৰে পুথিখনি আটকধুনীয়া হৈছে । কিশোৰ পাঠকে হাতত লৈ ভাল পাব ।

**হাৰ্টিক ঃ ডঃ পদ্মপাণি**

প্ৰকাশক ঃ
খগেন্দ্ৰনাৰায়ণ দত্তবৰুৱা
লয়াৰ্ছ বুক ষ্টল ঃ পাণবজাৰ
গুৱাহাটী-১

### বিশেষ দ্ৰষ্টব্য

সূত্ৰধাৰত প্ৰকাশৰ কাৰণে পঠোৱা সকলো প্ৰৱন্ধ সহজে পঢ়িব পৰা গোট গোট আখৰত লেখাটো বাঞ্ছনীয় । প্ৰয়োজনীয় শুধৰণিৰ কাৰণে বাক্যবোৰৰ মাজত কমেও এক চেন্টিমিটাৰ ঠাই ৰখা দৰকাৰ । পঢ়িব নোৱাৰা বা বেয়া আখৰেৰে লেখা কোনো প্ৰৱন্ধ প্ৰকাশৰ কাৰণে বিবেচনা কৰা নহয় ।

# মিত-ভাষ

নগেন শইকীয়া

॥এক॥

অতীতৰ শ্মশানত কাপালিক হৈ মই বহি আছো । সকলো তান্ত্রিক অভিচাৰ মই অভ্যস্তভাবে কৰি গৈছো । মৰা মানুহৰ লাউখোলাত মই মদ্যপান কৰো, শ্মশানৰ অঙঠাত মই মাংস সিদ্ধ কৰো আৰু আঁউসীৰ নিশ্ছিদ্ৰ অন্ধকাৰত মই সমাধিস্থ হওঁ ।

॥দুই॥

সূৰ্যৰ উত্তাপ ক'ত হেৰাল ? শীতৰ অন্ধকাৰ কেনেকৈ নামি আহিল এই ভৰদুপৰত ? যেতিয়া সোণালী পোহৰত মই গা ধুব লাগিছিল, তেতিয়া মই তিতি আছো আন্ধাৰৰ নিয়ৰত । মই নাজানো – কিমান দিন কিমান ৰাতি মই এনেকৈ কটাব লাগিব ।

॥তিনি॥

বিজুলীৰ দৰে শিহৰণ জগোৱা হাঁহিত সাৰ পাই উঠে সমস্ত বিশ্ব-চৰাচৰ । তুচ্ছ হৈ যায় সকলো বন্ধন, সকলো সংস্কাৰ, সকলো প্ৰয়োজন । এই মুহূৰ্তৰ বাবেই যেন জীৱনৰ সকলো আয়োজন পূৰ্ণ হৈ উঠিছে । কিন্তু কিমান সময়লৈ ? এই মুহূৰ্তটোৰ অন্ততেইতো আৰম্ভ হ'ব আকৌ শূন্যতাৰ হাহাকাৰ ।

॥চাৰি॥

মই শব্দ আৰু ছবিবোৰৰ সোঁৱৰণিৰ মাজতে টোপনি যাওঁ আৰু সাৰ পাই থাকো । মোৰ নিদ্ৰা আৰু জাগৰণত কেৱল সিহঁত । সিহঁত মোৰ সুখ আৰু দুখৰ সহচৰ । আনন্দত সিহঁত কাষত থাকে আৰু দুখত সিহঁতে মোৰ চকুপানী মচি দিয়ে । সিহঁতে আন্ধাৰতো মোক লগ এৰি নিদিয়ে ।

॥পাঁচ॥

মোৰ হৃদয় জুৰি এতিয়া দুখৰ বতাহ । তাকে মই উশাহত লৈছো আৰু নিশাহত এৰি দিছো । মোৰ চাৰিওফালৰ বতাহ তপত – মৰুভূমিৰ বতাহৰ দৰে তপত । তাতে মই ছাটি-ফুটি কৰি কাল কটাইছো ।

॥ছয়॥

এতিয়া নিয়ৰ পৰিবলৈ আৰম্ভ কৰিছে । টোপ-টোপকৈ গোট খাইছে মোৰ অভ্যন্তৰত । ভিতৰখন সেইবাবেই চেঁচা হবলৈ আৰম্ভ কৰিছে । সূৰ্যৰ উত্তাপ এতিয়া আৰু ই গ্ৰহণ কৰিব নোৱাৰে । ই ক্ৰমাৎ চেঁচা হ'ব আৰু শিলীভূত হ'ব । তাৰ বাবেই মোৰ এই পদযাত্ৰা ?

॥সাত॥

টুকুৰা-টুকুৰকৈ ভাগিছে ভিতৰখন । ভীষণ শব্দ হৈছে ভগাৰ । মই আন একো শব্দ এতিয়া আৰু শুনা নাই । মই বোধকৰো বধিৰ হৈ গৈছো অথবা শব্দই লাভ কৰিছে তাৰ উচ্চতম ফ্ৰিকুৱেন্সি । মই অনুভৱ কৰিছো – মোৰ ভিতৰত এতিয়া আৰু একোৱেই সম্পূৰ্ণ অৱস্থাত নাই – সকলো ভাগি ছিগি ওলট-পালট হৈ গৈছে ।

॥আঠ॥

প্ৰাপ্তিৰ আকাংক্ষাইতো প্ৰাৰ্থনা হৈ ধৰা দিয়ে । তাৰ কাতৰতাৰ মাজতেইতো মোৰ সময় পাৰ হয় । ........অজানিতে ভৰি পৰেহি দুখৰ পাত্ৰ । উপচি পৰে নীলা বিষ । মোৰ আকাশ-সাগৰ সকলোতে সি বিয়পি পৰে খন্তেকতে । মোক তাৰ মাজত সুমাই লয় আৰু মোক আচ্ছন্ন কৰি তোলে । এনেকৈয়ে পাৰ হয় প্ৰতিটো মুহূৰ্ত ।




# City Handlooms

33, Sarojini Nagar Market
New Delhi
Phone: 607177, 674882

When you visit the capital city,
Please step in at our stall

for

***Bedcovers, Bedsheets, Towels, Mattresses, Curtains, Pillow, Pillow covers, etc. in exclusive design.***